
বিনামূলীয়া পাঠ্যপুথি

# আমি আৰু আমাৰ পৰিৱেশ

## তৃতীয় ভাগ

## পঞ্চম শ্ৰেণীৰ বাবে

X7Y1L7



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ

# নাগৰিক হিচাপে আমাৰ কৰ্তব্যসমূহ

- *সংবিধান মানি চলা আৰু জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা ;*
- *স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা ;*
- *ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষা কৰা ;*
- *দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই দেশৰ প্ৰতি সেৱা আগবঢ়োৱা ;*
- *ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষী মানুহৰ মাজত ভাতৃত্বভাবৰ সৃষ্টি কৰা মহিলাসকলৰ প্ৰতি মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা ;*
- *আমাৰ মূল্যৱান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা ;*
- *বননি, হ্ৰদ, নদ-নদী, বন্যপ্ৰাণী আদিকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াশীল হোৱা ;*
- *বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰা, মানৱতাবোধ ভাবৰ সৃষ্টি কৰা আৰু অনুসন্ধিৎসু তথা সংস্কাৰমূলক মনোভাবৰ বিকাশ সাধন কৰা ;*
- *ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাৰ মনোভাব পৰিত্যাগ কৰা ;*
- *ব্যক্তিগত আৰু সামূহিক সকলো কাম-কাজৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ চেষ্টা কৰা আৰু ৰাষ্ট্ৰই যাতে প্ৰগতিৰ পথত আগুৱাই যাব পাৰে তাৰ ব্যৱস্থা কৰা; আৰু*
- *৬ ৰ পৰা ১৪ বছৰীয়া শিশুক পিতৃ-মাতৃ বা অভিভাৱকে শিক্ষা লাভ কৰাৰ সুবিধা প্ৰদান কৰাটো কৰ্তব্য বুলি বিবেচিত হৈছে।*

**স্মাৰ্টফোনত কিউ.আৰ.ক'ড (QR Code) ব্যৱহাৰৰ জৰিয়তে ডিজিটেল বিষয়বস্তু আয়ত্ত কৰাৰ উপায় ঃ**

দীক্ষা (DIKSHA) এপটো ডাউনলোড কৰক আৰু সদ্য ব্যৱহাৰকাৰী (guest) হিচাপে ব্ৰাউয (browse)ত ক্লিক কৰক।

ছাত্ৰ হিচাপে অব্যাহত থাকিবলৈ ছাত্ৰ (student)ত ক্লিক কৰক।

কিউ. আৰ. ক'ড সম্বলিত চিত্ৰ (icon)ত স্পৰ্শ কৰি পাঠ্যপুথিত থকা কিউ. আৰ. ক'ডৰ ওপৰত আপোনাৰ স্মাৰ্টফোনটো ধৰক।

স্মাৰ্টফোনটো সন্তুলিত অৱস্থাত ৰাখক আৰু কিউ.আৰ.ক'ডত মনোনিৱেশ কৰক।

সম্পূৰ্ণ পৰীক্ষণৰ পাছত ম'বাইল স্ক্ৰীণত কিউ.আৰ.ক'ডৰ লগত সংলগ্ন (link) বিষয়বস্তুৰ ক্ৰম উপলব্ধ হ'ব।

**ডেস্কটপত কিউ.আৰ.ক'ড (QR Code) ব্যৱহাৰৰ জৰিয়তে ডিজিটেল বিষয়বস্তু আয়ত্ত কৰাৰ উপায় ঃ**

কিউ. আৰ. ক'ডৰ নিয়মানুসৰি ডায়েল ক'ডত ছটা অংকবিশিষ্ট ক'ড উপলব্ধ হ'ব।

ব্ৰাউযাৰ (browser)ত গৈ diksha.gov.in/as/get টাইপ কৰক।

চাৰ্চ (search)বাৰত ডায়েল ক'ডটো টাইপ কৰক।

স্ক্ৰীণত উপলব্ধ বিষয়বস্তুৰ ক্ৰম নিৰীক্ষণ কৰক আৰু প্ৰয়োজনীয় বিষয়বস্তু নিৰ্বাচন কৰক।

X7Y1L7



# আমি আৰু আমাৰ পৰিৱেশ

## তৃতীয় ভাগ

## (পাঠ্য তথা অভ্যসন পুথি)

## পঞ্চম শ্ৰেণীৰ বাবে


**প্ৰস্তুতকৰণ**

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**


নাম ঃ ..............................................................................

বিদ্যালয়ৰ নামঃ ..............................................................................

শ্ৰেণী ঃ ..............................................................................


**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**

AMI ARU AMAR PARIBESH : Part-III: A textbook cum workbook for class -V developed by SCERT, Assam, through workshops approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.

FREE TEXTBOOK

---

**All rights reserved** : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

**গ্ৰন্থস্বত্ব** ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**প্ৰথম প্ৰকাশ** ঃ ২০১২ ইং চন
**পৰৱৰ্তী প্ৰকাশ** ঃ ২০১৩-২০২০
**দশম প্ৰকাশ** ঃ ২০২১ (পুনৰীক্ষিত)
**একাদশ প্ৰকাশ** ঃ ২০২২
**দ্বাদশ প্ৰকাশ** ঃ ২০২৩

ঃ 70 GSM **কাগজত মুদ্ৰিত পাঠ্যপুথি।**

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে
অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ
দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

**মুদ্ৰক** ঃ **পি. পি. পাব্লিকেশ্যন এণ্ড গ্ৰাফিকছ্**
**বিৰকুচি, নাৰেঙ্গী, গুৱাহাটী - ৭৮১১৭১**

# শুভেচ্ছাবাণী...

# পাতনি

শিক্ষাৰ গুণগত মান উন্নয়নৰ লক্ষ্যৰে ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’, অসমে ‘ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫’ৰ আধাৰত ২০১০ চনৰ পৰা ২০১২ চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি ‘আমি আৰু আমাৰ পৰিৱেশ’ৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগ প্ৰস্তুত কৰি উলিয়ায়। অসমৰ প্ৰাথমিক বিদ্যালয়সমূহত বৰ্তমানেও এই পাঠ্যপুথিকেইখন প্ৰচলন হৈ আছে। পাঠ্যপুথিকেইখনে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকলৰ মাজত সমাদৰ লাভ কৰিছে বুলি বিভিন্ন সচেতন ব্যক্তিৰ পৰা জানিব পৰা গৈছে।

ইমান বছৰে পাঠ্যপুথিৰ চকুত পৰা ভুল-ত্ৰুটিবোৰ শুধৰণি কৰি পৰৱৰ্তী সংস্কৰণসমূহ সংশোধিত ৰূপত প্ৰকাশ কৰি উলিয়াই থকা হৈছিল।

শেহতীয়াকৈ আমাৰ পৰিৱেশৰ বিভিন্ন প্ৰাকৃতিক, আৰ্থ-সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰসমূহত হোৱা বিভিন্ন পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰি উলিয়াবলৈ পাঠ্যপুথিকেইখনত বিভিন্ন বিষয়বস্তু বা দিশৰ অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰা হৈছিল। তদুপৰি দিল্লীস্থ ‘ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’ৰ দ্বাৰা শ্ৰেণী তথা বিষয় অনুযায়ী চিনাক্ত কৰি উলিওৱা ‘শিকন ফলাফলৰ’ আধাৰতো পাঠ্যপুথিকেইখন পুনৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিল। এনে পটভূমিতে অতি কম সময়ৰ ভিতৰত ৰাজ্যখনৰ শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কেইগৰাকীমান অভিজ্ঞতাপুষ্ট শিক্ষা বিষয়া তথা শিক্ষকৰ সহযোগত পাঠ্যপুথিকেইখন পুনৰীক্ষণ কৰি খচৰা পাঠ লিখি উলিওৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতী, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ ড° জয়দীপ বৰুৱা আৰু ডনবস্কো ইউনিভাৰচিটিৰ ড° সীমান্ত কলিতাদেৱে পাঠ্যপুথিকেইখনৰ খচৰা পাঠসমূহ পুনৰীক্ষণ কৰি পাঠ্যপুথিখনৰ প্ৰস্তুত কাৰ্যক অন্তিম পৰ্যায়ত উপনীত কৰোঁৱাত বহুমূলীয়া অৱদান আগবঢ়ায়। এই সুযোগতে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ লগত শৈক্ষিক বিষয়াসকলৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ পাৰদৰ্শী ব্যক্তিসকলৰ অভিজ্ঞতাও প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইয়াত জড়িত হৈ আছে। এইসকল ব্যক্তিৰ সহযোগিতা অবিহনে পাঠ্যপুথিকেইখন প্ৰস্তুত কৰি উলিওৱাটো সম্ভৱ নহ’লহেঁতেন। এইসকল ব্যক্তিলৈ ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’, অসম (SCERT) ৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, সদাশয় শিক্ষাপ্ৰেমী ৰাইজে পাঠ্যপুথিকেইখনত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটি তথা আসোঁৱাহসমূহ দূৰ কৰাত ভৱিষ্যতলৈ সহায় কৰি যাব বুলি আশা কৰা হ’ল।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

# পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

## উপদেষ্টা

**ড° নিৰদা দেৱী**, সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

## পাঠ্যপুথি প্ৰস্তুতকৰণৰ কৰ্মশালাত অংশগ্ৰহণ কৰা ব্যক্তিসকল

**শ্ৰীপ্ৰদীপ শৰ্মা**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা, অসম

**শ্ৰীমতী কৰবী দাস**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ড° সুষমা মজুমদাৰ**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা

**শ্ৰীমতী ইন্দ্ৰানী বৰগোঁহাই**, জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও

**শ্ৰীমতী ডেইজী গগৈ**, জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**শ্ৰীমতী মিতালী মহন্ত**, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, মিৰ্জা

**শ্ৰীভুবনেশ্বৰ ইংতি**, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**শ্ৰীপ্ৰশান্ত শইকীয়া**, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, অসম

**ড° ৰীতা চৌধুৰী**, সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও

**শ্ৰীমতী মিতালী বৰা**, সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও

## পাঠ পুনৰীক্ষক

**ড° অৱনী কুমাৰ ভাগৱতী,** অধ্যাপক, ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অসম

**ড° জয়দীপ বৰুৱা,** উপ-সঞ্চালক, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, অসম

**ড° সীমান্ত কলিতা**, অধ্যাপক, ডনবস্কো ইউনিভাৰচিটি, অসম

## ভাষা বিশেষজ্ঞ

**জয়ন্ত মাধৱ বৰা**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**ৰূপালী হাজৰিকা বৰুৱা,** অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

## পাঠ সম্পাদনা ও সংকলন

**ড° অজন্তা ব্ৰহ্ম,** যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ড° সুমনা ৰয়,** যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**শ্ৰীমতী বন্দনা দুৱৰী**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

## সমন্বয়ক

**শ্ৰীমতী বৰ্ষা শইকীয়া,** উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

## অলংকৰণ

**শ্ৰীশংকৰ কলিতা**, চিত্ৰ শিল্পী, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**শ্ৰীবিচিত্ৰ শৰ্মা**

## ডি.টি.পি

**শ্ৰীউৎসৱ তালুকদাৰ, শ্ৰীপৰাগ শৰ্মা**

# শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ প্ৰতি

প্ৰাথমিক শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে গুণগত শিকনৰ জৰিয়তে শিশুৰ সৰ্বাংগীণ বিকাশ সাধন। প্ৰতিগৰাকী শিশুৱে যাতে সৰ্বাত্মক বিকাশৰ সুযোগ পায় তাক নিশ্চিত কৰিবলৈ, গুণগত পাঠ্যক্ৰম তথা পাঠ্যপুথি আৰু এটা সুস্থ শৈক্ষিক পৰিৱেশৰ প্ৰয়োজন। এনে পৰিৱেশত শিশুক গুণগত শিক্ষাৰ আদান-প্ৰদান প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৰ গুণগত শিকন প্ৰাপ্তি সম্ভৱ হ'ব। শিক্ষাৰ গুণগত দিশটো সঠিকভাৱে ৰূপায়িত কৰিবলৈ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ (MHRD, Govt. of India) নিৰ্দেশক্ৰমে 'ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ' (NCERT)ৰ তৰফৰ পৰা প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ লগত সংগতি ৰাখি পাঠ্যক্ৰমিক বিষয়ৰ আকাংক্ষিত শিকন ফলাফলসমূহ (Learning outcomes) প্ৰস্তুত কৰি উলিয়াইছে। এই শিকন ফলাফলসমূহে শিক্ষণ-শিকন প্ৰক্ৰিয়াক সঠিক দিশত আগবঢ়াই নিয়াত কেৱল শিক্ষক-শিক্ষয়িত্ৰীসকলকে সহায় নকৰে, বৰঞ্চ বিদ্যালয় শিক্ষাৰ লগত জড়িত সকলো ব্যক্তি তথা অভিভাৱকসকলকো গুণগত শিক্ষা নিশ্চিতকৰণত সজাগ আৰু দায়বদ্ধ কৰি তুলিব।

প্ৰাথমিক স্তৰৰ শিক্ষাত পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক নিজৰ চাৰিওফালৰ বাস্তৱ পৰিৱেশৰ লগত পৰিচয় কৰি দিয়াৰ বিষয়ত গুৰুত্ব দিছে। প্ৰাৰম্ভিক পৰ্যায়ত পৰিৱেশ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক নিজৰ চিনাকি পৰিৱেশৰ পৰা আৰম্ভ কৰি (প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিক সাঙুৰি) নিজৰ ঘৰ, বিদ্যালয় আৰু পৰিয়ালৰ সম্পৰ্কে শিকোৱা আৰু ক্ৰমান্বয়ে বিস্তৃত পৰিৱেশ সম্পৰ্কীয় ধাৰালৈ লৈ যোৱা হয়। পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলক কেৱল নিজৰ পৰিৱেশৰ লগত চিনাকি কৰি দিয়াই নহয়, ই সেই পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি তেওঁলোকক নিজকে খাপ খুৱাই চলিবলৈও শিকায়। পৰিৱেশ অধ্যয়ন শিক্ষণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি শিকন পৰিৱেশ গঢ়ি তোলাটো এটা অতি আৱশ্যকীয় কাম। এই প্ৰক্ৰিয়াত প্ৰত্যক্ষ জ্ঞান, সংজ্ঞা আৰু বৰ্ণনা দিয়াৰ পৰা বিৰত থকাৰ প্ৰয়োজন আৰু তাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীয়ে চৌপাশৰ আন আন লগৰীয়া, অভিভাৱক আৰু প্ৰতিষ্ঠিত ব্যক্তিৰ সৈতে কৰা আদান-প্ৰদানৰ জৰিয়তে নিজা অভিজ্ঞতাৰে ধাৰণা গঠন কৰাৰ পৰিৱেশ এটা সৃষ্টি কৰাহে উচিত।

এই সকলোবোৰ দিশ আগত ৰাখি পৰিৱেশ অধ্যয়নৰ এই পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা-২০০৫' ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ প্ৰয়াস কৰা হৈছে। আশাকৰা হৈছে যে এই পুথিখনিৰ সহায়ত শিকাৰুৱে পৰিৱেশৰ বিষয়ে, পৰিৱেশৰ জৰিয়তে আৰু পৰিৱেশৰ বাবে শিক্ষা লাভৰ সুবিধা পাব। কণ কণ ল'ৰা-ছোৱালীৰ অনুসন্ধিৎসু আৰু সৃজনশীল প্ৰবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত শিশুকেন্দ্ৰিক, আনন্দদায়ক আৰু কাৰ্যভিত্তিক-এই তিনিওধৰণৰ উপাদান পাৰ্যমানে প্ৰতিফলনৰ দিহা কৰা হৈছে। বাস্তৱ পৰিৱেশৰ লগত চিনাকি কৰি দিয়াৰ মানসেৰে নিজে নিজে কৰি, অভিজ্ঞ লোকক সুধি, পাঠ্যপুথিখনৰ লগত তেওঁলোকক জড়িত কৰাবৰ বাবে ইয়াত পদ্য, গদ্য, সাধু আদি পাঠ সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল গুণৰ বিকাশৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপ যেনে-ছবি অঁকা, আৰ্হি বা নমুনা সজা, চিন্তা কৰি লিখা, বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰা আদি কাৰ্য পাঠ্যপুথিখনত অন্তৰ্ভুক্ত কৰা হৈছে। অবিৰত মূল্যায়নৰ উদ্দেশ্য আগত ৰাখি পাঠসমূহত দলগত কাৰ্য, প্ৰকল্প, নিজে চিন্তা কৰি লিখা আদি ক্ৰিয়া-কলাপৰো অৱতাৰণা কৰা হৈছে। পৰিৱেশ অধ্যয়ন শিক্ষণৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল—

**ক্ৰিয়া-কলাপ ঃ** পাঠত অন্তৰ্নিহিত হৈ থকা শিকন ফলাফলসমূহ যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে তাৰ বাবে পাঠৰ মাজে মাজে '➤' চিহ্নৰে কিছুমান কাৰ্য দলগত বা ব্যক্তিগতভাৱে কৰিবলৈ দিয়া হৈছে। এই কামবোৰ কৰোঁতে প্ৰয়োজনসাপেক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে সহায় আগবঢ়াব।

এই শিতানত থকা ক্ৰিয়া-কলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি ওপৰঞ্চি ক্ৰিয়া-কলাপ কৰোৱাটো বাঞ্ছনীয়।

**জানি লওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে 'জানি লওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সংগতি থকা অতি প্ৰয়োজনীয় আনুষংগিক কিছু কথাৰ আভাস দিয়া হৈছে। ইয়াৰ জৰিয়তে পাঠৰ বিষয়বস্তুসমূহৰ ধাৰণা স্পষ্ট হোৱাৰ উপৰি পাঠৰ লগত সংগতি থকা কিছু ওপৰঞ্চি জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি ধাৰণা কৰা হৈছে।

**মানচিত্ৰ/ছবি ঃ** পৰ্যৱেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে, যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

মানচিত্ৰ পৰ্যৱেক্ষণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক সাংকেতিক চিহ্ন, দিশকেইটা, ৰাজ্য বা জিলাখনৰ মানচিত্ৰত উল্লেখ থকা চাৰিসীমা, সদৰ ঠাই আদি প্ৰয়োজনীয় তথ্যসমূহ অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিব। মন কৰিবলগীয়া যে পাঠ্যপুথিত উল্লেখ কৰা তথ্য আৰু মানচিত্ৰসমূহেই ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণৰ বাবে যথেষ্ট নহয়। গতিকে শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাৰতৰ, অসমৰ আৰু জিলাসমূহৰ মানচিত্ৰ উপস্থাপনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অধিক শিকনৰ সুবিধা দিয়াটো বাঞ্ছনীয়।

**অনুশীলনী ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে।

**শিকন ফলাফল ঃ** পাঠসমূহৰ শেহৰফালে পাঠভিত্তিক শিকন ফলাফলসমূহ দাঙি ধৰা হৈছে। ফলপ্ৰসূ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ জৰিয়তে এই আকাংক্ষিত শিকন ফলাফলসমূহ ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব বুলি আশা কৰা হৈছে। তাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলোৱে যত্ন কৰিব লাগিব।

শিকন পৰিৱেশত বিশেষভাৱে সক্ষম আৰু অনগ্ৰসৰ শিকাৰুকে ধৰি প্ৰতিজন শিকাৰুৱে নিৰীক্ষণ কৰা, নিজক প্ৰকাশ কৰা, আলোচনা কৰা, প্ৰশ্ন সোধা, জটিল চিন্তা কৰা, কথা কোৱা বা লিখা, বিশ্লেষণ কৰা আদি কাৰ্যত অংশগ্ৰহণ কৰিবলৈ যাতে সুবিধা পায় তাক নিশ্চিত কৰাৰ প্ৰয়োজন।

# সূচীপত্ৰ




| পাঠ নং | পাঠৰ নাম | পৃষ্ঠা |
|---|---|---|
| ১ | আমাৰ পৰিৱেশ | ১-৮ |
| ২ | জীৱ আৰু পৰিৱেশ | ৯-১৫ |
| ৩ | বতৰ | ১৬-২২ |
| ৪ | জীৱন ধাৰণৰ প্ৰণালী | ২৩-৩১ |
| ৫ | আহাৰৰ প্ৰয়োজনীয়তা | ৩২-৩৮ |



















| | | |
|---|---|---|
| ৬ | অসমৰ প্ৰাকৃতিক সম্পদ আৰু সংৰক্ষণ | ৩৯-৪৮ |
| ৭ | অসমৰ সংস্কৃতি | ৪৯-৫৭ |
| ৮ | দুৰ্যোগ আৰু আমি | ৫৮-৬৭ |
| ৯ | পৰিৱেশ প্ৰদূষণ | ৬৮-৭৫ |
| ১০ | আমাৰ উদ্যোগসমূহ | ৭৬-৮৩ |
| ১১ | আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ | ৮৪-৯০ |



| | | |
|---|---|---|
| ১২ | আমাৰ দেশ | ৯১-১০০ |
| ১৩ | ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম | ১০১-১০৬ |
| ১৪ | আমাৰ সামাজিক সমস্যা | ১০৭-১১৪ |
| ১৫ | আমাৰ দৈনন্দিন জীৱনত প্ৰযুক্তি | ১১৫-১২০ |
| ১৬ | আমাৰ চুবুৰীয়া ৰাজ্যসমূহ | ১২১-১২৯ |














D3Q3H2

# পাঠ - ১
# আমাৰ পৰিৱেশ

পৰিৱেশ বুলিলে আমাৰ চাৰিওফালে থকা বায়ু, পানী, মাটি, উদ্ভিদ, প্ৰাণী আদি সকলোকে বুজা যায়। এইবোৰ নোহোৱাকৈ আমি জীয়াই থাকিব নোৱাৰোঁ। জীয়াই থাকিবলৈ সকলো জীৱকে এটা উপযুক্ত প্ৰাকৃতিক পৰিৱেশৰ প্ৰয়োজন। এটা উপযুক্ত পৰিৱেশতহে জীৱৰ সৃষ্টি, বৃদ্ধি আৰু বিকাশ ঘটিব পাৰে। সৌৰজগতৰ গ্ৰহবিলাকৰ ভিতৰত আমাৰ পৃথিৱীতহে এনে পৰিৱেশ আছে।

আমাৰ চৌপাশ বায়ু, পানী, মাটি, পৰ্বত-পাহাৰ, নৈ, জান-জুৰি আদিৰে পৰিপূৰ্ণ। তদুপৰি বিভিন্ন অঞ্চলত বহুতো গছ-গছনি চৰাই-চিৰিকটি, কীট-পতংগ আদিও আছে। এই সকলোবোৰ আমাৰ পৰিৱেশৰ উপাদান। এই সকলো উপাদান লগ লাগি আমাৰ চৌপাশৰ প্ৰাকৃতিক পৰিৱেশটো গঢ় লৈ উঠিছে। জীয়াই থাকিবলৈ মানুহক বায়ু, পানী, মাটি আদিৰ লগতে উদ্ভিদ আৰু আন প্ৰাণীবো আৱশ্যক। পৰিৱেশৰ সকলো উপাদানেই পৰস্পৰে পৰস্পৰৰ লগত সম্বন্ধ স্থাপন কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি আছে।

**প্ৰাকৃতিক পৰিৱেশৰ উপাদানবোৰক দুটা ভাগত ভগাব পাৰি। যেনে- জৈৱিক উপাদান আৰু অজৈৱিক উপাদান। বায়ু, পানী, মাটি, নৈ, জান-জুৰি, পৰ্বত-পাহাৰ আদি হৈছে পৰিৱেশৰ একো একোটা অজৈৱিক উপাদান। আনহাতে উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, কীট-পতংগ, অণুজীৱ আদি হৈছে পৰিৱেশৰ জৈৱিক উপাদান।**

**দলত আলোচনা কৰি লিখা—**

➢ পৰিৱেশৰ এই উপাদানসমূহ আমাৰ কি কি কামত লাগে?

| পৰিৱেশৰ উপাদান | কি কি কামত লাগে |
|---|---|
| ১। বায়ু | |
| ২। পানী | |
| ৩। গছ-গছনি | |
| ৪। মাটি | |
| ৫। প্ৰাণী | |

কোনো ঠাইৰ প্ৰাকৃতিক পৰিৱেশৰ উপাদান বুলিলে জৈৱিক আৰু অজৈৱিক এই দুটা উপাদানকে বুজায়। আমাৰ চৌপাশে থকা এই জৈৱিক আৰু অজৈৱিক উপাদানসমূহে প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি কৰে। 'জলাহভূমি' বা 'আৰ্দ্ৰভূমি' হৈছে প্ৰাকৃতিক পৰিৱেশৰ এক উত্তম উদাহৰণ। কিয়নো পানী আৰু মাটি এই দুই প্ৰধান উপাদানেৰে ইয়াৰ পৰিৱেশ গঢ় লৈ উঠে। এই উপাদান দুটা থাকে বাবেই জলাহ ভূমি বিভিন্ন ধৰণৰ উদ্ভিদ, প্ৰাণী আৰু অণুজীৱৰ আবাসভূমি।

সাধাৰণতে সাময়িকভাৱে বা স্থায়ীভাৱে জলমগ্ন হৈ থকা মাটিভাগেই হ'ল জলাহভূমি।



*জলাহভূমি*

**পৰিৱেশৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰোঁ আহা-**

**উদ্ভিদ** হ'ল প্ৰাকৃতিক পৰিৱেশৰ মুখ্য উপাদান। প্ৰকৃতিত কেৱল উদ্ভিদেহে নিজৰ খাদ্য প্ৰস্তুত কৰিব পাৰে। মানুহৰ দৰে সকলোবোৰ জীৱই খাদ্যৰ বাবে উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল। আমি সচৰাচৰ দেখি থকা বৃক্ষ, গুল্ম, লতা আৰু তৃণজাতীয় উদ্ভিদৰ উপৰি আমাৰ চৌপাশে আৰু কিছুমান জীৱ আছে। সেইবোৰ হ'ল— শেলাই, ভেঁকুৰ, মচ আৰু ঢেঁকীয়া।



*ভেঁকুৰ*




*শেলাই*



*মচ*

সকলো পৰিৱেশত একেধৰণৰ উদ্ভিদ পোৱা নাযায়। ভিন ভিন পৰিৱেশত উদ্ভিদ ভিন ভিন হয়।



*বনাঞ্চল*

পৃথিৱীৰ কিছুমান অঞ্চলত প্ৰচণ্ড গৰম আৰু গোটেই বছৰে অধিক বৰষুণ হয়। এই অঞ্চলবোৰ ওখ, শকত, টান আৰু অধিক ঠাল-ঠেঙুলিযুক্ত বৃক্ষজাতীয় উদ্ভিদেৰে ভৰি থাকে।

তৃণভূমি অঞ্চলত বৃহৎ এলেকাজুৰি ঘাঁহনি দেখিবলৈ পোৱা যায়। ঘাঁহবোৰৰ শিপাবোৰ দীঘল আৰু বহুতো ঠাই জুৰি বিস্তৃত হৈ থাকে।

পানীত ওপঙি থকা পুণী, মেটেকা আৰু পানী যুৰলিত গজা নল-খাগৰি, ইকৰা, তৰা, দলঘাঁহ, কলমৌ, বিভিন্ন ধৰণৰ কচু, ঢেঁকীয়া, বিহলঙনী আদি **জলাহভূমিত** হোৱা উদ্ভিদ। পানী আৰু মাটি- এই দুটা প্ৰধান উপাদানেৰে ইয়াৰ পৰিৱেশ গঢ়ি উঠে।



*মেটেকা*

পুখুৰী, নিজৰা আদিত জেলিৰ নিচিনা সেউজীয়া আৱৰণ এটা ওপঙি থকা দেখিছানে? এইবোৰ হ'ল **শেলাই**। সেউজীয়া হোৱা বাবে ইহঁতে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব পাৰে। পচা কাঠ, গোবৰ আদিত বেংছতাৰ দৰে **ভেঁকুৰ** গজা দেখা যায়। ইহঁত পাতল হালধীয়া, বগা বা মুগা বৰণৰ। পত্ৰহৰিৎ নথকা বাবে ইহঁতে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব নোৱাৰে। শেলাই আৰু ভেঁকুৰৰ শিপা, কাণ্ড আৰু পাত নাথাকে।

শিল, ডাঙৰ গছ, সেমেকা মাটি আদিত সেউজীয়া দলিচাৰ নিচিনা এটা আৱৰণ দেখিছানে? এইবোৰ হ'ল **মচ**। ইহঁতৰ পাত আছে আৰু দেখাত চেপেটা। মাটিত খামুচি ধৰিবলৈ ইহঁতৰ কিছুমান চুলিৰ নিচিনা অংশ থাকে। সেমেকা ঠাইত গজা আন এবিধ উদ্ভিদ হ'ল **ঢেঁকীয়া**। ইহঁতৰ মূল, কাণ্ড আৰু পাত থাকে।



*ঢেঁকীয়া*

**মৰুভূমিত** কেক্‌টাছ জাতীয় উদ্ভিদ হয়। এই উদ্ভিদবোৰৰ শিপা বৰ দীঘল হোৱাৰ বাবে মাটিৰ বহু তললৈ গৈ পানী শোষণ কৰিব পাৰে। কেক্‌টাছৰ গা-গছ মঙহাল হয় বাবে পানী সঞ্চয় কৰি ৰাখিব পাৰে। গা-গছ সেউজীয়া হোৱাৰ বাবে খাদ্য প্ৰস্তুত কৰিব পাৰে। কেক্‌টাছবোৰ কাঁইটীয়া হোৱাৰ বাবে প্ৰাণীয়ে খাব নোৱাৰে। এই কাঁইটবোৰে উদ্ভিদবোৰক মৰুভূমিত বলা বালিৰ ধুমুহাৰ পৰাও ৰক্ষা কৰে।



*কেক্‌টাছ*

পৃথিৱীৰ কিছুমান অঞ্চল অতি শীতল। পৃথিৱীৰ একেবাৰে উত্তৰ আৰু দক্ষিণ অংশ বছৰৰ বেছিভাগ সময়েই বৰফেৰে ঢাক খাই থাকে। পৃথিৱীৰ এই অঞ্চল দুটাক **মেৰু অঞ্চল** বোলে। এই অঞ্চলত গছ-গছনি বৰ কম। গৰমৰ দিনত যেতিয়া বৰফবোৰ গলি যায়, তেতিয়া এই অঞ্চলৰ মাটিত মচ, শেলাই, লাইকেন আৰু সৰু সৰু তৃণজাতীয় উদ্ভিদ গজে।



*মচ*

➢ তোমালোকৰ অঞ্চলত পোৱা বিভিন্ন ধৰণৰ উদ্ভিদৰ নাম লিখি এখন তালিকা প্ৰস্তুত কৰা।

**চিন্তা কৰি কোৱা-**

আমাৰ পৰিৱেশত যদি গছ-গছনিবোৰ নোহোৱা হৈ যায়, তেতিয়া কি হ'ব?

পৰিৱেশৰ আন এবিধ গুৰুত্বপূৰ্ণ উপাদান হ'ল **প্ৰাণী**। ভিন ভিন পৰিৱেশত ভিন ভিন প্ৰাণীয়ে বাস কৰে।

জলাহভূমি আৰু ইয়াৰ কাষৰীয়া অঞ্চলত নানা ধৰণৰ ভেকুলী, সাপ, শামুক, পোক-পতংগ, পানী মকৰা, কেঁকোৰা আদি প্ৰাণী থাকে। ইয়াত বহুতো অণুজীৱও থাকে। ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত থকা ডাঙৰ ডাঙৰ গছবোৰত বগলী, হাড়গিলা, বৰটোকোলা, কণামুচৰি, পানী কাউৰী, মাছৰোকা, চিলনী আদি চৰাই থাকে। খাদ্যৰ বাবে জলাহভূমিৰ প্ৰাণীবোৰে পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰে।



*উট*

উট মৰুভূমিৰ প্ৰধান প্ৰাণী। ইয়াৰ উপৰি সাপ, মকৰা আদিও মৰভূমিত থাকে। উটৰ দেহৰ গঠন মৰুভূমিৰ পৰিৱেশত খাপ খাব পৰাকৈ গঠিত। অৰ্থাৎ, ইহঁতে মৰুভূমিৰ প্ৰচণ্ড গৰম আৰু পানীৰ অভাৱ সহ্য কৰিব পাৰে।

মেৰু অঞ্চল অতিশয় শীতল আৰু বৰফেৰে ভৰা। এনে শীতল পৰিৱেশতো কিছুমান প্ৰাণী জীয়াই থাকে। সেইবোৰ হ'ল বগা ভালুক, পেংগুইন, বল্গা হৰিণ, য়াক আদি।



*ছীল*

**বগা ভালুক** হ'ল এই অঞ্চলৰ প্ৰধান প্ৰাণী। ইহঁতৰ দীঘল আৰু ঘন নোমেৰে ঢকা গাৰ ছালখনে ইহঁতক জাৰৰ পৰা ৰক্ষা কৰে। ইহঁতে মাছ, ছীল আদি খাই জীয়াই থাকে।



*বগা ভালুক*

এই অঞ্চলৰ আন এবিধ প্ৰাণী হ'ল **পেংগুইন**। এবিধ বৰফত থকা চৰাই। ইহঁতৰ গাটো সৰু সৰু পাখিৰে আৱৰা। ডেউকা দুখন সৰু হোৱা বাবে পেংগুইনে উৰিব নোৱাৰে। কিন্তু ইহঁতে সাঁতুৰিব আৰু খোজকাঢ়িব পাৰে। সাগৰত থকা সৰু মাছ ইহঁতৰ খাদ্য।



*বল্গা হৰিণ*




*পেংগুইন*

**বল্গা হৰিণ** সাত ফুট পৰ্যন্ত ওখ হয়। ইহঁতৰ দীঘল আৰু শাখা-প্ৰশাখাযুক্ত শিং থাকে। এই অঞ্চলৰ আন এবিধ প্ৰাণী হ'ল য়াক, ইয়াৰ দেহটো দীঘল নোমেৰে আৱৰা।



*য়াক*

তৃণভূমি অঞ্চলত হাতী, গঁড়, হৰিণা, জেব্ৰা, জিৰাফ আদি তৃণভোজী প্ৰাণী থাকে। এইবোৰ অঞ্চলত বাঘ, সিংহ আদি মাংসভোজী প্ৰাণীও থাকে। অসমৰ অৰণ্যত হাতী, গঁড়, হৰিণা, বাঘ, ভালুক আদি প্ৰাণী পোৱা যায়। বিভিন্ন পৰিৱেশত খাপ খাব পৰাকৈ প্ৰাণীৰ শৰীৰৰ গঠন ভিন ভিন হয়। পৰিৱেশ অনুযায়ী প্ৰাণীয়ে নিজৰ নিজৰ খাদ্য বিচাৰি লয়।



*তৃণভূমিৰ প্ৰাণী*


**চিন্তা কৰি লিখা -**

- তৃণভূমি অঞ্চলত তৃণভোজী প্ৰাণীসমূহে কিয় জাক পাতি থাকে ?

**দলত আলোচনা কৰি লিখা-**

- তোমালোকৰ অঞ্চলত কি কি প্ৰাণী আৰু উদ্ভিদ আছে ?

বেক্টেৰিয়া, ভাইৰাছ আদি জীৱ ইমানেই ক্ষুদ্ৰ যে খালী চকুৰে ইহঁতক দেখা পোৱা নাযায়। এইবোৰক অণুবীক্ষণ যন্ত্ৰৰ সহায়তহে দেখা যায়। সেয়েহে ইহঁতক **অণুজীৱ** বোলে। ইহঁত বায়ু, পানী, মাটি সকলোতে থাকে। কিছুমান বেক্টেৰিয়াই মৃত উদ্ভিদ বা প্ৰাণীৰ পচন ঘটাই পচন সাৰ তৈয়াৰ কৰে।



*বেক্টেৰিয়া, ভাইৰাছ*

**উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, কীট-পতংগ, অণুজীৱ আদি হৈছে পৰিৱেশৰ জৈৱিক উপাদান।**

- বিভিন্ন পৰিৱেশৰ প্ৰাণীৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা (শিক্ষকৰ সহায়ত)।

আমাৰ চাৰিওফাল বায়ুৰে আৱৰি আছে। **বায়ু** থকাৰ বাবে আমাৰ পৃথিৱীখন উদ্ভিদ, প্ৰাণী আৰু মানুহৰ বসবাসৰ উপযোগী হৈছে; সেয়েহে বায়ু হ'ল পৰিৱেশৰ এটা গুৰুত্বপূৰ্ণ উপাদান। বায়ু কেইবাবিধো গেছৰ সমষ্টি। বায়ুত নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড থকাৰ উপৰি জলীয় বাষ্প আৰু আন আন গেছ কম পৰিমাণে থাকে।

**পানী** বা জলভাগ হ'ল পৰিৱেশৰ এবিধ অতি প্ৰয়োজনীয় অজৈৱিক উপাদান। পৃথিৱীৰ মুঠ পানীৰ বেছিভাগেই হৈছে সাগৰ আৰু মহাসাগৰৰ। ইয়াৰ উপৰি বৰফুণ, হ্ৰদ, খাল-বিল, পুখুৰী, নদ-নদী, জান-জুৰি, ভূ-গৰ্ভৰ পানী আদি হ'ল পানীৰ একো একোটা উৎস। পানীৰ অবিহনে কোনো জীৱ জীয়াই থাকিব নোৱাৰে।



**মাটি** পৰিৱেশৰ এক অপৰিহাৰ্য উপাদান। সকলো ঠাইৰে মাটিৰ গুণাগুণ একে নহয়। কিছুমান মাটি উৰ্বৰ আৰু কিছুমান অনুৰ্বৰ। মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বিভিন্ন খেতি কৰা হয়। উদ্ভিদ আৰু প্ৰাণীৰ বাবে মাটি অপৰিহাৰ্য। মাটিৰপৰা উদ্ভিদে প্ৰয়োজনীয় পানী আৰু খনিজ লৱণ গ্ৰহণ কৰে।

**পোহৰ** পৰিৱেশৰ আন এটা অজৈৱিক উপাদান। উদ্ভিদে খাদ্য প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা এটা মুখ্য উপাদান হ'ল সূৰ্যৰ পোহৰ। এই সূৰ্যৰ পোহৰক শক্তি হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াক আমি সৌৰশক্তি বুলি কওঁ। সৌৰশক্তিক কয়লা, খাৰুৱা তেল, খৰি আদিৰ বিকল্প ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।



*সূৰ্যৰ পোহৰ*

**বায়ু, মাটি, পানী, সূৰ্যৰ পোহৰ আদি আমাৰ পৰিৱেশৰ অজৈৱিক উপাদান।**

**দলত আলোচনা কৰি লিখা-**

➢ পানী, মাটি আৰু বায়ু আমাৰ কি কি কামত লাগে প্ৰত্যেকৰে দুটাকৈ উদাহৰণ দিয়া।

প্ৰাচীন কালত মানুহে প্ৰাকৃতিক পৰিৱেশতেই নিজকে খাপ খুৱাই চলিছিল। প্ৰকৃতিৰপৰা পোৱা গছৰ ফল-মূল খাইছিল, গছৰ বাকলি পিন্ধিছিল আৰু গুহা বা গছৰ খোৰোং আদিত বাস কৰিছিল। কিন্তু সময়ৰ লগে লগে মানুহৰ প্ৰয়োজন বাঢ়ি আহিল। মানুহে খেতি কৰিবলৈ আৰম্ভ কৰিলে, ঘৰ-দুৱাৰ সাজিবলৈ শিকিলে। অধিক উৎপাদন কৰি বিভিন্ন উদ্যোগ গঢ়ি তুলিলে। তদুপৰি যোগাযোগ আৰু যাতায়াত ব্যৱস্থাও সুচল কৰি তুলিলে। প্ৰাকৃতিক পৰিৱেশৰ উপাদান, অৰ্থাৎ সম্পদসমূহ ব্যৱহাৰ কৰি ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, দলং, উদ্যান আদি নিৰ্মাণ কৰিলে। এনেকৈ মানুহে নিজৰ প্ৰয়োজন অনুসৰি নতুন কৌশল প্ৰয়োগ কৰি নিৰ্মাণ কৰি যোৱাৰ ফলত কৃত্ৰিম পৰিৱেশৰ সৃষ্টি হয়। এইবোৰেই হৈছে **মানৱসৃষ্ট পৰিৱেশৰ উপাদান**।

**মানৱসৃষ্ট পৰিৱেশৰ বিভিন্ন সামগ্ৰীসমূহ প্ৰাকৃতিক পৰিৱেশৰ উপাদানবোৰৰ পৰাই তৈয়াৰ কৰা হয়। উদাহৰণস্বৰূপে, ৰাস্তা-ঘাট সাজিবলৈ প্ৰয়োজন হোৱা শিল, বালি, আল্‌কতৰা আদি প্ৰকৃতিৰ একো একোটা উপাদান। মানুহৰ এই কাৰ্যৰ ফলত এফালে মানৱসৃষ্ট পৰিৱেশৰ উন্নতি হৈছে যদিও আনফালে প্ৰাকৃতিক উপাদানসমূহৰ অত্যধিক ব্যৱহাৰে সংকটৰ সৃষ্টি কৰিছে।**



*প্ৰাকৃতিক পৰিৱেশ*



*মানৱসৃষ্ট পৰিৱেশ*

- ওপৰৰ ছবি দুখন ভালদৰে পৰ্যৱেক্ষণ কৰি প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশৰ মাজত কি কি পাৰ্থক্য দেখিছা লিখা।

প্ৰাকৃতিক আৰু মানৱ সৃষ্ট পৰিৱেশৰ মাজত এক সঠিক ভাৰসাম্য ৰক্ষা কৰাটো অতি প্ৰয়োজন। আমি প্ৰাকৃতিক পৰিৱেশৰ সম্পদসমূহ উচিত ব্যৱহাৰ কৰিলেহে এটা সুস্থ পৰিৱেশ গঢ়ি উঠিব। সেইবাবে আমি আমাৰ প্ৰাকৃতিক সম্পদসমূহৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণ কৰি আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে চিন্তা কৰা উচিত।

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) পৰিৱেশৰ জৈৱিক উপাদানকেইটাৰ নাম কি কি ?

(খ) পেংগুইন চৰাইৰ গাৰ গঠন কেনেকুৱা ?

(গ) জলাহ অঞ্চল কাক বোলে ?

(ঘ) পৰিৱেশৰ অজৈৱিক উপাদানসমূহ কি কি ?

(ঙ) মানৱসৃষ্ট পৰিৱেশ বুলিলে কি বুজা ?

(চ) মৰুভূমিত কি কি প্ৰাণী আৰু উদ্ভিদ পোৱা যায় ? এটাকৈ উদাহৰণ দিয়া।

(ছ) পৰিৱেশত পোহৰৰ ভূমিকা কি ?

২। খালী ঠাই পূৰ কৰা —

(ক) ——— মৰুভূমিৰ প্ৰধান প্ৰাণী।

(খ) বগা ভালুক ——— অঞ্চলত থাকে।

(গ) তৃণভূমি অঞ্চলত বৃহৎ এলেকাজুৰি ——— পোৱা যায়।

(ঘ) মৰুভূমিত——— জাতীয় উদ্ভিদ হয়।

(ঙ) পোহৰ পৰিৱেশৰ এটা ———— উপাদান।

৩। তলৰ উক্তিসমূহ শুদ্ধ কৰি লিখা —

(ক) বগা ভালুক/হৰিণা/ জেব্ৰা মেৰু অঞ্চলৰ প্ৰাণী।

(খ) ছীল/বল্গা হৰিণ/য়াকৰ দীঘল আৰু শাখা-প্ৰশাখাযুক্ত শিং থাকে।

(গ) জিৰাফ/সিংহ/বাঘ এবিধ তৃণভোজী প্ৰাণী।

৪। চমুটোকা লিখা— জলাহভূমি, অণুজীৱ, পানী আৰু বায়ু

৫। এটা প্ৰাকৃতিক দৃশ্যৰ ছবি আঁকা।

♣ ♣ ♣ ♣ ♣

Y1Y7H9

## পাঠ-২
# জীৱ আৰু পৰিৱেশ


আমাৰ চাৰিওফালে থকা বায়ু, পানী, মাটি, সূৰ্যৰ তাপ, পোহৰ, উদ্ভিদ আৰু প্ৰাণী এই সকলো লগ হৈ প্ৰাকৃতিক পৰিৱেশ গঠিত হৈছে। এই সকলোবোৰেই হৈছে পৰিৱেশৰ একো একোটা উপাদান। এই উপাদানবোৰৰ ভিতৰত বায়ু, পানী, মাটি, সূৰ্যৰ তাপ, পোহৰ আদি হৈছে অজৈৱিক উপাদান। আনহাতে উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, অণুজীৱ আদি হৈছে পৰিৱেশৰ জৈৱিক উপাদান। আমাৰ পৰিৱেশ নিয়াৰিকৈ চলিবলৈ প্ৰত্যেকবিধ জৈৱিক আৰু অজৈৱিক উপাদানৰ নিজা ভূমিকা আছে।


*সালোক-সংশ্লেষণ*

সেউজীয়া উদ্ভিদৰ পাতত থকা হৰিৎকণাই সৌৰশক্তি আহৰণ কৰিব পাৰে। উদ্ভিদে বায়ুৰপৰা কাৰ্বন-ডাই-অক্সাইড আৰু শিপাই মাটিৰপৰা পানী শোষণ কৰি লয়। হৰিৎকণাই আহৰণ কৰা সৌৰশক্তিৰ সহায়ত কাৰ্বন-ডাই-অক্সাইড আৰু পানীৰ মাজত বিক্ৰিয়া ঘটি উদ্ভিদৰ পাতত খাদ্য প্ৰস্তুত হয়। পাতে খাদ্য প্ৰস্তুত কৰা এই প্ৰক্ৰিয়াটো হৈছে সালোক সংশ্লেষণ। নিজৰ আহাৰ নিজে তৈয়াৰ কৰি ল'ব পাৰে বাবে উদ্ভিদবোৰ হৈছে উৎপাদক। উদ্ভিদে খাদ্য প্ৰস্তুত কৰোঁতে পৰিৱেশৰ অজৈৱিক উপাদান, যেনে— বায়ু, পানী আৰু সৌৰশক্তি ব্যৱহাৰ কৰে।

উদ্ভিদে খাদ্য প্ৰস্তুত কৰিবৰ বাবে বায়ু, পানী আৰু সৌৰশক্তিৰ ওপৰত নিৰ্ভৰ কৰে। উদ্ভিদে খাদ্য প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত উৎপন্ন হোৱা অক্সিজেন বায়ুমণ্ডললৈ এৰি দিয়ে। এনেদৰে একেটা পৰিৱেশত থাকি জৈৱিক আৰু অজৈৱিক উপাদানসমূহে পৰস্পৰ নিৰ্ভৰশীল হৈ দ্ৰব্যৰ আদান-প্ৰদান কৰাৰ ফলত এটা পৰিস্থিতি তন্ত্ৰ গঠন হয়।

> জৈৱিক আৰু অজৈৱিক উপাদানসমূহৰ পৰস্পৰ নিৰ্ভৰশীলতাৰ ফলত পৰিস্থিতি তন্ত্ৰ গঠন হয়।


ঘাঁহ → ফৰিং → ভেকুলী → সাপ → শেন

জীৱবিলাকৰ ইটোৱে-সিটোক খাদ্য হিচাপে গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, ঘাঁহক ফৰিঙে খায়, ফৰিঙক ভেকুলীয়ে খায়, ভেকুলীক সাপে খায়, সাপক শেন চৰায়ে খায়। এনেদৰে জীৱসমূহক শৃংখলিতভাৱে সজাব পাৰি। কাষৰ ছবিখনলৈ মন কৰা। এনেদৰে খাদ্যৰ বাবে ইটোৱে-সিটোৰ ওপৰত নিৰ্ভৰ কৰি খাদ্যশৃংখল গঠন কৰে।

খাদ্যশৃংখলৰ আৰম্ভণিতে সদায় উদ্ভিদ থাকে। উদ্ভিদক তৃণভোজী প্ৰাণীয়ে খায় বাবে উদ্ভিদৰ পিছত সদায় তৃণভোজী প্ৰাণী থাকে। তৃণভোজী প্ৰাণীক মাংসভোজী প্ৰাণীয়ে খায় বাবে খাদ্যশৃংখলটোত তৃণভোজী প্ৰাণীৰ পিছতে মাংসভোজী প্ৰাণী থাকে। এই প্ৰক্ৰিয়াটো হৈছে সচৰাচৰ ঘটি থকা এটা প্ৰাকৃতিক ঘটনা। সকলোবোৰ প্ৰাণীয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জীয়াই থাকিবলৈ উদ্ভিদৰ পৰা খাদ্য পায়। প্ৰাণীয়ে উদ্ভিদক খাদ্য হিচাপে গ্ৰহণ কৰে বাবে প্ৰাণীবোৰ হৈছে **উপভোক্তা**।

কিছুমান প্ৰাণীয়ে প্ৰত্যক্ষভাৱে সেউজীয়া উদ্ভিদৰপৰা খাদ্য আহৰণ কৰে। এনেবোৰ প্ৰাণী হৈছে **প্ৰাথমিক উপভোক্তা**, যেনে— গৰু, ম'হ, ছাগলী, হৰিণা, শহাপহু আদি। আকৌ কিছুমান প্ৰাণীয়ে প্ৰাথমিক উপভোক্তাক খাদ্য হিচাপে গ্ৰহণ কৰি জীয়াই থাকে। সেইবোৰ হৈছে **গৌণ উপভোক্তা বা দ্বিতীয় শ্ৰেণীৰ উপভোক্তা**। এই প্ৰাণীবোৰে পৰোক্ষভাৱে উদ্ভিদক খাদ্য হিচাপে গ্ৰহণ কৰে, অৰ্থাৎ তৃণভোজী প্ৰাণীবোৰ খায়, যেনে— বাঘ, সিংহ, শিয়াল আদি মাংসভোজী প্ৰাণী। আন কিছুমান প্ৰাণীয়ে উৎপাদক আৰু উপভোক্তা দুয়োকে, অৰ্থাৎ উদ্ভিদৰ বিভিন্ন অংশ আৰু তৃণভোজী প্ৰাণী দুয়োবিধকে খায়। এইবোৰ হৈছে **সৰ্বভোজী প্ৰাণী**, যেনে— মানুহ, গাহৰি, কাউৰী আদি। এইদৰে সকলো জীৱই খাদ্যশৃংখলত এটা নিৰ্দিষ্ট স্থান অধিকাৰ কৰে। আমাৰ পৰিৱেশত নানাধৰণৰ পৰিস্থিতি তন্ত্ৰ আছে, যেনে— ঘাঁহনি, পুখুৰী, শস্য-পথাৰ, অৰণ্য আদি।



পুখুৰী হ'ল পৰিস্থিতি তন্ত্ৰৰ এটা উত্তম উদাহৰণ। পুখুৰীত থকা জলজ জীৱ, যেনে— শেলাই, পুণী, ভেঁট, পানীত গজা ঘাঁহ আদিয়ে সূৰ্যৰ পোহৰত খাদ্য উৎপাদন কৰে। সেইকাৰণে এইবোৰ হৈছে **উৎপাদক**। এই জীৱবোৰক পুখুৰীত থকা কোনবোৰ প্ৰাণীয়ে খায়, ভাবি চোৱাচোন? বিভিন্ন ধৰণৰ কীট-পতংগ, সৰু মাছ, শামুক আদিয়ে এইবোৰক আহাৰ হিচাপে গ্ৰহণ কৰে। সেইবাবে সেইবোৰ হৈছে **প্ৰাথমিক উপভোক্তা**। এতিয়া চোৱাচোন বাৰু প্ৰাথমিক উপভোক্তাক কোনবোৰ জীৱই খায়?

পুখুৰীত থকা ডাঙৰ মাছ, ভেকুলী, কেঁকোৰা আদিয়ে খায়। সেইবাবে সিহঁত হ'ল **গৌণ বা দ্বিতীয় শ্ৰেণীৰ উপভোক্তা**। এই দ্বিতীয় পৰ্যায়ৰ উপভোক্তাক কোন জীৱই খায়?




ভেকুলী, কেঁকোৰা, মাছ আদিক সাপ, বগলী, মাছৰোকা চৰাই আদিয়ে খায়। এইবোৰেই হ'ল **তৃতীয় শ্ৰেণীৰ উপভোক্তা**। তৃতীয় শ্ৰেণীৰ উপভোক্তাবোৰ এই পৰিস্থিতি তন্ত্ৰৰ সকলো উপভোক্তাতকৈ উচ্চ পৰ্যায়ৰ। পৰিস্থিতি তন্ত্ৰত প্ৰাণীবোৰে ইটোৱে সিটোৰ ওপৰত কিহৰ বাবে নিৰ্ভৰ কৰে জানানে? নিশ্চয় খাদ্যৰ বাবে।

**চিন্তা কৰি কোৱা—**


➤ পুখুৰীত শেলাই, ঘাঁহ আদি নাথাকিলে কি হ'লহেঁতেন?


এতিয়া আমি বুজি পালো যে, খাদ্যশৃংখলত থকা বিভিন্ন ধৰণৰ জৈৱিক উপাদানবোৰ হ'ল— উৎপাদক আৰু প্ৰাথমিক, দ্বিতীয়, তৃতীয় শ্ৰেণীৰ উপভোক্তা। পৰিস্থিতি তন্ত্ৰত এই আটাইকেইটা উপাদান পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। পৰিৱেশত যিকোনো এটা উপাদান কমিলে বা বাঢ়ি গ'লে আনবোৰ উপাদানৰ ওপৰত তাৰ প্ৰভাৱ পৰে। উদাহৰণস্বৰূপে- পৰিৱেশত তৃণভোজী প্ৰাণী কমি গ'লে মাংসভোজী প্ৰাণীৰ খাদ্য নোহোৱা হ'ব। তেতিয়া পৰিৱেশৰ ভাৰসাম্য নষ্ট হ'ব।




সৌৰশক্তি উদ্ভিদৰ (উৎপাদক) জৰিয়তে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ উপভোক্তাৰ শৰীৰলৈ আহাৰৰ যোগেদি প্ৰবাহিত হয়।

উদ্ভিদ বা প্ৰাণীৰ মৃত্যু হ'লে কিছুদিন পিছত মৃতদেহটো গেলি-পচি যায়। কাৰণ মাটিত থকা কিছুমান বেক্টেৰিয়া আৰু ভেঁকুৰে উদ্ভিদ আৰু প্ৰাণীৰ দেহৰ অংশসমূহৰ বিয়োজন ঘটায়, অৰ্থাৎ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশলৈ পৰিণত কৰি গেলি-পচি যোৱাত সহায় কৰে। এই গেলি-পচি যোৱা অংশসমূহক কিছুমান অণুজীৱই আহাৰ হিচাপে গ্ৰহণ কৰে। বাকী থাকি যোৱা অৱশিষ্টখিনি মাটিত জৈৱিক সাৰ হিচাপে মিহলি হৈ থাকে। মাটিত মিহলি হৈ থকা জৈৱিক সাৰ শিপাই গ্ৰহণ কৰি উদ্ভিদৰ বৃদ্ধিত সহায় কৰে। জৈৱিক উপাদানৰ বিয়োজন ঘটাই বাবে বেক্টেৰিয়া আৰু ভেঁকুৰক **বিয়োজক** বুলি কোৱা হয়। এইদৰে এটা পৰিৱেশত জৈৱ আৰু অজৈৱ উপাদানসমূহৰ পাৰস্পৰিক সম্বন্ধৰ ফলস্বৰূপে পৰিস্থিতিতন্ত্ৰ গঠন হয়।





*ঘাঁহনি*

পুখুৰীৰ দৰে ঘাঁহনিতো জৈৱিক আৰু অজৈৱিক উপাদানবোৰে পাৰস্পৰিক সম্বন্ধ ৰক্ষা কৰে আৰু খাদ্যশৃংখলৰ সৃষ্টি কৰে। সেইবাবে ঘাঁহনি হ'ল আন এক ধৰণৰ পৰিস্থিতি তন্ত্ৰ।

**ওপৰৰ ঘাঁহনিৰ ছবিখন পৰ্যৱেক্ষণ কৰি** উপযুক্ত স্থানত প্ৰাণীবোৰৰ নাম লিখা।

উৎপাদক —


প্ৰথম শ্ৰেণীৰ উপভোক্তা —

দ্বিতীয় শ্ৰেণীৰ উপভোক্তা —


**ক্ষেত্ৰ অধ্যয়ন**

শস্যৰ পথাৰ বা বাগিচা এখন পৰ্যৱেক্ষণ কৰি তাত দেখা জীৱবোৰৰ এখন তালিকা প্ৰস্তুত কৰা আৰু তিনিটা খাদ্যশৃংখল বহীত লিখা।

শস্য-পথাৰত সৃষ্টি হোৱা খাদ্যজাল—



ওপৰৰ ছবিখন চাই 'শস্য-পথাৰ পৰিস্থিতি তন্ত্ৰ'ত সৃষ্টি হোৱা কেইটামান খাদ্যশৃংখল তৈয়াৰ কৰোঁ আহা—



খাদ্যশৃংখলকেইটা চাই এইটোৱেই বুজা গ'ল যে একেবিধ খাদ্যকে বেলেগ বেলেগ প্ৰাণীয়ে খায়। উদাহৰণস্বৰূপে উদ্ভিদক শহাপহু, নিগনি, ফৰিং আৰু শস্য খোৱা চৰায়ে খায়। ঠিক তেনেদৰে নিগনিক সাপ আৰু শেন চৰায়ে খায়। আকৌ শেন চৰায়ে শহা পহু, নিগনি, সাপ, ফৰিং আৰু শস্য খোৱা চৰাইক খায়। গতিকে দেখা গ'ল যে একেটা প্ৰাণীয়ে এটাতকৈ অধিক খাদ্যশৃংখলত ভাগ লয়। এইদৰে এটা পৰিস্থিতি তন্ত্ৰত বহুকেইটা খাদ্যশৃংখল লগলাগি এখন জালিকাৰ সৃষ্টি কৰে, অৰ্থাৎ বহুকেইটা খাদ্যশৃংখলৰ সমষ্টিয়েই হৈছে **খাদ্যজাল**।

ছবিত দেখুওৱা উদাহৰণৰ উপৰি আমাৰ পৰিস্থিতি তন্ত্ৰত আন বহুধৰণৰ খাদ্যশৃংখল থাকে। ঘাঁহনি, অৰণ্য, শস্য-পথাৰ, পুখুৰী আদি পৰিস্থিতি তন্ত্ৰৰ সকলো জীৱই খাদ্যশৃংখলত এক নিৰ্দিষ্ট স্থান গ্ৰহণ কৰে। এটা জীৱই এটাতকৈ বেছি খাদ্যশৃংখলত ভাগ লোৱাৰ ফলত খাদ্যজালৰ সৃষ্টি হয়। জীৱবোৰে খাদ্যজালত উৎপাদক নাইবা উপভোক্তা হিচাপে অংশগ্ৰহণ কৰে। খাদ্যজালে পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে।

তলত দিয়া নামবোৰৰ পৰা খাদ্যশৃংখল সাজা-

(ক) গৰু, ঘাঁহ, বাঘ

(খ) গছৰ পাত, ভেকুলী, ফৰিং

(গ) শিয়াল, এন্দুৰ, চিলনী

(ঘ) সাপ, এন্দুৰ, চিলনী

(ঙ) মাছ, শেলুৱৈ, বগলী

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) পৰিৱেশৰ জৈৱিক আৰু অজৈৱিক উপাদানবোৰ কি কি ?

(খ) উদ্ভিদক উৎপাদক বুলি কিয় কোৱা হয় ?

(গ) উপভোক্তা কেইপ্ৰকাৰ আৰু কি কি ?

(ঘ) বিয়োজকে আমাক কেনেদৰে সহায় কৰে ?

(ঙ) তিনিটা পৰিস্থিতি তন্ত্ৰৰ নাম লিখা।

২। খালী ঠাই পূৰ কৰা—

(ক) শামুক হ'ল ———— উপভোক্তা।

(খ) এটাতকৈ অধিক ———— মিলি খাদ্যজালৰ সৃষ্টি হয়।

(গ) শেন হ'ল ———— শ্ৰেণীৰ উপভোক্তা ।

(ঘ) খাদ্যজালত এটাতকৈ ———— খাদ্যশৃংখল থাকে।

৩। শুদ্ধ উত্তৰ বাছি উলিওৱা—

(ক) খাদ্যশৃংখলৰ আৰম্ভণিতে সদায় উদ্ভিদ/প্ৰাণী/অণুজীৱ থাকে।

(খ) বিয়োজকে /উৎপাদকে/ উপভোক্তাই খাদ্য প্ৰস্তুত কৰে।

(গ) উৎপাদকে/ বিয়োজকে/ উপভোক্তাই মৃতদেহ গেলি-পচি যোৱাত সহায় কৰে।

৪। খাদ্যশৃংখল কি ? উদাহৰণেৰে সৈতে বুজাই লিখা।

৫। পুখুৰী এটা পৰিস্থিতি তন্ত্ৰ হয়নে যুক্তি সহকাৰে বুজাই লিখা।

৬। সালোক সংশ্লেষণ বুলিলে কি বুজা ?

৭। পাৰ্থক্য লিখা—

(ক) উৎপাদক আৰু বিয়োজক।

(খ) তৃণভোজী আৰু মাংসভোজী প্ৰাণী।

(গ) খাদ্যশৃংখল আৰু খাদ্যজাল।

৮। পৰিস্থিতি তন্ত্ৰত প্ৰথম শ্ৰেণীৰ উপভোক্তাবোৰ নোহোৱা হৈ গ'লে কি হ'ব ?

৯। খাদ্যজালৰ কিয় সৃষ্টি হয় ?

১০। মাটিত পৰি থকা মৃত জীৱবোৰ কিয় গেলি-পচি যায় ?

◆◆◆◆◆

# পাঠ - ৩
# বতৰ

C8X9G2

আমাৰ পৃথিৱীখনক চাৰিওফালে বায়ুৱে আৱৰি আছে। বায়ুৰ এই আৱৰণটোক বায়ুমণ্ডল বুলি কোৱা হয়। বায়ুমণ্ডলত নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড আদি গেছ থকাৰ উপৰি জলীয় বাষ্প আৰু ধূলিকণাও থাকে। বিভিন্ন সময়ত আমাৰ বায়ুমণ্ডলৰ অৱস্থাৰ সাল-সলনি হয়, যেনে — দিনৰ ভাগত সাধাৰণতে গৰম আৰু ৰাতি ঠাণ্ডা পৰে। কেতিয়াবা বতাহ বলে, কেতিয়াবা বৰষুণ হয় আৰু কেতিয়াবা ধুমুহা-গাজনি আদিও আহে। বায়ুমণ্ডলৰ এনে একো একোটা পৰিস্থিতিয়ে বতৰৰ সৃষ্টি কৰে।

**বিভিন্ন বতৰৰ বিষয়ে জানি লওঁ আহা-**

যেতিয়া আকাশত ডাৱৰ নাথাকে, তেতিয়া আকাশখন ফৰকাল হৈ থাকে। সাধাৰণতে পুৱা আৰু আবেলি বতৰ অলপ ঠাণ্ডা থাকে যদিও দুপৰীয়া তুলনামূলকভাৱে গৰম বেছি হয়। এনেকুৱা বতৰ হৈছে **ফৰকাল বতৰ**। ফৰকাল বতৰত সকলো ধৰণৰ কাম-কাজ কৰিবলৈ সুবিধা।



*ফৰকাল বতৰ*

কেতিয়াবা আকাশখন ক'লা ডাৱৰে আৱৰি থাকে। এনেকুৱা বতৰ হৈছে **ডাৱৰীয়া বতৰ**। তোমালোকে গৰমৰ দিনত বা জহকালি বতৰ প্ৰায়ে ডাৱৰীয়া হৈ থকা দেখিবলৈ পাইছা নিশ্চয় ?




*ডাৱৰীয়া বতৰ*

সাধাৰণতে আকাশত যেতিয়া ক'লা মেঘ থাকে তেতিয়া বৰষুণো আহে। বৰষুণৰ লগত কেতিয়াবা বিজুলী-ঢেৰেকণি আদিও মাৰিব পাৰে। বৰষুণ কেতিয়াবা কিন্‌কিনীয়া বা পাতলীয়া আৰু কেতিয়াবা ডাঙৰ হ'ব পাৰে। এনে বতৰ হ'ল **বৰষুণৰ বতৰ**।



*বৰষুণৰ বতৰ*



ধুমুহা

কেতিয়াবা বতাহ্ বৰ বেগেৰে বলে। ইয়াৰ ফলত ঘৰ-দুৱাৰ, গছ-গছনি আদি ভাঙি পৰে। কেতিয়াবা তীব্ৰ বতাহৰ লগতে মেঘৰ গাজনি, বিজুলী-ঢেৰেকণিৰে সৈতে দবা-পিটা বৰষুণ আহে। এনে বতাহ-বৰষুণক **ধুমুহা** বুলি কোৱা হয়।

কেতিয়াবা বহুদিন ধৰি বৰষুণ নহ'ব পাৰে। দীৰ্ঘদিন ধৰি বৰষুণৰ অভাৱত বতৰ শুকান হৈ পৰে। ঠায়ে ঠায়ে মাটিত ছিৰাল-ফাঁট মেলে। এনে বতৰক **খৰাং বতৰ বা শুকান বতৰ** বুলি কোৱা হয়।

কাষৰ ছবিখনলৈ চোৱা। বৰষুণৰ অভাৱত মাটিবোৰত ছিৰাল-ফাঁট মেলিছে।

**চিন্তা কৰি লিখোঁ আহা—**

- এনে বতৰত আমাৰ কি কি অসুবিধা হ'ব পাৰে? খেতিয়কৰ কি কি সমস্যা হ'ব পাৰে?

**দলত আলোচনা কৰি উত্তৰ লিখোঁ আহা-**

- বিজুলী-গাজনিৰে বৰষুণ আহিলে আমি কিয় ঘৰৰ ভিতৰত আশ্ৰয় ল'ব লাগে?
- নেৰা-নেপেৰা বৰষুণৰ ফলত আমাৰ কি কি ধৰণৰ সমস্যাৰ সৃষ্টি হয়?



খৰাং বতৰ

- বহুদিন ধৰি বৰষুণ নহ'লে বতৰটো কিয় শুকান হৈ পৰে?
- ধুমুহা আহিলে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

বতৰ সদায় একে নাথাকে। আনকি দিনটোৰ ভিতৰতে বতৰৰ সালসলনি ঘটে। কেতিয়াবা বতৰ বৰ গৰম আৰু অস্বস্তিকৰ হয়। কেতিয়াবা গা-জুৰ পেলোৱা বতাহ্ বলি বতৰটো শীতল হৈ পৰে। কেতিয়াবা বৰষুণ বেছি হৈ বাট-পথ পানীৰে উপচি পৰে আৰু যাতায়াতৰ বিঘিনি ঘটায়। মাজে-সময়ে প্ৰচণ্ড বেগত ধুমুহা অহাৰ ফলত ঘৰ-দুৱাৰ, গছ-গছনি আদি ভাঙি পৰে। এনেদৰে আমি সঘনে বতৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পাওঁ।

বতৰ পৰিৱৰ্তন কিয় হয় জানানে? বায়ুমণ্ডলৰ উষ্ণতা, চাপ, বতাহৰ দিশ আৰু বেগ, বৰষুণৰ পৰিমাণ, মেঘৰ উপস্থিতি, বায়ুত থকা জলীয় বাষ্পৰ পৰিমাণ আদিৰ ওপৰত বতৰ নিৰ্ভৰ কৰে। এইবোৰ হৈছে বতৰৰ একো একোটা উপাদান। এই উপাদানবিলাকৰ তাৰতম্য হ'লে বতৰ পৰিৱৰ্তন হয়।

**চিন্তা কৰি লিখোঁ আহা—**

| বতৰৰ অৱস্থা | বতৰৰ কোনটো উপাদানৰ কথা কোৱা হৈছে |
|---|---|
| আজি বৰ ৰ'দ দিছে | |
| বতৰটো ডাৱৰীয়া হৈছে | |
| ধুমুহা আহিছে | |
| নদ-নদীবোৰ পানীৰে উপচি পৰিছে | |

তোমালোকে জানানে যে পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰাৰ ফলত ঋতু পৰিৱৰ্তন হয়। ঋতু পৰিৱৰ্তনৰ লগে লগে বতৰৰো পৰিৱৰ্তন হয়। ঋতু অনুযায়ী আমাৰ অসমত সাধাৰণতে এনেধৰণৰ বতৰ দেখিবলৈ পাওঁ —

- গ্ৰীষ্মকালত বতৰ গৰম হয়। মাজে-সময়ে ধাৰাসাৰ বৰষুণো হয়। জেঠ-আহাৰ মাহৰ দিনকেইটাক গ্ৰীষ্ম ঋতু বুলি গণ্য কৰা হয়।
- বৰ্ষা ঋতুত বৰষুণ খুব বেছিকৈ হয়। নদ-নদী, খাল-দোং আদি পানীৰে উপচি পৰে। শাওণ আৰু ভাদ মাহৰ দিনকেইটাত বৰ্ষা ঋতু চলি থাকে।
- আহিন-কাতি মাহৰ শৰৎ কালত বতৰ ফৰকাল হয়। এই সময়খিনিত খুব বেছি গৰমো নহয় আৰু ঠাণ্ডাও নহয়।
- আঘোণ আৰু পুহ মাহৰ দিনকেইটাত হেমন্ত ঋতু বিৰাজ কৰে। এই ঋতুত লাহে লাহে শীতৰ প্ৰকোপ বাঢ়িবলৈ ধৰে আৰু নিয়ৰ, কুঁৱলী আদি পৰিবলৈ ধৰে।
- শীতকালত শীতৰ প্ৰকোপ বেছি হয়। মাঘ আৰু ফাগুন মাহ শীতকালৰ ভিতৰত পৰে। এই সময়ত বৰষুণ একেবাৰে কম হোৱাৰ ফলত বতৰ শুকান আৰু ধূলিয়ৰি হ'বলৈ ধৰে।
- বসন্ত কালত শীত কমি আহে আৰু বতৰ ক্ৰমান্বয়ে গৰমৰ পিনে ঢাল খায়। চ'ত-বহাগৰ এই দিনকেইটাত দুই এজাক পাতলীয়া বৰষুণ হয়। সেয়েহে এই ঋতুত গছত ন কুঁহিপাত ওলায়। অসমত এই সময়তে ব'হাগ বিহু পালন কৰা হয়।

**আমাৰ দেশত বছৰটোত ছটা ঋতু অনুভূত হয়-ক্ৰমে গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত।**

**বতৰ অনুযায়ী আমাৰ সাজ-পাৰ আৰু থকাৰ ধৰণ বেলেগ বেলেগ হয় —**

বতৰৰ লগত মিলাই সাজ-পাৰ পৰিধান কৰাটো ভাল। গৰমৰ দিনত পাতল কপাহী কাপোৰ পিন্ধিবলৈ বৰ আৰামদায়ক। আমাৰ শৰীৰৰপৰা গৰমৰ দিনত সাধাৰণতে বেছিকৈ ঘাম ওলায়। গৰমৰ দিনত কপাহী কাপোৰ পিন্ধিলে ই আমাৰ ঘামবোৰ সহজতে শুহি লয়। কপাহী কাপোৰে ভালদৰে পানী শোষণ কৰিব পাৰে আৰু ইয়াৰ মাজেৰে বতাহ চলাচলো কৰে। কৃত্ৰিম সূতা, অৰ্থাৎ নাইলন, পলিয়েষ্টাৰ আদি সূতাৰে তৈয়াৰ কৰা কাপোৰ পিন্ধিলে গাৰ ঘাম ওলাই যাব নোৱাৰে আৰু ইয়ে শৰীৰত খৰ-খজুৰতি, ঘামচি, ঘাম-গাঁৰ আদি সমস্যাৰ সৃষ্টি কৰিব পাৰে।

গৰমৰপৰা হাত সাৰিবলৈ আমি বিচনীৰ বা লওঁ আৰু বিজুলী পাংখা চলাওঁ। কেতিয়াবা ডাঙৰ গছৰ ছাঁত বহি গা শীতল কৰোঁ। গৰমৰ দিনত আমি আম-কঁঠাল আদি ফল-মূল, টেঙা-আঞ্জা, দৈ আদি খাবলৈ ভাল পাওঁ। ক'লা ৰঙৰ কাপোৰৰ সূৰ্যৰ তাপ শোষণ কৰিব পৰা ক্ষমতা বেছি। আনহাতে বগা ৰঙৰ কাপোৰে আটাইতকৈ কম তাপ শোষণ কৰে। সেয়েহে আমি গৰমৰ দিনত বগা বা পাতল ৰঙৰ পোছাক পিন্ধিব লাগে।

শীতকালত আমি উমাল গৰম কাপোৰ পিন্ধো। ৰাতি শোওঁতে লেপ, কম্বল আদি গাত লওঁ। শীতৰপৰা হাত সাৰিবলৈ জুই পুৱাওঁ। আমি সাধাৰণতে শীতত উণৰ কাপোৰ পিন্ধো। অসমত তৈয়াৰী এৰী কাপোৰৰ ব্যৱহাৰ শীতকালতহে হয়।

➢ তোমালোকে গৰমৰ দিনত আৰু ঠাণ্ডাৰ দিনত পিন্ধা সাজ-পাৰৰ নাম লিখা।

| গৰমৰ দিনৰ সাজ-পাৰ | ঠাণ্ডাৰ দিনৰ সাজ-পাৰ |
|---|---|
| | |

**দলত আলোচনা কৰি কোৱা-**

➢ মাঘ-ফাগুণ মাহত খাল-বিল, পুখুৰী আদিৰ পানী শুকাই যায় কিয় ?


➢ গৰমৰ দিনত ঘামচি-খজুৰতি আদিৰপৰা হাত সাৰি থাকিবলৈ আমি কি কি কৰিব পাৰোঁ ?

আমি ৰেডিঅ', দূৰদৰ্শন, ইণ্টাৰনেট আদিৰ জৰিয়তে বতৰৰ বিষয়ে আগতীয়াকৈ জানিব পাৰোঁ। এনে জাননীক বতৰৰ আগজাননী বা বতৰৰ আগলি বতৰা বোলা হয়। বতৰৰ বিভিন্ন তথ্য-পাতি সম্বন্ধে আমাক বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিয়ে। বতৰৰ তথ্য-পাতি লাভ কৰিবলৈ বতৰ বিজ্ঞান কেন্দ্ৰত কিছুমান সঁজুলি ব্যৱহাৰ কৰা হয়। এনে কেইটামান সঁজুলিৰ সৈতে পৰিচয় হওঁ আহা—



থাৰ্ম'মিটাৰ
(Themometer)

বায়ুমণ্ডলৰ উত্তাপ জোখা সঁজুলি





বেৰ'মিটাৰ
(Barometer)

বায়ুমণ্ডলৰ চাপ জোখা সঁজুলি



ৰেইনগ'জ (Rain gauge)

বৰষুণৰ পৰিমাণ জোখা সঁজুলি




দিক-দৰ্শীসূচক
(Wind vane)

বতাহৰ দিশ জোখা সঁজুলি



এনিম'মিটাৰ (Anemometer)

বতাহৰ গতিবেগ জোখা সঁজুলি



বায়ু মোজা (Windsocks)

বতাহৰ গতিবেগ আৰু দিশ নিৰ্ণয় কৰা সঁজুলি



হাইগ্ৰ'মিটাৰ (Hygrometer)

বায়ুমণ্ডলত থকা জলীয় বাষ্পৰ পৰিমাণ জোখা সঁজুলি

খেতিয়ক, জাহাজৰ নাৱিক, সাগৰত মাছ মৰা মাছমৰীয়া, বৈমানিক বা বিমান-চালক, পৰ্বত আৰোহণকাৰী আদি ব্যক্তিক বতৰৰ এনেধৰণৰ তথ্যই বিশেষভাৱে সহায় কৰে। আজি-কালি বতৰৰ আগজাননী দিয়াত কৃত্ৰিম উপগ্ৰহ বিশেষভাৱে ব্যৱহৃত হয়।

আমাৰ দেশত ভাৰত চৰকাৰৰ বতৰ বিজ্ঞান বিভাগে সমগ্ৰ দেশখনৰ বাবে বতৰৰ আগজাননী প্ৰস্তুত আৰু প্ৰচাৰ কৰে। ৰেডিঅ', দূৰদৰ্শন, বাতৰি-কাকত আৰু ইণ্টাৰনেটতো বতৰৰ আগজাননীৰ তথ্য দিয়া হয়।

**চিন্তা কৰি লিখা—**

➢ বতৰৰ আগজাননীয়ে তলত দিয়া ব্যক্তিসকলক কিদৰে বিশেষভাৱে সহায় কৰে।

- খেতিয়ক ঃ
- জাহাজৰ নাৱিক ঃ
- বৈমানিক বা বিমান-চালক ঃ
- সাগৰত মাছ মৰা মাছমৰীয়া ঃ
- পৰ্বতাৰোহণকাৰী ঃ











বতৰৰ পৰিৱৰ্তন সাধাৰণতে প্ৰাকৃতিক যদিও মানুহে প্ৰকৃতিৰ বিৰুদ্ধে কৰা কাম-কাজেও বতৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। মানুহে অত্যধিক পৰিমাণে গছ-গছনি কটাৰ ফলত বৰষুণৰ পৰিমাণ কমিবলৈ ধৰিছে। কল-কাৰখানা, গাড়ী-মটৰ আদিৰপৰা নিৰ্গত হোৱা কাৰ্বন-ডাই-অক্সাইড গেছৰ বাবে বায়ুমণ্ডলৰ তাপমাত্ৰা বৃদ্ধি পাইছে। এই সম্পৰ্কে অধিক জানিবলৈ তোমালোকে শিক্ষক আৰু ডাঙৰৰ সৈতে আলোচনা কৰিবা। কিতাপ-পত্ৰ, বাতৰি কাকত আৰু আলোচনী আদি পঢ়িলেও তোমালোকে আৰু অধিক জানিবলৈ পাবা।

## অনুশীলনী

১ । উত্তৰ লিখা—

(ক) বতৰ বুলিলে কি বুজা ?

(খ) ঋতু কেইটা আৰু কি কি ?

(গ) বতৰৰ আগজাননী মানে কি ?

(ঘ) বতৰৰ তথ্যপাতি দিয়া তিনিবিধ সঁজুলিৰ নাম।

(ঙ) কোনটো বিভাগে গোটেই দেশখনৰ বাবে বতৰৰ আগজাননী প্ৰস্তুত আৰু প্ৰচাৰ কৰে ?

২ । 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| **'ক'** | **'খ'** |
|---|---|
| বায়ুৰ উষ্ণতা | ৰেইনগজ |
| বায়ুত থকা জলীয় বাষ্পৰ পৰিমাণ | থাৰ্ম'মিটাৰ |
| বৰষুণৰ পৰিমাণ | এনিম'মিটাৰ |
| বায়ুৰ গতিবেগ | হাইগ্ৰ'মিটাৰ |

৩ । খালী ঠাই পূৰ কৰা—

(ক) গৰম দিনত পাতল ------------ কাপোৰ পিন্ধিবলৈ বৰ আৰামদায়ক।

(খ) বতাহৰ দিশ জুখিবলৈ ------------ নামৰ সঁজুলি ব্যৱহাৰ কৰা হয়।

(গ) বায়ুমোজা বতাহৰ ------------ আৰু ------------ নিৰ্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়।

(ঘ) ধুমুহা আহিলে আকাশত ------------ মাৰে আৰু মেঘেও গাজে।

৪ । বতৰৰ আগজাননী কি কি মাধ্যমৰ জৰিয়তে দিয়া হয় ?

৫ । চমু টোকা লিখা —

(ক) ৰেইনগজ (খ) কৃত্ৰিম উপগ্ৰহ (গ) বতৰ বিজ্ঞান কেন্দ্ৰ

(ঘ) খৰাং বতৰ (ঙ) ফৰকাল বতৰ।


৬ । বতৰ অনুযায়ী আমাৰ সাজ-পাৰ কেনেধৰণৰ হ'ব লাগে লিখা।

৭ । কি কি কামত বতৰৰ আগজাননীয়ে সহায় কৰে।

৮ । বতৰৰ উপাদানকেইটাৰ নাম কি কি ?

F6I6C5

## পাঠ-৪
# জীৱন ধাৰণৰ প্ৰণালী



*প্ৰাচীন কালত মানুহৰ চিকাৰ কাৰ্য*

প্ৰাচীন কালত মানুহৰ জীৱন ধাৰণৰ প্ৰণালী এতিয়াৰ দৰে নাছিল। সেইসময়ত মানুহে খাদ্য, বাসস্থান আৰু বস্ত্ৰৰ বাবে সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁলোকে চিকাৰ কৰি পোৱা প্ৰাণীৰ মঙহ আৰু গছৰ ফল-মূল, গুটি, শিপা, বনৰীয়া শস্য আদি সংগ্ৰহ কৰি খাইছিল। সেইসময়ত তেওঁলোকে সকলো বস্তু কেঁচাই খাইছিল। খাদ্য সংগ্ৰহৰ বাবে এখন ঠাইৰ পৰা আনখন ঠাইলৈ ঘূৰি ফুৰোঁতে ৰ'দ, বৰষুণ, শিলাবৃষ্টি, ধুমুহা আদিৰ পৰা ৰক্ষা পাবলৈ ডাঙৰ গছৰ খোৰোং, পৰ্বতৰ গুহা আদিত আশ্ৰয় লৈছিল। তেওঁলোকে লজ্জা নিবাৰণৰ বাবে গছৰ বাকলি, পাত, প্ৰাণীৰ ছাল আদি পিন্ধিছিল। বনৰীয়া প্ৰাণী, বিষাক্ত সাপ আদিৰপৰা ৰক্ষা পাবৰ বাবে সকলো সময়তে তেওঁলোকে দল বান্ধি ফুৰিছিল। এইদৰে দলবান্ধি ফুৰাৰ বাবে মানুহে ইজনে সিজনক সহায়-সহযোগ কৰা, দলক নেতৃত্ব দিয়া আদি গুণবোৰ স্বতঃস্ফূৰ্তভাৱে আহৰণ কৰিছিল।

➢ আদিম মানুহে কিয় দলবান্ধি ফুৰিছিল ?





*জুইৰ আৱিষ্কাৰ*

তেওঁলোকে খাদ্য সংগ্ৰহৰ বাবে হাবিত ঘূৰি ফুৰি থকা অৱস্থাত ঘটনাক্ৰমে দুটুকুৰা শিল ঘঁহনি খাই ফিৰিঙতিৰ উৎপত্তি হোৱা দেখিছিল। সেই ফিৰিঙতিয়ে শুকান ডাল-পাতৰ সংস্পৰ্শলৈ আহি জুইৰ সৃষ্টি কৰিছিল। এইদৰে জুইৰ আৱিষ্কাৰ হৈছিল। **জুইৰ আৱিষ্কাৰে** মানৱ সভ্যতাৰ অগ্ৰগতিৰ এক বিশেষ অধ্যায় ৰচনা কৰিছিল।

**আদিম মানুহে বিভিন্ন কামত শিলৰদ্বাৰা নিৰ্মিত সঁজুলি ব্যৱহাৰ কৰিছিল।** কিয়নো শিল সকলো ঠাইতে পোৱা গৈছিল। এই শিলৰ সঁজুলিবোৰ নিজৰ কামৰ উপযোগীকৈ গঢ় দি বিভিন্ন কামত, যেনে— চিকাৰ কৰিবলৈ, খাদ্যবস্তু কাটিবলৈ বা গুড়ি কৰিবলৈ ব্যৱহাৰ কৰিছিল। তেওঁলোকে ছবি আঁকিবলৈ শিলৰ জোঙা আৰু মিহি সঁজুলি ব্যৱহাৰ কৰিছিল। আজৰি সময়ত তেওঁলোকে আশ্ৰয় লোৱা গুহাবোৰত দৈনন্দিন জীৱনৰ লগত মিল থকা কিছুমান ছবি, যেনে— চিকাৰ কাৰ্য, নৃত্য আদিৰ ছবি আঁকিছিল। তাৰ উপৰি চৌপাশে দেখি থকা বিভিন্ন প্ৰাণী, চৰাই, ফুল আদিৰ ছবিও আঁকিছিল।







*শিলৰ সঁজুলি*



*ভীমবেট্‌কা গুহাৰ চিত্ৰ*


এই ছবিবোৰত প্ৰাকৃতিকভাৱে তৈয়াৰ কৰা বিভিন্ন বৰণৰ ৰং বোলাই অতি আকৰ্ষণীয় কৰি তুলিছিল। মধ্যপ্ৰদেশৰ ভূপালৰ ভীমবেট্‌কা গুহাৰ ভিতৰত প্ৰাচীন কালত সেইসময়ৰ মানুহে অঁকা এনেধৰণৰ বিভিন্ন ছবি এতিয়াও দেখিবলৈ পোৱা যায়। শিলেই সেই যুগত ব্যৱহৃত প্ৰধান সঁজুলি আছিল বাবে সেই সময়ছোৱাক **শিলৰ যুগ** বুলি কোৱা হয়।

**দলত আলোচনা কৰি লিখা-**

➤ আদিম মানুহে শিলক কিয় সঁজুলি হিচাপে ব্যৱহাৰ কৰিছিল ?

প্ৰাচীন কালত মানুহৰ জীৱন ধাৰণৰ প্ৰণালী বৰ কষ্টকৰ আছিল অৱশ্যে জীৱনটো বৰ সহজ-সৰল আছিল। দলবান্ধি চিকাৰলৈ যোৱা বা খাদ্য সংগ্ৰহ কৰিবলৈ যোৱাটো তেওঁলোকৰ বাবে আমোদজনক আছিল। সকলোৱে একেলগ হৈ কামবোৰ কৰিছিল। খাদ্যবস্তু যি পাইছিল সকলোৱে মিলি ভগাই খাইছিল। ভৱিষ্যতৰ বাবে সাঁচি ৰখাৰ কথা তেওঁলোকে ভবা নাছিল। 'বিনিময় প্ৰথা'ৰদ্বাৰা তেওঁলোকে বেছি পৰিমাণে থকা খাদ্যবস্তুবোৰ পৰস্পৰৰ মাজত সাল-সলনি কৰি নিজৰ বাবে দৰকাৰী বস্তুৰ চাহিদা পূৰণ কৰিছিল।

মানুহে নিজৰ সৃষ্টি উন্নত কৰাৰ বাবে অতীতৰ পৰাই চেষ্টা চলাই আহিছে। বুদ্ধি আৰু একাগ্ৰতাৰ ফলত কিছুমান মানুহে সৃষ্টিৰ নতুন নতুন কৌশল আয়ত্ত কৰি আহিছে। সময়ৰ লগে লগে আদিম মানৱৰ জীৱন ধাৰণৰ প্ৰণালী উন্নত হ'বলৈ ধৰিছিল। পিছে সকলো ঠাইতে এই পৰিৱৰ্তনবোৰ একে সময়তে হোৱা নাছিল। এতিয়াও পৃথিৱীৰ বিভিন্ন ঠাইত চিকাৰৰ ওপৰত নিৰ্ভৰ কৰি জীৱন-যাপন কৰা মানুহ আছে।



*আদিম মানৱৰ জীৱন ধাৰণৰ প্ৰণালী*

➤ আদিম যুগৰ মানুহে নিজৰ লাগতিয়াল বস্তুৰ অভাৱ কেনেকৈ পূৰণ কৰিছিল ?

হাজাৰ হাজাৰ বছৰ ধৰি চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহৰ মনলৈ খেতিৰ কথা অহাই নাছিল। তেওঁলোকে অঘৰী অৱস্থাৰপৰা খেতি কৰা অৱস্থা পাবলৈ বহু বছৰ লাগিছিল।

**মানুহে খেতি-বাতি কৰি স্থায়ীভাৱে কেনেকৈ বসবাস কৰিবলৈ লৈছিল সেই বিষয়ে জানো আহা—**



*এসময়ত এটা হ্ৰদৰ পাৰত **পানিক** নামৰ এটা দলে বাস কৰিছিল। সেই দলটোত পুৰুষ-মহিলা আৰু ল'ৰা-ছোৱালী মিলি প্ৰায় পঁচিছজনমান মানুহ আছিল। সেই সময়ত তেওঁলোকে আমি পিন্ধাৰ দৰে কাপোৰ-কানি নিপিন্ধিছিল। তেওঁলোকে কেৱল প্ৰাণীৰ ছাল আৰু গছৰ বাকলিহে পিন্ধিছিল। পুৰুষসকলে প্ৰয়োজন অনুসৰি আহাৰ বিচাৰি অৰণ্যত ঘূৰি ফুৰিছিল। তেওঁলোকে প্ৰাণী, মাছ-কাছ, কেকোঁৰা আদি য'ত যি পাই ধৰি আনি পৰিয়ালৰ ওচৰলৈ উভতি আহিছিল। দিনৰ ভাগত মহিলা আৰু শিশুসকলে অৰণ্যত ফল-মূল বিচাৰি ঘূৰি ফুৰিছিল। এনেদৰে খাদ্য সংগ্ৰহ কৰি ঘূৰি ফুৰোঁতে তেওঁলোকৰ এইটো দৃষ্টিগোচৰ হৈছিল যে গছৰ গুটি মাটিত কিছুদিন পৰি থকাৰ পিছত আকৌ একেধৰণৰ গছ গজি উঠে আৰু একেই ফল ধৰে। তেওঁলোকে অভিজ্ঞতাৰপৰা বুজি উঠিছিল যে জীপাল মাটিতহে গছ-গছনিৰ গুটিবোৰ সোনকালে গজি উঠে। তেওঁলোকে থকা ঠাইৰ ওচৰে-পাজৰে নিজে বীজ পুতি গছপুলিৰ বৃদ্ধিকেনেকৈনো হয় তাক লক্ষ্য কৰি আনন্দ পোৱা হ'ল। এনেবোৰ কাৰণতেই তেওঁলোকে একেখন ঠাইতেই বহুদিন ধৰি থাকি গৈছিল। তেওঁলোকে পিছে তেতিয়ালৈকে নিজে ভালদৰে খেতি কৰাৰ কথা ভবাই নাছিল।*

**দলত আলোচনা কৰি কোৱা-**

- পানিক নামৰ দলটোৱে কিয় অৰণ্যত ঘূৰি ফুৰিছিল ?
- অৰণ্যত ঘূৰি ফুৰোঁতে পানিক দলটোৰ মানুহবোৰে কি লক্ষ্য কৰিছিল ?
- কিয় তেওঁলোকে একে ঠাইতে বহুদিন ধৰি থাকি গৈছিল ?

*পিছে সদায় দিনবোৰ একেদৰে নাযায়। এদিন **কেকয়** নামৰ এটা শক্তিশালী দল আহি 'পানিক'সকলক খেদি পঠিয়ালে। এতিয়া 'পানিক'সকল যায় ক'লৈ ? উপায় নাপাই তেওঁলোকে এখন সৰু হাবিত থাকিবলৈ ল'লে। এই নতুন ঠাইখনত তেওঁলোকে আগৰ দৰে সহজতে চিকাৰ, ফল-মূল আৰু বনৰীয়া শস্যবোৰ নোপোৱা হ'ল। সেইবাবে তেওঁলোকে এটা কাম কৰিলে। তেওঁলোকে খাবলৈ*




আদিম মানৱৰ কৃষিকাৰ্য

*অনা শস্যৰ বীজ কিছুমান নদী-কাষৰীয়া এডোখৰ জীপাল মাটিত ছটিয়াই দি গজাবলৈ চেষ্টা কৰিলে। কিন্তু হ'ব কি? চৰাই-চিৰিকটিয়ে সেই বীজবোৰ খাই পেলালে। সেয়েহে তেওঁলোকে এটা বুদ্ধি উলিয়াই চৰাই-চিৰিকটিয়ে খাব নোৱাৰাকৈ বীজবোৰ মাটি খান্দি পুতি থ'লে। কিন্তু মাটিখিনি দ হোৱাৰ বাবে নদীৰ পানীয়ে গজালি ওলোৱা বীজবোৰ নষ্ট কৰি পেলালে। তেতিয়া 'পানিক' দলে হাবিৰ পানী নুঠা নিৰাপদ ঠাই এডোখৰ বাছি ল'লে। তেওঁলোকে শিলেৰে নিৰ্মিত কুঠাৰ, জোঙা লাঠি আদিৰে মাটিডোখৰ চহাই কোমল কৰি খেতিৰ বাবে উপযোগী কৰি ল'লে। সেই মাটিত গুটি সিঁচি তেওঁলোকে খেতি কৰিবলৈ আৰম্ভ কৰিলে। এইদৰে কৃষি কাৰ্যৰ আৰম্ভ হ'ল। তেওঁলোকে খেতি কৰা ঠাইৰ ওচৰে-পাজৰে স্থায়ীভাৱে থাকিবলৈ ল'লে।*

এই কথাখিনিৰ সহায়ত কেনেকৈনো মানুহে প্ৰথমে খেতি কৰিবলৈ আৰম্ভ কৰিছিল, তোমালোকে সেই বিষয়ে অনুমান কৰিব পাৰিলা। কিন্তু পৃথিৱীৰ সকলো ঠাইতে যে একে সময়তে বা একে কাৰণতে কৃষিৰ আৰম্ভ হৈছিল তেনে নহয়। তদুপৰি কিছুমান এনেকুৱা মানুহৰ দলো আছিল যিসকলে কাহানিও খেতি কৰা নাছিল।

**ওপৰৰ কথাখিনিৰ আলমত উত্তৰ দিয়া—**

- ➢ পানিকসকলে আগৰ ঠাই এৰি কিয় গুচি যাব লগা হ'ল?
- ➢ খেতি কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে তেওঁলোকে কি কি সমস্যাৰ সন্মুখীন হৈছিল?
- ➢ তেওঁলোকে কিয় স্থায়ীভাৱে বসতি কৰিবলৈ ল'লে?



খেতি কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহৰ আগতকৈ বেছি চোকা আৰু উন্নত সঁজুলিৰ আৱশ্যক হৈছিল। তেওঁলোকে শিলৰ অস্ত্ৰবোৰ শিলত ঘঁহি ঘঁহি মিহি, চক্‌চকীয়া আৰু জোঙা কৰি লৈছিল। তদুপৰি জন্তুৰ হাড়, দাঁত আৰু কাঠেৰে বিভিন্ন সঁজুলি খেতিৰ উপযোগীকৈ তৈয়াৰ কৰি লৈছিল।

**অসমৰ ডিমা হাছাও জিলাৰ দাওজালি হাডিং নামৰ ঠাইত আদিম মানুহে ব্যৱহাৰ কৰা শিলেৰে নিৰ্মিত কোৰ, শস্য গুড়ি কৰা পটা আৰু মাটিৰ পাত্ৰৰ টুকুৰা পোৱা গৈছে।**

আদিম যুগৰপৰাই প্ৰাণীৰ লগত মানুহৰ সম্পৰ্ক আছিল। মানুহে বনৰীয়া প্ৰাণী চিকাৰ কৰি তাৰ মঙহ খাইছিল। কেতিয়াবা চিকাৰলৈ গৈ প্ৰাণীৰ পোৱালিবোৰ বধ নকৰি ভৱিষ্যতে চিকাৰ নাপালে সেইবোৰ খাব পাৰিব বুলি লগত লৈ আহিছিল। তেওঁলোকে অঘৰী আছিল বাবে এখন ঠাইৰপৰা আন এখন ঠাইলৈ যাওঁতে তেওঁলোকৰ লগত এই প্ৰাণীবোৰো লৈ ফুৰিছিল। কেতিয়াবা তেওঁলোকে প্ৰাণীবোৰৰ পিঠিত উঠি গৈছিল আৰু লগত অনা বয়-বস্তুবোৰ ইহঁতৰ পিঠিত কঢ়িয়াই নিছিল। তেওঁলোকে অভিজ্ঞতাৰ পৰা বুজি উঠিছিল যে মঙহ আৰু গাখীৰ পোৱাৰ উপৰি এই প্ৰাণীবোৰক আন কামতো ব্যৱহাৰ কৰিব পাৰি। সেয়েহে মঙহ, গাখীৰ খোৱাৰ উপৰি কৃষিকাৰ্যত সহায় কৰিবলৈ আৰু বয়-বস্তু কঢ়িয়াবলৈ তেওঁলোকে কিছুমান প্ৰাণী পুহিছিল। উদাহৰণস্বৰূপে— গৰু, ছাগলী, গাহৰি, ভেড়া, ঘোঁৰা, গাধ আদি। তেওঁলোকে চিকাৰত সহায় কৰা, ঘৰ পহৰা দিয়া আদি কামৰ বাবে কুকুৰ পুহিছিল।


*কৃষি কাৰ্যত প্ৰাণীৰ সহায়*

- ➢ আদিম মানৱে কি কি প্ৰাণী পুহিবলৈ লৈছিল ?
- ➢ প্ৰাণীবোৰ কি কি কামত ব্যৱহাৰ কৰা হৈছিল ?

কৃষিকাৰ্য আৰম্ভ কৰাৰ পিছৰেপৰা মানুহৰ অঘৰী জীৱনৰ অন্ত পৰে। কৃষিকাৰ্যৰ বাবে মানুহে একে ঠাইতে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে। এনেকৈয়ে লাহে লাহে দল বান্ধি স্থায়ীভাৱে থাকিবলৈ লোৱাৰ ফলত একো একোখন গাঁৱৰ সৃষ্টি হ'ল।

আমাৰ অসমত কেতিয়াৰ পৰা মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে সেই বিষয়ে ইতিহাসত উল্লেখ নাই। অসম প্ৰাকৃতিকভাৱে এখন অতি চহকী ৰাজ্য। পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, চৰ-চাপৰি আদি প্ৰাকৃতিক অৱয়বেৰে এই ৰাজ্যখন গঠিত। এনে প্ৰাকৃতিক অৱয়বে আদিম কালৰেপৰা মানুহক বসতিৰ বাবে আকৰ্ষণ কৰি আহিছে। সেয়েহে ৰাজ্যখনৰ সকলো অংশতে আমি কম-বেছি পৰিমাণে জনবসতি দেখিবলৈ পাওঁ। নিয়মীয়াকৈ বানপানী হোৱা নৈপৰীয়া অঞ্চলৰপৰা একেবাৰে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চললৈকে অসমৰ সকলো অঞ্চলত মানুহৰ বসতি দেখা যায়। আমাৰ ৰাজ্যখনত বৰ্তমানে প্ৰায় ২৬ হেজাৰখন গাঁও আছে। ইয়াৰে বেছিভাগ গাঁৱেই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সমতল ভূমিত অৱস্থিত। পাহাৰীয়া জিলা তিনিখন, অৰ্থাৎ কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাওত বহুতো গাঁও আছে। সমভূমি, মালভূমি, পাহাৰ য'তেই অৱস্থিত নহওক কিয় প্ৰতিখন গাঁৱৰে বৈশিষ্ট্য নিৰ্ভৰ কৰে তাৰ প্ৰাকৃতিক অৱস্থাৰ ওপৰত।

**ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ জীৱন ধাৰণৰ প্ৰণালী—**

ভৈয়াম অঞ্চলবোৰ সাধাৰণতে সমতল ভূমি। সমতল ভূমিত নদ-নদী, খাল-বিল, পুখুৰী আদি থাকে। ভৈয়ামৰ মাটি পলসুৱা হোৱাৰ বাবে কৃষিৰ বাবে উপযোগী।

**ভৈয়ামৰ গাঁও অঞ্চল—**

ভৈয়ামৰ সমতল ভূমিত মানুহে গাঁও পাতি বসবাস কৰে। গাঁৱৰ বাসিন্দাসকলৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি। সাধাৰণতে গাঁৱৰ মানুহে ধান, মাহ, মৰাপাট, সৰিয়হ, তিল, কুঁহিয়াৰ, নানা প্ৰকাৰৰ শাক-পাচলি আদিৰ খেতি কৰা দেখা যায়। গাঁও অঞ্চলৰ কিছু লোক কুটীৰ শিল্পৰ লগত জড়িত হৈ থাকে। ভৈয়ামৰ গাঁওবোৰত বসবাস কৰা লোকসকলে উৎপাদন কৰা বিভিন্ন শস্য, ফল-মূল, শাক-পাচলি, মাটিৰ বাচন-বৰ্তন, বাঁহ-বেতৰ সঁজুলি আদি ওচৰৰ বজাৰসমূহত বিক্ৰী কৰি অৰ্থনৈতিকভাৱে লাভৱান্বিত হয়।



*ভৈয়াম অঞ্চলৰ খেতি-বাতি*

কিছুসংখ্যক লোকে চাকৰি কৰিও জীৱিকা নিৰ্বাহ কৰে। গাঁও অঞ্চলৰ যাতায়াত ব্যৱস্থা উন্নত নহয়। যান-বাহনৰ সংখ্যাও কম। শিক্ষা, চিকিৎসা, ব্যৱসায় আদিৰ সুবিধাও সাধাৰণতে কম।

নৈৰ পাৰত বসবাস কৰা কিছু লোকে কৃষিকাৰ্যৰ লগতে মাছ ধৰিও জীৱিকা নিৰ্বাহ কৰে। আজি-কালি গাঁও অঞ্চলত ডাঙৰ ডাঙৰ পুখুৰী খান্দি মীন পালন কৰি বহুলোক অৰ্থনৈতিকভাৱে লাভৱান্বিত হৈছে। গৰু, ছাগলী, হাঁহ-কুকুৰা, গাহৰি আদি পালন কৰিও এই অঞ্চলৰ মানুহে জীৱিকা নিৰ্বাহ কৰে।



*গৰু পালন*



*হাঁহ-কুকুৰা পালন*



*মীন পালন*

চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে ৰবি শস্যৰ খেতি কৰে। চৰ অঞ্চলৰ মাটি পলসযুক্ত বালিচহীয়া হোৱা বাবে তাত খৰালি কালত প্ৰচুৰ পৰিমাণে মাহ, সৰিয়হ, জলকীয়া, বেঙেনা, তৰমুজ আদিৰ খেতি হয়।

**শিক্ষক আৰু অভিভাৱকৰ পৰা জানি লৈ লিখা–**

➢ তোমালোকৰ অঞ্চলত কি কি শস্যৰ খেতি কৰা হয়?

### চহৰ অঞ্চল —

গাঁও অঞ্চলতকৈ চহৰ অঞ্চলত বসবাসৰ সুবিধা বেছি। চহৰৰ বাটপথ আহল-বহল, যাতায়াতৰ বাবে সুচল। চহৰৰ জনবসতি ঘন। যান-বাহনৰ সংখ্যা অধিক। ইয়াত যথেষ্ট সংখ্যক বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আদি থাকে। চহৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ডাঙৰ ডাঙৰ উদ্যোগ প্ৰতিষ্ঠা কৰা হয়। চাকৰি, ব্যৱসায় আদিয়েই চহৰ অঞ্চলৰ লোকসকলৰ প্ৰধান জীৱিকা।



*ভৈয়ামৰ চহৰ অঞ্চল*

### পাহাৰীয়া অঞ্চল —

পাহাৰৰ ওখ-চাপৰ ঠাইত বসবাস কৰা লোকসকলে তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ বাবে বিভিন্ন উপায় অৱলম্বন কৰে। খৰালি কালত পাহাৰীয়া অঞ্চলত পানীৰ অভাৱ হয়। এই অঞ্চলৰ লোকসকলে সাধাৰণতে জুম খেতি কৰা দেখা যায়। পাহাৰৰ এঢলীয়া ঠাইত কোৰেৰে মাটি খান্দি ঢাপ কৰি জুম খেতি কৰে। তেওঁলোকে কৰা খেতিৰ ভিতৰত ধান, মাকৈ, তিল, আদা, হালধি আদিয়েই প্ৰধান। জুম খেতি কৰাটো বৰ কষ্টকৰ। উৎপাদিত শস্যৰ কিছু অংশ নিজৰ বাবে ৰাখি বাকী অংশ বজাৰত বিক্ৰী কৰি অৰ্থনৈতিকভাৱে লাভৱান্বিত হয়।



*পাহাৰীয়া অঞ্চলৰ জুম খেতি*

গাহৰি, গৰু, কুকুৰা আদি পুহিও পাহাৰীয়া অঞ্চলৰ লোকসকলে জীৱন নিৰ্বাহ কৰে। কিছুসংখ্যক লোক চাকৰি, ব্যৱসায় আদিৰ লগতো জড়িত হয়। ইয়াৰ যাতায়াত ব্যৱস্থা ভৈয়ামৰ দৰে সুচল নহয়। মানুহে জীৱন নিৰ্বাহৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়।

➢ ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ পাৰ্থক্যসমূহ লিখা।

### চাহ বাগিচা অঞ্চল—



অসমৰ ভৈয়াম আৰু পাহাৰীয়া দুয়ো অঞ্চলতে চাহ বাগিচা দেখা যায়। অসমত ব্যক্তিগত খণ্ড আৰু বিভিন্ন কোম্পানীৰ অধীনত চাহ বাগান আছে। বাগিচাত পুৰুষ-মহিলা উভয়ে শ্ৰমিক হিচাপে কাম কৰে। তেওঁলোকে বাগিচাৰ কুমলীয়া পাত চিঙা, উদ্যোগলৈ বস্তু অনা-নিয়া কৰা, যন্ত্ৰ পাতি চলোৱা আদি বিভিন্ন কামৰ লগত জড়িত। তেওঁলোকে বাগানত শ্ৰম কৰি পোৱা উপাৰ্জনৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰে। তেওঁলোকৰ বাবে স্কুলৰ ব্যৱস্থাও আছে। চাহ বাগিচাৰ পৰিচালকৰ অধীনত কাম-কাজবোৰ চলি থাকে। বৰ্তমান শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত চাহ শ্ৰমিকসকল আগবাঢ়ি গৈছে।

**চিন্তা কৰি লিখা**

কোনো এটা অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশে মানুহৰ জীৱন ধাৰণৰ প্ৰণালীত কেনেদৰে প্ৰভাৱ পেলাই লিখা।

**জানি লওঁ আহা—**

গাঁও অঞ্চলৰ বেছিসংখ্যক লোকেই কৃষি-কৰ্ম, কুটীৰ শিল্প, মীন পালন, হাঁহ-কুকুৰা পালন আদিৰ ওপৰত নিৰ্ভৰ কৰি সীমিত সা-সুবিধাৰে সমাজ পাতি বাস কৰে। অসমৰ ভৈয়াম আৰু পাহাৰ দুয়ো ঠাইতে **গাঁওবোৰ** আছে।

শিল্প বাণিজ্য, চাকৰি, ব্যৱসায় আদিৰ সুবিধা থকা আৰু উন্নত শিক্ষা, চিকিৎসা, যাতায়াত, বিজুলী, পানী আদিৰ ব্যৱস্থা থকা ঘন জনবসতিপূৰ্ণ অঞ্চলসমূহেই হ'ল **চহৰ অঞ্চল**। অসমত ভৈয়াম আৰু পাহাৰ দুয়ো ঠাইতে চহৰ অঞ্চল আছে।

**প্ৰকল্প কৰোঁ আহা-** (শিক্ষকে সহায় কৰিব)

তুমি বাস কৰা ঠাইখনৰ ৫ টা পৰিয়ালৰ সদস্যসকলৰ জীৱনধাৰণৰ প্ৰণালী (কেনেকুৱা কৰ্মত জড়িত হৈ আছে) তাৰ তথ্য সংগ্ৰহ কৰা আৰু তলৰ তালিকাখনৰ আৰ্হি অনুসৰি নিজৰ বহীত লিখা।

| ক্ৰঃ নং | জিলাৰ নাম | গাঁও/নগৰ/পাহাৰ/চৰ /চাহ বাগান অঞ্চল ইত্যাদি | কৃষিকৰ্মত জড়িত লোকৰ সংখ্যা আৰু তেওঁলোকে কি কি শস্যৰ খেতি কৰে | চাকৰিজীৱী লোকৰ সংখ্যা | ব্যৱসায় | অন্যান্য |
|---|---|---|---|---|---|---|
| | | | | | | |

## অনুশীলনী

১ । উত্তৰ লিখা—

(ক) গাঁৱৰ বাসিন্দাসকলৰ প্ৰধান জীৱিকা কি ? তেওঁলোকে কি কি শস্যৰ খেতি কৰে ?

(খ) চৰ অঞ্চলত বাস কৰা লোকসকলে কি কি শস্যৰ খেতি কৰে ?

(গ) জুম খেতি কাক বোলে ? এই কৃষি পদ্ধতিৰে কি কি শস্যৰ খেতি কৰা হয় ?

(ঘ) নৈ পাৰৰ লোকসকলে কিদৰে জীৱন নিৰ্বাহ কৰে ?

(ঙ) চাহ বাগিচাৰ শ্ৰমিকসকল কি কি কামৰ লগত জড়িত থাকে ?

২ । 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| প্ৰাকৃতিক দিশৰপৰা অসম এখন | অঘৰী জীৱন-যাপন কৰিছিল। |
| অসমৰ ভৈয়াম আৰু পাহাৰ দুয়ো অঞ্চলতে | চহকী ৰাজ্য। |
| আদিম মানুহে | ৰবি শস্যৰ খেতি কৰে। |
| চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে | চাহ বাগিচা দেখা যায়। |

৩ । খালী ঠাই পূৰ কৰা—

(ক) খৰালি কালত পাহাৰীয়া অঞ্চলত ------------ অভাৱ হয়।

(খ) ভৈয়াম অঞ্চলবোৰ সাধাৰণতে ------------ ভূমি।

(গ) পাহাৰ অঞ্চলৰ লোকসকলে সাধাৰণতে ------------ কৰে।

(ঘ) অসমত পাহাৰ আৰু ভৈয়াম দুয়ো অঞ্চলতে ------------ দেখা যায়।

(ঙ) ------------ লোকসকলে কুটীৰ শিল্পৰ লগত জড়িত হৈ থাকে।

৪ । তলত দিয়া বাক্যকেইটাৰ পৰা অশুদ্ধবোৰ বাছি উলিয়াই শুদ্ধকৈ লিখা —

(ক) প্ৰাচীনকালত মানুহে স্থায়ীভাৱে ঘৰ সাজি উন্নত জীৱন-যাপন কৰিছিল।

(খ) উদ্যোগ, চাকৰি, ব্যৱসায় আদি নগৰ অঞ্চলৰ লোকসকলৰ জীৱিকা নিৰ্বাহৰ মূল উপায়।

(গ) নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত যান-বাহনৰ সংখ্যা কম।

(ঘ) কৃষিকৰ্মৰ বাহিৰেও গাঁও অঞ্চলৰ কিছুলোকে চাকৰিজীৱী হিচাপে জীৱিকা নিৰ্বাহ কৰে।

(ঙ) চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে ৰবি শস্যৰ খেতি কৰে।

৫ । জুইৰ আৱিষ্কাৰ কেনেদৰে হৈছিল ?

৬ । আদিম কালৰ মানুহে কি কি কামৰ বাবে শিলৰ সঁজুলি ব্যৱহাৰ কৰিছিল ?

৭ । পাৰ্থক্য লিখা— (ক) গাঁও আৰু চহৰ (খ) ভৈয়াম আৰু পাহাৰ

◆◆◆◆◆

পাঠ-৫

# আহাৰৰ প্ৰয়োজনীয়তা

M9Y4Z2

জীয়াই থাকিবলৈ আমাক আহাৰৰ প্ৰয়োজন। আহাৰৰ পৰাই আমি কাম কৰিবলৈ শক্তি পাওঁ। আমাৰ শৰীৰৰ গঠন আৰু বৃদ্ধিত আহাৰে সহায় কৰে। আহাৰ অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। আমি খোৱা আহাৰত বিভিন্ন ধৰণৰ পুষ্টিকৰ দ্ৰব্য থাকে। এই পুষ্টিকৰ দ্ৰব্যবোৰক আহাৰৰ **উপাদান বা পৰিপোষক** বুলি কোৱা হয়।

**খাদ্যত থকা উপাদানবোৰৰ বিষয়ে জানি লওঁ আহা —**

- আহাৰত থকা যিবোৰ উপাদানে শৰীৰক শক্তি যোগায় সেইবোৰ হৈছে **শৰ্কৰা বা কাৰ্ব'হাইড্ৰেট আৰু চৰ্বী**। শৰ্কৰা বেছি পৰিমাণে থকা খাদ্যক শক্তিদায়ক খাদ্য বোলে। শাৰীৰিক পৰিশ্ৰম কৰা মানুহৰ শৰ্কৰা জাতীয় খাদ্যৰ বেছি প্ৰয়োজন। চৰ্বীৰ পৰাও আমি শক্তি পাওঁ। ঘিউ, তেল, মাখন, বাদাম আদি চৰ্বীযুক্ত আহাৰ।



- আহাৰৰ কিছুমান উপাদানে শৰীৰৰ বৃদ্ধিত সহায় কৰে। সেইবিধ হৈছে **প্ৰ'টিন**। ল'ৰা-ছোৱালীৰ বাবে প্ৰ'টিন জাতীয় খাদ্য বৰ প্ৰয়োজনীয়।



- আহাৰৰ যিবিধ উপাদানে প্ৰতিষেধক হিচাপে কাম কৰে, অৰ্থাৎ আমাক বিভিন্ন ৰোগৰপৰা ৰক্ষা কৰি ৰাখে সেইবিধ হৈছে **খাদ্যপ্ৰাণ বা ভিটামিন**।



- এইবোৰৰ উপৰি আমাৰ দেহক খনিজ লৱণৰ প্ৰয়োজন। সেউজীয়া শাক-পাচলি, ফল-মূল, মাছ-মাংস, কণী, নিমখ, গাখীৰ আদিত খনিজ লৱণ থাকে। বিভিন্ন ধৰণৰ খনিজ লৱণ, যেনে— লো, কেলচিয়াম, আয়'ডিন আদিয়ে শৰীৰৰ বিভিন্ন কামত সহায় কৰে।
- আহাৰত থকা খনিজ লৱণে দেহৰ তেজ আৰু হাড় গঠনত সহায় কৰে। শৰীৰৰ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে।
- পানী শৰীৰৰ বাবে অতি দৰকাৰী। শাক-পাচলিত ৯০ শতাংশতকৈ অধিক পানী থাকে। মাছ-মাংসত ৬০ ৰ পৰা ৮০ শতাংশ পৰ্যন্ত পানী থাকে।

**আহাৰৰ ছয়বিধ উপাদান হ'ল — শৰ্কৰা, প্ৰ'টিন, চৰ্বী, ভিটামিন, খনিজ লৱণ আৰু পানী।**

**চিন্তা কৰি লিখা—**

**তলৰ ছবি দুখন চাই কাক কি জাতীয় আহাৰৰ বেছিকৈ প্ৰয়োজন হয় লিখা—**



*চিত্ৰ- ১*



*চিত্ৰ- ২*

**আমি সততে খোৱা আহাৰত কি কি উপাদান থাকে জানি লওঁ আহা—**

**শৰ্কৰাজাতীয় -**

ভাত, ৰুটি, চেনি, গুৰ, আলু, মিঠা আলু, ৰঙা আলু, কল, মৌ, আখৈ, চিৰা, মুড়ি, পকা কঁঠাল, পকা আম, কুঁহিয়াৰ ইত্যাদি।

**প্ৰ'টিনজাতীয়-**

গাখীৰ, দৈ, কণী, মাছ, মাংস, দাইল, মটৰ, মাকৈ, উৰহী, বুট, লেচেৰা মাহ, ছয়াবিন, কাঠফুলা ইত্যাদি।

**চৰ্বীজাতীয়-**

তেল, ঘিউ, মাখন, নাৰিকল, সৰিয়হ, বাদাম, তিল, চৰ্বীযুক্ত মাংস ইত্যাদি।

**ভিটামিন আৰু খনিজ লৱণ -**

সেউজীয়া শাক-পাচলি, গাজৰ, বিলাহী, আমলখি, নেমুটেঙা, শিলিখা, অমৰা, মধুৰি-আম, তিতা-কেৰেলা, কাচকল, সুমথিৰা, পালেং, ব্ৰাহ্মী শাক, কলডিল, পছলা, কচু ইত্যাদি।

আমাৰ শৰীৰক নিতৌ প্ৰয়োজন হোৱা আটাইবোৰ উপাদান একেবিধ আহাৰত পোৱা নাযায়। যিবোৰ আহাৰত শৰ্কৰা, প্ৰ'টিন, চৰ্বী, ভিটামিন আৰু খনিজ লৱণ প্ৰয়োজনীয় পৰিমাণত পোৱা যায়, সেইবোৰেই হৈছে **সুষম আহাৰ**। সুষম আহাৰবোৰ আমাৰ চাৰিওফালৰ পৰিৱেশৰপৰাই পাব পাৰি, যেনে- আমি খোৱা ভাত, দাইল, গাখীৰ, শাক-পাচলি, ফল-মূল, গজালি ওলোৱা বুট, মগু, বাদাম আদিত সুষম আহাৰৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ পোৱা যায়।।



সুষম আহাৰে আমাক শক্তি দিয়ে, শৰীৰৰ বৃদ্ধি আৰু নিৰোগী হৈ থকাত সহায় কৰে। সুষম খাদ্য নাখালে মানুহৰ শৰীৰত প্ৰয়োজনীয় উপাদানৰ অভাৱ হয়। এবিধ বা ততোধিক উপাদানৰ অভাৱত শৰীৰত বেমাৰৰ সৃষ্টি হ'ব পাৰে। দীৰ্ঘদিনৰ বাবে উপাদানৰ অভাৱত শৰীৰত হোৱা বেমাৰকে **অভাৱজনিত ৰোগ** বুলি কোৱা হয়।

➢ তোমালোকে খোৱা নিজৰ নিজৰ দৈনন্দিন আহাৰৰ এখন তালিকা প্ৰস্তুত কৰা।

**আমাৰ খাদ্যত প্ৰয়োজনীয় উপাদানসমূহ সঠিক পৰিমাণে নাথাকিলে বিভিন্ন অভাৱজনিত ৰোগ হ'ব পাৰে। কোনবিধ উপাদানৰ অভাৱত কি ৰোগ হ'ব পাৰে জানি লওঁ আহা —**

**(ক) প্ৰ'টিন জাতীয় খাদ্যৰ অভাৱ ঘটিলে—**

শৰীৰ বৃদ্ধিত ব্যাঘাত জন্মে, মুখমণ্ডল উখহে, চুলি বৰণহীন হয়, ছালৰ বেমাৰ হয় আৰু হজম শক্তি কমি যায়।

**(খ) শৰ্কৰা আৰু প্ৰ'টিনৰ অভাৱ ঘটিলে—**

খাদ্যত দীৰ্ঘদিনৰ বাবে শৰ্কৰা আৰু প্ৰ'টিন দুয়োবিধ উপাদানৰ অভাৱ ঘটিলে শৰীৰৰ বৃদ্ধি সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। শৰ্কৰা জাতীয় খাদ্যৰ অভাৱত শৰীৰৰ বল আৰু শক্তি কমি যোৱাৰ ফলত টান কাম কৰিব নোৱাৰা হয়।

**(গ) ভিটামিনৰ অভাৱ ঘটিলে—**

- ভিটামিন A ৰ অভাৱত চকুৰ দৃষ্টিশক্তি কমি যায় আৰু কুকুৰীকণা ৰোগ হয়।
- ভিটামিন B ৰ অভাৱত বেৰি-বেৰি বেমাৰ হয়। ইয়াৰ ফলত মাংসপেশীবোৰ দুৰ্বল হয়।
- ভিটামিন C ৰ অভাৱ হ'লে দাঁতৰ আলুৰপৰা তেজ ওলায় আৰু দাঁতৰ আলু উখহে।
- ভিটামিন D ৰ অভাৱত হাড়ৰ গঠন দুৰ্বল হয়। ইয়াৰ অভাৱত সাধাৰণতে কেঁচুৱাৰ পয়া-লগা বেমাৰ হয়। হাড় কোমল আৰু বেঁকা হয়।
- ভিটামিন E ৰ অভাৱৰ বাবে মাংসপেশীৰ বিকাৰ হয়।
- ভিটামিন K ৰ অভাৱত শৰীৰত কটা-ছিঙা হ'লে সোনকালে তেজ বন্ধ নহয়।

**(ঘ) খনিজ লৱণৰ অভাৱ ঘটিলে —**

- শৰীৰত তেজৰ কণিকা গঠন হ'বলৈ লোৰ প্ৰয়োজন হয়। ইয়াৰ অভাৱত শৰীৰত ৰক্তহীনতা বেমাৰ হয়। শৰীৰ দুৰ্বল হৈ পৰে।
- শৰীৰত হাড় আৰু দাঁতৰ গঠনৰ বাবে কেলচিয়ামৰ প্ৰয়োজন। ইয়াৰ অভাৱত হাড় ঠুনুকা আৰু দুৰ্বল হয়। ফলত সহজে ভঙাৰ ভয় থাকে। কেলচিয়ামৰ অভাৱত দাঁতৰ গঠন দুৰ্বল হয় আৰু দাঁত ক্ষয় যায়।
- আয়'ডিনৰ অভাৱত ডিঙিটো অস্বাভাৱিক ধৰণে ডাঙৰ হয় যাক গৰল বেমাৰ হোৱা বুলি কোৱা হয়। আয়'ডিনৰ অভাৱত সৰু ল'ৰা-ছোৱালীৰ মানসিক বিকাশ বাধাগ্ৰস্থ হয়।

**শৰীৰত আয়'ডিনৰ পৰিমাণ সঠিককৈ ৰাখিবলৈ খাদ্যত আয়'ডিনযুক্ত নিমখ ব্যৱহাৰ কৰিব লাগে। বিদ্যালয়ৰ মধ্যাহ্ন ভোজনত আয়'ডিনযুক্ত নিমখ ব্যৱহাৰ কৰা উচিত।**

তোমালোকে নিশ্চয় জানিব পাৰিলা যে খাদ্যত শৰ্কৰা, প্ৰ'টিন, ভিটামিন আৰু খনিজ লৱণৰ অভাৱ হ'লে শৰীৰত নানাধৰণৰ বেমাৰ হ'ব পাৰে। সেয়েহে শৰীৰক নিৰোগীকৈ ৰাখিবলৈ আমি খোৱা খাদ্যত এই উপাদানসমূহ সঠিক পৰিমাণে থাকিব লাগিব। বয়স বঢ়াৰ লগে লগে খাদ্যৰ পৰিমাণো বেলেগ বেলেগ হয়। কম শাৰীৰিক পৰিশ্ৰম কৰা মানুহ এজনতকৈ বেছি পৰিশ্ৰম কৰা মানুহ এজনক বেছি আহাৰৰ প্ৰয়োজন হয়। অৰ্থাৎ প্ৰতিজন মানুহৰ খাদ্যৰ প্ৰয়োজন বয়স, শৰীৰৰ আকাৰ আৰু পৰিশ্ৰম অনুসৰি বেলেগ বেলেগ হয়।

**দলগত কাৰ্যঃ**

- অধিক পৰিমাণে বিভিন্ন প্ৰকাৰৰ ভিটামিন আৰু খনিজ লৱণ থকা খাদ্যবস্তুৰ এখন চাৰ্ট প্ৰস্তুত কৰা। চাৰ্টখন শ্ৰেণীকোঠাৰ বেৰত ওলোমাই ৰাখিবা। (শিক্ষকৰ সহায় ল'বা।)
- তলত দিয়া যিবোৰ খাদ্য খাই তুমি ভালপোৱা সেইবোৰত (✓) চিন দিয়া আৰু খাদ্যবস্তুবোৰক তলৰ তালিকা অনুসৰি ভাগ কৰা।

ভাত নাৰিকল লাড়ু দৈ মাখন চকলেট তিয়হ মাংস মাছ ছয়াবিন

গাখীৰ পিঠা শাক অমিতা দাইল কণী মিঠাই আপেল গাজৰ বিস্কুট আলু

| চৰ্বীজাতীয় | প্ৰ'টিনজাতীয় | ভিটামিন আৰু খনিজ লৱণ জাতীয় | শৰ্কৰাজাতীয় |
|---|---|---|---|
| | | | |

আমাৰ শীৰৰত পানীৰো যথেষ্ট প্ৰয়োজন আছে। পানীয়ে শৰীৰত কেনেদৰে সহায় কৰে জানি লওঁ আহা —

- পানীয়ে আহাৰ সহজে হজম হোৱাত সহায় কৰে।
- পানীয়ে আমাৰ শৰীৰৰ অলাগতিয়াল পদাৰ্থবোৰ ঘাম আৰু প্ৰস্ৰাৱৰূপে বাহিৰ কৰাত সহায় কৰে।
- পানীয়ে শৰীৰ শীতল কৰি ৰাখে।
- পানী কমকৈ খোৱাৰ ফলত দেহত পানীৰ পৰিমাণ কমি গৈ বেমাৰ হোৱাৰ সম্ভাৱনা থাকে।

**পানী দেখাত পৰিষ্কাৰ যেন লাগিলেও বিশুদ্ধ নহ'বও পাৰে। দৈনিক যথেষ্ট পৰিমাণে বিশুদ্ধ পানী খাব লাগে।**

বেছি চৰ্বীযুক্ত খাদ্যবস্তু খোৱাটো যে শৰীৰৰ বাবে অপকাৰী, সেইকথা তোমালোকে জানানে? চিঙৰা, লুচি, আলুৰ চিপ্‌ছ, ঘিউ, মাখন আদি খাই খুব সোৱাদ লাগে। পিছে এই খাদ্যবোৰ বেছি পৰিমাণে খোৱা অনুচিত। কাৰণ এনেবোৰ চৰ্বীযুক্ত খাদ্য বেছিকৈ খোৱাৰ ফলত আমাৰ শৰীৰত বহুত বেছি চৰ্বী বা মেদ জমা হৈ **মেদবহুলতাই** দেখা দিয়ে। ইয়াৰ ফলত শৰীৰৰ ওজন অস্বাভাৱিকভাৱে বৃদ্ধি পায়। শৰীৰ শকত হৈ গৈ থাকে। অতি সোনকালে ভাগৰ লগাৰ বাবে কাম কৰিব নোৱৰা হয়। এলাহ বেছি হয়। শৰীৰত চৰ্বী বাঢ়ি গ'লে চৰ্বীযুক্ত খাদ্য কমাই খাব লাগে। শৰীৰৰ ওজন হ্ৰাস কৰিবলৈ বেছিকৈ খেলা-ধূলা আৰু ব্যায়াম কৰিব লাগে।



*মেদবহুল*

➢ **দলত আলোচনা কৰি তেল আৰু চৰ্বীযুক্ত খাদ্যবোৰৰ নাম লিখা—**

খোৱা খাদ্য সদায় পৰিষ্কাৰ আৰু বীজাণুমুক্ত হ'ব লাগে। সদায় সজীৱ আৰু নতুনকৈ ৰন্ধা খাদ্যহে খাব লাগে। খাদ্যবস্তু মুকলিকৈ ৰাখিলে ধূলি-বালি, মাখি আদি পৰি দূষিত হয়। ফলত নানা বেমাৰৰ বীজাণু মিহলি হৈ খোৱাৰ বাবে অনুপযোগী হৈ পৰে। পুৰণি খাদ্যত নানা ধৰণৰ বীজাণুৱে ক্ৰিয়া কৰাৰ ফলত খাদ্যত বিষক্ৰিয়া হয়। সেইবাবে পুৰণি খাদ্য খোৱা অনুচিত। তেনে খাদ্য খালে বমি, পেটৰ অসুখ আদি হোৱাৰ সম্ভাৱনা থাকে। শিশুৰ শৰীৰৰ বৃদ্ধিৰ বাবে খাদ্যপ্ৰাণযুক্ত আহাৰ খোৱা প্ৰয়োজন।

**দলত আলোচনা কৰি লিখা-**

➢ তলৰ কোনবোৰ খাদ্য খোৱা উচিত আৰু কোনবোৰ খোৱা অনুচিত লিখা-

(ফল-মূল, ভাত, চিগাৰেট, ধপাত, তামোল-পাণ, ৰুটি , গাখীৰ, মাংস )

| খাদ্যৰ নাম | খোৱা উচিত নে অনুচিত | কিয় |
|---|---|---|
| | | |

বেছি মছলা আৰু অধিক নিমখযুক্ত খাদ্য শৰীৰৰ বাবে অপকাৰী। আলিবাটৰ কাষৰ দোকানত প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ খোৱা বস্তু, যেনে— আলুৰ চপ, ঘূগুনি, পকৰী, আদি স্বাস্থ্যৰ বাবে অপকাৰী। কাৰণ এই ঠাইবোৰত খাদ্যবস্তু চাফ-চিকুণকৈ প্ৰস্তুত কৰা নহয় আৰু মুকলিকৈ ৰখা হয়। অধিক মাত্ৰাত শীতল পানীয়, আইচক্ৰীম আৰু চক্‌লেট খোৱাটোও শৰীৰৰ বাবে অপকাৰী।

**পিছে আহাৰ কেৱল খালেই নহ'ব, ই ভালদৰে হজম হ'বও লাগিব। তাৰবাবে আমি কিছুমান সু-অভ্যাস গঢ়ি তুলিব লাগে। সেইবোৰ হ'ল-**

(১) এবাৰতে বেছি আহাৰ নাখাই আহাৰ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে খাব লাগে।

(২) আহাৰ ভালদৰে চোবাই খাব লাগে।

(৩) লৰালৰিকৈ কেতিয়াও আহাৰ খাব নালাগে।

(৪) বেছি ভাগৰ লাগিলে আহাৰ খাব নালাগে।

(৫) খাই উঠি লগে লগে দৌৰিব বা ব্যায়াম কৰিব নালাগে।

(৬) সদায় সেউজীয়া শাক-পাচলি খাব লাগে।

(৭) প্ৰয়োজনতকৈ বেছি পৰিমাণে খাদ্য খাব নালাগে।

(৮) খোৱাৰ আগতে সদায় পৰিষ্কাৰ পানীৰে হাত মুখ ধুব লাগে।



আমাৰ শৰীৰৰ সু-স্বাস্থ্যৰ বাবে বিভিন্ন খাদ্যৰ প্ৰয়োজন। পৰিষ্কাৰ-পৰিচ্ছন্নকৈ খাদ্য গ্ৰহণ কৰিলেহে আমাৰ দেহ সুস্থ-সবল হ'ব। আমি মনত ৰখা উচিত যে সুস্থ শৰীৰতহে সুস্থ মন থাকে।

## অনুশীলনী

১। চমুকৈ উত্তৰ লিখা—

(ক) আমাক কিয় আহাৰৰ প্ৰয়োজন হয় ?

(খ) খাদ্যত থকা উপাদানবোৰ কি কি ?

(গ) সুষম আহাৰ বুলিলে কি বুজা ? সুষম আহাৰৰ কিয় প্ৰয়োজন ?

(ঘ) আমি কিয় যথেষ্ট পৰিমাণে পানী খাব লাগে ?

২।খালী ঠাই পূৰ কৰা—

(ক) জীয়াই থাকিবৰ বাবে ———— প্ৰয়োজন।

(খ) আমাৰ দেহৰ গঠন আৰু বৃদ্ধিত সহায় কৰা উপাদান বিধ হ'ল ———।

(গ) সেউজীয়া শাক-পাচলি আৰু ফল-মূলত ——— আৰু ———— থাকে।

(ঘ) প্ৰয়োজনীয় পৰিমাণত সকলোবোৰ উপাদান থকা খাদ্যক ——— আহাৰ বোলে।

(ঙ) ভিটামিন ———— ৰ অভাৱত চকুৰ দৃষ্টি শক্তি কমে।

৩। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| আমাৰ শৰীৰক শক্তি দিয়া উপাদান বিধ হ'ল | কেলচিয়াম |
| শৰীৰত হাড় আৰু দাঁতৰ গঠনত সহায় কৰা খনিজ লৱণ বিধ হ'ল | লো |
| তেজৰ গঠনত সহায় কৰা খনিজ লৱণ বিধ হ'ল | গৰল |
| আয়'ডিনৰ অভাৱত হোৱা বেমাৰ বিধ হ'ল | শৰ্কৰা |

৪।শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা—

(ক) আমাৰ শৰীৰক বেমাৰৰ পৰা ৰক্ষা কৰা উপাদানবোৰ হ'ল—
গাখীৰ আৰু দৈ/চৰ্বী আৰু প্ৰ'টিন/ভিটামিন আৰু খনিজ লৱণ।

(খ) দীৰ্ঘদিনৰ বাবে খাদ্যৰ উপাদানৰ অভাৱত হোৱা বেমাৰক কি বুলি কোৱা হয়—
বেৰিবেৰি/কুকুৰীকণা/অভাৱজনিত ৰোগ।

(গ) ভিটামিন C অধিক পৰিমাণে থকা খাদ্য হ'ল—
গাখীৰ/আমলখি/ছয়াবিন।

◆◆◆◆◆

পাঠ- ৬

# অসমৰ প্ৰাকৃতিক সম্পদ আৰু সংৰক্ষণ

I6G1N2

জীয়াই থাকিবলৈ আমাক বিভিন্ন ধৰণৰ সামগ্ৰী বা বস্তুৰ প্ৰয়োজন। আমাৰ এই প্ৰয়োজনীয় সামগ্ৰীবোৰ প্ৰকৃতিৰপৰাই পাওঁ। উদাহৰণস্বৰূপে- আমি উশাহ-নিশাহৰ বাবে বায়ু, খেতি কৰিবলৈ আৰু ঘৰ সাজিবলৈ মাটি, বাঁহ- বেত, কাঠ, খেৰ, শিল-বালি, পিয়াহ পলুৱাবলৈ পানী, জুই জ্বলাবলৈ খৰি, কয়লা আদি সকলো প্ৰকৃতিৰ পৰাই পাওঁ। প্ৰকৃতিত পোৱা সকলো সামগ্ৰী অৱশ্যে সম্পদ নহয়। প্ৰকৃতিৰপৰা আহৰণ কৰিব পৰা মানুহৰ ব্যৱহাৰৰ উপযোগী সামগ্ৰীবোৰক **প্ৰাকৃতিক সম্পদ** বুলি কোৱা হয়।

বায়ু, মাটি, উদ্ভিদ, সৌৰশক্তি আদিৰ দৰে কিছুমান প্ৰাকৃতিক সম্পদ বাৰে বাৰে ব্যৱহাৰ কৰি থাকিলেও শেষ নহয়, এইবোৰক **নবীকৰণক্ষম সম্পদ** বোলে। আনহাতে কয়লা, খনিজ পদাৰ্থ, খাৰুৱা তেল আদি এবাৰ আহৰণ কৰি ব্যৱহাৰ কৰাৰ পাছত এই সম্পদ পুনৰ সৃষ্টি হ'বলৈ বহুত দীঘলীয়া সময় লাগে। এইবোৰক **অনবীকৰণক্ষম সম্পদ** বোলে।

অসমত পোৱা প্ৰাকৃতিক সম্পদসমূহক চাৰিটা ভাগত ভাগ কৰিব পাৰি, যেনে—

১। বনজ সম্পদ    ২। খনিজ সম্পদ    ৩। কৃষিজ সম্পদ    ৪। জলজ সম্পদ






### ১। বনজ সম্পদ

অসমৰ বনজ সম্পদ বুলিলে গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি, হাবি-বন, গছ-লতা আদিক বুজোৱা হয়। অসমৰ শাল, চেগুন, তিতাচঁপা, কৰৈ আদি গছৰ কাঠ বৰ মূল্যৱান। ৰাজ্যখনৰ পাহাৰীয়া অঞ্চল আৰু বৰাক উপত্যকাত হোলোং, বনচোম, তিতাচঁপা আদি গছ পোৱাৰ উপৰি উত্তৰ কাছাৰ পাহাৰত বিভিন্ন প্ৰজাতিৰ বাঁহ পোৱা যায়। অসমৰ নৈ-উপনৈসমূহৰ দুয়োপাৰৰ সমতলভূমিত খয়েৰ, শিমলু, কদম, কৰৈ আদিৰ লগতে নলখাগৰি, খেৰ আদি উদ্ভিদো পোৱা যায়। এই কাঠ আৰু বাঁহ-বেতেৰে মানুহে বিভিন্ন ধৰণৰ আচবাব আৰু দৈনন্দিন ব্যৱহৃত বিভিন্ন সা-সৰঞ্জাম তৈয়াৰ কৰি লয়।

অসমৰ হাবিত বহুতো ঔষধি গুণযুক্ত উদ্ভিদ পোৱা যায়। অসমৰ হাবিৰপৰা খৰি, ফল-মূল, ৰবৰ, ঔষধি গুণযুক্ত উদ্ভিদ, খেৰ আদি সংগ্ৰহ কৰি কিছুমান মানুহে জীৱিকা নিৰ্বাহ কৰে। ব্যৱসায়িক ভিত্তিত অসমত উৎপন্ন হোৱা শাল, চেগুণ কাঠ আৰু ঔষধি উদ্ভিদ দেশৰ বাহিৰলৈ পঠিওৱা হয়। এই বনজসম্পদসমূহৰ ওপৰত ভিত্তি কৰি অসমত জুইশলা, প্লাইউড, কাগজ আৰু ৰেচম আদি উদ্যোগ গঢ়ি উঠিছে।



অসমৰ হাবি বহুসংখ্যক চৰাইৰ বাসভূমি, যেনে- ভাটৌ, মইনা, শগুণ, ফেঁচা, দেওহাঁহ, ধনেশ ইত্যাদি। অসমৰ এটা খড়গৰ গঁড় পৃথিৱী বিখ্যাত। অসমৰ হাবিত পোৱা হাতী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী, হৰিণা, বন গাহৰি, বনৰীয়া গৰু, ভালুক, বনৰীয়া ম'হ, বনৰীয়া ঘোঁৰা, শিয়াল, হলৌ বান্দৰ, সোণালী বান্দৰ আদি আপুৰুগীয়া প্ৰাণী। প্ৰাণীসমূহ চাবলৈ দেশ-বিদেশৰপৰা বহুতো পৰ্যটক আহে।

➢ ওপৰত উল্লেখ কৰা বনজ সম্পদসমূহৰ ওপৰত ভিত্তি কৰি তলৰ তালিকাখন সম্পূৰ্ণ কৰা —

| বনজ উদ্ভিদৰ নাম | হাবিত থকা চৰাইৰ নাম | বনৰীয়া প্ৰাণীৰ নাম |
|---|---|---|
| | | |

**শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ লিখা-**


অসমৰ ৰাজ্যিক পক্ষীৰ নাম-

অসমৰ জাতীয় প্ৰতীকটোৰ নাম-

ভাৰতৰ ৰাষ্ট্ৰীয় চৰাইটোৰ নাম-



*ময়ূৰ চৰাই*



*গঁড়*



*দেওহাঁহ*

**ক্ষেত্ৰ অধ্যয়ন**

➢ বিদ্যালয় বা তোমালোকৰ ঘৰৰ আশে-পাশে থকা ঔষধি গুণযুক্ত উদ্ভিদৰ নাম আৰু সেইবোৰৰ ব্যৱহাৰৰ বিষয়ে নিজৰ বহীত লিখা। (শিক্ষকৰ সহায় ল'বা)

**২। খনিজ সম্পদ**

অসম খনিজ সম্পদত চহকী। অসমত প্ৰধানকৈ কয়লা, খাৰুৱা তেল আৰু চূণশিল পোৱা যায়।

**কয়লা —**

বহু নিযুত বছৰৰ আগতে পৃথিৱীখনত গছ-গছনিৰে ভৰা জলাহভূমি আছিল। সেইসময়ত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ফলত এই গছ-গছনিবোৰ ভূ-গৰ্ভৰ বহু তললৈ গৈ পোত গৈছিল। এই পোত যোৱা গছ-গছনিবোৰৰ ওপৰত তৰপে তৰপে গেদ জমা হৈ কিছুমান স্তৰৰ সৃষ্টি হৈছিল। ভূ-গৰ্ভৰ তলিত পোত যোৱা এই গছ-গছনিবোৰ লাহে লাহে ভূ-পৃষ্ঠৰ প্ৰচণ্ড চাপ আৰু ভূ-গৰ্ভৰ তাপৰ প্ৰভাৱত কয়লালৈ পৰিৱৰ্তিত হৈছিল। প্ৰকৃতিত পোৱা সবাতোকৈ গুৰুত্বপূৰ্ণ ইন্ধনৰ ভিতৰত কয়লা অন্যতম।

অসমৰ মাকুম, লিডু, মাৰ্ঘেৰিটা, জয়পুৰ আদিত কয়লা পোৱা যায়। মাকুমৰ কয়লাখনি অতি পুৰণি। কাৰ্বিপাহাৰৰ কয়লাজান, শিলভেটা আদিত কম পৰিমাণে উৎকৃষ্ট মানৰ কয়লা পোৱা যায়। কয়লাৰ খনিত কাম কৰি বহুতো মানুহে জীৱিকা নিৰ্বাহ কৰে।

**খাৰুৱা তেল —**

বহু নিযুত বছৰৰ আগতে সাগৰ-মহাসাগৰ আদিত থকা শেলুৱৈজাতীয় উদ্ভিদ আৰু সৰু সৰু প্ৰাণীবোৰৰ মৃত্যু হোৱাৰ পাছত সাগৰ-মহাসাগৰৰ বহু তললৈ গৈ গেদৰ মাজত পোত গৈছিল। এই মৃত উদ্ভিদ আৰু প্ৰাণীবোৰেই ভূ-পৃষ্ঠৰ প্ৰচণ্ড চাপ, ভূ-গৰ্ভৰ তাপ আৰু বেক্টেৰিয়াৰ ক্ৰিয়াৰ ফলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছলৈ পৰিণত হয়। খাৰুৱা তেল জুলীয়া অৱস্থাত আৰু প্ৰাকৃতিক গেছ গেছীয় অৱস্থাত থাকে। খাৰুৱা তেলসমূহ শিলৰ স্তৰৰ মাজতো পোৱা যায়। সাগৰৰ তলিৰ ভূ-গৰ্ভতো খাৰুৱা তেল পোৱা যায়। অসমত খাৰুৱা তেল থকা ঠাইকেইখন হ'ল— নাহৰকটীয়া, হুগ্ৰীজান, মৰাণ, ৰুদ্ৰসাগৰ, গেলেকী, লাকুৱা আদি।

**১৮৮৯ চনত ইংৰাজসকলে প্ৰথমতে ডিগবৈত খাৰুৱা তেলৰ সন্ধান পায়।**




ভূ-গৰ্ভৰপৰা আহৰণ কৰা খাৰুৱা তেলসমূহ শোধনাগাৰত শোধন কৰি পেট্ৰ'ল, ডিজেল, কেৰাচিন, নেফ্‌থেলিন, মম্ আদি পৃথক কৰা হয়। অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়ত তেল শোধনাগাৰ আছে। শোধনাগাৰত তেল শোধন কৰি আমাৰ ৰাজ্যত ব্যৱহাৰ কৰাৰ উপৰি পাইপযোগে কিছু অংশ অসমৰ বাহিৰলৈও পঠিওৱা হয়। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি অসমত কিছুসংখ্যক উদ্যোগ গঢ়ি উঠিছে। খাৰুৱা তেল আহৰণৰ ফলত ক্ৰমান্বয়ে ভূ-গৰ্ভত মজুত থকা খাৰুৱা তেল শেষ হৈ আহিছে। সেয়েহে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হোৱাটো অতি প্ৰয়োজন।

**কয়লা আৰু খাৰুৱা তেলক ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। গছ-গছনি আৰু প্ৰাণীৰ দেহৰ অৱশিষ্টৰপৰা উৎপন্ন হোৱাৰ বাবে ইহঁতক জীৱাশ্ম ইন্ধন বোলে।**

**চূণশিল**

চূণশিল অসমৰ আন এবিধ খনিজ সম্পদ। ডিমা-হাছাও জিলাৰ উমৰাংছু আৰু কাৰ্বি আংলং জিলাৰ কয়লাজান আৰু ডিলাই পাহাৰত চূণশিল পোৱা যায়। বিলাতী মাটি প্ৰস্তুত কৰিবলৈ চূণশিল ব্যৱহাৰ কৰা হয়। বোকাজানৰ বিলাতী মাটিৰ উদ্যোগত কয়লাজানৰ পৰা অনা চূণশিল ব্যৱহাৰ কৰা হয়। চূণশিলৰপৰা চকপেঞ্চিল, দাঁত ঘঁহা দ্ৰব্য, ৰং আদি প্ৰস্তুত কৰা হয়।


প্ৰাকৃতিক সম্পদবোৰ আমাৰ ৰাজ্যত মজুত থকাৰ বাবে এইবোৰৰ ব্যৱহাৰ সহজসাধ্য হৈছে। এই সম্পদবোৰে আমাৰ দেশক উদ্যোগীকৰণত সহায় কৰি আমাৰ জীৱন-ধাৰণৰ মান উন্নত কৰিছে। কেঁচামাল আৰু উৎপাদিত সামগ্ৰীসমূহ দেশ-বিদেশলৈ ৰপ্তানি কৰি চৰকাৰে ৰাজহ সংগ্ৰহ কৰাৰ ফলত আমাৰ ৰাজ্যখন অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। এই প্ৰাকৃতিক সম্পদবোৰৰ সঠিক ব্যৱহাৰ কৰাটো সকলোৰে কাম্য।

সিপিঠিত উল্লেখ কৰা 'খনিজ সম্পদ'ৰ কথাখিনিৰ ওপৰত ভিত্তি কৰি লিখা-


- অসমৰ খাৰুৱা তেল থকা ঠাইবোৰৰ নাম—
- কয়লা থকা ঠাইবোৰ হ'ল—
- চূণশিল থকা ঠাইবোৰ হ'ল—

**৩। জলজ সম্পদ**

ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ দুখন প্ৰধান নৈ। এই নৈ দুখনৰ বহুতো উপনৈ আছে। এই নৈ-উপনৈবোৰত জাহাজঘাট, ফেৰীঘাট আদি গঢ়ি উঠিছে। এখন ঠাইৰপৰা আন এখন ঠাইলৈ অহা-যোৱা কৰিবলৈ আৰু বস্তু-বাহানি কঢ়িয়াবলৈ মানুহে জল পৰিবহণ ব্যৱস্থাৰ সুযোগ গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰ নৈত পোৱা **শিহু** হ'ল পৃথিৱীৰ এবিধ বিৰল প্ৰজাতিৰ জলজ প্ৰাণী।



*জলজ সম্পদ*




অসমৰ প্ৰধান নৈ-উপনৈ

**মানচিত্ৰখন চাই ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উপনৈসমূহৰ নাম লিখা—**

| ব্ৰহ্মপুত্ৰনৈৰ উত্তৰ দিশে থকা উপনৈসমূহ | ব্ৰহ্মপুত্ৰনৈৰ দক্ষিণ দিশে থকা উপনৈসমূহ | বৰাকনৈৰ উপনৈসমূহ |
|---|---|---|
| | | |

নদীৰ সুবিধাজনক স্থানত বান্ধ দি জলবিদ্যুৎ উৎপন্ন কৰা হয়। নৈ-উপনৈসমূহৰ বালি ঘৰ-দুৱাৰ, ৰাস্তা আদি নিৰ্মাণত ব্যৱহাৰ কৰা হয়। নদীৰ দাঁতিকাষৰীয়া অঞ্চল পলস পৰি সাৰুৱা হয় বাবে খেতি কৰাৰ বাবে উপযোগী। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কিছু উপনৈৰ পানী পাইপৰ সহায়ত জনসাধাৰণৰ ব্যৱহাৰৰ বাবে যোগান ধৰা হয়। ভূ-পৃষ্ঠৰ পানীভাগৰ দৰে ভূ-গৰ্ভৰ পানীভাগো আমাৰ সম্পদ। ঘৰুৱা কাম-কাজ, খেতিপথাৰ, উদ্যোগ আদিত ব্যৱহাৰ হোৱা কিছু পানী ভূ-গৰ্ভৰপৰা আহৰণ কৰা হয়।


*চান্দডুবি বিল*

নৈ-উপনৈসমূহৰ উপৰি আমাৰ ৰাজ্যখন অসংখ্য খাল-বিল, পুখুৰী আদি জলাশয়েৰে ভৰা, যেনে- দীপৰ বিল, চান্দডুবি বিল, চামগুৰি বিল, সোণবিল আদি। বিভিন্ন বনৰীয়া প্ৰাণী, চৰাই-চিৰিকটি আদি খাদ্য আৰু পানীৰ বাবে এই জলাশয়বোৰত আশ্ৰয় লৈ থাকে। নৈ-উপনৈ, খাল-বিল আদি জলাশয়বোৰে মাছৰ চাহিদা পূৰণ কৰে। কিছুমান লোকে মীনপালন কৰিও জীৱিকা নিৰ্বাহ কৰে। নৈ-উপনৈৰ চৰ-চাপৰিবোৰত প্ৰচুৰ পৰিমাণে বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি হয়।



**৪। কৃষিজ সম্পদ**

মাটিৰ গুণাগুণ আৰু বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি অসমত ভিন ভিন খেতি কৰা হয়। গ্ৰীষ্মকালত অসমত যথেষ্ট বৰষুণ হয়। এইসময়ত ধান, মৰাপাট, লাও, জিকা, ভোল, কোমোৰা আদিৰ খেতি কৰা হয়। আনহাতে শীতকালত বৰষুণ কম হোৱা বাবে ঘেঁহু, গোমধান, সৰিয়হ, আলু, ফুলকবি, বন্ধাকবি, গাজৰ, নেমু, বীন আদিৰ খেতি কৰা হয়। অসমত মাটিকঁঠাল, কুঁহিয়াৰ, মধুৰিআম, লিচু, কল, কমলা, নাৰিকল আদি ফল-মূলৰ উপৰি মাহজাতীয় শস্য, মৰাপাট, বিভিন্ন প্ৰকাৰৰ শাক, তামোল-পাণ আদিৰো খেতি কৰা হয়। চাহ অসমৰ প্ৰধান ৰোপণ খেতি। ইয়াৰ উপৰি কফি, ৰবৰ আদিৰ খেতিও কৰা হয়।



**প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু সংৰক্ষণ ঃ**

বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, প্ৰদূষণ আদিৰ ফলত জৈৱ সম্পদবোৰ ধ্বংস হোৱা দেখা যায়। তদুপৰি বৰ্তমানৰ আধুনিকীকৰণ আৰু উদ্যোগীকৰণৰ যুগত জৈৱসম্পদসমূহ ধ্বংসৰ দিশত গতি কৰিছে। পাহাৰে-পৰ্বতে মানুহে বসতি কৰিবলৈ লোৱাৰ ফলত গছ-গছনি, পশু-পক্ষী আদি নোহোৱা হৈছে।

**কি কি কাৰণত বনাঞ্চল ধ্বংস হৈছে আৰু বন্যপ্ৰাণীৰ সংখ্যা কমি আহিছে তাক জানি লওঁ আহা—**

- জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ চাহিদা বাঢ়ি গৈ আছে। ফলত মানুহে হাবি-বন ধ্বংস কৰি আৱাসিক আৰু ঔদ্যোগিক অঞ্চল গঢ়ি তুলিছে।
- জধে-মধে হাবি-বন ধ্বংস কৰাৰ ফলত কিছুমান প্ৰাণী, যেনে— এটা খড়্গযুক্ত গঁড়, নল-গাহৰি, বনৰীয়া ম'হ, লাজুকী বান্দৰ, সোণালী বান্দৰ, দেওহাঁহ, কাছ আদি পৃথিৱীৰপৰা প্ৰায় বিলুপ্ত হ'ব ধৰিছে।
- পাহাৰৰ হাবি-বন কাটি মুকলি কৰি জুম খেতি কৰা হৈছে।
- বিস্তীৰ্ণ তৃণভূমিবোৰ চহাই কৃষিভূমিত পৰিণত কৰা হৈছে।
- জলাশয়বোৰ পুতি মানুহে সেইবোৰত বসতি কৰিবলৈ লৈছে। ফলত জলজ জীৱৰ আৱাসভূমি কমি আহিছে আৰু লগতে জলজ উদ্ভিদ আৰু প্ৰাণীৰ বিলুপ্তি ঘটিব ধৰিছে।
- দাঁত, শিং, খড়্গ, ছাল, পাখি আদিৰ বাবে অসৎ উপায়েৰে কিছু লোকে বন্যপ্ৰাণী বধ কৰাৰ ফলত হাতী, ম'হ, গঁড়, বাঘ, সিংহ, ময়ূৰ আদিৰ সংখ্যা কমি আহিছে।

- বহু বছৰ আগতে পৃথিৱীত ডাইনʼছৰ নামৰ এবিধ বৃহৎ আকাৰৰ প্ৰাণী আছিল। জীয়াই থকাৰ উপযুক্ত পৰিৱেশৰ অভাৱত এনে প্ৰাণীবোৰৰ বিলুপ্তি ঘটে।



ডাইনʼছৰ



ডড'

- মৰিছাছ দ্বীপত ডড' নামৰ এবিধ চৰাই আছিল। মৰিছাছ দ্বীপলৈ অহা নাবিকসকলে চৰাইবোৰ ধৰি খোৱাৰ ফলত সেই দ্বীপটোত চৰাইবোৰ সম্পূৰ্ণৰূপে লোপ পায়।

সুপৰিকল্পিত, বিজ্ঞানভিত্তিক ব্যৱহাৰৰ দ্বাৰা প্ৰাকৃতিক সম্পদসমূহৰ সুৰক্ষা নিশ্চিত কৰা আৰু ধ্বংসপ্ৰাপ্ত সম্পদসমূহৰ পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰাকে **প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ** বোলে। এনে ব্যৱস্থাৰ উদ্দেশ্য হ'ল পৃথিৱীৰ প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখা, যাতে মানুহ, চৰাই-চিৰিকটি, কীটপতংগ উদ্ভিদ আদিয়ে সুস্থিৰভাৱে জীয়াই থাকিব পাৰে। প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ বুলিলে সাধাৰণতে ভূমি সংৰক্ষণ, ইন্ধন সংৰক্ষণ আৰু বন (অৰণ্য) সংৰক্ষণক বুজায়।

**ভূমি সংৰক্ষণ ঃ** ভূমি সংৰক্ষণৰ অৰ্থ হ'ল মাটি অথবা ভূমিৰ ক্ষয় ৰোধ কৰা। ভূমি ক্ষয় ৰোধ কৰাৰ উদ্দেশ্য হ'ল মাটিৰ অৱস্থাৰ পৰিৱৰ্তন নোহোৱাকৈ ৰখা আৰু মাটিৰ উৰ্বৰতা ৰক্ষা কৰি কৃষিৰ উপযোগীকৈ সংৰক্ষণ কৰা। মাটিত গছ-গছনি ৰুই খহনীয়া ৰোধ কৰি মাটি সুৰক্ষা কৰিব পাৰি আৰু পচন সাৰ প্ৰয়োগ কৰি মাটিৰ ক্ষতি নোহোৱাকৈ মাটিৰ উৰ্বৰা সংৰক্ষণ কৰিব পাৰি।

**অৰণ্য সংৰক্ষণ ঃ** বন বা অৰণ্য গছ-গছনি আৰু প্ৰাণীৰ বাসভূমি। পৃথিৱীত গছ-গছনি আৰু প্ৰাণীবোৰ থাকিলেহে মানুহৰ বাবে উপযুক্ত পৰিৱেশ থাকিব। চৰকাৰে এই বনজ সম্পদসমূহৰ ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ উদ্দেশ্যে কিছুমান গছ-গছনি, বনৰীয়া প্ৰাণী আৰু চৰাই-চিৰিকটিৰে ভৰি থকা প্ৰাকৃতিক অঞ্চলক সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান, পক্ষী উদ্যান, উদ্ভিদ উদ্যান হিচাপে স্বীকৃতি দিছে। বনজ সম্পদত চহকী প্ৰাকৃতিক অঞ্চল কিছুমানক চৰকাৰে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে। এই সংৰক্ষিত বনাঞ্চলসমূহত থকা উদ্ভিদ আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ ব্যৱস্থা বন বিভাগে লয়। কোনো অঞ্চল এটা বন্যপ্ৰাণীৰ আৱাসস্থলী হিচাপে বিবেচিত হ'বলৈ হ'লে প্ৰয়োজনীয় তিনিটা উপাদান, যেনে— খাদ্য, পানী আৰু বাসস্থান থাকিব লাগিব। এই তিনিটা উপাদান সঠিকভাৱে থাকিলেহে জৈৱবৈচিত্ৰ্য সৃষ্টি হয়।

➢ জৈৱবৈচিত্ৰ্য মানে কি ? শিক্ষকৰ সহায়ত আলোচনা কৰা ?

**অসমৰ কেইখনমান ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যৰ নাম আৰু সেইবোৰত থকা উল্লেখযোগ্য প্ৰাণী আৰু পক্ষীৰ বিষয়ে জানি লওঁ আহা-**

| ৰাষ্ট্ৰীয় উদ্যান | উল্লেখযোগ্য প্ৰাণী আৰু পক্ষী |
|---|---|
| কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান | এটা খড়গযুক্ত গঁড়, নাহৰফুটুকী বাঘ, হাতী, বিভিন্ন প্ৰজাতিৰ পহু, হৰিণা, হলৌ বান্দৰ, ভালুক, বনৰীয়া ম'হ, নানা প্ৰজাতিৰ চৰাই আদি। |
| মানাহ ৰাষ্ট্ৰীয় উদ্যান | ঢেঁকীয়াপতীয়া বাঘ, সোণালী বান্দৰ, নলগাহৰি, খাগৰিকটা পহু, বনৰীয়া কুকুৰা, ময়ূৰ আদি। |
| নামেৰি ৰাষ্ট্ৰীয় উদ্যান | ঢেঁকীয়াপতীয়া বাঘ, হাতী, টুপীমূৰীয়া বান্দৰ, দেওহাঁহ, ধনেশ পক্ষী আদি। |
| ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান | বনৰীয়া ঘোঁৰা, দেওহাঁহ, বনৰীয়া ম'হ আদি। |
| ওৰাং ৰাষ্ট্ৰীয় উদ্যান | দেওহাঁহ, বনৰীয়া ম'হ, গঁড়, বাঘ, ময়ূৰ আদি। |
| ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান | হাতী, বাঘ, সোণালী বান্দৰ, বিভিন্ন প্ৰজাতিৰ চৰাই, পখিলা আদি। |
| দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান | বিভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপ, বনৰৌ, হলৌ বান্দৰ, বাঘ, নাহৰ ফটুকী, ক'লা ভালুক, দেওহাঁহ, হাতী আদি। |

**বন্যপ্ৰাণী অভয়াৰণ্যৰ নাম ঃ গৰমপানী, লাওখোৱা, বৰনদী, চক্ৰশীলা, বুঢ়া-চাপৰি, পানীদিহিং, হোলোংপাৰ গিবন, পবিতৰা, সোণাই-ৰূপাই, ভেৰজান-বৰজান-পদুমণি, পূব কাৰ্বি আংলং, নামবৰ, মৰত লংৰী, নামবৰ দৈগুৰুং, আমচাং, বৰাইল।**

জৈৱবৈচিত্ৰ্যৰ ওপৰত ভিত্তি কৰি চৰকাৰে প্ৰাকৃতিকভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ একোটা এলেকাক অভয়াৰণ্য বুলি ঘোষণা কৰে। ইয়াত বন্যপ্ৰাণী আৰু গছ-গছনিক বিশেষভাৱে ৰক্ষণাবেক্ষণ দিয়া হয়। অভয়াৰণ্যত থকা গছ-গছনি যাতে বিনা অনুমতিত কোনেও কাটি লৈ যাব নোৱাৰে আৰু বন্যপ্ৰাণীবোৰ বধ কৰিব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰখা হয়।


ৰাষ্ট্ৰীয় উদ্যানসমূহক সাধাৰণতে একেবাৰে ভিতৰ অঞ্চল আৰু দাঁতিকাষৰীয়া অঞ্চল হিচাপে দুটা ভাগত ভগোৱা হয়। পৰ্যটকসকলৰ বাবে ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলত দৰ্শনৰ সুবিধা থাকে। ৰাষ্ট্ৰীয় উদ্যানৰ একেবাৰে ভিতৰ অঞ্চলত জনসাধাৰণৰ বাবে প্ৰৱেশ নিষেধ থাকে। এই অঞ্চলটো সম্পূৰ্ণভাৱে বন্যপ্ৰাণীৰ বাবে সংৰক্ষিত। এই সংৰক্ষিত বনাঞ্চলবোৰ চাবলৈ অহা দেশ-বিদেশৰ পৰ্যটকৰপৰা চৰকাৰে ৰাজহ সংগ্ৰহ কৰে।

**অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ পৰিচালনাৰ বিভিন্ন দিশৰ ভিতৰত মুখ্য ব্যৱস্থাকেইটা হ'ল—**



- বন্যপ্ৰাণীৰ আৱাসথলীৰ সুৰক্ষা।
- মানুহ আৰু ঘৰচীয়া প্ৰাণীৰ মুক্ত বিচৰণত বাধা আৰোপ।
- পানীৰ সমস্যা দূৰীকৰণৰ বাবে নিজৰা, বিল, জলাহ, দলনি আদিৰ সংৰক্ষণ।
- তৃণভূমিৰ সংৰক্ষণ।

**অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত থকা বন্যপ্ৰাণী আৰু বনজ সম্পদসমূহ আইনৰ দ্বাৰা সুৰক্ষিত।**




**ইন্ধনৰ সংৰক্ষণ ঃ** ভূ-গৰ্ভত পোৱা খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল আদিবোৰ হ'ল ইন্ধন। এইবোৰক শক্তি সম্পদ বুলিও কোৱা হয়। এই ইন্ধনসমূহ যান-বাহন, কল-কাৰখানা, উদ্যোগ, ৰন্ধা-বঢ়া আদিত ব্যৱহাৰ কৰা হয়। অতিমাত্ৰা ইন্ধনৰ ব্যৱহাৰ কৰাৰ ফলত এই শক্তিৰ উৎসসমূহ বৰ্তমান শেষ হোৱাৰ উপক্ৰম হৈছে। গতিকে ইন্ধনৰ সংৰক্ষণ আৰু অপচয় হ্ৰাস কৰাৰ প্ৰয়োজন হৈছে। তাৰ বাবে মানুহে জীৱন ধাৰণ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন কৰিবলগীয়া হৈছে।

**শক্তি সংৰক্ষণৰ কিছুমান ব্যৱস্থা হ'ল —**

- খনিজ সম্পদৰ পৰিৱৰ্তে সৌৰশক্তি, বায়ুশক্তি আদিৰ বিকাশ ঘটাই বিকল্প শক্তি হিচাপে দৈনন্দিন কামত ব্যৱহাৰ কৰা।
- শক্তি আহৰণৰ বাবে ব্যৱহাৰ কৰা ইন্ধনৰ অপচয় ৰোধ কৰা।

**চিন্তা কৰি লিখা-**

- জীৱ সম্পদসমূহ আমি কিয় সংৰক্ষণ কৰিব লাগে ?
- গছ-গছনিবোৰ নহ'লে আমাৰ কি কি অসুবিধা হ'ব ?
- নৈ-উপনৈসমূহৰ পানী শুকাই গ'লে কি হ'ব ?
- ৰাষ্ট্ৰীয় উদ্যানসমূহৰ প্ৰয়োজনীয়তা কি কি ?

**দলগত কাৰ্যঃ**

- পৰিৱেশৰ সংৰক্ষণৰ বাবে কি কি দিৱস উদ্‌যাপন কৰা হয় আৰু এইবোৰৰ তাৎপৰ্যৰ বৰ্ণনা কৰি টোকা প্ৰস্তুত কৰা।
- তথ্য সংগ্ৰহ কৰা আৰু আলোচনা চক্ৰত ভাগ লোৱা—

  - তোমালোকৰ অঞ্চলত কি কি প্ৰাকৃতিক সম্পদ পোৱা যায় ?

  - প্ৰাকৃতিক সম্পদসমূহ কি কি কামত ব্যৱহাৰ হৈছে ?
- পৰিৱেশ সংৰক্ষণৰ বাবে পোষ্টাৰত শ্ল'গান লিখি বিদ্যালয়ৰ চৌহদত আঁৰি থ'বা।

**পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা আনিবলৈ জনসাধাৰণে লোৱা কিছুমান ব্যৱস্থা সম্পৰ্কে জানি লওঁ আহা-**

- গছ-পুলি ৰোপণ কাৰ্যসূচীৰ দ্বাৰা ২১ মাৰ্চৰ দিনটো **'বিশ্ব বন দিৱস'** হিচাপে পালন কৰা হয়। ইয়াৰ জৰিয়তে গছ-পুলি ৰোৱা হয় আৰু গছ পুলিৰ যত্ন লোৱাৰ বাবে ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰা হয়।
- ২২ মাৰ্চ দিনটো **'বিশ্ব জল দিৱস'** হিচাপে পালন কৰা হয়। পানীৰ সংৰক্ষণ, সুৰক্ষা আৰু সঠিক ব্যৱহাৰৰ বিষয়ে **সজাগতা** আনিবলৈ সভা-সমিতি পতা হয়।
- ২২ মে' দিনটো **'বিশ্ব জীৱবৈচিত্ৰ্য দিৱস'** হিচাপে পালন কৰা হয়।
- প্ৰতি বছৰে ৫ জুন তাৰিখটো **'বিশ্ব পৰিৱেশ দিৱস'** হিচাপে পালন কৰা হয়। এই দিনটোত পৰিৱেশ প্ৰদূষণৰ বিভিন্ন অপকাৰ আৰু পৰিৱেশ সংৰক্ষণৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহ ৰাইজক অৱগত কৰিবলৈ গছ-গছনি ৰোৱা, সভা-সমিতি অনুষ্ঠিত কৰা আদি কাম কৰা হয়।
- বন্যপ্ৰাণী সংৰক্ষণৰ বাবে সজাগতা আনিবলৈ অক্টোবৰ মাহৰ প্ৰথম সপ্তাহটো **'বিশ্ব বন্যপ্ৰাণী'** সপ্তাহ হিচাপে পালন কৰা হয়।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) প্ৰাকৃতিক সম্পদ বুলিলে কি বুজা ?

(খ) নবীকৰণক্ষম আৰু অনবীকৰণক্ষম সম্পদ বুলিলে কি বুজা ?

(গ) অসমৰ ৰাষ্ট্ৰীয় উদ্যান কেইখনৰ নাম লিখা।

(ঘ) অসমৰ কোনকেইখন জিলাত চূণশিল পোৱা যায়।

(ঙ) অসমৰ বনাঞ্চলত থকা চাৰিবিধ প্ৰাণীৰ নাম উল্লেখ কৰা।

২। চমুটোকা লিখা —

(ক) অভয়াৰণ্য (খ) সংৰক্ষিত বনাঞ্চল (গ) উদ্ভিদ উদ্যান (ঘ) ৰাষ্ট্ৰীয় উদ্যান।

৩। খালী ঠাই পূৰ কৰা।

(ক) ২১ মাৰ্চ দিনটো ......................... হিচাপে পালন কৰা হয়।

(খ) প্ৰাকৃতিকভাৱে পোৱা সকলো সামগ্ৰী ...........................নহয়।

(গ) ..................................ৰ কলয়াখনি অতি পুৰণি।

(ঘ) বিলাতী মাটি প্ৰস্তুত কৰিবলৈ.........................ব্যৱহাৰ কৰা হয়।

(ঙ) .........................আৰু .........................অসমৰ দুখন প্ৰধান নৈ।

৪। জৈৱ সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে লিখা।

৫। পৰিৱেশ সজাগতা আনিবলৈ তুমি ৩টা ব্যৱস্থাৰ কথা উল্লেখ কৰা।

৬। শুদ্ধ উত্তৰটো বিচাৰি লিখা—

(ক) তলৰ কোনখন ৰাষ্ট্ৰীয় উদ্যান হয় ?

(১) ৰাইমনা (২) গৰমপানী (৩) পবিতৰা (৪) চক্ৰশীলা।

(খ) তলৰ কোনবিধ অসমৰ ৰাজ্যিক পক্ষী ?

(১) মইনা (২) ময়ূৰ (৩) ধনেশ (৪) দেওহাঁহ।

◆◆◆◆◆

## পাঠ - ৭
# অসমৰ সংস্কৃতি

L5L8U1

মানুহে ভিন ভিন অঞ্চলত সমাজ পাতি বাস কৰে। মানুহে বসতি কৰা সকলোবোৰ অঞ্চলৰে একো একোটা সুকীয়া পৰিৱেশ আছে। একোখন দেশত নানা জাতি-ধৰ্মৰ লোক থকাৰ লগতে সমাজ বিশেষে সকলোৱে কিছুমান উমৈহতীয়া নীতি-নিয়ম আৰু আইন মানি চলে। জাতি-ধৰ্ম, ভাষা, শিক্ষা, ৰীতি-নীতি, সাহিত্য, শিল্পকলা আদিয়েই একো একোটা অঞ্চলৰ সমাজ-সংস্কৃতিৰ পৰিচায়ক। ইয়ে সমাজত সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে।



*বিভিন্ন জাতি-জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ*

অসম ৰাজ্যখন বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইয়াত অতীজৰেপৰা বিভিন্ন জাতি-জনগোষ্ঠী যেনে- বড়ো, মিছিং, ৰাভা, কাৰ্বি, আদিবাসী, গাৰো, তিৱা, ডিমাছা, দেউৰী, কোচ-ৰাজবংশী আদি বসবাস কৰি আহিছে। তদুপৰি ভাৰতৰ ভিন্ন প্ৰান্তৰ হিন্দী, বাংলা, নেপালী আদি ভাষী লোকো অসমত আছে। এই সকলোকে সামৰি এক বিশাল অসমীয়া জাতি গঢ়ি উঠিছে।

অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজা নিজা ভাষা, সাহিত্য-সংস্কৃতি, ধৰ্মীয় পৰম্পৰা, সামাজিক ৰীতি-নীতি, সাজ-পাৰ, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, আ-অলংকাৰ, খাদ্য-সম্ভাৰ আদি আছে। মন কৰিবলগীয়া যে, এই সকলোবোৰ মিলি এক বৃহৎ অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। এনেদৰে সকলোৱে মিলি মিলনৰ সেঁতু বান্ধিছে। সেয়েহে অসমৰ সংস্কৃতিক বাৰেৰহণীয়া আৰু বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি বুলি কোৱা হয়।

**শিক্ষক আৰু অভিভাৱকৰ পৰা জানি লৈ লিখা-**

➢ তোমালোকৰ অঞ্চলত কোন কোন জাতি-জনজাতিৰ লোক বাস কৰে?

অসমত বিভিন্ন ভাষা কোৱা মানুহ আছে। ইতিমধ্যে উল্লেখ কৰি অহা প্ৰত্যেকটো জনজাতিৰে নিজৰ নিজৰ ভাষা আছে। এই জনজাতীয় ভাষাবোৰৰ ভিতৰত বড়ো, কাৰ্বি, মিছিং, ৰাভা, তিৱা, গাৰো, দেউৰী, ডিমাছা, মাৰ আদি প্ৰধান। অজনজাতীয়সকলৰ ভিতৰত অসমীয়া, বাংলা, হিন্দী, নেপালী আদি ভাষা কোৱা লোকেই অধিক।

➢ তোমালোকৰ শ্ৰেণীত কি কি ভাষা-ভাষীৰ ছাত্ৰ-ছাত্ৰী আছে?

'সংস্কৃতি' শব্দটোৰ অৰ্থ ব্যাপক আৰু বিশাল। সংস্কৃতিয়ে জাতিৰ সভ্যতা, সাহিত্য, ধৰ্ম, ভাষা, খাদ্য, সাজপাৰ, আ-অলংকাৰ, আচৰণ, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আদি সাঙুৰি লয়। অসমৰ সংস্কৃতি বুলিলে আমি এই বিষয়সমূহকে বুজোঁ। অসমত বাস কৰা সকলো জাতি-জনগোষ্ঠীয়ে নিজা সংস্কৃতিৰে অসমীয়া সংস্কৃতিত বিলীন হৈ এক বিশাল অসমীয়া সংস্কৃতি গঢ়ি তুলিছে।

**অসমীয়া সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান—**



*শ্ৰীমন্ত শংকৰদেৱ*

অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান উল্লেখযোগ্য। তেখেতে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি অসমীয়া সমাজখনক সমন্বয়ৰ দোলেৰে বান্ধিলে। মহাপুৰুষ শংকৰদৱেৰ অবিহনে অসমীয়া সংস্কৃতিৰ কথা ভাবিব নোৱাৰি। তেখেতে কীৰ্তন, দশম, গীত-মাত, ভাওনা-সবাহ, নামঘৰ, আৰু খোল-তালকে ধৰি ভিন্ন বাদ্যযন্ত্ৰ আদিৰ সৃষ্টি কৰি অসমৰ সংস্কৃতিৰ বৰঘৰটি সুদৃঢ় কৰি থৈ গৈছে।



*সত্ৰীয়া নৃত্য*

মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰা নামঘৰক 'জাতীয় নাটশালা' কোৱা হয়। য'ত ভাওনা সবাহৰ উপৰি সমাজক আগুৱাই নিয়াৰ চৰ্চা চলে। তেখেতে সৃষ্টি কৰা সত্ৰীয়া নৃত্যই ভাৰতীয় নৃত্যকলাৰ লগত ফেৰ মাৰিব পৰা হ'ল। কেৰালাৰ কথাকলি, উৰিষ্যাৰ ওডিচি নৃত্যৰ দৰে সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় মৰ্যদা পাবলৈ সক্ষম হ'ল। এই নৃত্যই এতিয়া সমগ্ৰ ভাৰততে সন্মান পাইছে। শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ অৱদানে অসমৰ সংস্কৃতিক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

➢ শংকৰদেৱৰ সমসাময়িক আন এজন মহাপুৰুষে অসমীয়া সংস্কৃতিলৈ অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ কোন জানানে? শিক্ষকৰ পৰা জানি লৈ তেওঁৰ অৱদানসমূহ উল্লেখ কৰা।

**অসমীয়া সংস্কৃতি গঢ়ি তোলা কিছুমান উপাদানৰ বিষয়ে চমুকৈ জানি লওঁ আহা—**



আমাৰ সমাজত পৰম্পৰাগতভাৱে কিছুমান ৰীতি-নীতি, সংস্কাৰ আদি প্ৰচলিত হৈ আহিছে। জ্যেষ্ঠজনক সেৱা কৰা, ঘৰলৈ অতিথি আহিলে প্ৰথমে তামোল-পাণ আৰু পাছত চাহ-জলপানেৰে আপ্যায়ন কৰা, গুৰু-ভকতক সেৱা কৰা আদি আমাৰ সামাজিক পৰম্পৰা। ৰীতি-নীতি হিচাপে কাতি বিহুত তুলসীৰ তলত চাকি জ্বলাই শৰাই আগবঢ়োৱা হয়। ব'হাগ বিহুত মান্যসকলক 'বিহুৱান' (গামোচা) দি সন্মান যচা হয়। গোসাই ঘৰত মূৰ দোঁৱাই সেৱা কৰা হয়। এইদৰে কিছুমান ৰীতি-নীতি পালন কৰা হয়। ৰীতি-নীতিৰ এই পৰম্পৰাসমূহে সমাজখনক একতাৰ দোলেৰে বান্ধি ৰাখিছে।

**দলত আলোচনা কৰি লিখা—**

➢ ঘৰলৈ অতিথি আহিলে তোমালোকে কেনেকৈ তেওঁলোকক শুশ্ৰূষা কৰা?

**ভাষা-**

অসমৰ স্থানীয় ভাষা অসমীয়া। ভাষাই সংস্কৃতিৰ ভেটি টনকিয়াল কৰে আৰু সকলোকে একগোট কৰি এখন বহল সমাজ গঢ়ি তোলাত সহায় কৰে। ভাষাটোৰ দুটা ৰূপ- এটা কথিত আৰু এটা লিখিত। অসমীয়া ভাষাই লিখিত ৰূপ পোৱাৰ আগতে মানুহৰ মুখে মুখে নানা গীত-পদ যেনে-বিহুনাম, আইনাম, বিয়ানাম, নিচুকনি গীত আদি কথিত ৰূপত প্ৰচলিত হৈ আছিল। এতিয়া এইবোৰ লিখিত ৰূপত পোৱা যায়। সেইদৰে ফকৰা-যোজনা, সাঁথৰ, সাধুকথা আদিও প্ৰচলিত। এই আটাইবিলাকে অসমীয়া সংস্কৃতিৰ পথাৰখন জীপাল কৰি ৰাখিছে।

▶ তোমালোকে জনা দুটা সাঁথৰ লিখি তাৰ উত্তৰ দিয়া।

**সাজ-পাৰ-**

এটা জাতিৰ পৰিচয় দাঙি ধৰে সেই জাতিটোৱে ব্যৱহাৰ কৰা সাজ-পাৰে। প্ৰতিটো জাতি-জনজাতিৰে নিজা নিজা সাজ-পাৰ আছে। অসমৰ মহিলাসকলে মেখেলা-চাদৰ, ৰিহা পিন্ধে। পুৰুষসকলে চুৰীয়া, চেলেংচাদৰ, কুৰ্তা পিন্ধে।



সময়ৰ গতিত ঘটা অন্যান্য পৰিৱৰ্তনৰ লগতে সাজ-পাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তন আহিছে। যুগৰ লগত নিজকে খাপখুৱাই মানুহে সাজ-পাৰ পৰিধান কৰিবলৈ লৈছে। বৃটিছসকল অহাৰ পাছৰেপৰা পুৰুষসকলে লংপেন্ট, চাৰ্ট, পায়জামা আদি পৰিধান কৰিবলৈ লৈছে। মহিলাসকলেও যুগৰ লগত মিলাই শাৰী, চুৰিদাৰ, পেন্ট, চাৰ্ট আদি পৰিধান কৰিবলৈ লৈছে।

**তলৰ তালিকাৰপৰা কেইবিধমান জনজাতীয় সাজ-পাৰ সম্বন্ধে জানি লওঁ আহা**

| জনজাতি | মহিলাৰ সাজ-পাৰ | পুৰুষৰ সাজ-পাৰ |
|---|---|---|
| বড়ো | দখনা, ফালি | গামোচা, আৰ'ণাই |
| মিছিং | এগে-গাচৰ, ৰিবি-গাচেং,গেৰ | মিবু গালুক, গনচা ওগান, টঙালি |
| তিৱা | জচকাই, ফাচকাই, নাৰা, কাচ্যং | ঠেনাচ, টাগলা, ফাগা |
| ডিমাছা | ৰিগু ৰিজাম্ফাই, ৰিখাউছা, জিচু | ৰিছা, ৰিমছাউ, গাইনথাউ,পাগ্ৰি |
| কাৰ্বি | পিনি, পেকক, ৰামকক, চেলেং | চইহংথৰ, চেলেং, প'হ |

**আ-অলংকাৰ-**

আমাৰ সমাজত সাজ-পাৰৰ লগতে বিভিন্ন আ-অলংকাৰৰো গুৰুত্ব আছে। অতীজৰেপৰাই মানুহে নিজক সজাই পৰাই তুলি ভাল পায়। পৰম্পৰাগতভাৱে কিছুমান আ-অলংকাৰ আমাৰ সমাজত প্ৰচলিত হৈ আহিছে। বিশেষকৈ বিবাহ অনুষ্ঠানত মহিলাসকলে নানা ধৰণৰ অলংকাৰ পৰিধান কৰা দেখা যায়।

অসমীয়া সমাজত পৰম্পৰাগত ভাবে প্ৰচলিত অলংকাৰসমূহ হ'ল- কাণত কেৰু, থুৰীয়া, লোকাপাৰ, হাতত মুঠিখাৰু,গামখাৰু, গোটাখাৰু। ডিঙিত- ডুগডুগী, সাতসৰী, মাদলি, গলপতা, জোনবিৰি আদি। নাকত নাকফুল, কপালত কপালী, আঙুলিত আঙুঠি ইত্যাদি। এই আ-অলংকাৰৰ লোকগীতসমূহতো উল্লেখ আছে। আজিকালি আধুনিক চানেকিৰ আ-অলংকাৰৰ প্ৰচলন হৈছে।



আ-অলংকাৰ

**শিক্ষক আৰু অভিভাৱকৰ পৰা জানি লৈ লিখা-**

► তোমালোকৰ অঞ্চলত বাস কৰা জনগোষ্ঠী এটাৰ সাজ-পাৰ আৰু তাৰ লগত মিলাই পিন্ধা অলংকাৰ দুবিধৰ নাম লিখা।

**উৎসৱ-পাৰ্বণ—**



প্ৰতি জাতি-জনজাতিৰ নিজা নিজা জাতীয় উৎসৱ আছে, যিবোৰ জাতিৰ সকলোৱে মিলি উদযাপন কৰে। অসমৰ জাতীয় উৎসৱ 'বিহু'। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো অসমীয়াই বিহু উৎসৱ পালন কৰে। জাতীয় উৎসৱ বিহু কৃষিভিত্তিক উৎসৱ। অসমৰ শতকৰা পয়সত্তৰ ভাগ মানুহ কৃষিৰ লগত জড়িত বাবে জাতি- জনজাতি সকলোৱেই মিলি এই উৎসৱ মানে। বিহু তিনিটা- ব'হাগ মাহত ব'হাগ বা ৰঙালী বিহু, মাঘত মাঘ বিহু বা ভোগালী বিহু আৰু কাতিত কাতি বিহু। ব'হাগত কৃষকে পথাৰত ন-গুটি সিঁচে আৰু মাঘত খেতি চপায়। কাতিত ভৰা পথাৰ এখন কামনা কৰে আৰু খেতিডৰা পোক-পৰুৱাৰ পৰা ৰক্ষা কৰিবলৈ চাকি জ্বলায়।



উৎসৱবোৰ কৃষিৰ লগত জড়িত বাবেই বিভিন্ন জাতি-জনজাতিৰ লোকসকলে নিজা নিজা ৰীতি-নীতিৰে তেওঁলোকে উৎসৱবোৰ পালন কৰে। বড়োসকলে বৈশাগু, মিছিংসকলে 'আলি-আয়ে-লৃগাং', কাৰ্বিসকলে হাছাকেকান পালন কৰে। ঠিক তেনেদৰে ডিমাছাসকলে বুচু ডিমা উৎসৱ পালন কৰে। ৰাভাসকলে বাইখো,দেউৰীসকলে বিচু আদি উৎসৱ পালন কৰে।



কাৰ্বিসকলৰ হাছাকেকান

এনেধৰণৰ উৎসৱ-পাৰ্বণৰ যোগেদি জাতিৰ সংস্কৃতি প্ৰতিফলিত হয়।

কিছুমান উৎসৱ ধৰ্মৰ সৈতেও জড়িত। বড়োসকলৰ খেৰাই পূজা, বাথৌ পূজা, কাৰ্বিসকলৰ চমাংকান, আদিবাসীসকলৰ কৰম পূজা আদিৰ নাম উল্লেখ কৰিব পাৰি।

বাথৌ পূজা



অসমত বিভিন্ন জাতি-জনগোষ্ঠী আৰু বিভিন্ন ধৰ্মাৱলম্বী লোকে বাস কৰে। ইছলামধৰ্মীলোকে ঈদ পালন কৰে। খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে বৰদিন পালন কৰে। শিখ ধৰ্মাৱলম্বী লোকে গুৰুনানকৰ জন্মদিনটো গুৰুনানক জয়ন্তী হিচাপে পালন কৰে। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে বুদ্ধদেৱৰ জন্ম, সিদ্ধিলাভ তথা মৃত্যু তিথিটো বুদ্ধ পূৰ্ণিমা হিচাপে পালন কৰে। এনেদৰে অসমত কিছুমান ধৰ্মীয় আৰু সামাজিক উৎসৱ পালন কৰা হয়।

**গীত-নৃত্য-বাদ্যযন্ত্ৰ -**


অসমৰ প্ৰচলিত গীত-নৃত্যসমূহেও অসমৰ সংস্কৃতিৰ ভেটিটো টনকিয়াল কৰিছে। বৰগীত, বিহুগীত, বনগীত, হুঁচৰি, মহখেদা গীত, নাওখেলৰ গীত, জিকিৰ-জাৰী, ঝুমুইৰ, নৃত্য, খেৰাই নৃত্য, দেওধনী নৃত্য, সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য আদিৰ উপৰি আৰু বহুতো নৃত্য গীত অসমত প্ৰচলিত হৈ আছে। নৃত্য, গীতসমূহৰ লগত ঢোল, খোল, পেঁপা, গগনা, টকা, সুতুলি, তাল, ভোৰতাল, দোতৰা, বাঁহী, টোকাৰী, চিফুং আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ হৈ গীত-নৃত্যসমূহক ছন্দোময় কৰি তোলে। এই আটাইবিলাক বাদ্যযন্ত্ৰ থলুৱাভাবে নিৰ্মিত হয়।



*বিভিন্ন থলুৱা বাদ্যযন্ত্ৰ*

**ছবি চাই লিখোঁ আহা-**

- ওপৰত উল্লেখ কৰা বাদ্যযন্ত্ৰসমূহ কি কি গীত-নৃত্যত ব্যৱহাৰ কৰা হয়?
- তোমালোকে জনা দুবিধ বাদ্যযন্ত্ৰৰ নাম লিখা। সেইবোৰ কি কি নৃত্যৰ লগত জড়িত ?



*পুতলা নাচ*

অসমৰ সংস্কৃতিৰ জগতখনত অতি প্ৰাচীন কালৰেপৰা প্ৰচলিত হৈ অহা দুটা নাট্য অনুষ্ঠান আজিও সকলোৰে প্ৰিয়। সেই দুটা হৈছে **পুতলা নাচ** আৰু **ওজাপালি**। সুত্ৰধাৰৰ সহায়ত পুতলাবোৰক নচুওৱা হয়। ৰামায়ণ, মহাভাৰত আদিৰ পৌৰাণিক কাহিনীবোৰ পুতলা চৰিত্ৰৰ সহায়ত উপস্থাপন কৰা হয়। ওজাপালি নৃত্যানুষ্ঠানত ওজাই ৰামায়ণ, মহাভাৰতৰ উপৰি মনসাৰ কাহিনী বৰ্ণনা কৰে আৰু পালিসকলে তেওঁক সংগত কৰে।

- তুমি কেতিয়াবা কোনো সামাজিক অনুষ্ঠানত উপস্থিত থাকি পাইছানে? যদি পাইছা তেনেহ'লে সেইবোৰৰ নাম লিখা।
- তোমালোকৰ অঞ্চলত ৰাজহুৱাকৈ কি কি উৎসৱ পালন কৰা হয়?



*ওজাপালি*

**খাদ্য -**

খাদ্যও সংস্কৃতিৰ ভিতৰুৱা এটি অংগ। অসমীয়া মানুহৰ খোৱা-বোৱাত নিজা একোটা বৈশিষ্ট্য আছে। অসমৰ মানুহৰ প্ৰধান খাদ্য হৈছে ভাত। কিয়নো অসমৰ মাটি, পানী, বায়ু ধান খেতিৰ উপযোগী। খেতিত উৎপন্ন হোৱা ধানৰ পৰা বা শস্যৰ পৰা চাউল উলিয়াই ভাত হিচাপে ব্যৱহাৰ কৰে। তদুপৰি এই চাউলৰপৰা বিভিন্ন ধৰণৰ খাদ্যবস্তু প্ৰস্তুত কৰে, যেনে- চিৰা, মুড়ি, সান্দহ, পিঠাগুড়ি, কোমল চাউল, আখৈ, হুৰুম আদি। চাউল গুড়ি কৰি তাৰ পৰা তিলপিঠা, ঘিলাপিঠা, টেকেলিপিঠা আদি তৈয়াৰ কৰা হয়।



*পিঠা, লাডু*

খাদ্য হিচাপে অসমৰ মানুহে বতৰৰ ফলো খায়। ভিন্ন সময়ত হোৱা ফল-মূল, শাক-পাচলি আদি আহাৰ হিচাপে গ্ৰহণ কৰে।

আচাৰ-ব্যৱহাৰ, মাত-কথা, সম্বোধন, সম্ভাষণ, নৃত্য, গীত, ছবি আঁকা, খেলা-ধূলা আদি আৰু কলা-কৌশল, সা-সঁজুলি, বাচন-বৰ্তন, খাদ্য, সাজ-পোছাক, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আদি লগ লাগি এখন সমাজৰ সংস্কৃতি গঢ়ি উঠে।

**দলত আলোচনা কৰোঁ আহা-** (শিক্ষকে আলোচনাত সহায় কৰিব)।

➤ তোমালোকৰ অঞ্চলত পালন কৰা যিকোনো এটা উৎসৱত কেনে ধৰণৰ ৰীতি-নীতি মানি চলা হয়।

**জানি লওঁ আহা—**

প্ৰাচীন কালৰেপৰা ইতিহাসৰ বিভিন্ন সময়ত অসমলৈ ভিন্ন ফৈদৰ লোকসকল আহিছিল। সেইসময়ত যাতায়াতৰ সুবিধা থকাৰ কাৰণে চীন, তিব্বত, আদি দেশৰপৰা লোকসকল অসমলৈ আহিছিল বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। এই প্ৰব্ৰজিত ভিন্ন ফৈদসমূহৰ ভিতৰত অষ্ট্ৰিকসকলেই প্ৰাচীন। তদুপৰি তিব্বতধৰ্মী, টাই মংগোলীয় আদি গোষ্ঠীৰ লোকসকল অসমলৈ আহি স্থায়ীভাবে থাকিবলৈ ল'লে। তেওঁলোকৰ সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সংস্কৃতিত পৰিছে বুলি ভাষাবিদসকলে প্ৰকাশ কৰিছে।

**দলগত কাৰ্য-**

➤ অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকে পৰিধান কৰা সাজ-পাৰ, অলংকাৰ নাইবা বাদ্যযন্ত্ৰৰ ফটো বা ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা। (শিক্ষকে সহায় কৰিব)

➤ শিক্ষক আৰু অভিভাৱকৰ সহায়ত স্থানীয় সামগ্ৰীৰে (চাউলৰ গুড়ি, আটা, শুকান পাতৰ গুড়ি, ফুলৰ পাহি আদি) আল্পনা সাজা।

প্ৰাচীন কালৰ পৰা অসমলৈ অহা বিভিন্ন ফৈদ, জনগোষ্ঠীৰ লোকসকলে বিভিন্ন ঠাইত কিছুমান কীৰ্তিচিহ্ন প্ৰতিষ্ঠা কৰিছিল। এইবোৰ নিৰ্দিষ্ট ফৈদ বা জনগোষ্ঠীৰ সাংস্কৃতিক মনৰ পৰিচায়ক আৰু সেই সময়ত প্ৰচলিত স্থাপত্য কলাৰো নিদৰ্শন। অসমত থকা এনে কিছুমান কীৰ্তিচিহ্নৰ বিষয়ে জানি লওঁ আহা-

## অসমৰ কীৰ্তিচিহ্নসমূহ—



ৰংঘৰ



অগ্নিগড়



সূৰ্য পাহাৰ

গোৱালপাৰাৰ সূৰ্য পাহাৰ, তেজপুৰৰ অগ্নিগড়, ডিমা হাছাও জিলাৰ মাইবং আৰু কাছাৰৰ খাচপুৰত কছাৰীসকলৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ আছে। শিৱসাগৰ জিলাত ৰংঘৰ, তলাতল ঘৰ, কাৰেংঘৰ আৰু চৰাইদেউত আহোম দিনৰ মৈদামসমূহ আছে। কামৰূপ জিলাত মদন-কামদেৱ, চণ্ডিকা মন্দিৰ, মেৰঘৰ আদি আছে। এইবোৰ আমাৰ দেশৰ ঐতিহ্যৰ প্ৰতীক।



মদন কামদেৱ



মাইবঙৰ শিলৰ মন্দিৰ



খাচপুৰৰ স্মৃতিসৌধ



কাৰেংঘৰ

➢ পুৰণি কীৰ্তিচিহ্নৰ বিভিন্ন ছবিসমূহ সংগ্ৰহ কৰি এলবাম নাইবা প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰা।

**শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি —**

➢ নিজৰ জিলা/অঞ্চলত থকা পুৰণি কীৰ্তিচিহ্নসমূহ ছাত্ৰ-ছাত্ৰীক দেখুওৱাবলৈ ক্ষেত্ৰ ভ্ৰমণৰ আয়োজন কৰিব।



উমানন্দ



আজানপীৰৰ দৰগাহ



পোৱামক্কা



শিৱদৌল

অসমৰ ঠায়ে ঠায়ে বিভিন্ন দৌল, দেৱালয়, সত্ৰ, মঠ-মন্দিৰ, মছজিদ আদি আছে। এইবোৰ হ'ল- কামৰূপৰ নৱগ্ৰহ, কামাখ্যা, উমানন্দ, পোৱামক্কা, হয়গ্ৰীৱ-মাধৱ মন্দিৰ আদি। শিৱসাগৰ জিলাৰ শিৱদৌল, জয়দৌল। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু কমলাবাৰী সত্ৰ। ধুবুৰীৰ টেগবাহাদুৰ গুৰুদ্বাৰ, পাণবাৰীৰ মিৰজুমলাৰ মছজিদ, দিখৌমুখৰ আজানপীৰৰ দৰগাহ আৰু কাছাৰৰ ভূৱন পাহাৰৰ মন্দিৰ আদি উল্লেখ কৰিব পাৰি। এইবোৰো আমাৰ ঐতিহ্যৰ প্ৰতীক।



টেগবাহাদুৰ গুৰুদ্বাৰ




মিৰজুমলাৰ মছজিদ




হয়গ্ৰীৱ-মাধৱ মন্দিৰ



ভূৱন পাহাৰৰ মন্দিৰ



কামাখ্যা মন্দিৰ



আউনীআটি সত্ৰ



কমলাবাৰী সত্ৰ

আমাৰ ৰাজ্যৰ পুৰণি কীৰ্তিচিহ্নসমূহ মঠ-মন্দিৰ, দৰগাহ আদিয়ে আমাৰ অতীতৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰিছে। এইসমূহৰ বিষয়ে আমি সকলোৱে জনা উচিত। সেয়েহে এইবোৰৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। তোমালোকে এতিয়াৰ পৰাই এই বিষয়ে সজাগ হ'বা আৰু সম্ভৱ হ'লে এই পুৰণি কীৰ্তিচিহ্নবোৰ চাবলৈ যাবা।

## অনুশীলনী

১। উত্তৰ লিখা

(ক) মহাপুৰুষ শংকৰদেৱে অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা দুটা অৱদানৰ নাম লিখা।

(খ) চাৰিবিধ ডিঙিত পিন্ধা অসমীয়া গহনাৰ নাম লিখা।

(গ) তিনিবিধ নৃত্যৰ নাম আৰু তাৰ লগত জড়িত তিনিবিধ বাদ্য যন্ত্ৰৰ নাম লিখা।

(ঘ) চাউলৰ গুড়িৰ পৰা প্ৰস্তুত কৰা চাৰিবিধ খাদ্যবস্তুৰ নাম লিখা।

(ঙ) শিৱসাগৰ জিলাত থকা পুৰণি দুটা কীৰ্তিচিহ্নৰ নাম লিখা।

(চ) অসমত থকা দুটা মন্দিৰ, দুটা দৌল আৰু দুখন সত্ৰৰ নাম লিখা।

২। খালী ঠাই পূৰ কৰা-

(ক) ব'হাগত—————————পালন কৰা হয়।

(খ) খেৰাই পূজা———————পালন কৰে।

(গ) বিহু—————————————জাতীয় উৎসৱ।

(ঘ) মিছিংসকলে—————————পালন কৰে।

(ঙ) কৰম পূজা———————পালন কৰে।

৩। অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদানৰ বিষয়ে দহটা বাক্য লিখা।

৪। চমুটোকা লিখা-

(ক) বিহু (খ) পুতলানাচ (গ) অসমীয়া ভাষা (ঘ) সত্ৰীয়া নৃত্য (ঙ) উৎসৱ-পাৰ্বণ

৫। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| তেজপুৰ | ভূৱন পাহাৰৰ মন্দিৰ |
| কামৰূপ | টেগবাহাদুৰৰ গুৰুদ্বাৰ |
| গোৱালপাৰা | অগ্নিগড় |
| ধুবুৰী | পোৱামক্কা |
| কাছাৰ | সূৰ্য পাহাৰ |

৬। এখন শৰাইৰ ছবি আঁকা-


# পাঠ - ৮

# দুৰ্যোগ আৰু আমি


T1K7R3



ভূমিকম্প



ভূমিস্খলন



বানপানী



গৰাখহনীয়া



বনজুই

ওপৰৰ ছবিকেইখনত তোমালোকে সচৰাচৰ দেখি থকা পৰিৱেশৰ এটা বিপৰীত ৰূপ দেখা পাইছানে ? প্ৰকৃতিয়ে কিয় এনে বিধ্বংসী ৰূপ ধাৰণ কৰিছে বাৰু জানি লওঁ আহা-

প্ৰাকৃতিক আৰু মানৱসৃষ্ট ঘটনা বা পৰিঘটনাই ভয়াবহ ৰূপ লৈ মুহূৰ্ততে পৰিৱেশৰ অভাৱনীয় ক্ষতিসাধন কৰিব পাৰে। এই ঘটনা বা পৰিঘটনাবোৰেই হৈছে ***দুৰ্যোগ***। ওপৰত দেখা ছবিকেইখনৰ প্ৰত্যেকখনেই হৈছে একো একোটা দুৰ্যোগৰ দৃশ্য।

তোমালোকে কেতিয়াবা কিছু সময়ৰ বাবে ঘৰৰ মজিয়া, বেৰ, বস্তু-বাহানি আদি হঠাৎ লৰচৰ কৰি কঁপি উঠা অনুভৱ কৰিছানে বাৰু? ভূমিকম্প অহা বাবে এনে অৱস্থা হয়।

পৃথিৱীৰ উপৰিভাগ হঠাৎ কঁপি উঠিলে আমি ভূমিকম্প অহা বুলি কওঁ। ভূমিকম্প কোনো আগজাননী নিদিয়াকৈ আহে। ই হ'ল সম্পূৰ্ণ প্ৰাকৃতিক কাৰণত হোৱা এটা পৰিঘটনা। ভূমিকম্পৰ প্ৰাৱল্য কেতিয়াবা খুব কম হয় বাবে আমি হয়তো ভূমিকম্প অহা গমেই নাপাও। ইয়াৰ প্ৰাৱল্য কেতিয়াবা মজলীয়া ধৰণৰ আৰু কেতিয়াবা খুব বেছি হ'ব পাৰে।

**ভূমিকম্পৰ ফলত কি কি হয় জানি লওঁ আহা—**

- কেতিয়াবা মাটিত ফাঁট মেলি ওপৰলৈ পানী, বালি আদি ওলাই আহে।
- ঘৰ-দুৱাৰ ভাগে।
- নদীৰ সুঁতি সলনি হয়।
- নদীৰ বান্ধ ভাঙি বানপানী হয়।
- ভূমিস্খলন হয়।
- ভূ-গৰ্ভৰপৰা মাটি, বালি, শিল আদি উঠি আহি দ ঠাই ওখ কৰে।
- ভূ-পৃষ্ঠৰ মাটি তললৈ বহি গৈ খাল-বিল, জলাহভূমি আদিৰ সৃষ্টি কৰে।

> ভূমিকম্পৰ প্ৰাৱল্যক ৰিখটাৰ স্কেলত জোখা হয়। ভূমিকম্প জোখা যন্ত্ৰটোক চাইজ্‌ম্যাগ্ৰাফ (Seismograph) বোলে।

**বেছি প্ৰাবল্যৰ ভূমিকম্পৰ পৰিণাম কিমান ভয়াৰহ হ'ব পাৰে তাৰ এটা উদাহৰণ তলত দিয়া হ'ল-**

*অসমৰ ইতিহাসত আটাইতকৈ ডাঙৰ ভূমিকম্পতো অনুভূত হৈছিল ১৯৫০ চনৰ ১৫ আগষ্ট তাৰিখে। সেইদিনা অসমবাসীয়ে বৰ উলহ-মালহেৰে ভাৰতৰ তৃতীয়টো স্বাধীনতা দিৱস পালন কৰিছিল। হঠাৎ সন্ধিয়া প্ৰায় ৭ বাজি ৩৯ মিনিটত ভূমিকম্পৰ এটা প্ৰবল জোকাৰণি অনুভূত হৈছিল। এই ভূমিকম্পৰ ফলত মাটিত ডাঙৰ ডাঙৰ ফাঁট মেলি ভূ-গৰ্ভৰ পৰা গৰমপানী, মাটি, বালি, শিল আদি ওলাই আহিছিল। ব্ৰহ্মপুত্ৰ নদীৰ তলি ওপৰলৈ উঠি আহিছিল। এনেদৰে বহু ঠাইৰ দ মাটি উঠি আহি ওখ হৈছিল। আনহাতে মাটি তললৈ বহি গৈ খাল, বিল, জলাহ আদিৰ সৃষ্টি হৈছিল।* ***চানডুবি বিল*** *ভূমিকম্পৰ ফলতেই সৃষ্টি হৈছিল। বহুতো ঘৰ-দুৱাৰ, দলং, ৰে'ললাইন আদি ভাঙি পৰিছিল। অসমৰ কীৰ্তিচিহ্নসমূহৰ বিস্তৰ ক্ষতিসাধন হৈছিল। এই ভূমিকম্পত অত্যধিক ভূমিস্খলন হোৱাৰ ফলত সোৱণশিৰি নদীৰ গতি কেইবাদিন ধৰি স্থবিৰ হৈ পৰিছিল। তাৰ পাছত প্ৰবল বানপানীৰ সৃষ্টি হৈছিল। এই ভূমিকম্পত অসমত প্ৰায় ৪,৭০০ জন লোকে প্ৰাণ হেৰুৱাইছিল। বহুতো প্ৰাণী আৰু চৰাই-চিৰিকটিৰ মৃত্যু হৈছিল। বহুতো মানুহ গৃহহাৰা হৈছিল আৰু সা-সম্পত্তি, খেতিপথাৰ, গছ-গছনি আদিৰ বিস্তৰ ক্ষতিসাধন হৈছিল। হঠাতে অহা এই ডাঙৰ ভূমিকম্পই অসমৰ বৃহৎ এলেকা ধ্বংস স্তূপত পৰিণত কৰিছিল।*

জানি লওঁ আঁহা-

**সাগৰৰ বুকুত হোৱা ভূমিকম্পৰ ফলত সাগৰৰ পানীত বিশাল ঢৌৰ সৃষ্টি হয়। এনে ঢৌৱে বহু মিটাৰ ওপৰলৈ উঠি বিস্তৰভাৱে চাৰিওফালে বিয়পি পৰি সাগৰীয় উপকূল অঞ্চলত বানপানীৰ সৃষ্টি কৰে, ইয়াক 'চুনামি' বুলি কোৱা হয়। চুনামি এটা প্ৰাকৃতিক দুৰ্যোগ।**

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ সাধাৰণতে ভূমিকম্প প্ৰৱণ এলেকাৰ ভিতৰত পৰে। ভূমিকম্পৰ পৰিণাম অতিকৈ ভয়াবহ হ'ব পাৰে। কিন্তু এযাৰ কথা আছে 'সাৱধানতাৰ মৰণ নাই'। গতিকে ভূমিকম্পৰ সময়ত ভয় নাখাই সাহসেৰে প্ৰত্যেকেই সতৰ্কতামূলক ব্যৱস্থাসমূহ মানি চলিব লাগে।

**ভূমিকম্পৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহ -**

- ভয় খাই দৌৰা দৌৰি কৰিব নালাগে।
- ঘৰৰ ভিতৰত থাকিলে মজবুত বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।
- বিদ্যালয়ত থাকিলে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুঁটাত খামুচি ধৰি থাকিব লাগে।
- পাৰিলে মুকলি ঠাইলৈ ওলাই আহিব লাগে।
- জুই জ্বলি থাকিলে নুমুৱাব লাগে আৰু বৈদ্যুতিক সংযোগ বিচ্ছিন্ন কৰিব লাগে।
- ওখ গছ, বিজুলীৰ তাঁৰ আৰু খুঁটাৰপৰা আঁতৰি থাকিব লাগে।
- কেইবামহলীয়া ওখ ঘৰ হ'লে বাহিৰলৈ ওলাবলৈ লিফ্‌টৰ সলনি চিৰি ব্যৱহাৰ কৰিব লাগে।
- হাতত বেটাৰীযুক্ত টৰ্চ লাইট থাকিব লাগে।

**ভূমিকম্পৰপৰা হোৱা ক্ষয়-ক্ষতি কমাবলৈ কি কি ব্যৱস্থা ল'ব পৰা যায় তলত দিয়া হ'ল-**

- অপৰিকল্পিতভাৱে কেইবামহলীয়া ঘৰ সাজিব নালাগে।
- ঘৰৰ বেৰ, চাল, খুঁটা আদিত থকা ফাঁট বা ভঙা-চিঙা অংশ মেৰামতি কৰি ৰাখিব লাগে।
- সৰু-সুৰা আঘাতৰ চিকিৎসাৰ বাবে প্ৰাথমিক চিকিৎসাৰ বাকচ মজুত ৰাখিব লাগে।
- বিদ্যুৎ সংযোগৰ বিজুতি থাকিলে মেৰামতি কৰি ল'ব লাগে।
- ভূমিকম্পৰ খা-খবৰসমূহ ৰেডিঅ', দূৰদৰ্শন আদিৰ মাধ্যমেৰে প্ৰচাৰ হয়। ঘৰত বেটাৰীযুক্ত ৰেডিঅ' থকাটো অতি প্ৰয়োজন। কিয়নো ভূমিকম্পৰ ফলত বিদ্যুৎ সংযোগ বিচ্ছিন্ন হ'লেও ঘৰত থাকিয়েই ভূমিকম্প সম্পৰ্কে প্ৰচাৰ কৰা সকলো খা-খবৰ পাব পাৰি।
- পৰিয়ালৰ সকলো সদস্যই ৰন্ধন গেছ, বিজুলী-বাতি, বিজুলী সংলগ্ন আহিলা আদিৰ সংযোগ বিচ্ছিন্ন কৰিবলৈ শিকিব লাগে।
- আৰক্ষী চকী, অগ্নিনিৰ্বাপক বাহিনী, দুৰ্যোগ ব্যৱস্থাপনাৰ কাৰ্যালয়, চিকিৎসক আদিৰ ফোন নম্বৰ লগত ৰাখিব লাগে।

**দলত আলোচনা কৰি লিখা—**

➢ তোমালোকে বিদ্যালয়ত থকাৰ সময়ত ভূমিকম্প আহিলে কি কৰিবা ?

➢ ভূমিকম্পৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ কমাবলৈ আগতীয়াকৈ কি ব্যৱস্থা ল'ব পাৰি ?

**বানপানী-**



ছবিবোৰত কি কি দেখিছা ?

আমি আটায়ে বানপানীৰ লগত কম-বেছি পৰিমাণে পৰিচিত। ই অসমৰ এটা এৰাব নোৱাৰা দুৰ্যোগ। প্ৰায় প্ৰতিবছৰে অসমত কম-বেছি পৰিমাণে বানপানী হয়। এই বানপানীয়ে কেতিয়াবা ভয়ানক ৰূপ ধাৰণ কৰিব পাৰে।

**বানপানী কেনেকৈ সৃষ্টি হয়, জানি লওঁ আহা-**

অসমত বাৰিষা কালত বেছিকৈ বৰষুণ হয় বাবে নৈ-উপনৈ আদি জলাশয়বোৰত লাহে লাহে পানী বাঢ়িবলৈ ধৰে। যদি এই বৰষুণৰ পৰিমাণ অত্যধিক হয়, তেতিয়া পাহাৰবোৰৰপৰা নামি অহা পানীয়ে জলাশয়বোৰ ওপচাই পেলায়। ওপচি পৰা জলাশয়সমূহৰ পানীয়ে দাঁতিকাষৰীয়া অঞ্চলবোৰ বুৰাই পেলায়। তাকে **বানপানী** বুলি কোৱা হয়। গোলকীয় উষ্ণতাৰ ফলত হিমবাহৰ বৰফ গলি বা ডাঙৰ ভূমিকম্প হোৱাৰ ফলতো বানপানী হ'ব পাৰে। এইবোৰ হ'ল সম্পূৰ্ণ প্ৰাকৃতিক কাৰণত হোৱা বানপানী।

বানপানীৰ প্ৰকোপ অধিক হ'লে, মানুহ আৰু প্ৰাণীৰ বহুতো ক্ষতি হয়। মানুহৰ ঘৰ-দুৱাৰ, সা-সম্পত্তি, গছ-গছনি, প্ৰাণী আদি পানীত উটি যায়। মানুহ গৃহহাৰা হয় আৰু সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হয়। বানপানীৰ সময়ত দুৰ্ঘটনাত পতিত হৈ মানুহ, প্ৰাণী আৰু চৰাই-চিৰিকটিৰ মৃত্যু হয়। বানপানী হৈ যোৱাৰ পাছত পৰিৱেশ প্ৰদূষিত হৈ কলেৰা, গ্ৰহণী, টাইফয়েড আদি ৰোগত মানুহ আক্ৰান্ত হয়। উপযুক্ত ব্যৱস্থা নল'লে এনেবোৰ ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰিব পাৰে।

**বানপানী যদিও প্ৰাকৃতিক দুৰ্যোগ, কেতিয়াবা ই মানৱসৃষ্টও হ'ব পাৰে।**

**নৈৰ বান্ধ ভাঙি সৃষ্টি হোৱা বানপানী-**

নদীৰ পানীক বাধা দি নদীৰ বুকুত বান্ধ নিৰ্মাণ কৰা হয়। এই বান্ধৰ জৰিয়তে জলবিদ্যুৎ উৎপাদন, জলসিঞ্চনৰ ব্যৱস্থা, দূৰণিবটীয়া অঞ্চললৈ পানী যোগান আদি আঁচনি ৰূপায়ণ কৰা হয়। কেতিয়াবা দুৰ্ঘটনাবশতঃ নৈৰ বান্ধ ভাঙি নৈৰ দাঁতিকাষৰীয়া অঞ্চলত ভয়ানক বানপানীৰ সৃষ্টি হ'ব পাৰে।

**মথাউৰি চিঙি হোৱা বানপানী-**

বানপানীৰ পৰা পৰিত্ৰাণ পাবলৈ নদীৰ পাৰবোৰত মথাউৰি বন্ধা হয়। কেতিয়াবা এই মথাউৰি ছিঙি দাঁতিকাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি হয়।

**কৃত্ৰিম বানপানী-**

- ✪ নগৰ-চহৰত এজাক ডাঙৰকৈ বৰষুণ আহিলেই বৰষুণৰ পানীয়ে জাবৰ-জোঁথৰবোৰ উটুৱাই নি নলা-নৰ্দমাত জমা কৰে। ফলত নলা-নৰ্দমাৰ পৰা বৰষুণৰ পানী ওলাই যাব নোৱাৰি **কৃত্ৰিম বানপানী**ৰ সৃষ্টি কৰে।
- ✪ খাল-বিল আদি পুতি মানুহে বাস কৰিবলৈ লোৱাৰ ফলতো বৰষুণৰ পানী জমা হৈ থাকিবৰ বাবে জলাশয়ৰ অভাৱ হয়। ইয়াৰ ফলত এজাক ডাঙৰ বৰষুণ হ'লেই ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট আদি প্লাৱিত হয়।
- ✪ পাহাৰৰ গছ-গছনি কাটি পেলোৱাৰ ফলত পাহাৰৰ মাটি বৰষুণৰ লগত নামি আহি ভৈয়ামৰ নগৰ-চহৰৰ নলা-নৰ্দমা আদি পুতি পেলায়। ফলত পানী ওলাই যাব নোৱাৰি কৃত্ৰিম বানপানীৰ সৃষ্টি হয়।

বানপানী নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰৰ জলসম্পদ বিভাগ এটা আছে। বিভাগটোৱে বান নিয়ন্ত্ৰণৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লয়। তাৰে কিছুমান হ'ল— নদীত বান্ধ দিয়া, মথাউৰি বন্ধা, অতিৰিক্ত পানী ওলাই যাবলৈ নলা-খাল আদি খন্দা, গৰাখহনীয়া ৰোধ কৰাৰ ব্যৱস্থা ইত্যাদি।

**চিন্তা কৰি লিখা-**

➢ কৃত্ৰিম বানপানী সৃষ্টি হোৱাৰ কাৰণবোৰ কি কি?

**মানুহে বানপানীৰপৰা প্ৰতিকাৰ পাবলৈ ল'ব পৰা কেইটামান ব্যৱস্থা -**

- ✪ জলাশয় পুতি যেনি-তেনি অপৰিকল্পিতভাৱে ঘৰ সজা বন্ধ কৰা।
- ✪ জলাশয়বোৰ সংৰক্ষণৰ ব্যৱস্থা কৰা।
- ✪ পানী ওলাই যাবলৈ নলা নৰ্দমাৰ ব্যৱস্থা কৰা।
- ✪ জাবৰ-জোঁথৰ য'তে -ত'তে পেলোৱা আৰু দ'ম কৰি থোৱাটো বন্ধ কৰা।
- ✪ গছপুলি ৰোপণ কৰা। পাহাৰৰ মাটি আৰু গছ-গছনি কটা বন্ধকৰা। পাহাৰবোৰ সংৰক্ষণ কৰা।

**ৰেডিঅ', দূৰদৰ্শন, বাতৰি কাকত আদিয়ে প্ৰতিদিনে পৰিৱেশ সম্বন্ধীয় বিভিন্ন বা-বাতৰি প্ৰচাৰ কৰি থাকে, যেনে - বতৰ, ৰ'দ-বৰষুণৰ বতৰা, নদ-নদীৰ পানী কিমান বাঢ়িছে, পানী বিপদসীমাৰ তলত আছে নে ওপৰত আছে ইত্যাদি। এনে ধৰণে প্ৰচাৰ মাধ্যমে জনসাধাৰণক দুৰ্যোগৰ আগতেই সাৱধান কৰি দিয়ে, যাতে সময়ত প্ৰয়োজনীয় ব্যৱস্থা সকলোৱে ল'ব পাৰে।**

বানপানী যদিও এটা দুৰ্যোগ, ইয়াৰপৰা আমি বহু ক্ষেত্ৰত উপকাৰো পাওঁ। বাঢ়নী পানীয়ে কঢ়িয়াই অনা পলস পৰি মাটি সাৰুৱা হৈ অধিক শস্য উৎপাদনত সহায় কৰে।

**ভূমিস্খলন-**



ভূমিস্খলন বাৰু কি? মাটিৰ ওপৰৰ তৰপটোৰ কোনো অংশৰ পৰা মাটি, শিল, বালি আদি বিস্তৃতভাৱে খহি পৰিলে আমি ভূমিস্খলন হোৱা বুলি কওঁ। এই দুৰ্যোগ প্ৰাকৃতিক আৰু মানৱসৃষ্টও হ'ব পাৰে। একেৰাহে বৰষুণ, ধুমুহা-বতাহ হ'লে বনানি ধ্বংসকৰণ, খননকাৰ্য আদিৰ বাবে মাটি ঢিলা হৈ ভূমিস্খলন হয়। নদীৰ বাঢ়নী পানীৰ প্ৰবল সোঁতত বিস্তৰভাৱে ভূমিস্খলন হ'লে নদীৰ দাঁতিকাষৰীয়া অঞ্চলৰ গছ-গছনি, মানুহৰ ঘৰ-দুৱাৰ, সা-সম্পত্তি, খেতি পথাৰ আদি নৈৰ বুকুত জাহ যায়। নদীত গৰাখহনীয়া হৈ নাইবা পাহাৰৰ মাটি, শিল আদি বিস্তৃতভাৱে খহি পৰি ভূমিস্খলন হয়। পাহাৰত হোৱা ভূমিস্খলনৰ ফলত পাহাৰ আৰু দাঁতিকাষৰীয়া অঞ্চলৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ আদি ভাঙে। কেতিয়াবা মানুহ আৰু প্ৰাণী মাটিত পোত গৈ মৃত্যুমুখত পৰে। ভূমিস্খলনৰ ফলত কেতিয়াবা পাহাৰীয়া অঞ্চলৰ বাট পথ বন্ধ হৈ যায়, যাতায়াতত ব্যাঘাত জন্মায়। হিমালয়ৰ দাঁতিকাষৰীয়া অঞ্চলত সঘনাই ভূমিস্খলন হোৱা দেখা যায়।

**ভূমিস্খলন কেনেকৈ ৰোধ কৰিব পাৰি-**

বনানীকৰণৰ যোগেদি ভূমিস্খলন বহুখিনি ৰোধ কৰিব পাৰি। গছ-গছনিৰ শিপাই মাটিৰ উপৰিভাগ খামুচি ধৰি খহনীয়া ৰোধ কৰে। সেয়েহে অধিক গছ-গছনি থকা অঞ্চলত ভূমিস্খলন সাধাৰণতে কম হোৱা দেখা যায়।

**খৰাং -**

নিজৰ ঘৰখনত এদিন মাত্ৰ পানীৰ অভাৱ হ'লে চলিবলৈ কিমান কষ্ট হয় কেতিয়াবা ভাবিছানে? যদি বহুদিনলৈ পানীৰ অভাৱ হয় তেনেহ'লে কি কি পৰিস্থিতিৰ সৃষ্টি হ'ব? খৰাং, এনে এটা দুৰ্যোগ য'ত বানপানীৰ সম্পূৰ্ণ বিপৰীত পৰিস্থিতিৰ সৃষ্টি হয়। বহুত দিন বৰষুণ নিদিয়াৰ ফলত ভূ-পৃষ্ঠ আৰু ভূ-গৰ্ভৰ পানীৰ উৎসসমূহ শুকাই যায়। মাটি শুকাই যোৱাৰ ফলত ফাঁট মেলে। মানুহ, প্ৰাণী, চৰাই-চিৰিকটি আৰু উদ্ভিদৰ পানীৰ অভাৱ হয়। গছ-গছনিবোৰ শুকাই যায়। পানীৰ অভাৱত কৃষকে খেতি-বাতি কৰিব নোৱাৰে। খেতি-বাতি নোহোৱাৰ ফলত খাদ্যসামগ্ৰীৰ অভাৱ হয়। মানুহ আৰু প্ৰাণীবোৰে অনাহাৰে থাকিবলগীয়া হয়। পিয়াহৰ পানী টুপিও নোপোৱা পৰিস্থিতিৰ সৃষ্টি হয়। তেনে পৰিস্থিতিত দেশত দুৰ্ভিক্ষই দেখা দিয়ে।



খৰাং এক প্ৰাকৃতিক দুৰ্যোগ যদিও মানুহে জধে-মধে গছ-গছনি কাটি পেলোৱাৰ ফলতো বৰষুণৰ পৰিমাণ কমি গৈ খৰাং বতৰৰ সৃষ্টি হ'ব পাৰে।

**বনজুই-**

বনজুই মানে হাবিত লগা জুই। বনজুইৰ সৃষ্টি খুব কম পৰিমাণেহে প্ৰাকৃতিকভাৱে হয়।

**প্ৰাকৃতিক কাৰণত হোৱা বনজুই-**

তোমালোকে বিজুলী-ঢেৰেকণিৰে বজ্ৰপাত পৰি ওখ গছ নিমিষতে জ্বলি যোৱা দৃশ্য কেতিয়াবা ক'ৰবাত দেখিছা নে? গছ-গছনিৰে ভৰপূৰ হাবিত বজ্ৰপাত পৰিলে গছ-গছনিত জুই লাগি বনজুইৰ সৃষ্টি কৰিব পাৰে। ই কেতিয়াবা ক্ষন্তেকীয়া হ'বও পাৰে। কাৰণ ডাঙৰ বৰষুণ আহিলে এই জুই নুমাই যাব পাৰে। কেতিয়াবা আকস্মিকভাৱে শিলে শিলে ঘঁহনি খাই তাৰ পৰা উৎপত্তি হোৱা জুই হাবিত থকা গছৰ শুকান পাত, ঠাল-ঠেঙুলি আদিত লাগি জ্বলি উঠিব পাৰে। ফলত গোটেই হাবিত জুই বিয়পি পৰিব পাৰে।

**ঔদ্যোগিক দুৰ্ঘটনা -**

উদ্যোগসমূহত আকস্মিকভাৱে হোৱা দুৰ্ঘটনা আন একপ্ৰকাৰ মানৱসৃষ্ট দুৰ্যোগ। কেতিয়াবা দুৰ্ঘটনাবশতঃ উদ্যোগৰ পৰা বিষাক্ত গেছ বাহিৰ হয়। এনে দুৰ্ঘটনাই কেনেকৈ জীৱবৈচিত্ৰ্য ধ্বংস কৰিব পাৰে তাৰ এটা উদাহৰণ তলত দিয়া হ'ল—

*২০২০ চনত অসমৰ তিনিচুকীয়া জিলাৰ বাঘজানত এটা ডাঙৰ ঔদ্যোগিক দুৰ্ঘটনা ঘটিছিল। এই দুৰ্ঘটনাত তৈলক্ষেত্ৰৰ খাদৰ পাইপ ফাটি কেইবাদিন ধৰি বিষাক্ত গেছ আৰু তেল অহৰহ নিৰ্গত হৈ আছিল। এইদৰে অহৰহভাৱে নিৰ্গত হৈ থকা বিষাক্ত গেছ আৰু তেলে পৰিৱেশ প্ৰদূষিত কৰিছিল। বায়ুমণ্ডলত মিহলি হৈ যোৱা এই বিষাক্ত গেছ সেৱন কৰি বহুতো প্ৰাণী আৰু চৰাই চিৰিকটিৰ মৃত্যু হৈছিল। ইয়াৰ ফলত অঞ্চলটোৰ কাষত থকা জৈৱ বৈচিত্ৰ্যৰে ভৰপুৰ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু মাগুৰি মতাপুং বিলৰ জীৱকুলৰ প্ৰাণৰ প্ৰতি ভাবুকি নামি আহিছিল। এই বিষাক্ত গেছ আৰু তেল পানীত মিহলি হোৱাৰ ফলত মতাপুং বিলৰ বিৰল প্ৰজাতিৰ দুষ্প্ৰাপ্য শিহু আৰু মাছ আদিৰ লগতে বহুতো জলজ প্ৰাণীৰ মৃত্যু হৈছিল। মানুহৰ গাত চৰ্ম ৰোগে দেখা দিছিল। এনেদৰে প্ৰায় তেৰ দিন ধৰি তৈল খাদটোৰ পৰা বিষাক্ত গেছ আৰু তেল নিৰ্গত হৈ থকাৰ পাছত হঠাতে এদিন প্ৰচণ্ড শব্দ কৰি এই তৈলখাদটোত বিস্ফোৰণ ঘটিছিল। বিস্ফোৰণৰ ফলত খাদটোত জুই জ্বলি উঠে। থিতাতে দুজন কৰ্মচাৰীৰ মৃত্যু হয় আৰু বহুতো আঘাতপ্ৰাপ্ত হয়। নিমিষতে ৪-৫ কিলোমিটাৰ এলেকা জুৰে আগুৰি ধৰে। এই অগ্নিকাণ্ডত কেইবাখনো গাঁও, চাহ বাগান, খেতিপথাৰ , মূল্যৱান উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, ঘৰ-দুৱাৰ, দোকান-পোহাৰ, মানুহৰ সা-সম্পত্তি আদি পুৰি ছাই হৈ যায়। বহুতো মানুহ গৃহহাৰা হোৱাত আশ্ৰয় শিবিৰত থাকিব লগাত পৰিছিল। এই জুই কেইবাদিনো ধৰি জ্বলিয়ে আছিল। এনেদৰে মানুহৰ অসাৱধানতাৰ ফলত আমাৰ জীৱনলৈ বহুতো দুৰ্যোগ নামি আহিব পাৰে।*

**মহামাৰী-**

মহামাৰী হ'ল আন এটা প্ৰাকৃতিক দুৰ্যোগ। ২০২০ চনৰ আটাইতকৈ ভয় লগা দুৰ্যোগটো হ'ল ক'ৰোনা ভাইৰাছ নামৰ বীজাণুবিধৰপৰা হোৱা ৰোগ- ক'ভিড-১৯। ২০১৯ বছৰটোৰ শেষৰ ফালে চীন দেশৰ কিছু লোক প্ৰথমে এই ৰোগত আক্ৰান্ত হৈছিল। এই সংক্ৰামক ৰোগবিধে অতিমাৰীৰ ৰূপ লৈ গোটেই বিশ্বজুৰি আতংকৰ সৃষ্টি কৰে। এই অতিমাৰীৰ প্ৰকোপত মানুহৰ জীৱন আৰু কৰ্ম বহুদিনলৈ স্থবিৰ হৈ গৈছিল। বহুদিন ধৰি মানুহ গৃহবন্দী হৈ থাকিব লগা হৈছিল। ফলত মানুহ কৰ্মহীন হৈছিল। ইয়াৰ পৰিণাম স্বৰূপে গোটেই বিশ্বই অৰ্থনৈতিক সংকটত ভুগিছে। এই অতিমাৰীত এতিয়ালৈকে পৃথিৱীৰ বহু লক্ষ লোকে প্ৰাণ হেৰুৱাইছে।

যি ৰোগত কোনো সমাজ বা অঞ্চলৰ বহুসংখ্যক মানুহ আক্ৰান্ত হয়, তেনে ৰোগক **মহামাৰী** বুলি কোৱা হয়। বহু দেশ, মহাদেশ ব্যাপী হোৱা মহামাৰীক **অতিমাৰী** বুলি কোৱা হয়।

**দুৰ্যোগৰ সাধাৰণ প্ৰভাৱ -**

- দুৰ্যোগৰ ফলত গছ-গছনিৰ লগতে বনাঞ্চল ধ্বংসপ্ৰাপ্ত হয়।
- মানুহ আৰু প্ৰাণী উভয়ে বিপদৰ সন্মুখীন হয় বা মৃত্যু মুখত পৰে।
- প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হয়।
- মানুহৰ সা-সম্পত্তি ধবংস হয়।
- দেশৰ উন্নয়নৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়।

**দলগত কাৰ্য**

- ➢ বাতৰি কাকত, আলোচনী আদিৰপৰা বিভিন্ন দুৰ্যোগৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা।
- ➢ অসমৰ সকলো অঞ্চলত প্ৰায় প্ৰতি বছৰে বানপানী হয়। বানপানী হোৱাৰ আগত, হৈ থকা সময়ত আৰু হৈ যোৱাৰ পাছত আমি সাধাৰণতে কেনেধৰণৰ ব্যৱস্থা ল'ব লাগে, সেই বিষয়ে তিনিখন তালিকা প্ৰস্তুত কৰা। (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)
- ➢ দুৰ্যোগ ব্যৱস্থাপনা সম্বন্ধে বিভিন্ন শ্লোগান লিখি প'ষ্টাৰ প্ৰস্তুত কৰা। (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)
- ➢ তলৰ বাকচ দুটাত দুৰ্যোগ বা দুৰ্ঘটনাৰ নাম আৰু সেই ক্ষেত্ৰত ল'ব লগা সজাগতা বা সাৱধানতা সম্পৰ্কে দিয়া আছে। মিলাই লিখা।

| দুৰ্যোগ/দুৰ্ঘটনা | সজাগতা/সাৱধানতা |
|---|---|
| **অগ্নিকাণ্ড** | ভয় খাই দৌৰা-দৌৰি কৰিব নালাগে। |
| **ভূমিস্খলন** | বিদ্যুৎ পৰিবাহী তাঁৰ আৰু চুইচ পৰীক্ষা কৰি থাকিব লাগে। |
| **বানপানী** | খোৱাপানীৰ ক্ষেত্ৰত অতি সাৱধান হ'ব লাগে। |
| | জধে-মধে গছ কাটিব নালাগে। |
| | জধে-মধে পাহাৰীয়া মাটি কাটি অন্য কামত লগাব নালাগে। |
| | পোহনীয়া জীৱ-জন্তুক নিৰাপদ ঠাইত ৰাখিব লাগে। |

প্ৰাকৃতিক দুৰ্যোগ হঠাতে আহে। এই দুৰ্যোগ মূলতঃ প্ৰাকৃতিক কাৰণত সৃষ্টি হয়। প্ৰাকৃতিক দুৰ্যোগৰ ফলত মানুহৰ সা-সম্পত্তি নষ্ট হোৱাৰ উপৰি কেতিয়াবা জীৱৰ প্ৰাণহানিও হ'ব পাৰে। দুৰ্যোগৰ ফলত পৰিৱেশৰ পৰিৱৰ্তন আৰু বিস্তৰ ক্ষয়-ক্ষতি হ'ব পাৰে। **মানৱসৃষ্ট দুৰ্যোগ** মানুহৰ অসাৱধানতাৰ ফলত সংঘটিত হয়। দুৰ্যোগ যেনেকৈয়ে নহওক লাগে ইয়াৰ পৰিণাম বৰ ভয়াবহ হ'ব পাৰে।

## অনুশীলনী

১। উত্তৰ লিখা -

(ক) প্ৰাকৃতিকভাৱে হোৱা তিনিটা দুৰ্যোগৰ নাম উল্লেখ কৰা।

(খ) কৃত্ৰিম বানপানীত কেনেধৰণৰ দুৰ্ঘটনা হ'ব পাৰে?

(গ) বনজুইৰ সৃষ্টি কেনেকৈ হয়?

(ঘ) ভূমিস্খলন হোৱাৰ কাৰণবোৰ লিখা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা -

| 'ক' | 'খ' |
|---|---|
| ভূমিস্খলন | জলাশয়বোৰ শুকাই যায়। |
| খৰাং | পৃথিৱীৰ উপৰিভাগ হঠাৎ কঁপি উঠে। |
| বনজুই | জলাশয়বোৰ পানীৰে উপচি পৰে। |
| ভূমিকম্প | বিস্তৃতভাৱে মাটি, বালি শিল আদি খহি পৰে। |
| বানপানী | হাবিত লগা জুই। |

৩। তলত দিয়া দুৰ্যোগবোৰৰ বিষয়ে চমুকৈ লিখা-

(ক) খৰাং (খ) ভূমিস্খলন (গ) ভূমিকম্প

৪। পাৰ্থক্য লিখা-

(ক) খৰাং আৰু বানপানী।

(খ) প্ৰাকৃতিক দুৰ্যোগ আৰু মানৱসৃষ্ট দুৰ্যোগ।

৫। খালী ঠাই পূৰ কৰা-

(ক) ১৯৫০ চনত অসমত ডাঙৰ ——— হৈছিল।

(খ) বনানীকৰণৰ যোগেদি ——— ৰোধ কৰিব পাৰি।

(গ) বজ্ৰপাত পৰি প্ৰাকৃতিকভাৱে হাবিত ——— লাগে।

(ঘ) বাঘজান তৈলখাদৰ বিস্ফোৰণ এটা ——— দুৰ্ঘটনা।

৬। দুৰ্যোগ বুলিলে কি বুজা?

◆◆◆◆◆

## পাঠ- ৯
# পৰিৱেশ প্ৰদূষণ

D5T5V8

বায়ু, পানী, মাটি, গছ-গছনি, প্ৰাণী, চৰাই আদি লগ লাগি পৰিৱেশ গঠিত হৈছে। এইবোৰ অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ। বায়ু, পানী আৰু মাটিত থাকিবলগীয়া উপাদানবোৰ সঠিক পৰিমাণে থাকিলে এইবোৰ নিৰ্মল আৰু ব্যৱহাৰৰ উপযোগী হৈ থাকে। বায়ুত প্ৰধানকৈ নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড আৰু জলীয়বাষ্প মিহলি হৈ থাকে। তদুপৰি আন কিছুমান গেছ অতি কম পৰিমাণে থাকে। বায়ুত এই গেছবোৰ সঠিক পৰিমাণে থাকিলে বায়ু নিৰ্মল আৰু বিশুদ্ধ হৈ থাকে। কেতিয়াবা অলাগতিয়াল পদাৰ্থ বা বস্তু কিছুমান বায়ু, পানী আৰু মাটিৰ লগত মিহলি হৈ পৰে। তেনে অৱস্থাত আমাৰ পৰিৱেশৰ বায়ু, পানী আৰু মাটি প্ৰদূষিত হোৱা বুলি কোৱা হয়। যিবোৰ অলাগতিয়াল বা নাথাকিবলগীয়া পদাৰ্থৰ বাবে পৰিৱেশ প্ৰদূষিত হয় সেইবোৰেই হৈছে **প্ৰদূষক**।



*প্ৰথম ছবি*



*দ্বিতীয় ছবি*



*তৃতীয় ছবি*




*চতুৰ্থ ছবি*

ছবিকেইখনলৈ চাই আমাৰ পৰিৱেশ কিদৰে প্ৰদূষিত হয় কোৱা।

পৰিৱেশ প্ৰদূষণে বিভিন্ন সমস্যাৰ সৃষ্টি কৰে। ফলত মানুহ, উদ্ভিদ আৰু অন্যান্য প্ৰাণীৰ বসবাসৰ বাবে পৰিৱেশ অনুপযোগী হৈ পৰে।

**বায়ু প্ৰদূষণ —**

বায়ু পৰিৱেশৰ এটা গুৰুত্বপূৰ্ণ উপাদান। বায়ু হৈছে কেইবিধমান গেছৰ সমষ্টি। সকলো জীৱই উশাহত বায়ুৰ পৰা অক্সিজেন গেছ গ্ৰহণ কৰে। বিশুদ্ধ বায়ুত সাধাৰণতে বায়ুত থকা গেছসমূহ সঠিক পৰিমাণে থাকে। কিন্তু মানুহৰ কিছুমান ক্ৰিয়া-কলাপৰ বাবে বায়ু দূষিত হয়। কেতিয়াবা অৱশ্যে প্ৰাকৃতিক কাৰণতো বায়ু দূষিত হ'ব পাৰে।

➢ তলৰ ছবিখন চাই বায়ু প্ৰদূষণৰ কাৰক আৰু প্ৰভাৱসমূহ লিখি উলিওৱা।



➢ তোমালোকৰ অঞ্চলত বায়ু প্ৰদূষণ হৈছে বুলি ভাবানে ? যদি হৈছে তাৰ কাৰণবোৰ লিখা।

**বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবে ল'ব পৰা কিছুমান ব্যৱস্থাৰ বিষয়ে জানি লওঁ আহা—**

- পৰাপক্ষত যান-বাহনৰ ব্যৱহাৰ কম কৰা উচিত। কম দূৰত্বৰ যাত্ৰাৰ বাবে খোজকাঢ়ি নাইবা চাইকেল ব্যৱহাৰ কৰিব লাগে। যান-বাহনৰপৰা ওলোৱা ধোঁৱাৰ প্ৰদূষণ ৰোধ কৰাৰ বাবে যান-বাহনত প্ৰদূষক নিয়ন্ত্ৰণ ফিল্টাৰ লগাব লাগে।
- উদ্যোগৰপৰা বাহিৰ হোৱা ধোঁৱাত কাৰ্বন-ডাই-অক্সাইডকে ধৰি বিভিন্ন ধৰণৰ বিষাক্ত গেছ থাকে। এইবোৰ আঁতৰাবৰ বাবে বিশেষ ধৰণৰ প্ৰদূষক নিয়ন্ত্ৰণ ফিল্টাৰ তৈয়াৰ কৰা হৈছে। উদ্যোগসমূহত এনে ব্যৱস্থা থকা উচিত। উদ্যোগৰপৰা ধোঁৱা ওলোৱা চিমনীবোৰ বহু ওখকৈ সাজিও বায়ু প্ৰদূষণ কমাব পাৰি।
- গছৰ পাতে বায়ুত থকা ধূলিকণা ধৰি বায়ু নিৰ্মল কৰি ৰাখে। উদ্যোগৰ ওচৰে-পাজৰে যথেষ্ট গছপুলি ৰোপণ কৰিব লাগে। উদ্ভিদে উদ্যোগৰপৰা ওলোৱা কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ হ্ৰাস কৰি বায়ু নিৰ্মল কৰে।
- কয়লা, পেট্ৰ'ল, ডিজেল, কেৰাচিন আদিৰ পৰিৱৰ্তে সৌৰশক্তি, গোবৰ গেছ আদি ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।

- আৱৰ্জনা পেলোৱা ডাষ্টবিন, টিন আদি ঢাকি ৰাখিব লাগে আৰু সঘনাই খালী কৰি চাফাকৈ ৰাখিব লাগে।
- ভগা যন্ত্ৰপাতি, খালী হোৱা টুথপেষ্টৰ টিউব, কলমৰ ৰিফিল, বটল, পলিথিনৰ বেগ, প্লাষ্টিকৰ ভঙা বস্তু আদি মাটিৰ লগত কেতিয়াও মিহলি হৈ নাযায়। এইবোৰ জ্বলালেও বায়ু প্ৰদূষিত হয়। সেইবাবে এইবোৰৰ পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰিও বায়ু প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পাৰি।

**যান-বাহন, উদ্যোগ আদিত প্ৰদূষক নিয়ন্ত্ৰণ ফিল্টাৰ নলগোৱাটো আইনমতে দণ্ডনীয়। প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে প্ৰদূষণমুক্ত বুলি স্বীকৃতি দিয়া যান-বাহনহে চলাব লাগে।**

**পুনৰাৱৰ্তন হ'ল এক প্ৰক্ৰিয়া য'ত ব্যৱহাৰৰ অনুপযোগী ভঙা-ছিঙা বস্তুবোৰ যান্ত্ৰিক পদ্ধতিৰে পুনৰ ব্যৱহাৰৰ উপযোগী বস্তুলৈ পৰিৱৰ্তন কৰা হয়। এনে ব্যৱস্থাৰ ফলত পৰিৱেশত আৱৰ্জনাৰ মাত্ৰা কমে আৰু পৰিৱেশ নিকা হয়। এই পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব পাৰি।**

**পানী প্ৰদূষণ —**

পানী আমাৰ অমূল্য প্ৰাকৃতিক সম্পদ। পানীৰ অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। পৃথিৱীৰ উপৰিভাগৰ সৰহ অংশই পানীৰে আবৰি আছে। পৃথিৱীৰ উপৰিভাগৰ পানীৰ ১০০ ভাগৰ ৯৭ ভাগেই হৈছে সাগৰ-মহাসাগৰৰ পানী। বাকী ৩ ভাগ নৈ, জান, জুৰি, বিল আৰু ভূ-গৰ্ভৰ পানী। এই তিনিভাগ পানী আমাৰ ব্যৱহাৰৰ বাবে উপযোগী। সকলো ঠাইৰ পানী খোৱাৰ উপযোগী নে?



*পানী প্ৰদূষণ*

➢ ওপৰৰ ছবিখন পৰ্যৱেক্ষণ কৰা আৰু কি কি কাৰণত পানীৰ প্ৰদূষণ হ'ব পাৰে লিখা।

**প্ৰদূষিত পানীয়ে কি দৰে বিভিন্ন দিশত প্ৰভাৱ পেলায় সেই বিষয়ে জানো আহা-**

- উদ্যোগবোৰৰ পৰা নিৰ্গত হোৱা বিষাক্ত ৰাসায়নিক পদাৰ্থ নৈ, জান, জুৰি আদিৰ পানীত মিহলি হৈ পানী প্ৰদূষিত কৰে। ইয়াৰ ফলত পানীত থকা মাছ আৰু অন্যান্য জলজ প্ৰাণী ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। এই ৰোগাক্ৰান্ত মাছ খোৱাৰ ফলত মানুহ, অন্যান্য প্ৰাণীৰ বেমাৰ -আজাৰ হয়।

- নদ-নদী, জান-জুৰি, পুখুৰী আদিৰ পানী, মানুহৰ বিভিন্ন কাৰ্য, যেনে- গা-ধোৱা, কাপোৰ ধোৱা, শৌচ-প্ৰস্ৰাৱ কৰা, বাচন-বৰ্তন ধোৱা, গৰু-ম'হক গা-ধুওৱা, জাবৰ-জোঁথৰ পেলোৱা, মৃত প্ৰাণী পেলোৱা আদিৰ ফলত প্ৰদূষিত হয়। এনেকুৱা দূষিত পানী মানুহে ব্যৱহাৰ কৰিলে পানীৰপৰা হোৱা ৰোগ, যেনে- কলেৰা, জণ্ডিছ, টাইফয়ড, গ্ৰহণী আদি ৰোগত ভোগে।
- কৃষিকাৰ্যত ব্যৱহাৰ কৰা নানা প্ৰকাৰৰ কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ আদি বৰষুণৰ পানীৰ লগত উটি গৈ নৈ, বিল, খাল, হ্ৰদ, পুখুৰী আদিত পৰি পানী প্ৰদূষিত কৰে। ইয়াৰ ফলত বহুতো জলজ প্ৰাণী মৃত্যুৰ মুখত পৰে।


*পানী প্ৰদূষণ*

- শক্তি উৎপাদনৰ প্ৰকল্প আৰু আন আন উদ্যোগসমূহৰপৰা নিৰ্গত উত্তপ্ত পানী যেতিয়া নৈ, জান, জুৰি, হ্ৰদ আদিত পেলোৱা হয়, তেতিয়া পানীৰ উত্তাপ বৃদ্ধি পায়, যাৰ ফলত পানীত থকা মাছকে ধৰি অন্যান্য প্ৰাণীসমূহ বাচি থাকিব নোৱৰা হয়। কেতিয়াবা এনেকুৱা কাৰণত মাছ আৰু অন্যান্য জলজ প্ৰাণী মৰি ওপঙি থকা দেখা যায় আৰু এনেদৰেও পানী প্ৰদূষিত হয়।
- চহৰ অঞ্চলত নলা-নৰ্দমাৰ লেতেৰা পানী নৈ, বিল, হ্ৰদ আদিত পেলোৱাৰ ফলত পানী প্ৰদূষিত হয়।

**দলগত কাৰ্যঃ**

তোমালোকৰ অঞ্চলত থকা পানীৰ উৎসসমূহ কি কি? সেই উৎসসমূহৰ পানী কেতিয়াবা প্ৰদূষিত হৈছে নেকি? কি কি কাৰণত সেই পানী প্ৰদূষিত হৈছে দলগতভাবে আলোচনা কৰি তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

**দেখাত পৰিষ্কাৰ হ'লেও সকলো পানী খোৱাৰ বাবে উপযোগী নহ'বও পাৰে। বিভিন্ন উৎসৰপৰা অনা পানীত নানা প্ৰকাৰৰ বীজাণু বা অপকাৰী অণুজীৱ মিহলি হৈ থাকিব পাৰে। এনে পানী খোৱাৰ ফলত আমাৰ বিভিন্ন ৰোগ হ'ব পাৰে। সেয়েহে পানী সদায় শোধন কৰিহে খাব লাগে।**


**তথ্য সংগ্ৰহ কৰি তলৰ কাৰ্যটো কৰা —**

➢ নিজৰ আৰু দুঘৰ চুবুৰীয়াৰ পৰা তথ্য সংগ্ৰহ কৰা আৰু তলৰ তালিকাখন পূৰ কৰা-

| ঘৰ | খোৱা পানীৰ উৎস | পানী শোধন কৰে/নকৰে | পানী শোধন প্ৰণালী |
|---|---|---|---|
| নিজৰ | | | |
| প্ৰথম ঘৰৰ | | | |
| দ্বিতীয় ঘৰৰ | | | |

**বিদ্যালয়ত কৰিব পৰা কিছুমান কাৰ্য-**

- ❑ বিদ্যালয়ৰ খোৱা পানীৰ উৎস আৰু ইয়াৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখা।
- ❑ পানীৰ ব্যৱস্থা নথকা বিদ্যালয়ত বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰা।
- ❑ বিদ্যালয়ৰ বিভিন্ন কাম-কাজৰ বাবে যথাস্থানত পানী ৰখাৰ ব্যৱস্থা কৰা।





ওপৰত দিয়া ছবিখন ভালদৰে পৰ্যৱেক্ষণ কৰি কিদৰে মাটি প্ৰদূষিত হয় আৰু প্ৰদূষণ হোৱাৰ ফলত কি হয় এইবিষয়ে বুজি লওঁ আহা—

মাটিত পেলোৱা কিছুমান বস্তু সোনকালে পচি মাটিৰ লগত মিহলি হৈ যায়। কিছুমান আকৌ পচি মাটিৰ লগত মিহলি হৈ যাবলৈ বেছি সময় লাগে। এনে কিছুমান বস্তুও আছে যিবোৰ কেতিয়াও মাটিত মিহলি হৈ নাযায়। মিহলি হৈ নোযোৱা বস্তু মাটিত থাকিলে মাটি প্ৰদূষিত হয়। এই প্ৰদূষণ ৰোধ কৰিবলৈ মাটিত কোনোদিনে মিহলি নোহোৱা বস্তুবোৰ পুৰি অথবা আঁতৰাই পেলাব লাগে।

| মাটিৰ লগত সোনকালে মিলি যোৱা বস্তু | মাটিৰ লগত মিলি নোযোৱা বস্তু |
|---|---|
| ১। | |
| ২। | |
| ৩। | |
| ৪। | |

**মাটি প্ৰদূষণৰ কাৰকসমূহ জানি লওঁ আহা—**

✪ মাটি প্ৰদূষণৰ এটা প্ৰধান কাৰণ হৈছে মাটিত ৰাসায়নিক সাৰৰ প্ৰয়োগ। অধিক শস্য উৎপাদনৰ বাবে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰাৰ ফলত খাদ্যৰ উৎপাদন বৃদ্ধি পায় যদিও ইয়াৰ ফলত মাটিৰ গুণাগুণ নষ্ট হয়।

- ✪ শাক-পাচলিৰ পেলনীয়া অংশ, ঘৰুৱা আৱৰ্জনা, পেলনীয়া খাদ্য, মলমূত্ৰ আদি আৱৰ্জনাবোৰ মাটিত য'তে ত'তে পেলোৱাৰ ফলত সেইবোৰ গেলি-পচি গৈ নানা বীজাণুৰ সৃষ্টি হৈ মাটি প্ৰদূষিত কৰে।
- ✪ কল-কাৰখানা বা উদ্যোগসমূহৰ পৰা ওলোৱা আৱৰ্জনাবোৰ মুকলিকৈ পেলাই দি মাটিত দ'ম কৰাৰ ফলত মাটিৰ উৰ্বৰতা নষ্ট হয়।
- ✪ টিন আৰু প্লাষ্টিকজাতীয় বস্তু সহজে পচি মাটিত মিহলি হৈ নাযায়। সেইবাবে এইবোৰ মাটিত একেধৰণে থাকি মাটি প্ৰদূষিত কৰে।
- ✪ খেতিপথাৰত শস্য অনিষ্টকাৰী কীট-পতংগ নাশ কৰিবলৈ ৰাসায়নিক কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰা হয়। এইবোৰ উদ্ভিদৰ যোগেদি জীৱৰ দেহত প্ৰৱেশ কৰি স্বাস্থ্যৰ ক্ষতিসাধন কৰে। এই দ্ৰব্যৰ ব্যৱহাৰৰ ফলত মাটিত থকা অণুজীৱবোৰৰ মৃত্যু হয়।

**আমি বজাৰ কৰিবলৈ গ'লে কাপোৰ নাইবা মৰাপাটৰ মোনা লগত লৈ যোৱাৰ অভ্যাস কৰিব লাগে। কাৰণ এইবোৰে অনিষ্টকাৰী আৱৰ্জনাৰ সৃষ্টি নকৰে। এইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰিব পাৰি।**

**দলগত কাৰ্য -**

➢ তোমালোকৰ চুবুৰিটোৰ তিনিঘৰ মানুহৰপৰা তথ্য সংগ্ৰহ কৰি তলৰ তালিকাখনত লিখা।

গাঁও/চহৰৰ নাম ঃ

গাঁও/চহৰখনৰ ওচৰেদি বৈ যোৱা নৈ (যদি আছে) ঃ

চুবুৰিটোত কোনো উদ্যোগ বা কাৰখানা আছে নেকি? যদি আছে উদ্যোগৰ আৱৰ্জনাবোৰ ক'ত পেলায়?

চুবুৰিটোত পৰ্যাপ্ত পৰিমাণৰ গছ-গছনি আছে নেকি?

| তথ্যসমূহ | প্ৰথম ঘৰ | দ্বিতীয় ঘৰ | তৃতীয় ঘৰ |
|---|---|---|---|
| পৰিয়ালৰ মুৰব্বীৰ নাম | | | |
| খেতি মাটিত কি সাৰ প্ৰয়োগ কৰে? | | | |
| ঘৰৰ জাবৰ-জোঁথৰ ক'ত পেলায়? | | | |
| ঘৰত গছ-গছনি ৰুইছে নে কাটি পেলাইছে? | | | |
| সামগ্ৰী কঢ়িয়াই অনা প্লাষ্টিকবোৰ ক'ত পেলায় ? | | | |
| খোৱা পানী ক'ৰ পৰা সংগ্ৰহ কৰে? | | | |
| পানী শোধন কৰি খায়/নাখায়? | | | |
| কি প্ৰণালীৰে পানী শোধন কৰে? | | | |

**পেলনীয়া জাবৰ-জোঁথৰেৰে কেঁচুসাৰ প্ৰস্তুত প্ৰণালী—**

কেঁচুসাৰ প্ৰস্তুত কৰিবৰ বাবে প্ৰথমতে ৩০ ছেণ্টিমিটাৰ মান দ গাঁত এটা খান্দি ল'ব লাগে। গাঁত খন্দা ঠাইখিনি বেছি ৰ'দ পৰা নাইবা বেছি চেঁচা হ'ব নালাগে। কাৰণ বেছি গৰম নাইবা বেছি ঠাণ্ডা ঠাইত কেঁচু থাকিব নোৱাৰে। গাঁতটোৰ একেবাৰে তলৰ অংশত বালিৰ এটা ডাঠ তৰপ দিব লাগে। কেঁচুৰ খাদ্যৰ বাবে ফল-মূলৰ বাকলি, শাক-পাচলিৰ পেলনীয়া অংশ, তুঁহ আদি দি গাঁতটোৰ কিছু অংশ পূৰাব লাগে। এই আৱৰ্জনাবোৰ সেমেকি থাকিবৰ বাবে অলপ পানী ছটিয়াই দিব লাগে। চাব লাগিব যাতে গাঁতটো পানীৰে উপচি নপৰে। এতিয়া গাঁতটোত কিছুসংখ্যক কেঁচু এৰি দিব লাগে। গাঁতটো ঘাঁহ-বন বা পুৰণা পাতল কাপোৰেৰে এনেদৰে ঢাকি দিব লাগে যাতে বায়ু চলাচল হ'ব পাৰে।



*কেঁচুসাৰ প্ৰস্তুত*

তিনি-চাৰি সপ্তাহৰ পিছত গাঁতটো ভালদৰে পৰ্যৱেক্ষণ কৰিলে কেঁচুমতাৰে ভৰি থকা দেখা যাব। কেঁচুমতা হ'ল কেঁচুৰ বিষ্ঠা। কেঁচুৰ বিষ্ঠা এক প্ৰকাৰৰ উৎকৃষ্ট জৈৱিক সাৰ। এই সাৰ শাক-পাচলিৰ খেতি, ফুলৰ বাগিচা, ফুলৰ টাব আদিত দিলে গছবোৰ লহপহকৈ বাঢ়ে। এইদৰে ঘৰৰ আৱৰ্জনাবোৰ য'তে-ত'তে নেপেলাই পুনৰ ব্যৱহাৰ কৰি মাটি প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পাৰি।

**দলগত কাৰ্য —**

- বিদ্যালয়ত মধ্যাহ্ন ভোজনত ওলোৱা আৱৰ্জনাবোৰেৰে পচনসাৰ প্ৰস্তুত কৰা। পচনসাৰৰ গাঁতত পলিথিনৰ বেগ, প্লাষ্টিকৰ বটল, টিন আদি নেপেলাবা। (শিক্ষকৰ সহায় ল'বা)।
- বিভিন্ন পেলনীয়া বস্তুৰে পুতলা, ফুলদানী, শিক্ষণ-শিকন সঁজুলি আদি সাজা।

**শব্দ প্ৰদূষণ —**

মানুহৰ বিভিন্ন কাৰ্যৰ বাবে সৃষ্টি হোৱা অত্যধিক শব্দই পৰিৱেশত শব্দ প্ৰদূষণৰ সৃষ্টি কৰে। সেইবোৰ হৈছে—

(ক) অপ্ৰয়োজনত ডাঙৰকৈ গাড়ীৰ হৰ্ণ বজোৱা।

(খ) ডাঙৰকৈ মাইক, ৰেডিঅ', মিউজিক ছিষ্টেম, বাদ্যযন্ত্ৰ আদি বজোৱা।

(গ) ফটকা, আতচ্‌বাজী আদি ফুটোৱা।

(ঘ) কল-কাৰখানাৰ যন্ত্ৰপাতি আদিয়ে সৃষ্টি কৰা শব্দ প্ৰদূষণৰ ফলত মানুহৰ শ্ৰৱণ শক্তি কমি যাব পাৰে। শব্দ প্ৰদূষণৰ প্ৰাবল্য 'ডেচিবেল' নামৰ এক এককেৰে জোখা হয়। উচ্চ ৰক্তচাপ থকা ৰোগীৰ হৃদযন্ত্ৰৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে।

আমাৰ পৰিৱেশ প্ৰদূষণমুক্ত কৰি ৰাখিব পাৰিলেহে আমি সকলোৱে সুস্থ হৈ জীয়াই থাকিব পাৰিম। পৰিৱেশৰ সকলোবোৰ উপাদান প্ৰদূষণমুক্ত কৰি ৰখাটো আমাৰ সকলোৰে কৰ্তব্য আৰু দায়িত্ব। বায়ু, পানী, মাটি মিলি পৰিৱেশ গঠিত হয়, এই তিনিওৰে প্ৰদূষণত পৰিৱেশ বিনষ্ট হয়। সেয়ে আমি দৈনন্দিন কাৰ্য-কলাপত প্ৰদূষণ হ'ব পৰা যিকোনো কাম কৰাৰ পৰা নিজকে বিৰত ৰাখিব লাগিব। তেতিয়াহে এই পৃথিৱীখন সুন্দৰ আৰু সকলোৰে বসবাসৰ উপযোগী হৈ থাকিব।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) পৰিৱেশ প্ৰদূষণ মানে কি বুজা?

(খ) প্ৰদূষণ কেইপ্ৰকাৰৰ আৰু কি কি?

(গ) বায়ু প্ৰদূষণৰ দুটা কাৰণ লিখা।

(ঘ) পানী প্ৰদূষণে কি কি দিশত প্ৰভাৱ পেলাব পাৰে যিকোনো দুটা দিশ উল্লেখ কৰা।

(ঙ) মাটি প্ৰদূষণৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) পৰিৱেশত শব্দ প্ৰদূষণ কেনেদৰে সৃষ্টি হয়?

২। খালী ঠাই পূৰ কৰা—

(ক) পৰিৱেশ প্ৰদূষিত কৰা পদাৰ্থবোৰক..................................বুলি কোৱা হয়।

(খ) ইন্ধন জ্বলালে বায়ুমণ্ডলত...............................গেছৰ পৰিমাণ বাঢ়ি যায়।

(গ) কৃষি কাৰ্যত ৰাসায়নিক সাৰৰ সলনি................সাৰ ব্যৱহাৰ কৰিব লাগে।

(ঘ) শব্দ প্ৰদূষণৰ ফলত মানুহৰ.....................শক্তি কমি যাব পাৰে।

(ঙ) পৰিৱেশৰ সকলোবোৰ উপাদান......................কৰি ৰখা আমাৰ সকলোৰে দায়িত্ব।

৩। তলৰ বাক্যবোৰ শুদ্ধকৈ লিখা—

(ক) যান-বাহনৰপৰা নিৰ্গত হোৱা ধোঁৱাই বায়ু প্ৰদূষিত নকৰে।

(খ) উদ্যোগৰ ওচৰে পাজৰে গছপুলি ৰোপণ কৰিব নালাগে।

(গ) সৌৰশক্তিৰ পৰিৱৰ্তে কয়লা, পেট্ৰ’ল আদি ইন্ধন হিচাপে ব্যৱহাৰ কৰিব লাগে।

(ঘ) পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব নোৱাৰি।

(ঙ) বৰষুণৰ পানী সংৰক্ষণ কৰিব নালাগে।

৪। বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবে ল’ব পৰা দুটা ব্যৱস্থা উল্লেখ কৰা।

৫। পানী প্ৰদূষণ ৰোধ কৰিব পৰা যিকোনো তিনিটা ব্যৱস্থা উল্লেখ কৰা।

৬। মাটি প্ৰদূষণ কেনেদৰে ৰোধ কৰিব পাৰি লিখা।

৭। শব্দ প্ৰদূষণৰ ফলত কি কি সমস্যাৰ সৃষ্টি হ’ব পাৰে?

J4W8D4

পাঠ-১০

# আমাৰ উদ্যোগসমূহ

অসম ৰাজ্যখন কৃষিজাত, বনজ, খনিজ আৰু জলজ সম্পদত চহকী। এই সম্পদসমূহৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যখনত কিছুসংখ্যক শিল্প উদ্যোগ গঢ় লৈ উঠিছে। প্ৰাকৃতিক সম্পদৰপৰা সাধাৰণতে আমি আমাৰ প্ৰয়োজনীয় কিছুমান সামগ্ৰী প্ৰত্যক্ষভাৱে পাওঁ। আমাৰ প্ৰয়োজনীয় আন কিছুমান সামগ্ৰী আছে যিবোৰ আমি প্ৰকৃতিৰপৰা প্ৰত্যক্ষভাৱে নাপাওঁ। এই সামগ্ৰীবোৰ প্ৰাকৃতিক সম্পদৰপৰা যন্ত্ৰৰ সহায়ত বিশেষ পদ্ধতি প্ৰয়োগ কৰি তৈয়াৰ কৰি লোৱা হয়। এনেদৰে সামগ্ৰী প্ৰস্তুত কৰিবৰ বাবে একো একোটা উৎপাদন কেন্দ্ৰ বা উদ্যোগ গঢ়ি উঠে। উদাহৰণস্বৰূপে, কপাহৰপৰা সূতা তৈয়াৰ কৰি কাপোৰ, চূণশিলৰপৰা বিলাতী মাটি, কুঁহিয়াৰৰপৰা চেনি, বাঁহৰপৰা কাগজ, মৰাপাটৰপৰা কাৰ্পেট, বেগ, থৈলা আদি তৈয়াৰ কৰা উদ্যোগ। একেবিধ কেঁচা সামগ্ৰীৰপৰা এটা উদ্যোগত কেইবাবিধো বস্তু উৎপাদন কৰিব পাৰি, যেনে- মৰাপাটৰ পৰা ৰছী, বস্তা, থৈলা, কাৰ্পেট আদি তৈয়াৰ কৰা হয়।



কেঁচা সামগ্ৰী

**প্ৰকৃতিৰপৰা পোৱা যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰি আমাৰ প্ৰয়োজনীয় বস্তুবোৰ উৎপাদন কৰা হয় সেইবোৰক কেঁচা সামগ্ৰী বা কেঁচামাল বোলে।**

অসমৰ মাটি চাহ খেতিৰ বাবে উপযোগী। ইয়াত প্ৰচুৰ পৰিমাণে চাহ উৎপাদন হয়। যিহেতু কেঁচামালৰ ওপৰত ভিত্তি কৰি উদ্যোগসমূহ গঢ়ি উঠে, সেইবাবে অসমত বহুতো চাহ উদ্যোগ গঢ়ি উঠিছে। যোৰহাট জিলাৰ টোকলাই নামৰ ঠাইত চাহৰ গৱেষণা কেন্দ্ৰ আছে। ভাৰতৰ প্ৰায় ৫০ শতাংশ চাহ অসমৰপৰাই উৎপাদন হয়। চাহ উৎপাদনত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত প্ৰথম।

**অসমৰ চাহ উদ্যোগৰ বিষয়ে জানি লওঁ আহা—**



*চাহ বাগান*



*চাহ উদ্যোগ*

অসমত ৮০০ খনতকৈও অধিক ডাঙৰ চাহ বাগান আছে। অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ জিলাত বেছি সংখ্যক আৰু দৰং, কামৰূপ জিলাত কম সংখ্যক চাহ বাগান আছে। বাগানৰপৰা কুমলীয়া পাত ছিঙি, শুকুৱাই বিশেষ পদ্ধতিৰে মেচিনত চাহপাত তৈয়াৰ কৰা হয়। এইদৰে চাহবাগানবোৰক লৈ একো একোটা চাহপাত উৎপাদন কেন্দ্ৰ গঢ় লৈ উঠে। ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠা এই উৎপাদন কেন্দ্ৰবোৰ একো একোটা ক্ষুদ্ৰ উদ্যোগত পৰিণত হয়। এই চাহবাগিচাসমূহত কাম কৰি বহু লক্ষ লোকে জীৱিকা নিৰ্বাহ কৰি আছে। অসমৰ চাহপাত ভাৰতৰ বিভিন্ন ঠাই আৰু বিদেশলৈও পঠিওৱা হয়। এই চাহপাত বিদেশলৈ ৰপ্তানি কৰি আমাৰ দেশ আৰ্থিকভাৱে লাভৱান হৈছে।

**অসমৰ চাহপাতে আন্তৰ্জাতিক বজাৰত স্থান পাবলৈ সক্ষম হৈছে। ইয়াত উৎপন্ন হোৱা চাহপাত বিদেশলৈ ৰপ্তানি কৰি চৰকাৰে বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে। অসমৰ সকলো উদ্যোগৰ ভিতৰত চাহ উদ্যোগ আটাইতকৈ গুৰুত্বপূৰ্ণ।**

**শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে ক্ষেত্ৰ ভ্ৰমণ-**

➢ তোমালোকৰ ওচৰত থকা যি কোনো এটা উদ্যোগলৈ গৈ উদ্যোগটোৰ বিষয়ে চমুকৈ লিখিবলৈ চেষ্টা কৰা।

অসমৰ স্থানীয় উদ্যোগবোৰত উৎপাদিত সামগ্ৰীবোৰ, যেনে— চাহপাত আৰু পাট-মুগাৰ কাপোৰে দেশ-বিদেশত সমাদৰ পাইছে। কিন্তু এতিয়াও ভাৰতবৰ্ষৰ আন কিছুমান ৰাজ্যৰ তুলনাত অসমত প্ৰয়োজন অনুসৰি বৃহৎ উদ্যোগ গঢ়ি উঠা নাই। ইয়াৰ প্ৰধান কাৰণসমূহ হ'ল উদ্যোগ এটা গঢ়ি উঠিবলৈ প্ৰয়োজন হোৱা পৰ্যাপ্ত পৰিমাণৰ মূলধন, বৃহৎ স্থানীয় বজাৰ, দক্ষ শ্ৰমিক, উন্নত যাতায়াত ব্যৱস্থা আদিৰ অভাৱ।



**সাজ-পাৰ**

**চৰকাৰৰ সহযোগত অসমত কিছুমান উদ্যোগ গঢ় লৈ উঠিছে। তলৰ তালিকাখনৰ পৰা অসমৰ বিভিন্ন জিলাত থকা কিছুমান উদ্যোগৰ নাম, তাত ব্যৱহৃত কেঁচামাল আৰু উৎপাদিত সামগ্ৰীবোৰৰ নাম জানি লওঁ আহা—**

| কেঁচামাল | উদ্যোগ | উৎপাদিত সামগ্ৰী | ক'ত আছে |
|---|---|---|---|
| খাৰুৱা তেল | তেল উদ্যোগ | পেট্ৰ'ল, ডিজেল, কেৰাচিন, নেফথেলিন, ৰন্ধন গেছ | ডিগবৈ, নুমলীগড়, নুনমাটি, বঙাইগাঁও |
| প্ৰাকৃতিক গেছ | গেছ প্লান্ট | বিদ্যুৎ শক্তি | কঁঠালগুৰি |
| পানী | শক্তি উদ্যোগ | বিদ্যুৎ শক্তি (জলবিদ্যুৎ) | উমৰাংছু' (কপিলী), কাৰ্বি লাংপি |
| প্ৰাকৃতিক গেছ | শক্তি উদ্যোগ | বিদ্যুৎ শক্তি | নামৰূপ |
| চুণশিল | বিলাতী মাটি | বিলাতী মাটি | বোকাজান |
| প্ৰাকৃতিক গেছ | সাৰ উদ্যোগ | ৰাসায়নিক সাৰ | নামৰূপ |
| খাৰুৱা তেল | পেট্ৰ'কেমিকেলছ | প'লিয়েষ্টাৰ, পলিথিন | বঙাইগাঁও |
| মৰাপাট | মৰাপাট উদ্যোগ | থৈলা, কাৰ্পেট, বেগ, ৰছী | শিলঘাট |
| কয়লা | কয়লা উদ্যোগ | কয়লা | লিডু |

**দলগত কাৰ্য** (শিক্ষকে সহায় কৰিব)

➢ তোমালোকৰ অঞ্চলত থকা প্ৰাকৃতিক সম্পদসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

➢ তোমালোকৰ অঞ্চলত কি কি কেঁচামাল ব্যৱহাৰ কৰি কি কি উদ্যোগ গঢ়ি উঠিছে লিখা।

**জানি লওঁ আহা—**

✪ ১৮৬৬ চনত বৃটিছে প্ৰথম অসমত খাৰুৱা তেল আৱিষ্কাৰ কৰিছিল।


✪ ১৮২৫ চনত অসমত প্ৰথম কয়লা খনিৰ আৱিষ্কাৰ হৈছিল।

✪ ১৮৩৭ চনত অসমত প্ৰথমখন চাহ বাগিচা স্থাপন হৈছিল।

✪ ১৯৫৮ চনত বৰুৱাবামুণ গাঁৱত চেনি উদ্যোগ স্থাপন হৈছিল।

এখন দেশত মজুত থকা কেঁচামালৰ ওপৰত ভিত্তি কৰিয়েই কিছুমান উদ্যোগ গঢ়ি উঠে। কেতিয়াবা প্ৰাকৃতিক সম্পদ মজুত থাকিলেও কোনো এখন ঠাইত উদ্যোগ গঢ়ি উঠা সম্ভৱ নহ'বও পাৰে।

উদ্যোগ গঢ়ি উঠাৰ প্ৰধান কাৰকসমূহৰ বিষয়ে জানি লওঁ আহা—




- উদ্যোগ এটা গঢ়ি উঠিবলৈ পৰ্যাপ্ত পৰিমাণৰ কেঁচামালৰ প্ৰয়োজন।
- উদ্যোগ এটা প্ৰতিষ্ঠা কৰিবলৈ ভূমি আৰু প্ৰচুৰ মূলধনৰ প্ৰয়োজন।
- কেঁচামালৰপৰা উৎপাদিত সামগ্ৰী প্ৰস্তুত কৰিবলৈ অধিক সংখ্যক উন্নতমানৰ যন্ত্ৰপাতিৰ প্ৰয়োজন।
- সাধাৰণতে কয়লা (তাপবিদ্যুৎ) আৰু জলবিদ্যুৎ শক্তি ব্যৱহাৰ কৰি উদ্যোগসমূহত কাম-কাজ চলোৱা হয়। পশ্চিমবংগ আৰু বিহাৰত কয়লা বেছিকৈ পোৱা যায় বাবে এই দুখন ৰাজ্যৰ উদ্যোগসমূহত যন্ত্ৰপাতি চলাবলৈ প্ৰধানকৈ কয়লা ব্যৱহাৰ কৰা হয়। আনহাতে যিবোৰ ঠাইত কয়লা নাই তাত জলবিদ্যুৎ ব্যৱহাৰ কৰা হয়।
- উদ্যোগত উৎপন্ন হোৱা উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে স্থানীয় বজাৰ থকাৰ লগতে দেশ-বিদেশৰ বজাৰৰো প্ৰয়োজন।
- কেঁচামাল আৰু উৎপাদিত সামগ্ৰী কঢ়িওৱা, যন্ত্ৰপাতি চলোৱা আদি বিভিন্ন কাৰ্যত শ্ৰমিকৰ প্ৰয়োজন হয়। উদ্যোগসমূহত উৎপাদিত সামগ্ৰী তৈয়াৰ কৰিবলৈ বিশেষ কৌশলৰ প্ৰয়োজন হয়। এনে ক্ষেত্ৰত দক্ষ শ্ৰমিকৰ আৱশ্যক।
- কেঁচামাল আৰু অন্যান্য লাগতিয়াল সামগ্ৰী উদ্যোগলৈ কঢ়িয়াবলৈ আৰু উৎপাদিত সামগ্ৰী বজাৰলৈ নিবলৈ উন্নত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ আৱশ্যক। উন্নত যাতায়াত ব্যৱস্থাৰ বাবে কলকাতা, মুম্বাই, জামছেদপুৰ, কানপুৰ, চেন্নাই আদিত বহুতো উদ্যোগ গঢ়ি উঠিছে।

➢ তোমালোকৰ ঘৰত বিজুলীৰ সংযোগ আছেনে? যদি আছে, তেনেহ'লে তোমালোকে ঘৰত বিজুলী শক্তিক কি কি কামত ব্যৱহাৰ কৰা হয় তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**ভাৰতবৰ্ষৰ কেইটামান উল্লেখযোগ্য উদ্যোগৰ বিষয়ে জানি লওঁ আহা—**

**চেনি উদ্যোগ—**

চেনি উদ্যোগবোৰ কুঁহিয়াৰ উৎপন্ন হোৱা ঠাইবোৰৰ দাঁতিতে গঢ়ি উঠে। কাৰণ উৎপন্ন হোৱা ঠাইৰপৰা কেঁচামাল উদ্যোগলৈ শীঘ্ৰে অনাৰ সুবিধা হয়। এই শিল্পৰ বাবে উন্নত যন্ত্ৰপাতি আৰু দক্ষ শ্ৰমিকৰ আৱশ্যক। ভাৰতত ২০০ ৰো অধিক চেনি উদ্যোগ আছে। দেশৰ প্ৰায় ৬০ শতাংশ চেনি উত্তৰ ভাৰতত উৎপন্ন হয়। আনহাতে দক্ষিণ ভাৰতৰ মাটি কুঁহিয়াৰ খেতিৰ বাবে অধিক উপযোগী হোৱাৰ বাবে নতুনকৈ চেনি উদ্যোগবোৰ ইয়াত গঢ়ি উঠিছে। বিহাৰ, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদি ৰাজ্যত চেনি উৎপাদন কৰা হয়। আমাৰ দেশত উৎপন্ন হোৱা বেছিভাগ চেনিয়েই দেশৰ ভিতৰতে ব্যৱহাৰ হয়।

**কাগজ উদ্যোগ—**



*বাঁহ গছ*

কাগজ উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল বাঁহ। সম্প্ৰতি কাগজৰ ব্যৱহাৰ পৃথিৱীত বাঢ়ি অহাৰ কাৰণে আজিকালি সৰল গছ, দেৱদাৰু আদি কোমল কাঠৰ মণ্ডৰ পৰাও কাগজ তৈয়াৰ কৰা হয়। ইয়াৰ উপৰি ঘাঁহ, পুৰণি কপাহ, মৰাপাটৰ আৱৰ্জনা আদিৰপৰাও কাগজ তৈয়াৰ কৰা হয়। আন দেশৰ তুলনাত ভাৰতত কাগজ নিৰ্মাণ উদ্যোগ অতি কম। দেশৰ কাগজ উদ্যোগৰ বেছিভাগেই ক'লকাতা আৰু মুম্বাইৰ ওচৰত অৱস্থিত।




*কাগজ উৎপাদন*

➢ তোমাৰ কিতাপৰ কাগজবোৰ তৈয়াৰ কৰিবলৈ কি কি কেঁচামাল ব্যৱহাৰ কৰা হৈছে লিখা।

**ৰেচম উদ্যোগ—**

নুনি গছৰ পাত পাটপলুৰ খাদ্য। নুনি গছৰ খেতি কৰি পাটপলু পোহা হয়। পলুৱে সজা লেটাৰপৰা ৰেচম সূতা উলিয়াই পাটৰ কাপোৰ তৈয়াৰ কৰা হয়। এইদৰে সূতা তৈয়াৰ কৰা পদ্ধতি বৰ জটিল। ইয়াৰ বাবে কঠোৰ শ্ৰম আৰু কৌশলৰ দৰকাৰ। সেইবাবে এই শিল্পই প্ৰথমে কুটিৰ শিল্প ৰূপেহে গঢ় লৈ উঠে। আজিকালি মেচিনতো পাটৰ কাপোৰ তৈয়াৰ কৰা হয়।





এৰা গছ

ৰেচম কাপোৰ উৎপাদনত ভাৰত পৃথিৱীৰ ভিতৰতে দ্বিতীয়খন দেশ হিচাপে পৰিগণিত হৈছে। কেৱল কৰ্ণাটক ৰাজ্যতে দেশৰ মুঠ উৎপাদনৰ আধা অংশ ৰেচমী কাপোৰ উৎপন্ন হয়। কৰ্ণাটক ৰাজ্যৰ বাংগালুৰুৰ বাহিৰে পশ্চিমবংগৰ মুৰ্চিদাবাদ আৰু বিষ্ণুপুৰ, তামিলনাডুৰ কাঞ্চিপুৰম, কাশ্মীৰৰ শ্ৰীনগৰ, উত্তৰ প্ৰদেশৰ বেনাৰস আদি ৰেচম শিল্পৰ বাবে বিখ্যাত। অসমৰ শুৱালকুছি, ঢকুৱাখানা, ৰহা, পলাশবাৰী, গুজৰাটৰ গান্ধীনগৰ আদি ৰেচম শিল্পৰ বাবে সু-প্ৰসিদ্ধ ঠাই।

**এৰা গছৰ পাত এৰী পলুৰ খাদ্য আৰু চোম গছৰ পাত মুগা পলুৰ খাদ্য। কেৱল অসমতেই মুগাৰ কাপোৰ উৎপন্ন হয়।**



চোমগছ

**কপাহী বস্ত্ৰ উদ্যোগ—**

- তোমালোকৰ অঞ্চলত গঢ়ি উঠা উদ্যোগসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।



কপাহ গছ

কপাহী বস্ত্ৰ তৈয়াৰ কৰাত প্ৰাচীনকালৰেপৰা ভাৰতৰ সুনাম আছে। ভাৰতত এই শিল্প প্ৰথমে হস্তশিল্পৰ স্তৰত আছিল। বৰ্তমান কপাহী বস্ত্ৰ উৎপাদনত ভাৰতে পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰিছে। মুম্বাই ভাৰতৰ আধুনিক বস্ত্ৰ উদ্যোগৰ প্ৰথম কেন্দ্ৰ। ইয়াত যন্ত্ৰপাতি, কয়লা, উৎকৃষ্ট কপাহ আৰু অন্যান্য লাগতিয়াল সামগ্ৰী আমদানিৰ বাবে বন্দৰৰ সু-ব্যৱস্থা আছে। তাৰ উপৰি কপাহ উৎপন্ন হোৱা অঞ্চলৰ লগত উন্নত যোগাযোগ ব্যৱস্থা, দক্ষ শ্ৰমিক, বৃহৎ স্থানীয় বজাৰ আৰু জলবিদ্যুৎ সৰবৰাহৰ সা-সুবিধা থকাৰ বাবে মুম্বাইত এই উদ্যোগ গঢ় লৈ উঠিছে। মুম্বাইৰ পিছত আহমেদাবাদ ভাৰতৰ এখন উল্লেখযোগ্য কপাহী বস্ত্ৰ উৎপাদন কৰা ৰাজ্য। পৰ্যাপ্ত মূলধন, উন্নত যোগাযোগ ব্যৱস্থা, দক্ষ শ্ৰমিক আদিয়ে ইয়াত কপাহী বস্ত্ৰ উদ্যোগ গঢ়ি উঠাত সহায় কৰিছে।



বস্ত্ৰ উদ্যোগ

- মহাৰাষ্ট্ৰ, গুজৰাট, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদি ৰাজ্যত বহুতো কপাহী বস্ত্ৰ উদ্যোগ আছে।
- আমি পিন্ধা কাপোৰবোৰ তৈয়াৰ কৰিবলৈ কি কি কেঁচামাল ব্যৱহাৰ কৰা হয় লিখা।

**লো-তীখা উদ্যোগ —**

লো-তীখা উদ্যোগ ভাৰতৰ অন্যতম বৃহৎ উদ্যোগ। ভাৰতত পুৰণিকালৰেপৰা তীখা তৈয়াৰ কৰা উদ্যোগ চলি আহিছে। এই উদ্যোগৰ বাবে কেঁচামাল হিচাপে আকৰিক লো, কয়লা আৰু চূণশিলৰ আৱশ্যক। বেছি ওজন আৰু আয়তনযুক্ত কেঁচামালৰ প্ৰয়োজন হয় বাবেই এই উদ্যোগো সাধাৰণতে লোৰ খনিৰ ওচৰত গঢ়ি উঠে। তদুপৰি এই উদ্যোগৰ উৎপাদিত গধুৰ সামগ্ৰীসমূহ পৰিবহণৰ বাবে সুচল যাতায়াত ব্যৱস্থাৰ প্ৰয়োজন। এনে উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন যন্ত্ৰপাতি আৰু সা-সঁজুলি নিৰ্মাণ কৰা উদ্যোগসমূহো গঢ় লৈ উঠিছে। লো-তীখা উদ্যোগৰ বাবে প্ৰধানকৈ বৃহৎ পৰিমাণৰ মূলধন, উন্নত পৰিবহণ ব্যৱস্থা, প্ৰচুৰ ইন্ধন আৰু কেঁচামালৰ প্ৰয়োজন। ছোটনাগপুৰ মালভূমিৰ অন্তৰ্গত পশ্চিমবংগ, ঝাৰখণ্ড, বিহাৰ, উৰিষ্যা আৰু ছত্তিশগড়ক সামৰি এই বৃহৎ অঞ্চলটো লো-তীখা উদ্যোগৰ কেন্দ্ৰস্থল হৈ পৰিছে।



*লোৰ আঁকৰ*

ওপৰত উল্লেখ কৰা উদ্যোগবোৰৰ উপৰি আমাৰ দেশত আৰু বহুতো বৃহৎ উদ্যোগ আছে। এখন দেশৰ অৰ্থনৈতিক উন্নতিত উদ্যোগমূহে যথেষ্ট অৰিহণা যোগায়। উদ্যোগ এটা গঢ় লৈ উঠাৰ লগে লগে সেই অঞ্চলৰ যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি হয় আৰু উৎপাদিত সামগ্ৰীবোৰ বেচা-কিনা কৰিবৰ বাবে স্থানীয় বজাৰ গঢ় লৈ উঠে। ইয়াৰ উপৰি স্থানীয়লোকে এই উদ্যোগসমূহত কৰ্মসংস্থান লাভ কৰে।

**আলোচনা কৰোঁ আহা—**

বিষয় ঃ ‘প্ৰাকৃতিক সম্পদে আমাৰ আৰ্থিক দিশত প্ৰভাৱ পেলায়।’

আলোচনাৰ কেইটামান দিশ — (কেঁচামালৰ ব্যৱহাৰ, উদ্যোগ স্থাপন, জীৱিকা, বজাৰ আৰু পৰিবহণ)

➢ আৰ্হিত দেখুওৱা ধৰণে তলত দিয়া খালী ঠাইবোৰ পূৰণ কৰা—

| **কেঁচা সামগ্ৰী** | **উদ্যোগ** | **উৎপাদিত সামগ্ৰী** |
|---|---|---|
| কুঁহিয়াৰ | চেনি উদ্যোগ | চেনি |
| (ক) বাঁহ, কোমল কাঠৰ মণ্ড | কাগজ উদ্যোগ | ........................ |
| (খ) ............... | বস্ত্ৰ উদ্যোগ | কাপোৰ |
| (গ) খাৰুৱা তেল | শক্তি বা তেল উদ্যোগ | ........................ |
| (ঘ) ..................... | বিলাতী মাটি উদ্যোগ | বিলাতী মাটি |
| (ঙ) চাহ গছৰ পাত | .......................... | চাহপাত |
| (চ) ..................... | লো-তীখা উদ্যোগ | তীখা |

## অনুশীলনী

১। চমুকৈ লিখা —

(ক) কেঁচামাল বুলিলে কি বুজা ?

(খ) উদ্যোগ গঢ়ি উঠিবলৈ উন্নত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ কিয় প্ৰয়োজন ?

(গ) উদ্যোগ গঢ়ি উঠিবলৈ কি কি কাৰকৰ প্ৰয়োজন লিখা।

(ঘ) লো-তীখা উদ্যোগৰ বাবে কি কি কেঁচামালৰ প্ৰয়োজন ?

(ঙ) পাটৰ কাপোৰ কেনেদৰে তৈয়াৰ কৰা হয় ?

২। খালী ঠাই পূৰ কৰা—

(ক) মুম্বাই ভাৰতৰ আধুনিক ——— উদ্যোগৰ প্ৰথম কেন্দ্ৰ।

(খ) কাগজ উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল ——— ।

(গ) ভাৰতৰ সকলোতকৈ বেছি ৰেচমী কাপোৰ ——— ৰাজ্যত উৎপন্ন কৰা হয়।

(ঘ) চেনি উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল ——— ।

৩। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| তেল শোধনাগাৰ | কঁঠালগুৰি |
| গেছ প্লাণ্ট | নামৰূপ |
| সাৰ উদ্যোগ | শিলঘাট |
| মৰাপাট উদ্যোগ | নুমলীগড় |

৪। পৰ্যাপ্ত পৰিমাণে কেঁচামাল মজুত নাথাকিলেও যে কোনো এখন ঠাইত বৃহৎ উদ্যোগ গঢ়ি উঠিব পাৰে সেই বিষয়ে এখন দেশৰ উদাহৰণ দি বুজাই লিখা।

৫। অসমত কিয় বেছিকৈ বৃহৎ উদ্যোগ গঢ়ি উঠা নাই তাৰ কাৰণসমূহ বুজাই লিখা।

৬। উদ্যোগ বুলিলে কি বুজা ? ভাৰতৰ চাৰিটা বৃহৎ উদ্যোগৰ নাম লিখা।

৭। চমুটোকা লিখা—

চেনি উদ্যোগ, কাগজ উদ্যোগ, কপাহী বস্ত্ৰ উদ্যোগ, ৰেচম উদ্যোগ, লো-তীখা উদ্যোগ।

P7M6J4

# পাঠ-১১
# আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ

আমি আমাৰ পৰিয়াল, বন্ধু-বান্ধৱী, আত্মীয়-স্বজনৰ মাজত থাকি ভাল পাওঁ, নহয়নে ? আমি মানুহবোৰে আচলতে সমাজ পাতি থাকি ভাল পাওঁ। সমাজ নোহোৱাকৈ আমি অকলে জীয়াই থাকিব নোৱাৰোঁ। আনহাতে আমাৰ প্ৰয়োজনীয় সকলোবোৰ কাম-কাজ আমি নিজে কৰি ল'বও নোৱাৰোঁ। সেয়ে কিছুমান কাম-কাজ সুকলমে কৰিবলৈ আমাৰ সমাজে কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠান পাতি লৈছে। এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে আমাৰ কিছুমান বিশেষ প্ৰয়োজনীয় কাম কৰাৰ লগতে সমাজলৈও সেৱা আগবঢ়ায়। বিদ্যালয়, বেংক, আৰক্ষী চকী, ডাকঘৰ, চিকিৎসালয়, পুথিভঁৰাল, পঞ্চায়ত, সমবায়, আদি তেনেধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান। এনে অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ নাথাকিলে সমাজৰ বহুতো অসুবিধা হ'লহেঁতেন।




*এইখন নিৰ্মালিহঁতৰ **বিদ্যালয়**। এইখন এখন **শিক্ষানুষ্ঠান**। নিৰ্মালিহঁতে এই বিদ্যালয়তে লিখা-পঢ়া শিকে। তদুপৰি সিহঁতে নাচ-গান, খেল-ধেমালি, কবিতা, আবৃত্তি, অভিনয়, বক্তৃতা দিয়া, সুন্দৰকৈ কথা কোৱা, তৰ্ক-প্ৰতিযোগিতা আদিও ইয়াতে শিকিছে। বিদ্যালয়খনত প্ৰধান শিক্ষককে ধৰি কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আছে। তেওঁলোকে নিৰ্মালিহঁতক মৰমেৰে পাঠত থকা কথাবোৰৰ উপৰি আৰু বহুতো প্ৰয়োজনীয় কথা শিকায়। দুগৰাকী ৰান্ধনী বাইদেউৱে মধ্যাহ্ন ভোজন ৰান্ধে আৰু বিতৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে পৰিষ্কাৰকৈ হাত ধোৱে আৰু শাৰী পাতি শৃংখলাবদ্ধভাৱে মধ্যাহ্ন ভোজন গ্ৰহণ কৰে।*

*মাজে মাজে গাঁৱৰ মুখিয়াল ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল বিদ্যালয়লৈ আহে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা আৰু আন আন দিশত কিমান আগবাঢ়িছে তাৰ খা-খবৰ লয়। মাজে সময়ে বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ মাজত সভা বহে। সভাত বিদ্যালয়ৰ বিভিন্ন উন্নয়নৰ কথা আলোচনা কৰে। প্ৰয়োজন হ'লে বিদ্যালয়ৰ ঘৰ-দুৱাৰ, চৌহদৰ বেৰ আদি গাঁৱৰ ৰাইজে আহি মেৰামতি কৰি দিয়ে। খোৱা পানীৰ ব্যৱস্থা, শৌচাগাৰ, প্ৰস্ৰাৱঘৰ আদি নিৰ্মাণতো ৰাইজে সহায়-সহযোগ কৰে।*

*এইখন বিদ্যালয়ত পঢ়িয়েই সেই অঞ্চলৰ লোকসকল শিক্ষিত হৈছে। জনা-বুজা হৈছে। বহুতে ডাঙৰ মানুহ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেয়ে অঞ্চলৰ ৰাইজৰ লগতে নিৰ্মালিহঁতে নিজৰ বিদ্যালয়খনক লৈ গৌৰৱ অনুভৱ কৰে।*

**দলত আলোচনা কৰি লিখা—**

(ক) তোমালোকৰ বিদ্যালয়খনৰ নাম-

(খ) বিদ্যালয়খনৰ চাৰিসীমাত কি কি আছে-

(গ) তোমালোকৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা-

(ঘ) মধ্যাহ্ন ভোজন ৰন্ধা আৰু বিতৰণ কৰা বাইদেউৰ সংখ্যা-

(ঙ) তোমালোকৰ নিজৰ বিদ্যালয়খনক ভালপোৱাৰ দুটা কাৰণ লিখা-

(চ) তোমালোকৰ বিদ্যালয়খন পৰিষ্কাৰকৈ ৰাখিবৰ বাবে কি কি কৰা--

(ছ) বিদ্যালয়ত থকা সময়ছোৱাৰ ভিতৰত তোমালোকে কৰা কামৰ তালিকা এখন প্ৰস্তুত কৰা।

(জ) তোমালোকৰ বিদ্যালয়ত পঢ়ি অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা লোকৰ নাম জানানে? যদি জানা তেনেহ'লে তেনে দুজন ব্যক্তিৰ নাম লিখা (শিক্ষকৰ সহায় ল'বা)।

*মৃদুলৰ দেউতাকে **বেংকত** চাকৰি কৰে। দেউতাকৰ মুখৰপৰা মৃদুলে গম পাইছে যে বেংকবোৰ আচলতে টকা-পইচাৰ লগত জড়িত ব্যৱসায়িক প্ৰতিষ্ঠান। বেংকৰ জৰিয়তে চৰকাৰে বা মানুহে টকা-পইচাৰ লেন-দেন কৰে।*



*বেংকত গ্ৰাহকৰ শাৰী*

### জানি লওঁ আহা—

- বেংকবোৰে গ্ৰাহকৰ টকা জমা ৰাখে। গ্ৰাহকক ঋণ দিয়ে। গ্ৰাহকে বেংকত টকা জমা ৰাখিলে সুত পায়। আনহাতে ঋণ ল'লে বেংকক সুত দিব লগা হয়।
- চৰকাৰী কৰ্মচাৰীসকলক চৰকাৰে বেংকৰ জৰিয়তে দৰমহা দিয়ে।
- আজি-কালি বেংকবোৰে গ্ৰাহকসকলক এ.টি.এমৰ পৰা টকা উলিয়াব পৰা আৰু জমা কৰিব পৰা সুবিধা কৰি দিছে। (এ.টি.এম.- মানে 'অট'মেটেড টেলাৰ মেচিন')
- ম'বাইল ফোন বা লেপটপত ইণ্টাৰনেট সংযোগ কৰি আজি-কালি যিকোনো সময়ত ঘৰতে বহি টকাৰ লেন-দেন কৰিব পাৰি। এইবোৰ সুবিধাও বেংকবোৰে গ্ৰাহকসকলক দিছে।

➤ তোমালোকৰ ওচৰত বেংক আছেনে ? যদি আছে বেংকৰ নাম লিখা।





*এ টি এম*

### চিন্তা কৰি লিখোঁ আহা-

➤ বেংকবোৰ নথকা হ'লে আমাৰ কি কি অসুবিধা হ'লহেঁতেন ?

*মোহনৰ মাকে এখন চৰকাৰী **চিকিৎসালয়**ত কাম কৰে। তেখেত এগৰাকী নাৰ্ছ। সৰুৰেপৰা মোহনৰ বেমাৰ-আজাৰ হ'লে মাক-দেউতাকে প্ৰায়ে তাক মাকে কাম কৰা চিকিৎসালয়খনলৈ লৈ যায়। ডাক্তৰে পৰীক্ষা-নিৰীক্ষা কৰি ঔষধ দিয়ে। ডাক্তৰে লিখি দিয়া ঔষধ খাই তাৰ বেমাৰ ভাল হয়। মোহনৰ মাকে মানৰ সেৱাৰ লগত জড়িত এনে প্ৰতিষ্ঠানত কাম কৰিবলৈ পাই অতিকৈ গৌৰৱ অনুভৱ কৰে। তেখেতে চিকিৎসালয়ত ডাক্তৰসকলক সহায় কৰাৰ লগতে ৰোগীসকলক চোৱা-চিতা কৰে।*



**জানি লওঁ আহা—**

- চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ সৈতে জড়িত ডাক্তৰ, নাৰ্চ, ফাৰ্মাচিষ্ট, অন্যান্য কৰ্মচাৰী আৰু চাফাই কৰ্মী থাকে।
- কিছুমান চৰকাৰী আৰু কিছুমান বেচৰকাৰী খণ্ডৰ চিকিৎসালয় আছে। চৰকাৰী চিকিৎসালয়বোৰ চৰকাৰী খৰচত চলে। আনহাতে বে-চৰকাৰী চিকিৎসালয়বোৰ এজন বা কেইজনমান ব্যক্তিয়ে লগ হৈ পৰিচালনা কৰে।
- চৰকাৰী চিকিৎসালয়ত ৰোগীৰ বিনামূলীয়া চিকিৎসা আৰু ঔষধ যোগানৰ ব্যৱস্থা আছে।
- প্ৰায়ভাগ চিকিৎসালয়ত চকু, নাক-কাণ-ডিঙি, ছাল, হাড়, দাঁত আদি চিকিৎসাৰ বাবে বেলেগ বেলেগ ডাক্তৰ থাকে। শিশু আৰু মহিলাৰ চিকিৎসাৰ বাবেও সুকীয়া ডাক্তৰ থাকে।
- আনহাতে পশু-পক্ষীৰ চিকিৎসাৰ বাবে সুকীয়া ডাক্তৰ আৰু চিকিৎসালয় আছে। এনে চিকিৎসালয়ত কেৱল পশু-পক্ষীৰ চিকিৎসাহে কৰা হয়। সেইবোৰক পশু চিকিৎসালয় বোলে।

➤ তোমালোকৰ ওচৰত থকা চিকিৎসালয়খনৰ নাম লিখা। কেতিয়াবা চিকিৎসালয়খনলৈ গৈছানে? যদি গৈছা কি কাৰণে যাব লগা হৈছিল লিখা।




*বিৰিণাৰ দেউতাক এজন আৰক্ষী (পুলিচ) বিষয়া। তেখেতে এখন **আৰক্ষী চকী**ত নিজৰ কৰ্তব্য পালন কৰিবলগীয়া হয়।*

**জানি লওঁ আহা—**

- আৰক্ষীসকল সমাজত শান্তি-শৃংখলা ৰক্ষা কৰা কামত নিয়োজিত থাকে।
- সমাজত যাতে কোনেও অপৰাধ কৰিব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে চকু ৰাখে। যিকোনো অপৰাধমূলক কামৰ অনুসন্ধান কৰে। অপৰাধীক ন্যায়ালয়ৰ জৰিয়তে শাস্তি দিয়াৰ ব্যৱস্থা কৰে।
- আলিবাটৰ যান-বাহন আদি নিয়ন্ত্ৰণ কৰে।
- দুৰ্ঘটনা বা কোনো জৰুৰীকালীন সময়ত জনসাধাৰণক আৰক্ষীসকলে সহায় কৰিব লাগে।
- সমাজত কোনো বিবাদ হ'লে আৰক্ষীয়ে তেনে বিবাদ নিষ্পত্তি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে।

**চিন্তা কৰি লিখোঁ আহা-**

➤ আমাৰ দেশত আৰক্ষী নাথাকিলে কি কি অসুবিধা হ'ব পাৰে?

*অংকুৰৰ পৰিয়ালটোৱে গাঁৱত বাস কৰে। অংকুৰৰ দেউতাক গাঁও **পঞ্চায়তৰ** সভাপতি। গাঁৱৰ উন্নয়নৰ লগত অংকুৰৰ দেউতাক ওতঃপ্ৰোতভাৱে জড়িত। তেখেতে অঞ্চলটোৰ বিভিন্ন সভা-সমিতিত ঘূৰি ফুৰিবলগীয়া হয়।*




*দেউতাকে অংকুৰহঁতক প্ৰায়ে কয় যে আমাৰ দেশৰ সৰহসংখ্যক লোকেই গাঁও অঞ্চলত বাস কৰে। সেয়ে দেশৰ উন্নতি হ'বলৈ হ'লে প্ৰতিখন গাঁৱৰ উন্নতি হ'ব লাগিব। গাঁও অঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে আমাৰ দেশে গাঁওসমূহত এক নিজা শাসন ব্যৱস্থা প্ৰচলন কৰিছে। **এই ব্যৱস্থাটোক পঞ্চায়তীৰাজ শাসন ব্যৱস্থা বোলে**। এই ব্যৱস্থা মতে পঞ্চায়ত গঠনৰ বাবে প্ৰতিখন গাঁৱৰ ৰাইজে ভোট দি কিছুমান সদস্য আৰু এজন সভাপতি নিৰ্বাচন কৰে। অৱশ্যে ভোট দিবলৈ ওঠৰ বছৰ বয়স হ'ব লাগে। এইবাৰ অংকুৰৰ দেউতাকক অঞ্চলৰ ৰাইজে ভোট দি পাঁচ বছৰৰ বাবে পঞ্চায়তৰ সভাপতি নিৰ্বাচন কৰিছে।*

**গাঁও পঞ্চায়তৰ কিছুমান কাম-কাজৰ সম্পৰ্কে জানি লওঁ আহা—**

- গাঁও পঞ্চায়ত এলেকাৰ ৰাস্তা-ঘাট, দলং, নলা-নৰ্দমা আদি নিৰ্মাণ, মেৰামতি আৰু চোৰাচিতা কৰা।
- গাঁৱত খোৱাপানী যোগান ধৰা। স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ কাম কৰা।
- গাঁও পঞ্চায়ত এলেকাত থকা বজাৰ, ৰাজহুৱা সম্পত্তি আদি পৰিচালনা আৰু সংৰক্ষণ কৰা।
- নিজৰ এলেকাৰ বিদ্যালয়বোৰ চোৰা-চিতা কৰা। সমাজৰ মাজত শিক্ষাৰ সজাগতা আৰু প্ৰসাৰৰ বাবে কাম কৰা।
- কৃষি, জলসিঞ্চন আৰু গাঁৱৰ লোকসকলৰ উন্নয়নৰ বাবে কাম কৰা।
- কোনো দুৰ্যোগৰ সময়ত গাঁৱৰ লোকক সাহায্য যোগান ধৰা।
- গাঁও পঞ্চায়ত এলেকাৰ উন্নয়নৰ বাবে বাৰ্ষিক পৰিকল্পনা প্ৰস্তুতকৰণ।
- গাঁও পঞ্চায়ত বাৰ্ষিক বাজেট প্ৰস্তুতকৰণ।

গাঁও পঞ্চায়তে যেনেকৈ নিজ এলেকাৰ গাঁওসমূহৰ উন্নয়নৰ বাবে কাম কৰে ঠিক সেইদৰে নগৰ বা চহৰ অঞ্চলৰ উন্নয়নৰ বাবেও কেইটামান অনুষ্ঠান বা নিকায় আছে। সেইকেইটা হ'ল—**নগৰ সমিতি, পৌৰসভা আৰু পৌৰ নিগম**। কম জনসংখ্যা থকা নগৰত **নগৰ সমিতি** থাকে। বেছি জনসংখ্যা থকা নগৰত পৌৰ সভা আৰু মহানগৰত পৌৰ নিগম থাকে। নগৰ সমিতি, পৌৰ সভা আৰু পৌৰ নিগমেও পঞ্চায়তৰ দৰে নিজ নিজ নগৰত উন্নয়নমূলক কাম-কাজবোৰ কৰে।

➢ শিক্ষক-শিক্ষয়িত্রী আৰু অভিভাৱকৰ সহায় লৈ লিখা-

- তোমাৰ গাঁও/চহৰখনৰ নাম—
- তোমাৰ গাঁও পঞ্চায়ত/নগৰ সমিতি/পৌৰ সভা/পৌৰ নিগমৰ সভাপতিৰ নাম—
- তোমাৰ অঞ্চলৰ শাসন ব্যৱস্থাটোৰ কাম-কাজসমূহ—



*গোপালৰ ঘৰ জাগীৰোডত। গোপালহঁতৰ কেইবাজনী জাৰ্চি গৰু আছে। গোপালৰ দেউতাকে পুৱা আৰু আবেলি গাইকেইজনীৰ গাখীৰ খীৰায়। এই গাখীৰ দেউতাকে সীতাজখলা দুগ্ধ উৎপাদন সমবায় সমিতি লিমিটেডত দিয়ে। গোপালৰ দেউতাক এই সমবায় সমিতিখনৰ এজন সদস্য।*

*গাখীৰৰ ব্যৱসায় কৰি সমবায়খনে লাভ কৰা টকাৰে গোপালহঁতৰ ঘৰখন চলে।* ***কিছুমান লোক লগ লাগি সকলোৰে উন্নয়নৰ বা আৰ্থিক লাভালাভৰ বাবে সমূহীয়াকৈ কাম কৰা ব্যৱস্থাটোকে সমবায় বোলে***। *সমবায়বোৰ 'প্ৰত্যেকজনেই সকলোৰে বাবে আৰু সকলোৱে প্ৰত্যেকজনৰ বাবে কাম কৰা' নীতিৰে চলে। এখন সমবায়ত অতি কমেও দহজন সদস্য থাকিব লাগে।*

আমাৰ দেশত বিভিন্ন ধৰণৰ সমবায় আছে। আমাৰ দেশত গাখীৰ, কাপোৰ, পাপৰ আদি বহু ব্যৱসায় সমবায় ভিত্তিত চলি আছে। সৰু-ডাঙৰ বহুতো উদ্যোগ কল-কাৰখানা সমবায় ব্যৱস্থাৰে চলি আছে।

আজিকালি আমাৰ গাঁওবোৰত মহিলাসকলে মিলি আত্মসহায়ক গোট গঠন কৰিছে। গাঁৱৰ দুখীয়া বহু পৰিয়ালে এনে গোটৰপৰা ঋণ ল'ব পাৰে। গাঁৱৰ বহু মহিলাই আত্মসহায়ক গোটৰ জৰিয়তে বিভিন্ন সামগ্ৰী উৎপাদন কৰি বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছে। এনেদৰে তেওঁলোকে আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিছে।

➢ আত্মসহায়ক গোটবোৰে আমাক কেনেদৰে সহায় কৰে শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে আলোচনা কৰি লিখা।

এইদৰে আমাৰ সমাজত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে আমাক বিভিন্ন দিশত সহায় কৰে। এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত সেৱা আগবঢ়োৱা ব্যক্তিসকলক আমি সন্মান জনোৱা উচিত।

## অনুশীলনী

১ । উত্তৰ লিখা—

(ক) বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলক দুপৰীয়া আহাৰ গ্ৰহণৰ বাবে কি ব্যৱস্থা কৰা হৈছে?

(খ) কোন প্ৰতিষ্ঠানত চৰকাৰে বা মানুহে টকা-পইচাৰ লেন-দেন কৰে?

(গ) ৰোগীসকলক কোন প্ৰতিষ্ঠানত চিকিৎসা কৰা হয়?

(ঘ) সমাজত শান্তি-শৃংখলা ৰক্ষা কৰাৰ কামত কাক নিয়োজিত কৰা হৈছে?

(ঙ) যিকোনো চাৰিটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম লিখা।

২ । খালী ঠাই পূৰ কৰা—

(ক) ছাত্ৰ-ছাত্ৰীসকলে ------------ ত লিখা-পঢ়া শিকে।

(খ) পশু-পক্ষীৰ চিকিৎসাৰ বাবে ------------ আছে।

(গ) আলিবাটৰ যান-বাহন ------------ য়ে নিয়ন্ত্ৰণ কৰে।

(ঘ) গাঁওসমূহত থকা শাসন ব্যৱস্থাক ------------ শাসন ব্যৱস্থা বোলা হয়।

৩ । পাৰ্থক্য লিখা— চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয়।

৪ । চমুটোকা লিখা—

(ক) পঞ্চায়তীৰাজ শাসন ব্যৱস্থা (খ) সমবায় (গ) আত্মসহায়ক গোট।

৫ । শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) সমাজত শান্তি-শৃংখলা ৰক্ষা কৰাৰ কামত কাক নিয়োজিত কৰে?

১ । চিকিৎসকক ২ । নাৰ্চক ৩ । আৰক্ষীক ৪ । শিক্ষকক

(খ) পশু-পক্ষীৰ চিকিৎসাৰ বাবে থকা অনুষ্ঠানটো হ'ল—

১ । চৰকাৰী চিকিৎসালয় ২ । পশু চিকিৎসালয় ৩ । সমবায় ৪ । বে-চৰকাৰী চিকিৎসালয়

৬ । আকস্মিক বক্তৃতাৰ আয়োজন কৰা— (শিক্ষকৰ সহায় ল'বা)

বিদ্যালয়, মধ্যাহ্ন ভোজন, বেংক, চিকিৎসালয়, আৰক্ষী, দুগ্ধ উৎপাদন।

R5Z8K7

# পাঠ-১২
# আমাৰ দেশ

আমাৰ দেশখনৰ নাম ভাৰত। ই এখন অতি প্ৰাচীন দেশ। প্ৰাচীনকালত 'ভৰত' নামৰ এজন বৰ প্ৰতাপী ৰজাই ইয়াত ৰাজত্ব কৰিছিল। ভৰত ৰজাৰ নাম অনুসৰি আমাৰ দেশখনৰ নাম ভাৰতবৰ্ষ হয় বুলি বহুতে কয়। আনহাতে ভাৰতবৰ্ষৰ মাজেদি বৈ যোৱা সিন্ধু নৈ, যাক 'লেটিন' ভাষাত 'ইন্দাজ' বুলি কোৱা হয়, সেই 'ইন্দাজ' শব্দৰপৰাই ইংৰাজীত ইণ্ডিয়া হয় বুলি কোনো কোনোৱে কয়।



হিমালয় পৰ্বতে ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূবৰ সীমান্ত অঞ্চল আগুৰি আছে। ভাৰতবৰ্ষৰ সীমাত কেইবাখনো বিদেশী ৰাষ্ট্ৰ আছে। উত্তৰ দিশত থকা ৰাষ্ট্ৰকেইখন হ'ল- নেপাল, ভূটান আৰু চীন দেশ। পূব দিশত ম্যানমাৰ, পশ্চিম আৰু উত্তৰ-পশ্চিম দিশত পাকিস্তান আৰু আফগানিস্তান আছে। দক্ষিণৰ শেষস্থানৰ কাষতেই শ্ৰীলংকা অৱস্থিত। ভাৰত ভূ-খণ্ডৰ পূব, পশ্চিম আৰু দক্ষিণ দিশক সাগৰ-মহাসাগৰে আগুৰি আছে। পূবে বংগোপসাগৰ, পশ্চিমে আৰব সাগৰ আৰু দক্ষিণে আছে ভাৰত মহাসাগৰ।

**সিপিঠিৰ মানচিত্ৰ চাই লিখা —**

- ভাৰতৰ কোন কোন দিশত কি কি সাগৰ আৰু মহাসাগৰ আছে?
- ভাৰতৰ কোনকেইখন ৰাজ্যৰ সীমা বাংলাদেশৰ সীমাৰ সৈতে লগ লাগি আছে?
- ম্যানমাৰ ৰাষ্ট্ৰ ভাৰতৰ কোন দিশত অৱস্থিত ?
- ভাৰতৰ উত্তৰ দিশত থকা বিদেশী ৰাষ্ট্ৰকেইখনৰ নাম কি কি ?

আমাৰ ভাৰতবৰ্ষখন বিভিন্ন ভূ-প্ৰকৃতি, যেনে—পৰ্বত-পাহাৰ, নৈ, বনভূমি, মালভূমি, মৰুভূমি, উপকূল আদিৰে ভৰা। এই প্ৰাকৃতিক অৱয়বসমূহে সৃষ্টি কৰা মনোৰম পৰিৱেশে ভাৰতৰ সভ্যতা, সংস্কৃতি তথা ভাৰতীয় মানুহৰ জীৱনধাৰণ প্ৰণালীত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

**জানি লওঁ আহা—**

**ভূ-প্ৰাকৃতিকভাৱে ভাৰতক চাৰিটা ভাগত ভগাব পাৰি—**

১। **উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল**— হিমালয় পৰ্বতমালাই ভাৰতৰ উত্তৰ আৰু পূব দিশক আগুৰি আছে। কাশ্মীৰৰ নংগ পৰ্বতৰপৰা অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তলৈকে হিমালয় আৰু ইয়াৰ ঠাল-ঠেঙুলিৰে উত্তৰৰ **পাৰ্বত্য অঞ্চল**টো গঠিত।

২। **উত্তৰ ভাৰতৰ সমভূমি অঞ্চল**— এই অঞ্চল ভাৰতৰ পশ্চিম সীমাৰপৰা পূবে অসমলৈকে বিস্তৃত হৈ আছে। এই অঞ্চল প্ৰায় সমতল। সিন্ধু নৈ আৰু ইয়াৰ উপনৈসমূহৰ উপত্যকা অঞ্চল, ব্ৰহ্মপুত্ৰ, গংগা, যমুনা নৈৰ উপত্যকা অঞ্চল আৰু ৰাজস্থানৰ মৰুভূমি অঞ্চল মিলি এই **সমভূমি অঞ্চল** গঠিত।

৩। **দক্ষিণৰ মালভূমি অঞ্চল**— সমভূমি অঞ্চলৰ দক্ষিণফালে থকা বৃহৎ মালভূমি অঞ্চলটোৱেই হ'ল **দক্ষিণৰ মালভূমি** বা **দাক্ষিণাত্য মালভূমি অঞ্চল**।

৪। **উপকূলীয় অঞ্চল**— দক্ষিণ ভাৰতৰ সাগৰৰ পাৰে পাৰে থকা সমতল অঞ্চলেই হৈছে **ভাৰতৰ উপকূল অঞ্চল**।

**ভাৰতৰ প্ৰধান নদ-নদী আৰু পৰ্বত-পাহাৰসমূহৰ নাম জানি লওঁ আহা-**




**মানচিত্ৰখন চাই লিখা—**

➢ দুটা পৰ্বতৰ নাম

➢ দুখন নৈৰ নাম

ভাৰতবৰ্ষ এখন বিশাল দেশ। ২৮ খন ৰাজ্য আৰু ৮ খন কেন্দ্ৰীয় শাসিত অঞ্চলেৰে আমাৰ দেশখন গঠিত। নতুন দিল্লী ভাৰতবৰ্ষৰ ৰাজধানী।

জানি লওঁ আহা—

| ৰাজ্যৰ নাম | ৰাজধানীৰ নাম | ৰাজ্যৰ নাম | ৰাজধানীৰ নাম |
|---|---|---|---|
| অসম | দিছপুৰ | ত্ৰিপুৰা | আগৰতলা |
| অৰুণাচল প্ৰদেশ | ইটানগৰ | কেৰালা | থিৰুৱনন্তপুৰম |
| মেঘালয় | শ্বিলং | কৰ্ণাটক | বাংগালুৰু |
| মণিপুৰ | ইম্ফল | গোৱা | পানাজী |
| মিজোৰাম | আইজল | গুজৰাট | গান্ধীনগৰ |
| নাগালেণ্ড | ক'হিমা | মহাৰাষ্ট্ৰ | মুম্বাই |
| ছিকিম | গেংটক | মধ্যপ্ৰদেশ | ভূপাল |
| পশ্চিমবংগ | কলকাতা | উত্তৰ প্ৰদেশ | লক্ষ্ণৌ |
| বিহাৰ | পাটনা | উত্তৰাখণ্ড | ডেৰাডুন |
| ঝাড়খণ্ড | ৰাঁচী | পঞ্জাব | চণ্ডীগড় |
| উৰিষ্যা | ভূৱনেশ্বৰ | হিমাচল প্ৰদেশ | চিমলা |
| ছত্তিশগড় | ৰায়পুৰ | হাৰিয়ানা | চণ্ডীগড় |
| অন্ধ্ৰপ্ৰদেশ | অমৰাৱতী | তেলেংগানা | হায়দৰাবাদ |
| ৰাজস্থান | জয়পুৰ | তামিলনাডু | চেন্নাই |

| কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নাম | ৰাজধানীৰ নাম |
|---|---|
| আন্দামান নিকোবৰ দ্বীপপুঞ্জ | প'ৰ্টব্লেয়াৰ |
| দাদ্ৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ | দমন |
| দিল্লী | নতুন দিল্লী |
| জন্মু আৰু কাশ্মীৰ | শ্ৰীনগৰ (গ্ৰীষ্ম), জন্মু (শীত) |
| লাক্ষাদ্বীপ | কভাৰ্টি |
| পুডুচেৰী | পণ্ডীচেৰী |
| চণ্ডীগড় | চণ্ডীগড় |
| লাডাখ | লেহ |

**আমাৰ দেশৰ যাতায়াত ব্যৱস্থা ঃ**

ভাৰতৰ বিভিন্ন ৰাজ্যৰ মাজত যাতায়াতৰ বাবে বহুতো ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ আৰু আকাশী পথৰ ব্যৱস্থা আছে। এই পথবোৰেদি বিভিন্ন ধৰণৰ যান-বাহনৰ সহায়ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ মাজত আৰু লগতে আন আন দেশলৈও যাতায়াতৰ সম্ভৱ হৈছে। এয়াই হৈছে আমাৰ **দেশৰ পৰিবহণ ব্যৱস্থা।**



**ৰে'ল পৰিবহণ —**

ৰে'ল পৰিবহণ হৈছে ভাৰতবৰ্ষৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিবহণ ব্যৱস্থা। ভাৰতবৰ্ষত **ব্ৰডগজ** আৰু **মিটাৰ গজ** এই দুই প্ৰকাৰৰ ৰে'লপথৰ ব্যৱস্থা আছে যদিও পাহাৰীয়া অঞ্চলত **ঠেক গজ** ৰে'লপথো আছে। উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয় আৰু ছিকিমত এতিয়াও ৰে'লপথৰ ব্যৱস্থা হোৱা নাই। অসমত ১৮৮২-১৮৮৪ চনৰ ভিতৰত ডিব্ৰু-মাৰ্ঘেৰিটা ৰে'লপথ নিৰ্মাণ কৰা হৈছিল। এইটো আছিল অসমৰ প্ৰথম ৰে'লপথ। ক্ৰমান্বয়ে ৰে'লপথৰ সম্প্ৰসাৰণ কৰি বৰ্তমান অসমৰ ইমূৰৰপৰা সিমূৰলৈ প্ৰত্যেকখন জিলাৰ মাজেৰে ৰে'লপথৰ ব্যৱস্থা কৰা হৈছে। অসমৰপৰা ভাৰতৰ আন আন ৰাজ্যলৈ যাবলৈও ৰে'ল পৰিবহণৰ সু-ব্যৱস্থা আছে।

ৰে'লপথসমূহেৰে দৈনিক বয়-বস্তু এঠাইৰপৰা আনঠাইলৈ কঢ়িওৱা সহজ হৈ পৰিছে। মানুহে কম সময়ৰ ভিতৰতে আৰু কম খৰচতে বহু দূৰ-দূৰণিলৈ অহা-যোৱা কৰাত সুবিধা হৈছে। আৰম্ভণিতে ৰে'লবিলাক ভাপ-ইঞ্জিনেৰে চলোৱা হৈছিল। বৰ্তমান ডিজেল আৰু ইলেক্‌ট্ৰিক ইঞ্জিনৰ সহায়ত চলোৱাৰ ফলত অতি বেগেৰে ৰে'ল চলাচল সম্ভৱ হৈছে।



**পথ পৰিবহণ —**

ভাৰতবৰ্ষৰ পথ পৰিবহণ ব্যৱস্থাই সামৰি লোৱা পথবোৰ হ'ল—ৰাষ্ট্ৰীয় ঘাইপথ, সীমান্ত অঞ্চলৰ পথ, ৰাজ্যিক আৰু আন্তঃৰাজ্যিক পথ, গাঁও অঞ্চলৰ পথ আৰু পৌৰ নিগমৰ পথ। পথ পৰিবহণ ব্যৱস্থাই দৈনিক মানুহ আৰু মাল-বস্তু কঢ়িয়াই আমাৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিছে।

**উত্তৰ ভাৰতৰ মানালি-লেহ ৰাষ্ট্ৰীয় ঘাইপথ, পৃথিৱীৰ ভিতৰতে সৰ্বোচ্চ পথ পৰিবহণ ব্যৱস্থা।**

এতিয়ালৈ অসমত প্ৰায় ৪২,৬৪১ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে। প্ৰধান পথবোৰ হ'ল-- ৰাষ্ট্ৰীয় ঘাই পথ, গড়কাপ্তানি পথ, জিলা আৰু পঞ্চায়ত পথ। ৰাষ্ট্ৰীয় ঘাইপথসমূহে অসমক দেশৰ আন আন ৰাজ্যৰ লগতো সংযোগ কৰিছে।

➢ **তোমালোকৰ জিলাখনৰ মাজেৰে বা কাষেৰে পাৰ হৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ নাম লিখা।**

**জল পৰিবহণ** — ভাৰতবৰ্ষৰ জলপথক দুটা ভাগত ভগাব পাৰি- আন্তঃ দেশীয় আৰু উপকূলীয় বা সাগৰীয় **জল পৰিবহণ**।

**ভাৰতবৰ্ষৰ তিনিটা ৰাষ্ট্ৰীয় জলপথ হ'ল**— (১) গংগা-ভাগীৰথী-হুগলী নদীৰ জল পৰিবহণ ব্যৱস্থা (২) ব্ৰহ্মপুত্ৰৰ শদিয়া-ধুবুৰী জল পৰিবহণ ব্যৱস্থা (৩) পশ্চিম উপকূলীয় খাল জল পৰিবহণ ব্যৱস্থা ভাৰতত ১২ টা প্ৰধান জাহাজ বন্দৰ আছে। ইয়াৰ ভিতৰত প্ৰধান চাৰিটা বন্দৰ হ'ল— মুম্বাই, চেন্নাই, বিশাখাপট্টনম্ আৰু কলকাতা।

বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ তীৰত থকা জাহাজঘাটসমূহ হ'ল— ডিব্ৰুগড়, দিচাংমুখ, নিমাতীঘাট, বিশ্বনাথ চাৰিআলি, গুৱাহাটী, গোৱালপাৰা আৰু ধুবুৰী।

**আকাশী পথ পৰিবহণ** — ভাৰতবৰ্ষত বিমানসেৱা চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এয়াৰ ইণ্ডিয়া বিমানসেৱা চৰকাৰী খণ্ডৰ অন্তৰ্গত। ইণ্ডিগ', স্পাইচ জেট, আদি বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এই বিমান সেৱাই দেশৰ বিভিন্ন স্থানৰ মাজত সংযোগ স্থাপন কৰিছে। ১৯৮১ চনৰ জানুৱাৰী মাহৰ পৰা গুৱাহাটী আৰু দিল্লীৰ মাজত বিমান চলাচল আৰম্ভ হয়। কিছুমান বিমান সেৱাৰ জৰিয়তে বিদেশলৈও যাত্ৰা কৰিব পাৰি।



**কেৰালাৰ ক'চিনত ভাৰতৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ আন্তৰ্জাতিক বিমান বন্দৰ গঢ়ি উঠে।**

**ৰছী-পৰিবহণ**—



*ৰছী পৰিবহণ ব্যৱস্থা*

ভাৰতত **ৰজ্জু পথ** বা **ৰছী পৰিবহণৰ** ব্যৱস্থাও আছে। ৰছী পৰিবহণ ব্যৱস্থা কম খৰচী। পাহাৰীয়া দুৰ্গম অঞ্চলত খনিৰপৰা চূণশিল, কয়লা আদি খনিজ পদাৰ্থ কঢ়িয়াবলৈ এই ব্যৱস্থাৰ সহায় লোৱা হয়। অসমৰ কাৰ্বি আংলঙৰ ডিলাই পাহাৰ আৰু বোকাজানৰ বিলাতী মাটি উদ্যোগৰ মাজত চূণশিল কঢ়িয়াবলৈ প্ৰায় ৩৫ কিঃমিঃ দূৰত্বৰ একমাত্ৰ ৰছী পৰিবহণ ব্যৱস্থা আছে। গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত থকা ৰজ্জু পথ পৰ্যটকৰ বাবে যথেষ্ট আকৰ্ষণীয়।

**দলত আলোচনা কৰি লিখা–**

➢ আমাৰ দেশৰ বিভিন্ন পৰিবহণ ব্যৱস্থাসমূহ কি কি ? সেইবোৰৰ পৰা আমাৰ কি কি সুবিধা হৈছে?

এই পৰিবহণ ব্যৱস্থাসমূহৰ যোগেদি পৃথিৱীৰ যিকোনো ঠাইলৈ সহজে আৰু সোনকালে অহা-যোৱা কৰাৰ সুবিধা হৈছে। পৰিবহণ ব্যৱস্থাসমূহৰ ভিতৰত উৰা-জাহাজেৰে অতি কম সময়তে এখন দেশৰপৰা আন এখন দেশলৈ যাত্ৰা কৰিব পাৰি। এই যাত্ৰা আৰামদায়ক কিন্তু ব্যয়বহুল। ভাৰতবৰ্ষত সৰ্বসাধাৰণ লোকে যাতায়াতৰ বাবে পথ পৰিবহণ আৰু ৰে'ল পৰিবহণেই বেছিকৈ ব্যৱহাৰ কৰা দেখা যায়। উন্নত পৰিবহণ ব্যৱস্থাই দেশ এখনৰ অৰ্থনৈতিক উন্নতিত যথেষ্ট বৰঙণি যোগায়।

**বৈচিত্র্যৰ মাজত ঐক্য ঃ**

আমাৰ ভাৰতবৰ্ষত ধৰ্ম, সংস্কৃতি, সাজ-পাৰ আদি নানা দিশত ভিন্নতা আছে। ইয়াত হিন্দু, ইছলাম, শিখ, খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰে। অঞ্চলভেদে উৎপাদিত বস্তু ভিন ভিন হোৱা হেতুকে আমাৰ মাজত খাদ্যৰ অভ্যাসৰ ক্ষেত্ৰতো ভিন্নতা আছে। উদাহৰণস্বৰূপে পঞ্জাব, হাৰিয়ানা, উত্তৰ প্ৰদেশ আদিত প্ৰচুৰ পৰিমাণে গম উৎপাদন হয়। সেই কাৰণে তাৰ মানুহৰ মূল খাদ্য ৰুটি। আনহাতে উৰিষ্যা, অসম, পশ্চিমবংগ আদিত ধান প্ৰচুৰ পৰিমাণে উৎপাদন হোৱাৰ বাবে এইবোৰ অঞ্চলৰ মানুহৰ প্ৰধান খাদ্য হৈছে ভাত। আমাৰ দেশত বিভিন্ন ভাষা-ভাষী লোক আছে। ইয়াত ২৫০ টাতকৈও অধিক ভাষা-উপভাষা আছে। ইয়াৰে ২২টা ভাষা সংবিধানৰ দ্বাৰা স্বীকৃত। বিভিন্ন ভাষা-ভাষী, ধৰ্ম আৰু সামাজিক ৰীতি-নীতি পালন কৰা লোকসকলৰ মাজত কিছু সামাজিক ভিন্নতা থাকিলেও সকলোৱে মিলা-প্ৰীতি আৰু সহযোগিতাৰে বসবাস কৰি থাকে। ভিন্নতা থাকিলেও সকলো ভাষা, সংস্কৃতি আৰু ধৰ্মক আমি সমানে সন্মান আৰু শ্ৰদ্ধা কৰোঁ। সেই কাৰণে সকলোৰে বাবে ভাৰত এখন মিলনভূমি। এই মিলন হৈছে জাতি, ভাষা আৰু সংস্কৃতিৰ মিলন। সেয়ে ভাৰতৰ সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য হ'ল 'অনৈক্যৰ মাজত ঐক্য'।





➢ ওপৰৰ ছবিত দেখুওৱা বিভিন্ন সাজ-পাৰ পৰিধান কৰা ব্যক্তিসকল কোন কোন ৰাজ্যৰ কোৱা।

ভাৰতবৰ্ষৰ দৰে বিকাশশীল দেশত ৰাষ্ট্ৰীয় সংহতিৰ গুৰুত্ব অসীম। জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে একাত্ম হৈ দেশ আৰু দেশৰ জনগণৰ প্ৰতি যি সন্মান আৰু সদ্ভাৱ দেখুওৱা হয়, সেয়েই হৈছে **ৰাষ্ট্ৰীয় সংহতি**। শান্তি-সম্প্ৰীতি আৰু একতা থাকিলেহে দেশৰ প্ৰগতি সম্ভৱ। এই ঐক্য, শান্তি-সম্প্ৰীতি তেতিয়াহে অটুট থাকিব, যেতিয়া আমাৰ সমাজত বাস কৰা বিভিন্ন ধৰ্ম, ভাষা, জাতি-উপজাতিৰ লোকৰ মাজত একতা, মিলা-প্ৰীতি আৰু সহযোগিতা থাকিব।

**সংহতি হৈছে— ৰাষ্ট্ৰখনৰ ঐক্য, শান্তি আৰু প্ৰগতিৰ মূল চাবি-কাঠি।**

**ছবিত দিয়া ব্যক্তিসকলে ৰাষ্ট্ৰীয় সংহতিৰ হকে কি কি কাম কৰি থৈ গৈছে চমুকৈ জানি লওঁ আহা—**


*মহাত্মা গান্ধী*


*মৌলানা আবুল কালাম আজাদ*


*সৰোজিনী নাইডু*


*গোপীনাথ বৰদলৈ*

- জাতিৰ পিতা মহাত্মা গান্ধীৰ অহিংসা নীতিয়ে স্বাধীনতা আন্দোলন সফল কৰিছিল।
- স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে জাতি-ধৰ্মৰ মাজত বিভেদ নাৰাখি সকলোকে একে ভাৰতীয় নাগৰিক হ'বলৈ আহ্বান জনাইছিল।
- ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম ভাৰতীয় মহিলা সভানেত্ৰী সৰোজিনী নাইডুৱে কবিতাৰ জৰিয়তে মানুহৰ মাজত দেশ-প্ৰেমৰ ভাব জগাই তুলিছিল।
- ভাৰত স্বাধীন হোৱাৰ পাছত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। ভাৰতৰ অখণ্ডতা আৰু স্বাধীনতাৰ প্ৰতি দেখুওৱা তেওঁৰ মহান ত্যাগ আমাৰ সকলোৰে বাবে অনুকৰণীয়।

➤ এইসকলৰ উপৰি আমাৰ দেশত ৰাষ্ট্ৰীয় সংহতিলৈ অৰিহণা যোগোৱা আন বহুতো নেতা আৰু নেত্ৰী আছে। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ তেওঁলোকৰ নাম লিখা।

**ৰাষ্ট্ৰীয় সংহতি অটুট ৰাখিবলৈ আমি নিজাববীয়াকৈ কিছুমান প্ৰচেষ্টা হাতত ল'ব লাগিব। সেইবোৰৰ কিছু কথা জানি লওঁ আহা—**

- মাতৃ-ভাষাৰ উপৰি আমি আমাৰ চুবুৰীয়া জনজাতিসকলৰ ভাষা শিকিব লাগিব। যিমানেই ভাষা ক'ব পাৰিম সিমানেই আমাৰ মাজৰ ভিন্নতা দূৰ হ'ব। ভাষাৰ জৰিয়তে ভাবৰ বিনিময় কৰিব পাৰি।
- স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, গান্ধী জয়ন্তী আদি উৎসৱত সকলো ভাৰতীয়ই ধৰ্ম, ভাষা, জাতি আদি ভেদা-ভেদ পাহৰি এক হৈ অংশগ্ৰহণ কৰিব লাগে।
- সাংস্কৃতিক বিনিময়ৰ জৰিয়তে বিভিন্ন জাতি-উপজাতিৰ গীত-মাত, নৃত্য, খেল-ধেমালি, বাদ্যযন্ত্ৰ, সাহিত্য, কলা-সংস্কৃতিৰ বিষয়ে জানিব পাৰি। এইবোৰে আমাৰ মাজত থকা পাৰ্থক্যবোৰ পাহৰাই সকলোকে একতা আৰু সহযোগিতাৰ ডোলেৰে বান্ধি ৰাখে।

**জানি লওঁ আহা—**

- আমাৰ দেশত চৰকাৰে সংবিধানৰ দ্বাৰা স্বীকৃত ভাষা হিচাপে ২২টা ভাষা গ্ৰহণ কৰিছে।
- ভাৰতবৰ্ষত বিভিন্ন ধৰ্মৰ লোক আছে। এই ধৰ্মসমূহৰ ভিতৰত হিন্দু, ইছলাম, খ্ৰীষ্টান, শিখ, জৈন আৰু বৌদ্ধ ধৰ্মই প্ৰধান।
- ভাৰত এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ।
- এখন সংবিধানৰ জৰিয়তে আমাৰ দেশৰ শাসন কাৰ্য চলে।
- আমাৰ ৰাষ্ট্ৰীয় পতাকা এখন আৰু ৰাষ্ট্ৰীয় সংগীতো একেটাই।
- ভাৰতবৰ্ষৰ ৰাজধানী নতুন দিল্লী।
- আমি দেশখনৰ বেলেগ বেলেগ ঠাইত বাস কৰোঁ, ভিন ভিন ভাষা কওঁ আৰু ভিন ভিন ধৰ্ম মানি চলোঁ। তথাপি আমি একেখন দেশৰেই নাগৰিক, অৰ্থাৎ আমি সকলো ভাৰতীয়।

**শিক্ষক আৰু অভিভাৱকৰ সহায়ত লিখা —**

- আমাৰ দেশৰ ৰাজধানীৰ নাম কি?
- আমাৰ দেশত বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি?
- আমাৰ দেশত চৰকাৰে সংবিধানৰ দ্বাৰা স্বীকৃত ভাষা হিচাপে গ্ৰহণ কৰা ভাষা কেইটা কি কি?
- আমাৰ ৰাষ্ট্ৰীয় দিৱসসমূহ কি কি?

**দলগতভাৱে ৰাষ্ট্ৰীয় সংগীতটি গাওঁ আহা —**

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) ভাৰতবৰ্ষৰ চাৰিসীমাত থকা ৰাষ্ট্ৰকেইখনৰ নাম।

(খ) ভাৰতবৰ্ষৰ পৰিবহণ ব্যৱস্থাকেইটাৰ নাম।

(গ) ভাৰতৰ চাৰিখন প্ৰধান নৈৰ নাম।

(ঘ) ভাৰতৰ দুটা পৰ্বতৰ নাম।

(ঙ) ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাৰ নাম।

(চ) আমাৰ দেশৰ বৰ্তমান প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।

| 'ক' | 'খ' |
|---|---|
| ছিকিম | ৰাঁচী |
| তামিলনাডু | মুম্বাই |
| হাৰিয়ানা | চেন্নাই |
| ঝাড়খণ্ড | গেংটক |
| মহাৰাষ্ট্ৰ | চণ্ডীগড় |

৩। খালী ঠাই পূৰ কৰা—

(ক) ভাৰতত ——— খন ৰাজ্য আছে।

(খ) গুৱাহাটী আৰু দিল্লীৰ মাজত ——— চনৰপৰা বিমান চলাচল আৰম্ভ হয়।

(গ) ভাৰতত মুঠ ——— টা প্ৰধান জাহাজ বন্দৰ আছে।

(ঘ) ———ভাৰতৰ ৰাজধানী।

৪। ভাৰত নামটোৰ উৎপত্তিৰ বিষয়ে লিখা।

৫। ৰাষ্ট্ৰীয় সংহতি বুলিলে কি বুজা?

৬। আমাৰ ৰাষ্ট্ৰীয় পতাকাখনৰ ছবি আঁকা।

# পাঠ-১৩
# ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম


N6U1E8



আমাৰ ভাৰত এখন স্বাধীন দেশ। ভাৰতৰ প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশ অতি মনোমোহা। আমি সকলোৱে আমাৰ দেশখনক লৈ গৌৰৱবোধ কৰোঁ। পিছে আমাৰ দেশখন ১৯৪৭ চনৰ ১৪ আগষ্টলৈকে স্বাধীন নাছিল। বৃটিছ শাসনৰ অধীনত আছিল।

প্ৰাচীন কালত ভাৰত এখন অতি চহকী দেশ আছিল। বিভিন্ন দেশৰ সৈতে ইয়াৰ বাণিজ্যিক সম্পৰ্ক আছিল। সেইসময়ত ভাৰত কপাহী কাপোৰ, ৰেচম, সোণ, ৰূপ, মছলা আদিৰ বাবে বিখ্যাত আছিল। সেইবাবে বিদেশৰ বহুতো লোক বেপাৰ-বাণিজ্যৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল। তাৰ ভিতৰত ইংৰাজসকলে ভাৰতত একচেটিয়া বেপাৰ কৰিবলৈ সক্ষম হৈছিল। বেপাৰ-বাণিজ্যত উন্নতি কৰাৰ লগে লগে তেওঁলোকে দেশখনক নিজৰ দখললৈ আনি শাসন কৰিবলৈ লয়। কিন্তু বৃটিছসকল শাসনত অধিষ্ঠিত হোৱাৰে পৰাই ভাৰতীয় লোকসকলে তেওঁলোকৰ কাৰ্যকলাপক সহজভাৱে মানি ল'ব পৰা নাছিল। কাৰণ ভাৰতীয় লোকসকল বহুসময়ত বৃটিছৰ অন্যায়-অত্যাচাৰৰ বলি হ'বলগীয়া হৈছিল। নিজৰ দেশতেই নিজৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰিছিল। ফলত ভাৰতীয় লোকসকলে অসন্তুষ্ট হৈ বৃটিছ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলগীয়া হৈছিল। এনেকৈ আমাৰ দেশৰ স্বাধীনতাৰ হকে বৃটিছৰ শাসনৰ বিৰুদ্ধে কৰা যুঁজ বা বিদ্ৰোহসমূহেই আছিল আমাৰ **স্বাধীনতা আন্দোলনৰ** আৰম্ভণি। এই আন্দোলন এটা সময়ত গোটেই দেশজুৰি বিয়পি পৰিছিল।

ইংৰাজসকলৰ হাতৰপৰা ভাৰতবৰ্ষক স্বাধীন কৰিবলৈ আমাৰ দেশৰ বহুতো লোকে আন্দোলনত নামি পৰিছিল। তেখেতসকলৰ ভিতৰত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, সুভাষচন্দ্ৰ বসু, সৰোজিনী নাইডু, আবুল কালাম আজাদ আদিয়ে প্ৰধান।



*মহাত্মা গান্ধী*



*জৱাহৰলাল নেহৰু*



*সুভাষচন্দ্ৰ বসু*



*সৰোজিনী নাইডু*



*মৌলানা আবুল কালাম আজাদ*

ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ মানুহেও বহুতো অৰিহণা যোগাইছিল। আমাৰ অসমখন ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত ইংৰাজৰ অধীনলৈ যায়। তেতিয়াৰপৰাই অসমৰ জনসাধাৰণেও স্বাধীন হ'বলৈ বিচাৰিছিল। দেশৰ স্বাধীনতা সংগ্ৰামত আগভাগ লোৱা অসমৰ কেইজনমান লোকৰ নাম জানি লওঁ আহা—

- গোমধৰ কোঁৱৰ
- পিয়লি ফুকন
- জীউৰাম দুলিয়া বৰুৱা
- মণিৰাম দেৱান
- পিয়লি বৰুৱা
- ফৰ্মুদ আলী
- দুতিৰাম বৰুৱা
- বাহাদুৰ গাঁওবুঢ়া আদি।

বৃটিছ শাসনৰ বিৰুদ্ধে আন্দোলন কৰাৰ কাৰণে পিয়লি ফুকন আৰু জীউৰাম দুলিয়া বৰুৱাক ১৮৩০ চনত ফাঁচি দিয়া হৈছিল। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ১৮৫৮ চনত ফাঁচি দিয়া হৈছিল। এখেতসকল আমাৰ জাতীয় ছহিদ।



*পথৰুঘাটৰ ছহিদ বেদী*

ইংৰাজৰ বিৰুদ্ধে ১৮৬০ চনৰপৰা ১৯০০ চনলৈকে অসমত বহুতো সৰু সৰু আন্দোলন হৈছিল। এই আন্দোলনসমূহৰ গুৰি ধৰিছিল কৃষক আৰু সাধাৰণ ৰাইজে। ইয়াৰ ভিতৰত ফুলগুৰিৰ ধেৱা, পথৰুঘাটৰ ৰণ আৰু ৰঙিয়াৰ ৰাইজমেলেই উল্লেখযোগ্য। এই আন্দোলনসমূহ ঘাইকৈ মাটিৰ খাজনা বৃদ্ধিক কেন্দ্ৰ কৰি আৰম্ভ হৈছিল। নগাঁও জিলাৰ ফুলগুৰিত ১৮৬১ চনত কৃষকসকলে বিদ্ৰোহ কৰিছিল। এয়ে বিখ্যাত **ফুলগুৰিৰ ধেৱা**। সেইদৰে ১৮৯৩ চনত ৰঙিয়াত আৰু ১৮৯৪ চনত দৰং জিলাৰ পথৰুঘাটত কৃষক বিদ্ৰোহৰ সূত্ৰপাত হৈছিল।



*ফুলগুৰিৰ স্মৃতিসৌধ*

- ১৮২৬ চনত বৃটিছ শাসনৰ বিৰোধিতা কৰা প্ৰথম অসমীয়া ব্যক্তিজন আছিল গোমধৰ কোঁৱৰ। তেওঁক ইংৰাজসকলে বন্দী কৰিছিল।
- ১৮৩০ চনত পিয়লি ফুকনে ইংৰাজক অসমৰপৰা খেদিবলৈ বিদ্ৰোহ কৰিছিল। ৰংপুৰৰ চিপাহীৰ চাউনীত জুই দিয়া অৱস্থাতে পিয়লি ফুকন ধৰা পৰে। বিচাৰত পিয়লি ফুকন আৰু তেওঁৰ সহযোগী জীউৰাম দুলীয়া বৰুৱাৰ ফাঁচি হৈছিল।
- ১৮৫৭ চনত ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতত এটি ডাঙৰ বিদ্ৰোহ হৈছিল। ইয়াকে **চিপাহী বিদ্ৰোহ** বুলি কোৱা হয়। কিছুমানৰ মতে ই ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম। ১৮৫৭ চনত চিপাহী বিদ্ৰোহ গোটেই ভাৰতত বিয়পি পৰিছিল। অসমত এই বিদ্ৰোহৰ গুৰি ধৰিছিল মণিৰাম দেৱানে। কিন্তু ইংৰাজে এই বিদ্ৰোহৰ উমান পাই মণিৰাম দেৱান আৰু তেওঁৰ সহযোগী পিয়লি বৰুৱাক দেশদ্ৰোহী সজাই ফাঁচি দিছিল।

➢ তোমাৰ অঞ্চলৰ স্বাধীনতা সংগ্ৰামীসকলৰ বিষয়ে শিক্ষক-শিক্ষয়িত্ৰীৰপৰা জানি লোৱা।

➢ তোমাৰ বিদ্যালয়ত বছৰটোৰ কি কি দিৱসত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয় লিখা।

**১৯২০ চনৰ পৰা ১৯৪৭ চনলৈ হোৱা আন্দোলনসমূহৰ বিষয়ে জানি লওঁ আহা—**

- ১৯২০-২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত **অসহযোগ আন্দোলন** হৈছিল। সমগ্ৰ অসমবাসীয়ে এই আন্দোলনত ভাগ লৈছিল। অসমত এই আন্দোলনৰ নেতৃত্ব দিয়া কেইগৰাকীমান ব্যক্তি হৈছে—চন্দ্ৰনাথ শৰ্মা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, নলিনীবালা দেৱী, শ্যামাচৰণ দেৱ, হাজী মতছীম আলী চৌধুৰী, গঙ্গাদয়াল দীক্ষিত আদি।
- ১৯৩০-৩২ চনলৈ দেশত **আইন অমান্য আন্দোলন** চলিছিল। এই আন্দোলনত অংশগ্ৰহণ কৰা অসমৰ কেইগৰাকীমান উল্লেখযোগ্য ব্যক্তি হৈছে— হেমচন্দ্ৰ বৰুৱা, অমিয়কুমাৰ দাস, ৰমণীমোহন ৰায়, সিদ্ধিনাথ শৰ্মা, চন্দ্ৰপ্ৰভা শইকীয়ানী, পুষ্পলতা দাস আদি।
- ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে গোটেই ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ নেতৃত্বত **ভাৰত ত্যাগ আন্দোলন** আৰম্ভ হৈছিল। অসমত এই আন্দোলনত নেতৃত্ব দিয়া কেইগৰাকীমান লোক নাম হৈছে- গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, মঃ তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমেদ, কমলা মিৰি, ভীমবৰ দেউৰী, অৰুণকুমাৰ দে, সৰলাবালা দেৱ আদি।

১৯৪২ চনৰ ৯ অক্টোবৰত তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ সৰুপথাৰত এক ৰে'ল দুৰ্ঘটনা সংঘটিত হৈছিল। কুশল কোঁৱৰক এই দুৰ্ঘটনাৰ বাবে দোষী সাব্যস্ত কৰি অন্যায়ভাৱে ফাঁচি দিছিল। আনহাতে গহপুৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ যাওঁতে কনকলতা বৰুৱা আৰু মুকুন্দ কাকতি পুলিচৰ গুলীত ছহিদ হৈছিল।


*কুশল কোঁৱৰ*


*কনকলতা বৰুৱা*


*মুকুন্দ কাকতি*

**দলত আলোচনা কৰি লিখা—**

➢ স্বাধীনতা সংগ্ৰামীসকলে কৰা আন্দোলনৰ পৰা আমাৰ কি কি উপকাৰ হ'ল?

ভাৰত ত্যাগ আন্দোলনৰ পাছতেই ইংৰাজ চৰকাৰে ভাৰতখন তেওঁলোকৰ অধীনত ৰখাটো সম্ভৱ নহ'ব বুলি অনুভৱ কৰে। সেইমতে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে আমাৰ দেশৰ শাসনভাৰ দেশবাসীৰ হাতত গতাই দিয়ে। তেতিয়াৰপৰাই আমাৰ দেশখন স্বাধীন হয়। সেইবাবে আমি ১৫ আগষ্টৰ দিনটো **স্বাধীনতা দিৱস** হিচাপে পালন কৰোঁ।

➢ অসমৰ কেইগৰাকীমান স্বাধীনতা সংগ্ৰামীৰ ফটো সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰা।






প্ৰত্যেক স্বাধীন দেশৰ একোখন নিজা সংবিধান থাকে। আমাৰ দেশ ভাৰতৰো এখন সংবিধান আছে। এই সংবিধানখনত আমাৰ দেশৰ নীতি-নিয়ম আৰু আইন-কানুনসমূহ লিপিবদ্ধ হৈ আছে। দেশ এখনৰ সু-পৰিচালনা আৰু নাগৰিকৰ ৰক্ষণাবেক্ষণৰ বাবে থকা এই নীতি-নিয়ম আৰু আইন-কানুনবোৰকেই সামগ্ৰিকভাৱে **সংবিধান** বুলি কোৱা হয়। এই সংবিধানখন অধ্যয়ন কৰিলে আমি কেনেকৈ শাসিত হওঁ তাক জানিব পাৰোঁ।

**ভাৰতৰ সংবিধানখনৰ বিষয়ে কিছু কথা জানি লওঁ আহা-**

স্বাধীন হোৱাৰ আগৰেপৰা আমাৰ দেশ ভাৰতৰ বাবে এখন নিজা সংবিধান ৰচনা কৰাৰ বাবে চিন্তা-চৰ্চা কৰা হয়। ইয়াৰ বাবে ১৯৪৬ চনত এখন সংবিধান সভা গঠন কৰা হয়। এই সংবিধান সভাই ভাৰতৰ বাবে এখন সংবিধান ৰচনাৰ কাম আৰম্ভ কৰে। এই উদ্দেশ্যে ১৯৪৭ চনৰ ২৯ আগষ্টত ড° ভীমৰাও আম্বেদকাৰৰ নেতৃত্বত এখন খচৰা সমিতি গঠন কৰি লোৱা হয়। ১৯৪৯ চনৰ ২৬ নবেম্বৰত এই খচৰা সমিতিখনে প্ৰায় তিনি বছৰ কাল অশেষ পৰিশ্ৰম কৰি সংবিধান ৰচনা কৰি উলিওৱাৰ কাম সম্পূৰ্ণ কৰে। সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে এই খচৰা সংবিধানখনত চহী কৰে আৰু সংবিধান সভাত ভাৰতৰ সংবিধানখন গৃহীত হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা এই সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়। ভাৰতৰ এই সংবিধান অনুসৰি **ভাৰতবৰ্ষ এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য।** তেতিয়াৰপৰাই ভাৰতীয়সকলে প্ৰতি বছৰে ২৬ জানুৱাৰীৰ দিনটো **গণতন্ত্ৰ দিৱস** হিচাপে পালন কৰি আহিছে।



**ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জানি লওঁ আহা—**

ভাৰতৰ সংবিধানখনৰ আৰম্ভণিতে এটা প্ৰস্তাৱনা আছে। এই প্ৰস্তাৱনাত সংবিধানখনৰ উদ্দেশ্য আৰু লক্ষ্যসমূহৰ বিষয়ে উল্লেখ আছে। ভাৰতৰ সংবিধানৰ সম্পূৰ্ণ প্ৰতিচ্ছবি এই প্ৰস্তাৱনাত প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে— কিতাপৰ পাতনি পঢ়ি যেনেকৈ কিতাপখনৰ বিষয়ে সাধাৰণ আভাস এটা পাব পাৰি, সেইদৰে প্ৰস্তাৱনা পঢ়িও সংবিধান এখনৰ উদ্দেশ্য আৰু আদৰ্শৰ আভাস পাব পাৰি।

**প্ৰস্তাৱনাত কোনবোৰ দিশত বেছিকৈ গুৰুত্ব দিয়া হৈছে সেই বিষয়ে চমুকৈ আলোচনা কৰোঁ আহা-**

- ভাৰতবৰ্ষ এখন সাৰ্বভৌম, গণতান্ত্ৰিক গণৰাজ্য।
- আইনৰ চকুত সকলো নাগৰিক সমান। জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা আদিক লৈ কোনো বৈষম্য নাথাকিব।
- প্ৰত্যেক নাগৰিকে যিকোনো বিষয়তে মুক্তভাৱে নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব।
- দেশত বাস কৰা সকলো শ্ৰেণীৰ লোকে যাতে জীৱনধাৰণৰ ন্যূনতম সা-সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা হ'ব।
- ভাৰতীয় নাগৰিকসকলক সমান সুযোগ দি তেওঁলোকৰ মাজত ভাতৃত্বভাব জগাই তোলা হ'ব।

**এখন দেশৰ নাগৰিক বুলিলে সাধাৰণতে সেই দেশখনত জন্ম গ্ৰহণ কৰি স্থায়ীভাৱে বসবাস কৰা একোজন ব্যক্তিক বুজোৱা হয়।**

তোমালোকে নাগৰিক সম্পৰ্কে আগলৈ আৰু বেছি ভালদৰে জানিব পাৰিবা।

ভাৰতৰ সংবিধানত নাগৰিকৰ বাবে কিছুমান বিশেষ সুবিধাৰ কথা উল্লেখ আছে। এই সুযোগ-সুবিধাবোৰ হৈছে আমাৰ **অধিকাৰ**। যদি কোনোৱে এইবোৰ পোৱাত বাধা দিয়ে, তেতিয়াহ'লে তেওঁ আইনমতে দণ্ডণীয় হ'ব পাৰে। এই অধিকাৰৰ জৰিয়তে নাগৰিকক কিছুমান বিষয়ত ৰক্ষণাৱেক্ষণ দিয়া হৈছে। এই অধিকাৰসমূহৰ অবিহনে নাগৰিকৰ ব্যক্তিত্বৰ বিকাশ হ'ব নোৱাৰে।

ভাৰতীয় সংবিধানৰদ্বাৰা এনে কিছুমান বিশেষ অধিকাৰ নিৰ্ধাৰণ কৰা হৈছে, যাক **মৌলিক অধিকাৰ** বোলা হয়। এই অধিকাৰসমূহৰ সহায়ত নাগৰিকে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশত সমান সুযোগ-সুবিধা লাভ কৰে। সংবিধানে আমাক এনেধৰণৰ ছয় বিধ মৌলিক অধিকাৰ প্ৰদান কৰিছে। সেইবোৰ হ'ল—

**১। সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ**
**২। স্বাধীনতাৰ অধিকাৰ**
**৩। সমতাৰ অধিকাৰ**
**৪। শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ**
**৫। শোষণৰ বিৰুদ্ধে প্ৰতিৰোধৰ অধিকাৰ আৰু**
**৬। ধৰ্মীয় অধিকাৰ**

দেশৰ কল্যাণ সাধনৰ বাবে জনসাধাৰণে কেৱল মৌলিক অধিকাৰসমূহ ভোগ কৰিলেই নহ'ব। তাৰ বিনিময়ত ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্বও পালন কৰিব লাগিব। তেতিয়াহে তেওঁ প্ৰকৃততে ৰাষ্ট্ৰখনৰ সু-নাগৰিক হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰিব। সেইবাবে প্ৰতিজন নাগৰিকৰে কিছুমান কৰণীয় থাকে। দেশখনৰ প্ৰতি থকা নাগৰিকৰ এই কৰণীয়সমূহক **মৌলিক কৰ্তব্য** বোলে। **ভাৰতীয় নাগৰিকৰ ১১ টা মৌলিক কৰ্তব্য আছে।** (এইবিষয়ে শিক্ষকক সুধি জানি ল'বা।)

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) কেতিয়াৰপৰা ভাৰতে এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লাভ কৰে?

(খ) ভাৰতীয় নাগৰিকৰ কেইটা মৌলিক কৰ্তব্য আছে?

(গ) সংবিধান সভাৰ সভাপতি কোন আছিল?

(ঘ) সংবিধান খচৰা কমিটীৰ নেতা কোন আছিল?

(ঙ) ভাৰতীয় সংবিধানখন কেতিয়া গৃহীত হৈছিল?

২। খালী ঠাই পূৰ কৰা—

(ক) আমি ১৯৫০ চনৰপৰা প্ৰতি বছৰ ২৬ জানুৱাৰী তাৰিখে----------- হিচাপে পালন কৰোঁ।

(খ) ----------- সংবিধানখন অতি দীঘলীয়া সংবিধান।

(গ) ভাৰতবৰ্ষ এখন সাৰ্বভৌম ----------- গণৰাজ্য।

(ঘ) প্ৰত্যেক দেশ বা ৰাষ্ট্ৰৰ একোখন নিজস্ব ----------- আছে।

(ঙ) ----------- চনৰ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰে।

৩। মৌলিক অধিকাৰ বুলিলে কি বুজা আৰু সেইবোৰ কি কি লিখা।

৪। প'ষ্টাৰ সাজা—

(ক) আমি সকলো ভাৰতীয়।

(খ) অসম আমাৰ জন্মভূমি।

৫। চমুটোকা লিখা—

(ক) স্বাধীনতা আন্দোলন (খ) ভাৰতৰ সংবিধান

(গ) মৌলিক অধিকাৰ (ঘ) মৌলিক কৰ্তব্য।

পাঠ-১৪

# আমাৰ সামাজিক সমস্যা

S7K1V1

মানুহ সামাজিক প্ৰাণী। আমি সকলোৱে সমাজ পাতি বাস কৰোঁ। অতি প্ৰাচীন কালৰে পৰা মানুহে সমাজ পাতি বাস কৰি আহিছে। সমাজৰ অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ। সেইবাবে আমি সমাজত কিছুমান নীতি-নিয়ম মানি একেলগে মিলিজুলি থাকোঁ। বিয়া-বাৰু, উৎসৱ, খেলা-ধূলা আদি সকলোবোৰ কাম লগে-ভাগে কৰি ভাল পাওঁ। যেতিয়াই ওচৰ-চুবুৰীয়াৰ কিবা অসুবিধা হয়, আমি ইজনে-সিজনক সহায় কৰোঁ। নিজে বাস কৰা অঞ্চলটো বা সমাজখন নিয়াৰিকৈ চলি থাকিবৰ বাবে প্ৰত্যেক সদস্যই নিজ নিজ দায়িত্ব পালন কৰোঁ।

সমাজৰ ভিতৰত থকা প্ৰত্যেকেই একো একোটা সামাজিক প্ৰাণী। মানুহে সমাজৰ লগত খাপ খুৱাই জীৱন নিৰ্বাহ কৰিবলগীয়া হোৱা অৱস্থাকে সামাজিক জীৱন বোলে। কিন্তু এই সামাজিক জীৱন ঠাই বা অঞ্চল বিশেষে, জাতি-জনগোষ্ঠী বিশেষে বেলেগ বেলেগ হয়। উদাহৰণস্বৰূপে, অসমীয়া মানুহৰ সামাজিক জীৱনৰ লগত অন্য ৰাজ্যৰ লোকসকলৰ সামাজিক জীৱন নিমিলিব পাৰে। ঠিক তেনেদৰে পাহাৰীয়া অঞ্চলত বাস কৰা লোকসকলৰ সামাজিক জীৱনৰ লগত ভৈয়ামৰ লোকসকলৰ সামাজিক জীৱনৰ পাৰ্থক্য আছে।

ব্যক্তিৰ সমষ্টিয়েই সমাজ। অৰ্থাৎ কিছুমান মানুহৰ সমষ্টিকে সমাজ বোলা হয়, য'ত সকলো একেলগে থাকে, ইজনে-সিজনৰ মাজত পাৰস্পৰিক আদান-প্ৰদান কৰে, ভাবৰ বিনিময় কৰে, মিলা-প্ৰীতি, নিয়ম-শৃংখলাৰ মাজেদি পৰিচালিত হয় আৰু এজনে আনজনৰ পৰা সহায় লাভ কৰে। এখন সমাজত সকলো ব্যক্তিৰ সৰ্বাংগীণ উন্নতিৰ হকে সকলোৱে নিজ কৰ্তব্য আৰু দায়িত্ব পালন কৰে।

পৰিয়াল, চুবুৰি, গাঁও আদি সমাজৰ একো একোটা গোট। ইয়াৰে প্ৰাথমিক গোট হৈছে পৰিয়াল। সামাজিকভাৱে জীয়াই থকাৰ প্ৰাথমিক জ্ঞানখিনি মানুহে পৰিয়াল আৰু পৰিৱেশৰ মাজত থাকিয়েই শিকে। এই সামাজিক গোটবোৰৰ মাজত যিমানেই মিলা-প্ৰীতি, সহায়-সহযোগিতা আৰু বুজাবুজি বৃদ্ধি পাব সিমানেই সামাজিক জীৱনৰ ভেটি সুদৃঢ় হ'ব।

ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিয়াৰিকৈ কাম কৰি যাবলৈ কিছুমান নীতি-নিয়ম যুগ যুগ ধৰি সমাজত প্ৰচলিত হৈ আহিছে। সময় আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে নীতি-নিয়মবোৰো কিছু পৰিৱৰ্তন অথবা সাল-সলনি হয়। সমাজত প্ৰচলিত নীতি-নিয়মবোৰক **সামাজিক প্ৰথা বোলে**, যেনে- বিবাহ প্ৰথা, মৃতকক সৎকাৰ কৰা প্ৰথা, উৎসৱ-পাৰ্বণ পালন কৰা প্ৰথা ইত্যাদি।

➢ তুমি বাস কৰা সমাজখনত কি কি ৰীতি-নীতি পালন কৰা হয় ?

➢ তোমাৰ পৰিয়ালত প্ৰচলিত নীতি-নিয়ম কিছুমানৰ কথা উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰা।

সমাজ আৰু সামাজিক জীৱনৰ লগত কোনবিলাক বিষয় জড়িত হৈ থাকে, আমি এখন গাঁৱৰ উদাহৰণৰ যোগেদি সেইবোৰ জানিবলৈ চেষ্টা কৰোঁ আহা—

*গাঁওখনৰ নাম 'সপোনপুৰী'। সপোনপুৰী এখন আদৰ্শ গাঁও। গাঁওখনত বসবাস কৰা সকলো পৰিয়ালৰে মানুহবোৰ বৰ সুখী। বিভিন্ন ধৰ্মাৱলম্বী লোকৰ উপৰি বিভিন্ন ভাষা-ভাষী লোকো সপোনপুৰী গাঁৱত আছে। উচ্চ-নীচ, ধনী-দুখীয়াৰ ভেদাভেদ নাৰাখি গাঁৱৰ সকলো মানুহে মিলি উৎসৱ-পাৰ্বণসমূহ পালন কৰে। প্ৰতিটো পৰিয়ালে সামাজিক ৰীতি-নীতিবোৰ পালন কৰে অতি শৃংখলাবদ্ধভাৱে। গাঁৱৰ লোকসকল সামাজিকভাৱে সচেতন। বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, সংঘ, সমিতি, শিক্ষানুষ্ঠান, পঞ্চায়ত আদিয়ে সপোনপুৰী গাঁৱৰ উন্নতিৰ বাবে কাম কৰে। বাল্য বিবাহ, যৌতুক প্ৰথা, মাদক দ্ৰব্য, অন্ধবিশ্বাসৰ দৰে কু-প্ৰভাৱবিলাকে যাতে গাঁৱৰ একতা আৰু সংহতি বিনষ্ট কৰিব নোৱাৰে তাৰ প্ৰতিও গাঁৱৰ ৰাইজ সজাগ আৰু সতৰ্ক হৈ থাকে।*

*গাঁওখনত এজন গাঁওবুঢ়াও আছে। গাঁৱৰ মানুহৰ মাজত যদি কিবা কাৰণত মত বিৰোধ ঘটে তেনেহ'লে গাঁওবুঢ়াই সেই সমস্যা সমাধানত আগভাগ লয়। বিষয়টো সম্পৰ্কত গাঁৱৰ ৰাইজৰ মাজত আলোচনাত মিলিত হৈ তেওঁ সমস্যাৰ সমাধান কৰে। এনেদৰে সপোনপুৰী গাঁৱৰ সকলোৱে বন্ধুত্ব আৰু ভাতৃত্ববোধৰ মাজেৰে একতা বজাই ৰাখি বসবাস কৰি আহিছে। এনেবোৰ কাৰণতে এইখন গাঁৱক এখন আদৰ্শ গাঁও ৰূপে সকলোৱে বিবেচনা কৰে।*

**দলত আলোচনা কৰি উত্তৰ দিয়া—**

➢ সপোনপুৰী গাঁওখনক কিয় আদৰ্শ গাঁও বুলি কোৱা হয় ?

➢ তুমি বাস কৰা অঞ্চলটোৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা।

— তুমি বাস কৰা অঞ্চলটো আদৰ্শ অঞ্চল/ গাঁও হয়নে ? যদি হয়, তাত কি কি সুবিধা আছে ?

— যদি নহয়, তাত কি কি অসুবিধা আছে ? সেইবোৰ নিৰাময়ৰ কেইটামান উপায় উল্লেখ কৰা।

— সামাজিক প্ৰাণী হিচাপে মানুহে সমাজ পাতি থাকি ভাল পায়। সুস্থ সামাজিক পৰিৱেশে মানুহক শান্তি দিয়ে আৰু আটায়ে তেনে পৰিৱেশত থাকি ভাল পায়। কিন্তু কেতিয়াবা কিছুমান কাৰকে সমাজ জীৱনত প্ৰভাৱ পেলাই সামাজিক বাতাবৰণ বা পৰিৱেশ বিনষ্ট কৰে, যাৰ ফলত সমাজৰ মানুহ সুস্থভাৱে আগবাঢ়ি যোৱাত বাধাৰ সন্মুখীন হয়। তেনে ধৰণৰ পৰিৱেশ বিনষ্ট কৰা কাৰকসমূহ

হ’ল— দৰিদ্ৰতা, নিৰক্ষৰতা, অন্ধবিশ্বাস, শিশু শ্ৰমিক, মাদক দ্ৰব্যৰ ব্যৱহাৰ, ঘৰুৱা হিংসা, যৌতুক প্ৰথা, দুৰ্নীতি, যাতায়াতৰ সু-ব্যৱস্থাৰ অভাৱ, পুৰণিকলীয়া দৃষ্টিভংগী, ইত্যাদি।



**ওপৰৰ ছবিবোৰ মন কৰা আৰু দলত আলোচনা কৰি লিখা—**

| কাৰক | সামাজিক সমস্যা |
|---|---|
| ১। ভগা-ছিগা বাট-পথৰপৰা ৰাইজে কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হ’ব পাৰে? | |
| ২। বানপানীয়ে কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰে? | |
| ৩। দৰিদ্ৰতাৰ ফলত মানুহৰ কি কি অসুবিধা হ’ব পাৰে? | |

কিছুমান সমস্যা ৰাইজে সমূহীয়াভাৱে আলোচনা কৰি তাৰ সমাধানৰ উপায় উলিয়াব পাৰে। সিপিঠিৰ কথোপকথনখিনিৰ পৰা বুজি লওঁ আহা—


## সপোনপুৰী গাঁৱৰ ৰাইজে নামঘৰৰ সন্মুখত গোট খাই আলোচনা কৰিছে।



১
আমাৰ গাঁৱৰ প্ৰধান আলিবাটটো বৰ বেয়া। অলপ বৰষুণ পৰিলেই অহা-যোৱাৰ বাবে অনুপযোগী হৈ পৰে। পঢ়াশালিলৈ যোৱা শিশুহঁতৰো বৰ কষ্ট হয়। গতিকে আমি ৰাইজে এই বাটটো ওখ কৰি ল'ব লাগে।



২
হয়, হয়।



৩
আমাৰ গাঁও পঞ্চায়তখন থাকোঁতে আমি ৰাইজে কিয় আলি-বাট বান্ধিব লাগে? ৰাস্তা-ঘাট, দলং মেৰামতি, খোৱা পানী যোগান আদি কামৰ দায়িত্ব পঞ্চায়তৰ।



৪
বৰ্তমান পঞ্চায়তৰ হাতত বাট-পথৰ কাম কৰিব পৰাকৈ ধন নাই। গতিকে এতিয়া পঞ্চায়তে এই কাম কৰিব নোৱাৰে।



৫
তেনেহ'লে এতিয়া আমাৰ আলি-বাটবোৰ ভাল কৰাৰ আন কোনো উপায় নাই, নহয় জানো?



৬
গাঁৱৰ আলি-বাট আমাৰ। গতিকে ইয়াক আমিয়েই সাজি ল'ম। আমি-মিলিজুলি সংঘৰ সদস্যসকলে এই কামত শ্ৰমদান কৰিম।



৭
'ৰাইজ, তেনেহ'লে আমি ৰূপালীম মহিলা সমিতিৰ মহিলাসকলো আপোনালোকৰ লগত আছোঁ। আমাৰ সমিতিৰ আন সদস্যসকলো আপোনালোকৰ লগত থাকিব।



৮
আমি সকলোৱে এইদৰে একগোট হৈ সমাজৰ বহু কামেই কৰিব পাৰোঁ। সদ্যহতে আমি ৰাইজে লগ হৈ ৰাস্তাটোৰ কামখিনিৰ যিমানখিনি কৰিব পাৰোঁ কৰোঁহক। পঞ্চায়তলৈ ধন অহাৰ লগে লগে আমি পুনৰ ৰাস্তাটো মজবুত আৰু স্থায়ীকৈ বান্ধি পেলাম।

- সপোনপুৰী গাঁৱৰ ৰাস্তাৰ মেৰামতিৰ কামটো কৰিবলৈ কোন আগবাঢ়ি আহিছিল ?
- ৰাস্তাটো ভাল কৰাৰ কাৰণে কি সিদ্ধান্ত লোৱা হ'ল ?
- তোমাৰ অঞ্চলত সমূহীয়াভাৱে কাম কৰাৰ কিবা দৃষ্টান্ত তোমাৰ দৃষ্টিগোচৰ হৈছেনে ?

  যদি হৈছে তেনেহ'লে সেয়া কি কাম চমুকৈ লিখা।

ৰাইজে একগোট হৈ কাম কৰিলে সমস্যাবোৰ লাঘৱ কৰিব পাৰি। সপোনপুৰী তাৰেই উদাহৰণ। কথাতেই কয় নহয়— 'ৰাইজে নখ জোকাৰিলে নৈ বয়'। সপোনপুৰী গাঁৱৰ ৰাইজৰ একতা, সহযোগিতা আৰু সচেতনতাই ধন নোহোৱা সত্বেও এটা গধুৰ কাম কৰিবলৈ প্ৰেৰণা দিলে। আমাৰ গাঁৱবিলাকত যদি এই সচেতনতা, একতা আৰু সহযোগিতা থাকে তেনেহ'লে কৰিব নোৱৰা কাম একোৱেই নাথাকিবগৈ।

**আমাৰ সমাজত দেখা দিয়া কিছুমান জটিল সামাজিক সমস্যাৰ বিষয়ে জানি লওঁ আহা—**

**অন্ধবিশ্বাস—**

অন্ধবিশ্বাস হ'ল সমাজৰ এক শ্ৰেণীৰ মানুহৰ কিছুমান ভুল ধাৰণা। কোনো বিষয় ভালদৰে পৰীক্ষা নকৰাকৈ আৰু চালি-জাৰি নোচোৱাকৈয়ে সঁচা বুলি বিশ্বাস কৰি লোৱাকে অন্ধবিশ্বাস বুলি কোৱা হয়। উদাহৰণস্বৰূপে— যাত্ৰাৰ সময়ত সন্মুখেদি মেকুৰী পাৰ হৈ গ'লে অমংগলৰ চিন বুলি কিছুমানে বিশ্বাস কৰে। কোনো কোনো লোকে 'ভূত' বিশ্বাস কৰে। মানৱ সমাজৰ আটাইতকৈ অযুক্তিকৰ ধাৰণাবোৰৰ ভিতৰত অন্যতম হ'ল **ডাইনী বিশ্বাস**। কোনো পুৰুষ বা মহিলাক সমাজৰ বাবে অমংগলীয়া বুলি ভাবে, তেওঁলোকৰ বাবেই সমাজত বেমাৰ-আজাৰ, দুখ-দুৰ্গতি হোৱা বুলি সমাজৰ কিছু লোকে ধাৰণা কৰি লয়। এয়া অন্ধবিশ্বাস।

সাধাৰণতে অৰ্থনৈতিকভাৱে পিছপৰা অঞ্চলৰ বা অশিক্ষিত লোকৰ মাজত এনে অন্ধবিশ্বাস দেখা যায়। অন্ধবিশ্বাসে যুক্তিসহকাৰে আৰু বৈজ্ঞানিক চিন্তাধাৰাৰে কথাবোৰ ফঁহিয়াই চোৱাত বাধা দিয়ে। তাৰ ফলত মানুহৰ মগজু আৰু বুদ্ধিৰ বিকাশ নহয়। এইদৰেই আমাৰ সমাজৰ প্ৰগতিত বাধাৰ সৃষ্টি হয়।

**কু-সংস্কাৰ —**

আমাৰ সমাজত কিছুমান কু-সংস্কাৰ প্ৰচলিত হৈ আছে, যেনে— সাপে খুঁটিলে বেজ মাতি চিকিৎসা কৰা, কোনো বেমাৰ হ'লে বেজ মাতি মন্ত্ৰৰদ্বাৰা জৰা-ফুঁকা কৰি বেমাৰ ভাল কৰিবলৈ চেষ্টা কৰা আদি। এনে ভুল ধাৰণাৰ বশৱৰ্তী হৈ মানুহে উপযুক্ত চিকিৎসা নাপাই অনাহকতে মৃত্যুৰ মুখত পৰিবলগীয়া হয়।

**লিংগ-বৈষম্য —**

লিংগ-বৈষম্য মানে ল'ৰা-ছোৱালীৰ মাজত ভেদভাৱ ৰখা। কেতিয়াবা ভেদভাৱ ৰাখি ল'ৰা-ছোৱালীক সমান সুবিধা দিয়া নহয়। কিছুমান পৰিয়ালত বা সমাজত ছোৱালী বা কন্যা সন্তানতকৈ ল'ৰা সন্তানক অধিক গুৰুত্ব প্ৰদান কৰা হয়। অতীজত ছোৱালীক পঢ়া-শুনা কৰিবলৈকে দিয়া হোৱা নাছিল।

অৱশ্যে ভাৰতে স্বাধীনতা পোৱাৰ পাছৰেপৰা কন্যা সন্তানে পঢ়াৰ সুবিধা পাইছে। তদুপৰি আজি-কালি সাৰ্বজনীন বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ হিচাপে ঘোষণা কৰাত সকলো ল'ৰা-ছোৱালীয়ে সমান সুবিধাৰে শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। সমাজত কন্যা সন্তানক স-সন্মানে জীয়াই থাকিব পৰাকৈ চৰকাৰে ভালেমান আঁচনি গ্ৰহণ কৰিছে। বৰ্তমান এটা শ্লোগান বিখ্যাত হৈ পৰিছে— 'বেটী বচাও, বেটী পঢ়াও'। পুৰুষৰ দৰে মহিলাই ৰাজনীতি, সমাজ নীতি, শিক্ষা, কৰ্মস্থান সকলোতে সম-অধিকাৰ পাবলৈ সক্ষম হৈছে।

**কন্যা সন্তানক পঢ়াৰ সুবিধা দিবলৈ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে গাঁৱে গাঁৱে চাইকেল চলাই অভিযান চলাইছিল।**

**শিশু-শ্ৰমিক —**

পৰিয়ালৰ আৰ্থিক অনাটনৰ ফলস্বৰূপে অঞ্চলভেদে শিশুসকলে শ্ৰমিক হিচাপে কাম কৰি জীৱিকাৰ উপায় উলিওৱাৰ লগতে নিজৰ পৰিয়ালকো আৰ্থিকভাৱে সহায় কৰে। এই ফুলকুমলীয়া শিশুসকলে ঘাইকৈ ইটা-ভাতা, কয়লা খনি, ৰাস্তা-ঘাটৰ শিল-বালি কঢ়িওৱা কাম, হোটেল, ৰেস্তোৰাঁ আদিত শ্ৰমিক হিচাপে কাম কৰে। ইয়াৰ ফলত তেওঁলোকে শিক্ষা লাভৰপৰা বঞ্চিত হয়। খেলা-ধূলা কৰি ভাল পোৱা শৈশৱৰ দিনবোৰত তেওঁলোকে কঠোৰ শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয়।

➢ শিশু শ্ৰমিক দূৰ কৰাৰ বাবে আমাৰ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ লিখা।

**যৌতুক প্ৰথা —**

বিয়াৰ সময়ত কইনাৰ লগত দিয়া বয়-বস্তুকেই যৌতুক বোলা হয়। পিতৃ-মাতৃ বা অভিভাৱকে ছোৱালী এজনীক নতুন ঘৰ এখনত একো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ চলি যাবৰ বাবে কিছুমান প্ৰয়োজনীয় বয়-বস্তু যৌতুক হিচাপে লগত দি পঠিয়ায়। ই এটা সামাজিক প্ৰথা। অতীতৰপৰা সমাজত যৌতুক প্ৰথা চলি আহিছে যদিও ই কোনো সামাজিক সমস্যাৰ সৃষ্টি কৰা নাছিল। কিন্তু কেতিয়াবা দৰাঘৰে অধিক যৌতুক দাবী কৰা দেখা যায় আৰু সেইমতে দিব নোৱাৰিলে বিবাহৰ পাছত ছোৱালীয়ে অশেষ নিৰ্যাতন ভোগ কৰিবলগীয়া হয়। সমাজৰ সকলো লোকেই এই প্ৰথাৰ বিৰূপ ফলৰ প্ৰতি সজাগ হ'ব লাগিব। ছোৱালীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ আত্মনিৰ্ভৰশীল হ'লে সমাজৰ পৰা এই প্ৰথা নিশ্চয় আঁতৰ হ'ব।

➢ তোমালোকৰ সমাজত বা অঞ্চলটোত যৌতুক প্ৰথাৰ প্ৰচলন আছে নেকি? যদি আছে, তেন্তে তাক নিৰ্মূল কৰিবৰ বাবে কি কি ব্যৱস্থা হাতত ল'বা?

**নিৰক্ষৰতা —**

সাধাৰণতে লিখা-পঢ়া নজনা লোককে নিৰক্ষৰ লোক বোলে। নিৰক্ষৰ লোকে পঢ়া-শুনা নজনাৰ বাবে কিতাপ-পত্ৰ, বাতৰি কাকত আদি পঢ়াৰপৰা বঞ্চিত হয় আৰু বহু কথা জনাৰ সুযোগ লাভ নকৰে। কোনো কোনো ক্ষেত্ৰত নিৰক্ষৰ হোৱাৰ বাবে ঠগ-প্ৰৱঞ্চনাৰো বলি হ'বলগীয়াত পৰে। ই এক সামাজিক সমস্যা। আমি ইয়াক ৰোধ কৰিব নোৱাৰিলে সমাজ আগুৱাই যাব নোৱাৰিব। আমাৰ দেশ ভাৰতৰ বৰ্তমান মুঠ জনসংখ্যা ১৩৪ কোটিৰো অধিক। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ

শিক্ষিত লোকৰ হাৰ হ'ল ৭৪.০৪%, পুৰুষৰ সাক্ষৰতাৰ হাৰ ৮২.১৪% আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৫.৪৬%। শিক্ষাৰ ক্ষেত্ৰত মহিলাই স্বাধীনতাৰ ইমান বছৰ পাছতো যিমানখিনি আগবাঢ়ি যাব লাগিছিল, সেই অনুপাতে আগবাঢ়ি যাব পৰা নাই।

**চিন্তা কৰি লিখা—**

➢ লিখা-পঢ়া নাজানিলে মানুহৰ কি কি অসুবিধা হ'ব পাৰে?

**মাদক দ্ৰব্যৰ ব্যৱহাৰ —**

মাদক দ্ৰব্য বা ৰাগিয়াল বস্তুৰ সেৱনে সমাজ একোখনৰ পৰিৱেশ বিনষ্ট কৰে। মাদক দ্ৰব্যৰ সেৱনে কেৱল স্বাস্থ্যকে যে হানি কৰিছে এনে নহয়, পৰিয়াল একোটা নিঃশেষ কৰিছে। এই দ্ৰব্যসমূহ হৈছে — মদ, ভাং, ধঁপাত, বিড়ি, চিগাৰেট আদি। বৰ্তমান সময়ত এই দ্ৰব্যসমূহৰ ব্যৱহাৰে সামাজিক পৰিৱেশ বিনষ্ট কৰাটো পৰিলক্ষিত হৈছে।

**বাল্যবিবাহ —**

বাল্যবিবাহ এক সামাজিক সমস্যা। ছোৱালীৰ উপযুক্ত বয়সেৰে পৰিপুষ্ট নৌহওঁতেই তেওঁলোকক বিয়া দিয়া হয়। দেশৰ ভৱিষ্যৎ প্ৰজন্ম যদি এনেদৰে স্বাস্থ্যহীন হয়, তেনেহ'লে দেশে উপযুক্ত মানৱ সমাজ গঢ়ি তুলিব নোৱাৰিব।

➢ তোমাৰ অঞ্চলত থকা বিভিন্ন সামাজিক সমস্যাসমূহৰ নাম উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰা।

সমাজ থাকিলে সমস্যা থাকিবই। গতিকে এই সমস্যাসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰাৰ প্ৰতি আমি একেলগে যত্নৱান হ'ব লাগিব। সামাজিক সমস্যাবোৰ দীৰ্ঘদিন ধৰি সমাজত চলি থাকিলে সমাজৰ শৃংখলা নষ্ট হৈ অশান্তিৰ সৃষ্টি হয়। সমাজৰপৰা এই সমস্যাসমূহ আঁতৰাবলৈ হ'লে আমাৰ মাজত পাৰস্পৰিক সহযোগিতা, বুজা-পৰা, আন্তৰিকতা, এৰা-ধৰাৰ মনোভাৱ আৰু সচেতনতা আদি মানৱীয় গুণসমূহ থাকিব লাগিব। নিৰক্ষৰতা আৰু শিশুক শ্ৰমিক হিচাপে কামত লগোৱা, পাৰিবাৰিক হিংসা, জনসংখ্যা বৃদ্ধি আদি সমস্যাবোৰ দূৰীকৰণৰ বাবে চৰকাৰক সহায়ৰ প্ৰয়োজন।




বৰ্তমান চৰকাৰে 'শিশু শ্ৰমিক আইন' প্ৰণয়ন কৰি শিশুক শ্ৰমিক হিচাপে কামত লগোৱা কাৰ্য বন্ধ কৰিছে। তেওঁলোকৰ বাবে বিশেষ বিদ্যালয় স্থাপন কৰিছে। সেইদৰে সমাজৰপৰা নিৰক্ষৰতা দূৰীকৰণৰ বাবে দেশত শিক্ষাৰ অধিকাৰ আইন - ২০০৯ প্ৰৱৰ্তন কৰিছে। বৰ্তমান চৰকাৰে ৬-১৪ বছৰীয়া শিশুৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিছে।

চৰকাৰে আইন প্ৰণয়ন কৰি সমস্যাসমূহ দূৰ কৰাৰ প্ৰয়াস কৰিছে। তদুপৰি কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠানে এনে কামত সহায়-সহযোগ আগবঢ়াইছে। দূৰদৰ্শন (টিভি), অনাতাঁৰ (ৰেডিঅ'), বাতৰি কাকত, প'ষ্টাৰ, শ্লোগান, বাটৰ নাট আদিৰ মাধ্যমেৰে সমাজ তথা ৰাইজক সজাগ কৰি সমস্যাসমূহ নিৰ্মূল কৰাৰ চেষ্টা চলাইছে।

## অনুশীলনী

১ । উত্তৰ লিখা—

(ক) সামাজিক সমস্যা বুলিলে কি বুজা ?

(খ) সমাজত একতা গঢ়ি তোলাত কোনবোৰ গুণৰ প্ৰয়োজন হয় ?

(গ) সামাজিক সমস্যাবোৰ কি কি ?

(ঘ) সামাজিক সমস্যা সৃষ্টিত কোনবোৰ কাৰকে অৰিহণা যোগায় ?

২ । খালী ঠাই পূৰ কৰা—

(ক) আমি সকলোৱে --------- পাতি বাস কৰোঁ।

(খ) ----------- হ'ল সমাজৰ এক শ্ৰেণীৰ মানুহৰ এক ভুল ধাৰণা।

(গ) সমস্যা দীৰ্ঘদিনলৈ বৰ্তি থাকিলে সমাজত ------------ সৃষ্টি হয়।

(ঘ) ৰাইজৰ সচেতনতা আৰু ----------নহ'লে কোনো সমস্যা সমাধান নহয়।

(ঙ) লিখা-পঢ়া নজনা লোককে ---------- লোক বোলে।

৩ । 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| অন্ধবিশ্বাসৰ কোনো | শিশু শ্ৰমিকৰ সৃষ্টি হয়। |
| পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবে | সামাজিক সমস্যা। |
| অন্ধবিশ্বাস, লিংগ-বৈষম্য, শিশু-শ্ৰমিক আদি | বৈজ্ঞানিক ভিত্তি নাই। |

৪ । অশুদ্ধ বাক্যবোৰ শুদ্ধকৈ লিখা—

(ক) গাঁও পঞ্চায়ত আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহে সামাজিক সমস্যাবোৰ সমাধানত সহায় কৰিব পাৰে।

(খ) কু-সংস্কাৰৰপৰা সমাজৰ ক্ষতি হয়।

(গ) লিংগ-বৈষম্য হ'ল সমাজৰ এটা সমস্যা।

(ঘ) নিৰক্ষৰতাই সমাজৰপৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰ কৰিব পাৰে।

(ঙ) টকা-পইচাৰ অভাৱ হ'লে ল'ৰা-ছোৱালীবোৰক শ্ৰমিক সজাই উপাৰ্জন কৰিবলৈ দিব লাগে।

৫ । চমুটোকা লিখা —

(ক) অন্ধবিশ্বাস (খ) কু-সংস্কাৰ (গ) যৌতুক।

৬ । সামাজিক সমস্যা সমাধানত একতাৰ ভূমিকা কি লিখা।

পাঠ - ১৫

# আমাৰ দৈনন্দিন জীৱনত প্ৰযুক্তি

U5X3W4



***দৃশ্য- ১ ঃ*** *চাচনী পথাৰ, সময় ৰাতিপুৱা। ডিম্বেশ্বৰে নতুন যন্ত্ৰচালিত নাঙলখনেৰে (পাৱাৰ টিলাৰ) মাটি চহাই আছে। তেওঁ এজন খেতিয়ক। আগতে তেওঁ গৰুৰে টনা নাঙলেৰে মাটি চহাইছিল। তেতিয়া তেওঁ গোটেইখিনি মাটিত খেতি কৰিব পৰা নাছিল। এইবাৰ ডিম্বেশ্বৰে কৃষি সম্প্ৰসাৰণৰ কৰ্মীজনৰ পৰামৰ্শ মতে বেংকৰপৰা ঋণ লৈ এখন পাৱাৰ টিলাৰ কিনিছে। গাঁৱখনত পঞ্চায়তে কৰি দিয়া জলসিঞ্চন ব্যৱস্থাও ভাল। তেওঁ কেৱল ধানৰ খেতিয়েই নহয়, লগতে নৈৰ কাষত থকা মাটিডৰাত সৰিয়হ, মৰাপাট আৰু নানাবিধ শাক-পাচলিৰ খেতিও কৰে। সৰু ভায়েক ইন্দ্ৰই তেওঁক কৃষি কাৰ্যত সহায় কৰে। তদুপৰি গাঁৱৰ হাজিৰা কৰা মানুহকেইজনক আলিবন্ধা, কঠীয়া তোলা, ধান কটা, মৰণা মৰা আদি কামত লগায়। মৰণা মৰাৰ পাছত ধানখিনি শুকুৱায়। ঘৰৰ বাবে দৰকাৰ হোৱা ধানখিনি ভঁৰালত ৰাখি বাকীখিনি বিক্ৰী কৰে। শস্য বিক্ৰী কৰি পোৱা টকাৰে তেওঁৰ বেংকৰ ঋণ পৰিশোধ কৰে। কিছু ধন বেংকত জমা কৰিও ৰাখে। তেওঁৰ পথাৰত যথেষ্ট শাক-পাচলি উৎপাদিত হয়। আগতে সংৰক্ষণ কৰিব নোৱাৰা বাবে সেইবোৰ এনেয়ে নষ্ট হৈছিল। কিন্তু বৰ্তমান সেইবোৰ ওচৰতে থকা শীতল-ভঁৰালটোত ৰাখি থয়।*




***দৃশ্য- ২ ঃ*** *তৃপ্তীয়ে যোৰাবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ এতিয়া কলেজত পঢ়ি আছে। তাই সদায় ভালদৰে পঢ়া-শুনা কৰে। চৰকাৰৰ তৰফৰপৰা পোৱা কম্পিউটাৰত তাই বিভিন্ন কাম কৰে। কেতিয়াবা ছবি আঁকে, কেতিয়াবা টাইপ কৰি কিছুমান কথা লিখে আৰু সেইবোৰ প্ৰিণ্টাৰৰ সহায়ত কাগজত ছপা কৰি উলিয়ায়।*



তৃপ্তীয়ে কম্পিউটাৰত ছবি আঁকি আছে

*দৃশ্য- ৩ ঃ* অলিভিয়াই এইবাৰ জন্মদিনত মামাকৰ পৰা এটা ম'বাইল ফোন উপহাৰ হিচাপে পাইছে। ম'বাইল ফোনটোৰ সহায়ত তাই পঢ়া-শুনাৰ তথ্যবোৰ সংগ্ৰহ কৰি লয়। তদুপৰি পাঠ্যপুথিৰ পাঠত থকা কিউ আৰ ক'ড স্কেন কৰি পাঠৰ বিষয়টো ভালদৰে বুজি লয়। অলিভিয়াৰ মাক এগৰাকী শিক্ষয়িত্ৰী। তেওঁ বিদ্যালয়ৰ পৰা আহি আবেলি ঘৰুৱা কাম কৰাৰ সময়ত ৰেডিঅ' শুনিবলৈ ভাল পায়। মাজে মাজে ৰেডিঅ'যোগে শিক্ষক-শিক্ষয়িত্ৰীলৈ আগবঢ়োৱা অনুষ্ঠানসমূহ শুনি বিদ্যালয়ৰ পাঠদানৰ পৰিকল্পনা কৰে।





*দৃশ্য- ৪ ঃ* জাহানাৰা এগৰাকী পৰিশ্ৰমী মহিলা। ভাল ৰন্ধা-বঢ়াৰ উপৰি তেওঁ ঘৰৰ ফুলনি বাৰীখন সুন্দৰ কৰি ৰাখিছে। ৰং-বিৰঙৰ ফুল ফুলি ফুলনিখন জাতিষ্কাৰ হৈ আছে। আগতে তেওঁ কুঁৱাৰ পৰা হাতেৰে পানী তুলি ফুলনিত দিছিল। কিন্তু বৰ্তমান তেওঁ মটৰ পাম্পেৰে পানী দিয়ে। ঘাঁহ কটা যন্ত্ৰটোৰে নিজেই বাৰীখন চাফা কৰে। মাজে মাজে নিজৰ ম'বাইল ফোনটোৰ কেমেৰাৰে ফুলনিখনৰ ফটো তুলি থয়। তদুপৰি ঘৰৰ বিজুলীৰ বিল, ম'বাইল ফোনৰ বিল আদি ইণ্টাৰনেটৰ সহায়ত ম'বাইল ফোনৰ যোগেদি ঘৰত বহিয়েই পৰিশোধ কৰে। তেওঁ এইবাৰ ল'ৰা-ছোৱালীৰ গৰমৰ বন্ধত সপৰিয়ালে উৰা-জাহাজেৰে ফুৰিবলৈ যাব। ইয়াৰ বাবে তেওঁ ম'বাইল ফোনেৰে টিকট সংগ্ৰহ কৰিছে।

*দৃশ্য- ৫ ঃ* সময়, আবেলি। জুপিতৰাৰ ককাক-আইতাকে দূৰদৰ্শনত বাতৰি চাইছে। মাক ৰূপাই কেক্ আৰু বিস্কুটেৰে চাহ দি গ'ল। ৰূপাই নতুনকৈ কিনা বিদ্যুৎচালিত মাইক্ৰ'ৱেভ অভেনটোতে এইবোৰ প্ৰস্তুত কৰিলে। জুপিতৰাইও মাকক যি পাৰে সহায় কৰিলে। আগতে ৰূপাই কুকাৰত ৰন্ধন গেছৰ সহায়ত কেক্ প্ৰস্তুত কৰিছিল। আইতাকে আকৌ জ্বলি থকা আঙঠা চচপেনৰ ওপৰ আৰু তলত দি কেক্ প্ৰস্তুত কৰিছিল। ৰূপাই সকলোৰে খোৱাৰ পাছত বাহী হোৱা কেক্‌খিনি ৰেফ্ৰিজাৰেটৰত ৰাখি থ'লে। তেওঁ কেঁচা ফল-মূল আৰু শাক-পাচলিবোৰো পৰিষ্কাৰ কৰি ৰেফ্ৰিজাৰেটৰত থয়।



ৰেফ্ৰিজাৰেটৰ

**সিপিঠিৰ দৃশ্যবোৰৰ জৰিয়তে কৰা আলোচনাৰ আলম লৈ দলত আলোচনা কৰি কোৱা—**

- ডিম্বেশ্বৰে কি কি কাৰ্য বা প্ৰক্ৰিয়াৰ মাজেৰে খেতি কৰি শস্য উৎপাদন কৰে বৰ্ণনা কৰা।
- ডিম্বেশ্বৰে শাক-পাচলিবোৰ নষ্ট হোৱাৰ পৰা কেনেকৈ ৰক্ষা কৰিলে ?
- ধানৰপৰা আমি চাউল কেনেকৈ পাওঁ ?
- আজি-কালি খেতিয়কে কি কি খেতি কৰিবৰ বাবে সঁজুলি ব্যৱহাৰ কৰে ?
- তোমালোকৰ ৰন্ধনশালত কি কি সা-সৰঞ্জাম ব্যৱহাৰ কৰা হয় লিখা।
- তোমালোকৰ ঘৰত কি কি আধুনিক ৰন্ধন সঁজুলি ব্যৱহাৰ কৰা হয় লিখা।
- তোমালোকে দূৰদৰ্শনত কি কি অনুষ্ঠান চোৱা ?
- ম'বাইল ফোনেৰে আমি কি কি কাম কৰিব পাৰোঁ ?

ওপৰৰ দৃশ্যবোৰৰ জৰিয়তে আমাৰ জীৱন প্ৰণালীত প্ৰযুক্তি বিদ্যাৰ অৱদানসমূহ প্ৰতিফলিত হৈছে। প্ৰযুক্তিবিদ্যাই সমস্যা সমাধানত সহায় কৰাৰ লগতে আমাৰ কিছুমান কাম সহজে আৰু কম সময়তে কৰাত সহায় কৰিছে। আদিম যুগৰ চিকাৰী মানৱ জাতিয়ে আজিৰ এই অৱস্থা পাইছেহি কেৱল প্ৰযুক্তিৰ বাবেই। প্ৰযুক্তিৰ ফলতে আজি-কালি মানুহে অধিক সুবিধাজনক আহিলা বা যন্ত্ৰ-পাতি ব্যৱহাৰ কৰিবলৈ শিকিছে। এইবোৰ ব্যৱহাৰৰ ফলত আমাৰ জীৱন-ধাৰণৰ মানো উন্নত হোৱা পৰিলক্ষিত হৈছে। ৰন্ধন গেছ, প্ৰেছাৰ কুকাৰ, মকৰা জালি গুচোৱা যন্ত্ৰ আদি এনে কিছুমান যন্ত্ৰৰ উদাহৰণ। ইয়াৰ উপৰি বিদ্যুৎ শক্তিৰদ্বাৰা চালিত বিজুলী চাকি, বিজুলী বিচনী, শীত-তাপ নিয়ন্ত্ৰণ যন্ত্ৰ, ৰন্ধন আহিলা, ৰেফ্ৰিজাৰেটৰ, কাপোৰ ধোৱা যন্ত্ৰ, ঘৰ চাফা কৰা যন্ত্ৰ, খোৱা পানী শোধন যন্ত্ৰ আদি। তদুপৰি ম'বাইল ফোন, দূৰদৰ্শন, কম্পিউটাৰ, লেপটপ্ আদিৰ জৰিয়তে পঢ়া-শুনা কৰা, বিজুলীৰ লগতে নানা বিল পৰিশোধ কৰা আদি কাম কৰিব পৰা হৈছে।

**বিভিন্ন কাম কাজত বৈজ্ঞানিক চিন্তা-চৰ্চা, যন্ত্ৰপাতি, কৌশল আদি প্ৰয়োগ কৰাকে প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ বুলি কোৱা হয়।**

**দলত আলোচনা কৰি লিখা—**

- তোমালোকৰ ঘৰত কি কি আধুনিক আহিলা আছে? সেইবোৰৰ ব্যৱহাৰৰ পৰা কি কি সুবিধা হৈছে ?

| আহিলা | কি কি সুবিধা হৈছে |
|---|---|
| | |

**শিক্ষক আৰু অভিভাৱকৰ সৈতে আলোচনা কৰি লিখা—**

- তোমাৰ চাৰিওফালৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰা আৰু মানুহৰ দৈনন্দিন কামত প্ৰযুক্তিয়ে কেনেদৰে সহায় কৰিছে লিখা।

**কম্পিউটাৰৰ গুৰুত্বপূৰ্ণ অংশবোৰ কেনেদৰে ব্যৱহাৰ কৰা হয় জানি লওঁ আহা-**

**চি পি ইউ**
নিৰ্দেশ দিয়া কামবোৰ কৰে আৰু সংৰক্ষণ কৰি ৰাখে।



**মনিটৰ**
আমি কৰি থকা কামখিনি আৰু কামৰ ফলাফল মনিটৰত দেখা পাওঁ।

**কী-বোৰ্ড**
কী-বোৰ্ডৰ দ্বাৰা লিখিত আকাৰেৰে আমি নিৰ্দেশ দিওঁ।

**মাউচ**
মনিটৰত থকা কথাবোৰ মাউচেৰে নিয়ন্ত্ৰণ কৰি কাম কৰিব পাৰি।

**কম্পিউটাৰৰ গুৰুত্বপূৰ্ণ অংশবোৰ হ'ল- চি পি ইউ, কী-বোৰ্ড, মাউচ আৰু মনিটৰ।**

**কম্পিউটাৰৰ সহায়ত আমি কি কি কৰিব পাৰোঁ? (শিক্ষকৰ সহায় ল'বা)**

কম্পিউটাৰৰ লগত প্ৰিণ্টাৰ সংযোগ থাকিলে আমি কৰা কামখিনি কাগজত লিখিত আকাৰেৰে ছপা কৰি উলিয়াব পাৰোঁ।



প্ৰিণ্টাৰ



- শিক্ষকৰ জৰিয়তে তোমাৰ পাঠ্যপুথিত থকা কিউ আৰ ক'ড স্কেন কৰিবলৈ শিকা।

কম্পিউটাৰ এটাৰ মুখ্য কাম হ'ল, যোগাযোগ স্থাপন কৰা। কম্পিউটাৰৰ সহায়ত আমি কেনেকৈ যোগাযোগ স্থাপন কৰিব পাৰোঁ জানি লওঁ আহা-



ইণ্টাৰনেট

ওপৰৰ ছবিখনলৈ মন কৰা। ছবিখনত কেইবাটাও কম্পিউটাৰ ইটোৰ লগত সিটো সংযোগ হৈ এখন জালি তৈয়াৰ কৰা নাইনে? এনেদৰে যেতিয়া বহুকেইটা কম্পিউটাৰৰ মাজত সংযোগ স্থাপন কৰা হয় তেতিয়া এখন মকৰাৰ জালৰ দৰে জালিকাৰ সৃষ্টি হয়। এই জালকে ইংৰাজীত নেটৱৰ্ক বুলি কোৱা হয়।

**গোটেই পৃথিৱীব্যাপী অসংখ্য কম্পিউটাৰ সংযোগ কৰি এক বিশাল যোগাযোগ ব্যৱস্থা গঠন কৰা হৈছে। এই যোগাযোগ ব্যৱস্থাই হৈছে ইণ্টাৰনেট। ইণ্টাৰনেট হৈছে আধুনিক যুগৰ আটাইতকৈ উন্নত যোগাযোগ ব্যৱস্থা। কৃত্ৰিম উপগ্ৰহৰ সহায়ত এই যোগাযোগ ব্যৱস্থা সম্ভৱ হৈছে।**

**ইণ্টাৰনেট সংযোগ থকা কম্পিউটাৰৰপৰা আমাৰ কি সুবিধা হৈছে, সেই বিষয়ে জানি লওঁ আহা-**

- আমি দেশ-বিদেশৰ খবৰ পাব পাৰোঁ।
- দূৰ-দূৰণিত থকা লোকসকলৰ লগত ঘৰত বহিয়েই যোগাযোগ কৰিব পাৰোঁ।
- বিভিন্ন তথ্য পাব পাৰোঁ।
- ৰে'ল আৰু বিমানৰ সময়সূচী জানিব পাৰোঁ আৰু আগতীয়াকৈ টিকট সংগ্ৰহ কৰিব পাৰোঁ।

## অনুশীলনী

**১। উত্তৰ লিখা—**

(ক) পাৰাৰ টিলাৰ কি ?

(খ) শীতল ভঁৰাল কি ?

(গ) কেক্ আৰু বিস্কুট প্ৰস্তুত কৰিবলৈ কি ৰন্ধন সঁজুলি ব্যৱহাৰ কৰিব পাৰি ?

(ঘ) কম্পিউটাৰত কি কি কাম কৰা হয় ?

(ঙ) প্ৰযুক্তিৰ সহায়ত বিজুলী বিল কেনেকৈ পৰিশোধ কৰিব পাৰি ?

**২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—**

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| কী-বোৰ্ড | নিৰ্দেশ দিয়া কামবোৰ কৰে আৰু সংৰক্ষণ কৰি ৰাখে। |
| মাউচ | কৰা কামখিনি আৰু কামৰ ফলাফল দেখা পাওঁ। |
| চি পি ইউ | মনিটৰত থকা কথাবোৰ নিয়ন্ত্ৰণ কৰি কাম কৰিব পাৰি। |
| মনিটৰ | লিখিত আকাৰে নিৰ্দেশ পঠিয়াব পাৰি। |

**৩। শুদ্ধনে অশুদ্ধ লিখা—**

(ক) প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত আমাৰ জীৱনৰ মান উন্নত হৈছে।

(খ) ডাকযোগে ইজনে সিজনৰ লগত কথা পাতিব পাৰোঁ।

(গ) ৰেফ্ৰিজাৰেটৰত খাদ্যবস্তু ৰান্ধিব পাৰি।

(ঘ) কম্পিউটাৰৰ এটা মুখ্য কাম হ'ল যোগাযোগ স্থাপন।

**৪। চমু টোকা লিখা—**

(ক) ম'বাইল ফোন (খ) ইণ্টাৰনেট

◆◆◆◆◆

পাঠ- ১৬

# আমাৰ চুবুৰীয়া ৰাজ্যসমূহ

Y4B5X3

আমাৰ ভাৰতবৰ্ষ এখন বিশাল দেশ। বিশাল ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণত আমাৰ অসম ৰাজ্যখন অৱস্থিত। অসমৰ কাষতে থকা আন কেইখন ৰাজ্য হ'ল — অৰুণাচল প্ৰদেশ, মণিপুৰ,মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা। এই কেইখন আমাৰ চুবুৰীয়া ৰাজ্য। **অসমকে ধৰি এই সাতোখন ৰাজ্যক সাতভনীৰ দেশ বোলা হয়।** ভাৰতৰ উত্তৰ-পূব কোণত অৱস্থিত হোৱা বাবে এইকেইখন ৰাজ্যক একেলগে **উত্তৰ-পূব ভাৰত** বা **উত্তৰ-পূৰ্বাঞ্চল** বুলিও কোৱা হয়। ২০০২ চনত উন্নয়ন পৰিকল্পনাৰ সুবিধাৰ্থে ছিকিম ৰাজ্যকো উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰুৱা কৰা হৈছে।



**সিপিঠিৰ মানচিত্ৰখনলৈ চাই উত্তৰ লিখা —**

➢ উত্তৰ-পূব ভাৰতৰ চাৰিসীমাত কি কি বিদেশী ৰাষ্ট্ৰ আছে?

**সিপিঠিৰ মানচিত্ৰখনলৈ চাই অসমৰ চুবুৰীয়া ৰাজ্যসমূহৰ অৱস্থিতি জানি লওঁ আহা-**

উত্তৰ-পূব ভাৰতৰ উত্তৰ অংশ হিমালয় পৰ্বত, পূব আৰু দক্ষিণ অংশ পাটকাই আৰু নগা পাহাৰে আগুৰি আছে। এই অঞ্চলৰ উত্তৰ ফালে ভূটান, তিব্বত (চীন দেশৰ অংশ) আৰু পূব ফালে ম্যানমাৰ অৱস্থিত। দক্ষিণ আৰু পশ্চিম ফালে বাংলাদেশ অৱস্থিত।




*নদী-দ্বীপ মাজুলী*

বৰ্তমান অসমৰ ৰাজধানী দিছপুৰ। অসমত বিশেষকৈ অসমীয়া, বাংলা, বড়ো-কছাৰী, কাৰ্বি, মিছিং, ৰাভা, গাৰো, ডিমাচা, তিৱা, দেউৰী, মাৰ, কুকি, চাহ জনগোষ্ঠী, মণিপুৰী, নেপালী আৰু হিন্দী ভাষী লোকসকলে নিজৰ নিজৰ উৎসৱ, ধৰ্ম আদি পালন কৰি মিলিজুলি বসবাস কৰে। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম। ব্ৰহ্মপুত্ৰ আৰু বৰাক এই প্ৰধান নদী দুখনকে ধৰি অসমত বহুতো নৈ-উপনৈ আছে। ব্ৰহ্মপুত্ৰ নদীৰ নদী-দ্বীপ মাজুলী আকাৰত বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ নদী-দ্বীপ।

আমাৰ দেশখন স্বাধীন হোৱাৰ আগতে উত্তৰ-পূব অঞ্চলৰ বেছিভাগ ঠাই অসমৰ ভিতৰতে আছিল। পৰৱৰ্তী কালত শাসনৰ সুবিধাৰ বাবে আৰু জনগোষ্ঠীসমূহৰ স্বকীয় উন্নতিৰ বাবে বৰ্তমানৰ অসমকে ধৰি সাতখন পৃথক ৰাজ্য গঠিত হয়।

**নাগালেণ্ড ঃ**

এসময়ত **নাগালেণ্ড** ৰাজ্যখন নগা পাহাৰ হিচাপে অসমৰ অংগ আছিল। ১৯৬৩ চনৰ ১ ডিচেম্বৰত ই নাগালেণ্ড নামেৰে এখন পূৰ্ণাংগ ৰাজ্য হিচাপে স্বীকৃতি পায়।



*জলপ্ৰপাত*

**মেঘালয় ঃ**

পূৰ্বে **মেঘালয়ো** অসমৰ অংগ আছিল আৰু তেতিয়া অসমৰ ৰাজধানী আছিল শ্বিলং। ১৯৭২ চনত মেঘালয়ে পূৰ্ণাংগ ৰাজ্যৰ স্বীকৃতি পায়। মেঘালয়ৰ মৌছিনৰামত পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি বৰষুণ হয়। মেঘালয়ৰ শ্বিলং এখন স্বাস্থ্যকৰ ঠাই। পৰ্যটকসকলৰ আকৰ্ষণস্থলী হৈছে বৰাপানী (হ্ৰদ), জলপ্ৰপাত, ৰুট ব্ৰীজ (গছৰ শিপাৰে নিৰ্মিত দলং) আদি। মেঘালয়ত কয়লা পোৱা যায়। এই ৰাজ্যখন প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা।

**চিন্তা কৰি লিখা —**

➢ মেঘালয় কিয় পৰ্যটকসকলৰ আকৰ্ষণৰ স্থলী?

**অৰুণাচল প্ৰদেশ ঃ**



*টাৱাঙৰ বৌদ্ধমন্দিৰ*

অসমৰ উত্তৰফালে থকা **অৰুণাচল প্ৰদেশ**ক আগতে উত্তৰ-পূব সীমান্ত অঞ্চল হিচাপে জনা গৈছিল। ১৯৭২ চনত এই অঞ্চলটোৱে কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে আৰু অৱশেষত ১৯৮৭ চনত পূৰ্ণাংগ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰ। অৰুণাচল প্ৰদেশৰ উত্তৰ অঞ্চল হিমালয় পৰ্বতমালাই আগুৰি থকাৰ বাবে ইয়াৰ উচ্চতা বেছি। ফলত অৰুণাচলৰ ব'মডিলা, টাৱাং আদি ঠাই শীতকালত বৰফ পৰে। মাৰ্চ, এপ্ৰিল, মে' মাহত পাহাৰবোৰ নানা ৰঙী ফুল আৰু ফল-মূলেৰে জাতিষ্কাৰ হৈ পৰে। টাৱাঙত থকা বৃহৎ বৌদ্ধমন্দিৰে দেশ-বিদেশৰ পৰ্যটকক আকৰ্ষণ কৰে।

**মিজোৰাম ঃ**

একেদৰে **মিজোৰামো** পূৰ্বে অসমৰ অংশ আছিল আৰু ১৯৭২ চনত কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অৱশেষত ১৯৮৭ চনত ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্য হৈ পৰে।

**মণিপুৰ ঃ**



*লক্‌টক হ্ৰদ*

১৯৭২ চনৰ ২১ জানুৱাৰীত স্বাধীন ৰাজ্য ৰূপে গঠন হোৱা **মণিপুৰ** এখন আমাৰ চুবুৰীয়া ৰাজ্য। ইয়াৰ ৰাজধানী ইম্ফল। মণিপুৰৰ চৰকাৰী ভাষা মেইটেই। হিন্দী আৰু ইংৰাজী ভাষাৰো বহুল প্ৰচলন আছে। এই ৰাজ্যত থকা পাটকাই আৰু মণিপুৰ পাহাৰ, বৰাক, ইম্ফল আৰু ইৰিল নদী আদিৰে মণিপুৰৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম। মণিপুৰত প্ৰায় ১০০ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি থকা লক্‌টক এটা প্ৰাকৃতিকভাৱে হোৱা হ্ৰদ।

**ত্ৰিপুৰা ঃ** জাম্পুই পাহাৰ, চাখান পাহাৰ, লংতৰাই পাহাৰ, গোমতি, ঢলাই, মুহুৰি, ফেনি আদি নদীৰে সমৃদ্ধ **ত্ৰিপুৰা** এখন জনবসতিপূৰ্ণ ৰাজ্য। এই ৰাজ্যত ছটা জনগোষ্ঠীৰ ধৰ্ম আৰু সংস্কৃতিৰে চহকী। ৰাজধানী আগৰতলাত অৱস্থিত উজ্বয়ান্তা ৰাজপ্ৰসাদৰ চাৰিওপিনে 'মোগল গাৰ্ডেন' আছে। ৰুদ্ৰসাগৰত অৱস্থিত নীড়মহলত হিন্দু আৰু মুছলমান স্থাপত্যৰ সংমিশ্ৰণৰ নিদৰ্শন দেখা যায়। আগৰতলাৰ সমীপত ত্ৰিপুৰাৰ বৃহত্তম মছজিদ গেডুমিয়া মছজিদ অৱস্থিত। বগা মাৰ্বলৰ মিনাৰ আৰু স্তম্ভৰ সৈতে নিৰ্মিত এই মছজিদ স্থাপত্য কলাৰ এক সুন্দৰ নিদৰ্শন। ১৯৭২ চনৰ ২১ জানুৱাৰীত ত্ৰিপুৰা ৰাজ্য গঠন কৰা হয়। ত্ৰিপুৰাৰ চৰকাৰী ভাষা হৈছে বঙালী আৰু ককবৰক।

ৰাজধানীৰ সৈতে উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ নাম জানি লওঁ আহা-

| ৰাজ্য | ৰাজধানী |
|---|---|
| অৰুণাচল প্ৰদেশ | ইটানগৰ |
| অসম | দিছপুৰ |
| মণিপুৰ | ইম্ফল |
| মিজোৰাম | আইজল |
| মেঘালয় | শ্বিলং |
| নাগালেণ্ড | ক'হিমা |
| ত্ৰিপুৰা | আগৰতলা |
| ছিকিম | গেংটক |

**উত্তৰ-পূব ভাৰতৰ ভূ-প্ৰাকৃতিক বৈশিষ্ট্য**

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম। পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, খাল-বিল, হ্ৰদ, চৰ-চাপৰি আদিৰে এই ৰাজ্যকেইখন সমৃদ্ধ হৈ আছে। ইয়াৰ হাবি-বননিত নানা প্ৰজাতিৰ অসংখ্য জীৱ-জন্তু আৰু চৰাই-চিৰিকটি আছে। উত্তৰ-পূব ভাৰতত সৰু-বৰ বহুতো নদী-উপনদী আছে। ব্ৰহ্মপুত্ৰ উত্তৰ-পূব ভাৰত তথা সমগ্ৰ ভাৰতবৰ্ষৰে অন্যতম প্ৰধান নদী। ব্ৰহ্মপুত্ৰ নদীৰ বুকুত অৱস্থিত মাজুলী পৃথিৱীৰ অন্যতম বৃহৎ নদী-দ্বীপ। আনহাতে গুৱাহাটী মহানগৰৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত উমানন্দ এটা সৰু দ্বীপ। ই পৃথিৱীৰ ভিতৰতে ক্ষুদ্ৰতম নদী দ্বীপৰূপে পৰিচিত। অসমৰ দক্ষিণ অংশত আছে বৰাক উপত্যকা।

ভূ-প্ৰাকৃতিক দিশৰপৰা উত্তৰ-পূব ভাৰতক তিনিটা প্ৰধান ভাগত বিভক্ত কৰিব পাৰি —

**(ক) মালভূমি অঞ্চল**


**(খ) পাহাৰ আৰু উচ্চ পাৰ্বত্যভূমি অঞ্চল আৰু**

**(গ) সমভূমি অঞ্চল**

**(ক) মালভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ মালভূমি অঞ্চলটো মেঘালয় আৰু কাৰ্বি মালভূমিৰে গঠিত। মেঘালয়ৰ গাৰো পাহাৰ, খাচি পাহাৰ আৰু জয়ন্তীয়া পাহাৰ আদি মেঘালয় মালভূমিৰ অন্তৰ্গত। অসমৰ কাৰ্বি আৰু ৰেংমা পাহাৰ কাৰ্বি মালভূমিৰ অন্তৰ্গত। প্ৰকৃততে কাৰ্বি মালভূমি মেঘালয় মালভূমিৰে অংশ বিশেষ।

**(খ) পাহাৰ আৰু উচ্চ পাৰ্বত্যভূমি অঞ্চল ঃ** ছিকিম আৰু অৰুণাচল প্ৰদেশৰ উত্তৰ অঞ্চল হিমালয় পৰ্বতমালাই আগুৰি থকা বাবে ইয়াৰ উচ্চতা বেছি। অৰুণাচল প্ৰদেশৰ উত্তৰ অঞ্চলটো শীতকালত বৰফেৰে ঢাক খাই থাকে। ছিকিম আৰু নেপালৰ সীমান্তত অৱস্থিত কাঞ্চনজংঘা পৃথিৱীৰ তৃতীয় উচ্চতম শৃংগ। অঞ্চলটোৰ পূবে পাটকাই পাহাৰ, নগাপাহাৰ, মণিপুৰ আৰু মিজোৰামৰ পাহাৰ শাৰী শাৰীকৈ আছে।

**(গ) সমভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ সমভূমি অঞ্চলৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ সমভূমি, বৰাক সমভূমি, মণিপুৰ সমভূমি আৰু পশ্চিম ত্ৰিপুৰা সমভূমিয়েই প্ৰধান। উত্তৰ-পূব ভাৰতৰ নদী উপত্যকাৰ সমভূমি অঞ্চলকেইটা দেশৰ ভিতৰতে সাৰুৱা আৰু কৃষিকাৰ্যৰ বাবে অতি উপযোগী।




চিত্ৰ ঃ উত্তৰ-পূব ভাৰতৰ ভূ-প্ৰাকৃতিক বিভাগসমূহ

**উত্তৰ-পূব ভাৰতৰ ভূ-প্ৰাকৃতিক ভাগসমূহৰ মানচিত্ৰখন পৰ্যবেক্ষণ কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া-**

- উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্য প্ৰধানকৈ মালভূমিৰে আবৃত ?
- উত্তৰ-পূব ভাৰতৰ কোনকেইখন ৰাজ্যত সমভূমি আছে?
- অৰুণাচল প্ৰদেশৰ কোন দিশত হিমালয় পৰ্বতমালা অৱস্থিত ?
- উত্তৰ-পূব ভাৰতৰ মানচিত্ৰ এখন আঁকি প্ৰাকৃতিক বিভাগসমূহ ৰং কৰা তুমি থকা প্ৰাকৃতিক বিভাগটো চিনাক্ত কৰা।

**উত্তৰ-পূব ভাৰতৰ জনজীৱন ঃ**

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখন সৰু-বৰ অনেক জাতি-জনগোষ্ঠীৰ মিলনভূমি। এই ৰাজ্যকেইখনৰ মাজত সামাজিক আৰু সাংস্কৃতিক সু-সম্পৰ্ক আছে। উত্তৰ-পূব ভাৰতৰ কিছুমান জনগোষ্ঠীৰ নাম জানি লওঁ আহা—

| উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহ | জাতি-জনগোষ্ঠীৰ নাম |
|---|---|
| অৰুণাচল প্ৰদেশ | আদি, নিচি, গাল', আপাটানি, মন্‌পা আদি। |
| অসম | ডিমাচা, বড়ো, কাৰ্বি, আহোম, মিছিং, দেউৰী, সোণোৱাল কছাৰী, শৰণীয়া কছাৰী, ঠেঙাল কছাৰী, তিৱা, চুটীয়া, ৰাভা, হাজং, কোচ ৰাজবংশী, চাহ জনগোষ্ঠী আদি। |
| মেঘালয় | খাচি, গাৰো, জয়ন্তীয়া আদি। |
| মিজোৰাম | মিজো, মাৰ আদি। |
| নাগালেণ্ড | আংগামী, চেমা, আও, ৰেংমা, কন্যাক আদি। |
| মণিপুৰ | মণিপুৰী, কুকি, কাবুই আদি। |
| ত্ৰিপুৰা | ত্ৰিপুৰী, চাকমা, জামাতীয়া, মগ, ৰাংখল আদি। |
| ছিকিম | লেপচা, নেপালী আদি। |

উত্তৰ-পূব ভাৰতৰ পাহাৰ আৰু ভৈয়াম উভয় অঞ্চলৰে অৰ্থনীতি প্ৰধানতঃ কৃষিভিত্তিক। ইয়াৰ সমতলভূমি বেছি থকা ৰাজ্যকেইখন কৃষিৰ ক্ষেত্ৰত আগবঢ়া। অসম, মণিপুৰ আৰু ত্ৰিপুৰাত ধান, মাহজাতীয় শস্য, কুঁহিয়াৰ আদিৰ খেতি বেছিকৈ হয়। কিন্তু পাহাৰীয়া ৰাজ্যকেইখনত ফল-মূল, আলু, মাকৈ, কচু, কল, কঁঠাল আদি বেছিকৈ হয়। পাহাৰীয়া ৰাজ্যকেইখনত কম-বেছি পৰিমাণে জুম পদ্ধতিৰে খেতি কৰা হয়। উত্তৰ-পূব ভাৰতত সকলো শস্যৰ ভিতৰত ধানৰ উৎপাদন বেছি। অন্য ৰাজ্য কেইখনৰ তুলনাত অসমতে ধান, ঘেঁহু, মৰাপাট আদি শস্যৰ উৎপাদন বেছি। আনহাতে কপাহ উৎপাদনত মেঘালয় আগবঢ়া। ঠিক তেনেদৰে ৰবৰ উৎপাদনৰ ক্ষেত্ৰত অন্য ৰাজ্যৰ তুলনাত ত্ৰিপুৰা আগবঢ়া। চাহ উৎপাদনৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতেই প্ৰথম।

উত্তৰ-পূব ভাৰতত বাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা ভাষা, ৰীতি-নীতি, সাজ-পাৰ, উৎসৱ আদি আছে। অসমৰ চুবুৰীয়া ৰাজ্যসমূহৰ জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা ভাষা থকাৰ উপৰিও তেওঁলোকৰ মাজত ইংৰাজী, অসমীয়া, মণিপুৰী, নেপালী, বঙালী ভাষাৰ প্ৰচলনো দেখা যায়। তেওঁলোকৰ মাজত খোৱা-লোৱা, পিন্ধন-উৰণ, শাৰীৰিক গঠন, আচাৰ-ব্যৱহাৰ আদিৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। আমাৰ চুবুৰীয়া ৰাজ্যৰ মহিলাসকল অতি পৰিশ্ৰমী আৰু পাকৈত শিপিনী। আমাৰ দৰে তেওঁলোকেও বিভিন্ন উৎসৱ পালন কৰে। অৰুণাচলৰ লোকসকলৰ মাজত প্ৰচলিত 'দন্‌য়িপ'ল', খাচিসকলৰ 'নংক্ৰেন', মেঘালয়, নাগালেণ্ড আৰু মিজোৰামৰ লোকসকলৰ 'বৰদিন' উৎসৱ প্ৰধান। মণিপুৰী নৃত্য, মিজো আৰু নগাসকলৰ বাঁহ নৃত্য, অসমৰ সত্ৰীয়া নৃত্য, বিহু নৃত্য আদিৰ সমাদৰ আছে।

আমাৰ চুবুৰীয়া ৰাজ্যসমূহৰ বাসিন্দাসকলৰ প্ৰধান খাদ্য হৈছে ভাত, মাছ, মাংস, শাক-পাচলি আদি। ইয়াৰ বাসিন্দাসকল বৰ পৰিশ্ৰমী। পাহাৰীয়া অঞ্চলৰ বেছিভাগ লোকে সাধাৰণতে বাঁহ, কাঠ, খেৰ আদিৰে চাং-ঘৰ সাজি লোৱা দেখা যায়।

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল নদ-নদী, পৰ্বত-পাহাৰেৰে ভৰা আৰু বিভিন্ন জনগোষ্ঠীৰ বসতিস্থল। মেঘালয়ৰ মৌচিনৰামত পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি বৰষুণ হয়। এই ৰাজ্যত প্ৰচুৰ পৰিমাণে কয়লা পোৱা যায়। মণিপুৰত বিখ্যাত লক্‌টক হ্ৰদ আছে। ত্ৰিপুৰাত বাঁহ, বেত আৰু ঔষধি উদ্ভিদ প্ৰচুৰ পৰিমাণে পোৱা যায়। অসমৰ কাজিৰঙা বিশ্বৰ প্ৰাকৃতিক ঐতিহ্যৰ থলী। এই ৰাজ্যৰ মাজুলী এটা উল্লেখযোগ্য নদী-দ্বীপ। অৰুণাচলৰ টাৱাং, অসমৰ হাফলং, মেঘালয়ৰ শ্বিলং অতি স্বাস্থ্যকৰ ঠাই। এনেধৰণৰ অনেক বৈশিষ্ট্যৰে ভৰি থকা বাবে উত্তৰ-পূৰ্বাঞ্চল এক বৈচিত্ৰ্যময় অঞ্চল হিচাপে পৰিচিত।


ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এই ঐতিহ্যপূৰ্ণ স্থানসমূহ পৰ্যটকৰ বাবে আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি উঠিছে। সেইবোৰ চাবলৈ দেশ-বিদেশৰপৰা পৰ্যটকসকল ইয়ালৈ আহে।

**শিক্ষকৰ সহায় লৈ তলৰ কাৰ্যকেইটা কৰা—**

- উত্তৰ-পূব ভাৰতৰ মানচিত্ৰত এই স্থানসমূহ চিহ্নিত কৰা— মাজুলী, শ্বিলং, টাৱাং।
- অসমত কি কি গুৰুত্বপূৰ্ণ স্থান আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

| ঠাইৰ নাম | জিলাৰ নাম | ঠাইখন কিয় গুৰুত্বপূৰ্ণ |
|---|---|---|
| আশাৰীকান্দি | ধুবুৰী | টেৰাকোটা শিল্প |
| ...................... | ...................... | .............................. |
| ...................... | ...................... | .............................. |
| ...................... | ...................... | .............................. |

- তোমাৰ অঞ্চলত কি কি ভাষাৰে কথা কোৱা লোক আছে?




- বিন্দুবোৰ লগ লগাই মানচিত্ৰখন সম্পূৰ্ণ কৰা।
- মানচিত্ৰখনৰ চাৰিসীমাত থকা ৰাষ্ট্ৰ আৰু ৰাজ্যবোৰৰ নাম লিখা।
- মানচিত্ৰখনৰ যথাস্থানত উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ নাম লিখা।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখন বেলেগ বেলেগ ৰঙেৰে দেখুওৱা।
- ডাঙৰ চাৰ্ট পেপাৰ বা পুৰণি কেলেণ্ডাৰৰ পাছফালে উত্তৰ-পূব ভাৰতৰ এখন মানচিত্ৰ আঁকি তাৰ ওপৰত ক'লাজ প্ৰস্তুত কৰা।

## অনুশীলনী

১ । উত্তৰ লিখা—

(ক) উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ নাম লিখা।

(খ) উত্তৰ-পূব ভাৰতৰ কেইটামান জনগোষ্ঠীৰ নাম লিখা।

(গ) উত্তৰ-পূব ভাৰতক সাতভনীৰ দেশ বুলি কিয় কোৱা হয়?

(ঘ) উত্তৰ-পূব ভাৰতৰ তিনিখন স্বাস্থ্যকৰ ঠাইৰ নাম লিখা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা

| ক অংশ | খ অংশ |
|---|---|
| অৰুণাচল প্ৰদেশ | ক'হিমা |
| নাগালেণ্ড | ইম্ফল |
| ত্ৰিপুৰা | আইজল |
| মণিপুৰ | ইটানগৰ |
| মিজোৰাম | আগৰতলা |

৩। খালী ঠাই পূৰ কৰা—

(ক) মেঘালয়ৰ ................ পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি বৰষুণ হয়।

(খ) মণিপুৰ ৰাজ্যৰ ................ হ্ৰদ প্ৰাকৃতিকভাৱে হোৱা এক বৃহৎ হ্ৰদ।

(গ) শ্বিলং এখন ................ ঠাই।

(ঘ) চাহ উৎপাদনৰ ক্ষেত্ৰত ................ ভাৰতৰ ভিতৰতেই প্ৰথম।

(ঙ) ................ খাচিসকলৰ এটা উৎসৱৰ নাম।

৪। তলত দিয়া বাক্যকেইটাৰ পৰা অশুদ্ধ বাক্যবোৰ বাচি উলিয়াই শুদ্ধকৈ লিখা —

(ক) বৰ্তমান অৰুণাচল প্ৰদেশ আগতে নগা পাহাৰ নামেৰে অসমৰ অংগ আছিল।

(খ) কাৰ্বি আংলং জিলা সমভূমিৰে গঠিত।

(গ) অৰুণাচল প্ৰদেশৰ দক্ষিণ অঞ্চলত হিমালয় পৰ্বতমালা অৱস্থিত।

(ঘ) ত্ৰিপুৰা ৰাজ্যখন সমভূমিৰে আবৃত।

(ঙ) মিজোৰামত লক্‌টক হ্ৰদ আছে।

৫। কোন কেইখন ৰাজ্যক একেলগে 'উত্তৰ-পূব ভাৰত' বুলি কোৱা হয়?

৬। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহ পৰ্যটকৰ বাবে কিয় আকৰ্ষণীয় লিখা।

◆◆◆◆◆

# পাঠভিত্তিক শিকন ফলাফল, বিষয়- পৰিৱেশ অধ্যয়ন

## শ্ৰেণী ঃ পঞ্চম

| পাঠ নং | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| ১ | আমাৰ পৰিৱেশ | ● ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিৱেশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>● মানৱ সৃষ্ট আৰু প্ৰাকৃতিক পৰিৱেশসমূহ চিনাক্ত কৰিব পাৰিব।<br>● প্ৰাকৃতিক পৰিৱেশৰ জৈৱিক আৰু অজৈৱিক উপাদানৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব। |
| ২ | জীৱ আৰু পৰিৱেশ | ● প্ৰাণী, উদ্ভিদ আৰু মানুহৰ পৰস্পৰ নিৰ্ভৰশীলতা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।<br>● পৰিস্থিতি তন্ত্ৰ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● ভিন ভিন পৰিৱেশত হোৱা কিছুমান উদ্ভিদ আৰু প্ৰাণীৰ নাম ক'ব পাৰিব। |
| ৩ | বতৰ | ● কিছুমান প্ৰাকৃতিক পৰিঘটনাৰ ধৰ্ম, চৰ্ত নিৰ্ণয় কৰিব পাৰিব।<br>● বতৰৰ পৰিৱৰ্তন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● বতৰৰ আগলি বতৰা নিৰ্ধাৰণৰ সঁজুলিবোৰৰ নাম ক'ব পাৰিব।<br>● পৰিৱৰ্তনশীল বতৰৰ লগত কেনেকৈ নিজকে খাপ খুৱাই চলিব লাগে সেই বিষয়ে ক'ব পাৰিব। |
| ৪ | জীৱন ধাৰণৰ প্ৰণালী | ● অতীত আৰু বৰ্তমানৰ কিছুমান প্ৰথা, কলা-কৌশল আৰু কাৰ্যাৱলীৰ অনুশীলনৰ পৰিৱৰ্তনবোৰ মুদ্ৰা, চিত্ৰ, কীৰ্তিচিহ্ন, যাদুঘৰ আদি অধ্যয়ন কৰি পোৱা তথ্যৰে আৰু বিজ্ঞ/ জ্যেষ্ঠ ব্যক্তিৰ লগত মত বিনিময় কৰি বৰ্ণনা কৰিব পাৰিব। (যেনে - কৃষি কাৰ্য, সংৰক্ষণ পদ্ধতি, উৎসৱ-পাৰ্বন, সাজ-পাৰ, পৰিবহণ ব্যৱস্থা, সা-সঁজুলি, বৃত্তি, ঘৰ, খাদ্য প্ৰস্তুত প্ৰণালী, কাম কৰাৰ ধৰণ আদি)<br>● প্ৰাচীন কালৰ মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।<br>● ভিন ভিন পৰিৱেশ যেনে— ভৈয়াম, পাহাৰ, নৈৰ পাৰ, চৰ অঞ্চল, চাহ বাগিচা, গাঁও আৰু নগৰ অঞ্চলত বাস কৰা লোকৰ জীৱন ধাৰণ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● নিজৰ অঞ্চলৰ মানুহৰ জীৱন ধাৰণৰ প্ৰণালী (জীৱিকা) সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব। |
| ৫ | আহাৰৰ প্ৰয়োজনীয়তা | ● শাৰীৰিক আৰু মানসিক বিকাশ আৰু সু-স্বাস্থ্যৰ বাবে খাদ্যৰ বিভিন্ন উপাদান যেনে - প্ৰ'টিন, শৰ্কৰা, চৰ্বী, ভিটামিন, খনিজ লৱণ আৰু পানীৰ প্ৰয়োজনীয়তাৰ বিষয়ে মতামত আগবঢ়াব পাৰিব।<br>● সুষম আহাৰৰ প্ৰয়োজনীয়তা, অভাৱজনিত ৰোগ, মেদ বহুলতা আদিৰ বিষয়ে ক'ব পাৰিব।<br>● দূষিত খাদ্য, পুৰণি খাদ্য, বেছি মছলা আৰু নিমখযুক্ত খাদ্য আৰু মুকলিকৈ ৰখা খাদ্য যে শৰীৰৰ বাবে অপকাৰী এই বিষয়ে ক'ব পাৰিব। |
| ৬ | অসমৰ প্ৰাকৃতিক সম্পদ আৰু সংৰক্ষণ | ● প্ৰাকৃতিক সম্পদৰ সু-ৰক্ষা আৰু সংৰক্ষণ আদিৰ বিষয়ে পৰামৰ্শ আগবঢ়াব পাৰিব।<br>● বনজ, জলজ, খনিজ আৰু কৃষিজাত সম্পদৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>● প্ৰাকৃতিক সম্পদসমূহ অসমৰ কোন কোন ঠাইত আছে চিনাক্ত কৰিব পাৰিব।<br>● জৈৱ সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>● পৰিৱেশ সংৰক্ষণৰ সজাগতা আনিবলৈ জনসাধাৰণে লোৱা কিছুমান ব্যৱস্থাৰ বিষয়ে মতামত আগবঢ়াব পাৰিব। |
| ৭ | অসমৰ সংস্কৃতি | ● অসমৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>● বিভিন্ন জাতি-জনজাতিৰ লগত একেলগে মিলাপ্ৰীতিৰে বাস কৰাৰ মনোভাব গঢ়ি উঠিব।<br>● পুৰণি কীৰ্তিচিহ্ন, দৌল-দেৱালয়, মঠ-মন্দিৰ আদি মানৱসৃষ্ট সম্পদসমূহ সংৰক্ষণ কৰাৰ প্ৰতি অনুভূতিশীল হ'ব।<br>● স্থানীয় পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব। |

| পাঠ নং | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| ৮ | দুৰ্যোগ আৰু আমি | ● প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগ যেনে - বানপানী, ভূমিকম্প, ধুমুহা, ভূমিস্খলন, গৰাখহনীয়া, খৰাং, বনজুই, বনানী ধ্বংসকৰণ আদিয়ে পৰিৱেশৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।<br>● দুৰ্যোগৰ আগত, দুৰ্যোগৰ সময়ত আৰু দুৰ্যোগৰ পাছত ল'বলগীয়া ব্যৱস্থাৰ বিষয়ে ক'ব পাৰিব। |
| ৯ | পৰিৱেশ প্ৰদূষণ | ● বায়ু, পানী আৰু মাটি কিদৰে প্ৰদূষিত হয় সেই বিষয়ে ক'ব পাৰিব।<br>● পৰিৱেশ প্ৰদূষণমুক্ত কেনেকৈ কৰিব পাৰি তাক বৰ্ণনা কৰিব পাৰিব।<br>● প্ৰদূষণ কিদৰে প্ৰতিৰোধ কৰিব পাৰি সেই বিষয়ে মতামত আগবঢ়াব পাৰিব।<br>● মাটিৰ লগত সহজে মিলি যোৱা জৈৱিক পদাৰ্থৰ ব্যৱহাৰৰ উপকাৰিতাৰ বিষয়ে আলোচনা কৰিব পাৰিব।<br>● স্থানীয় পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা সাজিব পাৰিব। |
| ১০ | আমাৰ উদ্যোগসমূহ | ● অসমৰ বিভিন্ন উদ্যোগৰ নাম ক'ব পাৰিব।<br>● উদ্যোগ প্ৰতিষ্ঠানত ব্যৱহাৰ হোৱা কেঁচা সামগ্ৰীৰ নাম ক'ব পাৰিব।<br>● অসমৰ উদ্যোগৰ পৰা উৎপাদিত হোৱা কিছুমান সামগ্ৰীৰ নাম ক'ব পাৰিব।<br>● ভাৰতৰ পাঁচটা বৃহৎ উদ্যোগ যেনে — চেনি, কপাহী বস্ত্ৰ, ৰেচম, কাগজ, লো-তীখা উদ্যোগৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব। |
| ১১ | আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ | ● বাস্তৱ জীৱনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা আৰু এইবোৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব। (যেনে- বেংক, পঞ্চায়ত, সমবায়, আৰক্ষী চকী আদি) |
| ১২ | আমাৰ দেশ | ● 'ভাৰত' নামৰ উৎপত্তি সম্পৰ্কে ক'ব পাৰিব।<br>● ভাৰতবৰ্ষৰ ৰাজধানী আৰু চাৰিসীমাৰ নামসমূহ ক'ব পাৰিব।<br>● ভাৰতৰ মানচিত্ৰত প্ৰধান নদ-নদী আৰু পাহাৰ-পৰ্বত চিহ্নিত কৰিব পাৰিব।<br>● আমাৰ দেশৰ যাতায়াত/পৰিবহণ ব্যৱস্থা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● ভূমিখণ্ড, জলবায়ু, সম্পদ (খাদ্য, পানী) আশ্ৰয়স্থলী, জীৱিকা আদিৰ লগত মানুহৰ সাংস্কৃতিক জীৱনৰ সংযোগ স্থাপন কৰিব পাৰিব। |
| ১৩ | ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম | ● স্বাধীনতা সংগ্ৰামৰ বিভিন্ন সময়ত অংশগ্ৰহণকাৰী ব্যক্তিসকলৰ নাম ক'ব পাৰিব।<br>● ভাৰতৰ সংবিধানত লিপিবদ্ধ থকা প্ৰমূল্যসমূহৰ সৈতে পৰিচিত হৈ মূল্যবোধ গঢ়ি তুলিব পাৰিব।<br>● প্ৰতীক/চিহ্ন/সংকেত, দিশ, কোনো অঞ্চলৰ গুৰুত্বপূৰ্ণ স্থান আদি নিৰ্ধাৰণ কৰাৰ লগতে মানচিত্ৰত কোনো এটা অঞ্চলৰ বিভিন্ন ঠাই, দিশ আদি চিনাক্ত কৰিব পাৰিব।<br>● স্থানীয় পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, প্ৰবাহমান চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব। |
| ১৪ | আমাৰ সামাজিক সমস্যা | ● সমাজত ঘটি থকা কিছুমান ঘটনাৱলী (যেনে - নিৰক্ষৰতা, শিশু শ্ৰমিক, যৌতুক প্ৰথা, অন্ধবিশ্বাস, লিংগ বৈষম্যতা, শিশুৰ অধিকাৰ আৰু বিশেষভাৱে সক্ষম ব্যক্তি)ৰ ওপৰত মতামত আগবঢ়াব পাৰিব।<br>● সামাজিক সমস্যাসমূহ নিৰ্মূল কৰাৰ মনোভাৱ গঢ়ি উঠিব। |
| ১৫ | আমাৰ দৈনন্দিন জীৱন আৰু প্ৰযুক্তি | ● বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি মানুহৰ দৈনন্দিন জীৱনৰ মৌলিক প্ৰয়োজনখিনি যেনে- খাদ্য, পানী আদি আহৰণ কৰাৰ প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰিব পাৰিব। (খেতি পথাৰত উৎপন্ন হোৱা শস্যবোৰ কি কি প্ৰক্ৰিয়াৰে গৈ ৰান্ধনিশালত ব্যৱহাৰৰ উপযোগী হয় আৰু খাদ্য সংৰক্ষণ পদ্ধতি আদি)।<br>● যোগাযোগৰ মাধ্যম হিচাপে ইণ্টাৰনেটৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব। |
| ১৬ | আমাৰ চুবুৰীয়া ৰাজ্যসমূহ | ● ৰাজধানীৰ সৈতে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নাম ক'ব পাৰিব।<br>● ভাৰতৰ মানচিত্ৰত উত্তৰ-পূৰ্বাঞ্চলক চিনাক্ত কৰিব পাৰিব।<br>● স্থানীয় পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, প'ষ্টাৰ, চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব। |

# প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰিবলৈ প্ৰস্তুতি


ভূমিকম্প হোৱাৰ সময়ত—



মুকলি ঠাইত থাকিলে শুই পৰিব লাগে।



ঘৰৰ ভিতৰত থাকিলে বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।



বিদ্যালয়ৰ ভিতৰত থাকিলে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুঁটাত খামুচি ধৰি থাকিব লাগে।

# পথ দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ ল'বলগীয়া কিছুমান সাৱধানতা

C4H8M2





## ৰাস্তাত যাওঁতে—

- খোজ কাঢ়োঁতে সদায় নিজৰ বাওঁহাতে যাবা।
- ৰাস্তা পাৰ হওঁতে সোঁৱে-বাঁৱে চাই পাৰ হ'বা।
- ৰাস্তাত ফুটপাথ থাকিলে সদায় ফুটপাথেৰে খোজ কাঢ়িবা।
- 'জেব্ৰা চিন' থকা ৰাস্তা পাৰ হওঁতে সদায় জেব্ৰা চিন আঁকা ঠাইৰ ওপৰেদি খোজ কাঢ়ি পাৰ হ'বা।
- ৰাতি টৰ্চ লাইট ব্যৱহাৰ কৰিবা।
- চাইকেল চলাওতে দুজন উঠি নাযাবা।

## ৰে'ল ক্ৰছিং পাৰ হওঁতে—

- ৰে'ল ক্ৰছিঙৰ বন্ধ গেট পাৰ হৈ যাত্ৰা নকৰিবা।
- ৰে'ল গাড়ীখন পাৰ হৈ নোযোৱালৈকে ৰে'লপথ পাৰ নহ'বা।
- ৰে'ল ক্ৰছিঙৰ দুয়োফালৰ গেট নদঙালৈকে ৰে'লপথ পাৰ নহ'বা।



## বাছত যাত্ৰা কৰোঁতে—

- বাছত সাৱধানে উঠিবা।
- যাত্ৰীৰ সংখ্যা বেছি হলে শাৰী পাতি উঠিবা।
- বাহিৰলৈ থু-খেঁকাৰ নেপেলাবা।
- বাছৰ পাওদানিত উঠি যাত্ৰা নকৰিবা।
- হাত-ভৰি বা মূৰ খিৰিকীৰে বাহিৰলৈ নুলিয়াবা।
- বাছখন সম্পূৰ্ণৰূপে ৰখাৰ পিছতহে উঠা-নমা কৰিবা।
- বাছৰ পৰা নামোতে দুয়োদিশ ভালদৰে চাই ল'বা।




**ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে শিশু, বৃদ্ধ বা শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।**








পানীয়েই জীৱৰ প্ৰাণ। পানী অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ। সেয়েহে, আমি সকলোৱে যথাযথভাৱে পানী ব্যৱহাৰ কৰা উচিত।





বৰষুণৰ পানী সংৰক্ষণ কৰিও আমি পানীৰ অভাৱ দূৰ কৰিব পাৰোঁ। আমি আমাৰ বিদ্যালয় আৰু ঘৰত বৰষুণৰ পানী সংৰক্ষণ কৰা উচিত।

পৰিয়ালৰ সদস্য, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াকো পানীৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে উৎসাহিত কৰোঁ আহা।



**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**